AS-01-4.2(A)

# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
# Institute of Distance and Open Learning Learning
# গুৱাহাটী বিশ্ববিদ্যালয়
# Gauhati University

**অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)**

**M. A. in Assamese (01)**

**পাঠ্যবিষয় ঃ ৪.২ (Course : 4.2)**

# সংস্কৃত সাহিত্য
# (Sanskrit Literature)

## বিষয়সূচী (Contents)


**পাঠ্যবিষয়ৰ পৰিচয়** (Course Introduction)

**প্ৰথম খণ্ড ঃ কাব্য (কালিদাসৰ 'ৰঘুবংশম্', প্ৰথম আৰু দ্বিতীয় সৰ্গ)**

প্ৰথম বিভাগ ঃ সংস্কৃত কাব্যসাহিত্য আৰু কালিদাস

দ্বিতীয় বিভাগ ঃ 'ৰঘুবংশম্' কাব্যৰ সাধাৰণ পৰিচয়

তৃতীয় বিভাগ ঃ 'ৰঘুবংশম্' কাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গ

**দ্বিতীয় খণ্ড ঃ নাটক (কালিদাসৰ 'অভিজ্ঞানশকুন্তলম্')**

প্ৰথম বিভাগ ঃ সংস্কৃত নাট্যসাহিত্য আৰু কালিদাস

দ্বিতীয় বিভাগ ঃ অভিজ্ঞান শকুন্তলম্‌ৰ সাধাৰণ পৰিচয়

তৃতীয় বিভাগ ঃ অভিজ্ঞানশকুন্তলম্‌ৰ পাঠগত পৰ্যালোচনা

**তৃতীয় খণ্ড ঃ প্ৰকৰণ (শূদ্ৰকৰ 'মৃচ্ছকটিকম্',(প্ৰথম - দশম অংক)**

প্ৰথম বিভাগ ঃ মৃচ্ছকটিকম্-ৰ সাধাৰণ পৰিচয়

দ্বিতীয় বিভাগ ঃ মৃচ্ছকটিকম্-ৰ ১ম -৫ম অঙ্কৰ পাঠগত পৰ্যালোচনা

তৃতীয় বিভাগ ঃ মৃচ্ছকটিকম্-ৰ ৬ষ্ঠ - ১০ম অঙ্কৰ পাঠগত পৰ্যালোচনা

## Contributor

**Block 1 :**

| | |
|---|---|
| Dr. Sudeshna Bhattacharjya | Dept. of Sanskrit, Gauhati University |

**Block 2 :**

| | |
|---|---|
| Dr. Jagadish Sarma | Dept. of Sanskrit, Gauhati University |

**Block 3 :**

| | |
|---|---|
| Dr. Indira Saikia Bora | Dept. of Sanskrit,<br>Pragjyotish College, Guwahati |

## Content Editing

| | |
|---|---|
| **Block 1 :** Dr. Jagadish Sarma | Dept. of Sanskrit, Gauhati University |
| **Block 2 :** Dr. Sudeshna Bhattacharjya | Dept. of Sanskrit, Gauhati University |
| **Block 3 :** Dr. Jagadish Sarma | Dept. of Sanskrit, Gauhati University |

## Format & Copy Editing

| | |
|---|---|
| Dr. Apurba Kr. Deka | Asstt. Professor<br>IDOL, Gauhati University |
| Bhaskarjit Borah | Part-time counsellor<br>IDOL, Gauhati University |

## Course Coordination

| | |
|---|---|
| Dr. Kandarpa Das | Director, IDOL, Gauhati University |
| Dr. Upen Rabha Hakacham | Department of Assamese<br>Gauhati University |
| Dr. Apurba Kr. Deka | Asst. Professor in Assamese<br>IDOL, Gauhati University |

## Cover Page Design

| | |
|---|---|
| Naba Kr. Choudhury | Department of Antropology<br>Gauhati University |

January, 2013

© Institute of Distance and Open Learning, Gauhati University. All rights reserved. No part of this work may be reproduced in any form, by mimeograph or any other means, without permission in writing from the Institute of Distance and Open Learning, Gauhati University. Further information about the Institute of Distance and Open Learning, Gauhati University courses may be obtained from the University's office at IDOL Building, Gauhati University, Guwahati-14. Published on behalf of the Institute of Distance and Open Learning, Gauhati University by Dr. Kandarpa Das, Director and printed at Asom Printers, Guwahati-3. Copies printed 2000.

**Acknowledgement**

The Institute of Distance and Open Learning, Gauhati University duly acknowledges the financial assistance from the Distance Education Council, IGNOU, New Delhi for preparation of this material.

## অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

অসমীয়া বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম চাৰিটা ষান্মাসিকত সম্পন্ন হ'ব। প্ৰত্যেকটো ষান্মাসিকত পাঁচোটাকৈ পাঠ্যবিষয় (Course) থাকিব। প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় আৰু তৃতীয় ষান্মাসিকৰ প্ৰথম চাৰিটা পাঠ্যবিষয় উমৈহতীয়া। সকলো বিদ্যাৰ্থীয়ে এই পাঠ্যবিষয়সমূহ অধ্যয়ন কৰিব লাগিব। । তৃতীয় ষান্মাসিকৰ পঞ্চম পাঠ্যবিষয়টো আৰু চতুৰ্থ ষান্মাসিকৰ আটাইকেইটা পাঠ্যবিষয় দুটা শাখাত বিভক্ত হ'ব — সাহিত্য শাখা (ক) আৰু ভাষা শাখা (খ)। বিদ্যাৰ্থীসকলে যিকোনো এটা শাখাৰ পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব।

সমগ্ৰ পাঠ্যক্ৰমৰ সৰ্বমুঠ নম্বৰ ঃ **১৬০০**। প্ৰতিটো পাঠ্যবিষয়ৰ বাবে মুঠ নম্বৰ থাকিবঃ **৮০**। পাঠ্যবিষয়সমূহৰ মূল্যায়ন দুই ধৰণে হ'ব - আভ্যন্তৰীণ আৰু মূল পৰীক্ষা। দুয়োটা শিতানত নম্বৰ থাকিব এনেধৰণে —

আভ্যন্তৰীণ ঃ **১৬** (মুঠ নম্বৰৰ ২০ শতাংশ)।
মূল পৰীক্ষা ঃ **৬৪** (মুঠ নম্বৰৰ ৮০ শতাংশ)।

মূল পৰীক্ষাত বৰ্ণনাধৰ্মী আৰু চমু প্ৰশ্ন অথবা চমু টোকা —এই দুই ধৰণৰ প্ৰশ্ন থাকিব। দুয়ো প্ৰকাৰৰ প্ৰশ্নৰ বাবে নম্বৰৰ গঠন তলত দিয়া ধৰণৰ ঃ

| | | |
|---|---|---|
| বৰ্ণনাধৰ্মী প্ৰশ্ন | ঃ | **৪৮।** |
| চমু প্ৰশ্ন / চমু টোকা | ঃ | **১৬।** |

এই পাঠ্যক্ৰমৰ মূল্যায়ন **'Credit and Grading System'** ৰে সম্পন্ন হ'ব। প্ৰতিটো পাঠ্যবিষয়ৰ **'Credit Point'** হ'ল ৮ ।

যান্মাসিক অনুসৰি এই পাঠ্যক্ৰম তলত দিয়া ধৰণৰ —

**প্ৰথম ষান্মাসিক**

**পাঠ্যবিষয়** ১.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদি আৰু মধ্যযুগ)

**পাঠ্যবিষয়** ১.২ অসমীয়া কবিতা

**পাঠ্যবিষয়** ১.৩ প্ৰাচ্য সাহিত্য সমালোচনা

**পাঠ্যবিষয়** ১.৪ অসমৰ সংস্কৃতি

**পাঠ্যবিষয়** ১.৫ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়

**দ্বিতীয় ষান্মাসিক**

**পাঠ্যবিষয়** ২.১ অসমীয়া সাহিত্যৰ বুৰঞ্জী (আধুনিক যুগ)

**পাঠ্যবিষয়** ২.২ অসমীয়া নাটক

**পাঠ্যবিষয়** ২.৩ পাশ্চাত্য সাহিত্য সমালোচনা

**পাঠ্যবিষয়** ২.৪ সাহিত্যৰ তত্ত্ব আৰু ধাৰা

**পাঠ্যবিষয়** ২.৫ সংস্কৃত সাহিত্যৰ বুৰঞ্জী

**তৃতীয় ষান্মাসিক**

**পাঠ্যবিষয়** ৩.১ অসমীয়া গদ্য

**পাঠ্যবিষয়** ৩.২ অসমীয়া উপন্যাস

**পাঠ্যবিষয়** ৩.৩ অসমীয়া চুটিগল্প

**পাঠ্যবিষয়** ৩.৪ লিপি আৰু পাঠ-সমীক্ষা

**পাঠ্যবিষয়** ৩.৫ (ক) তুলনাত্মক সাহিত্য আৰু অনুবাদ প্ৰসঙ্গ
৩.৫ (খ) ভাষাবিজ্ঞান আৰু ইয়াৰ অধ্যয়ন ক্ষেত্ৰ

**চতুৰ্থ ষান্মাসিক**

**পাঠ্যবিষয়** ৪.১ (ক) ভক্তি সাহিত্য
৪.১ (খ) মধ্যভাৰতীয় আৰ্যভাষাৰ পাঠ

**পাঠ্যবিষয়** ৪.২ (ক) সংস্কৃত সাহিত্য
৪.২ (খ) ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক ব্যাকৰণ

**পাঠ্যবিষয়** ৪.৩ (ক) পাশ্চাত্য সাহিত্য
৪.৩ (খ) অসমীয়া ভাষাৰ ঐতিহাসিক বিকাশ আৰু ইয়াৰ সাম্প্ৰতিক গাঁথনি

**পাঠ্যবিষয়** ৪.৪ (ক) ভাৰতীয় সাহিত্য অধ্যয়ন
৪.৪ (খ) সমাজ-ভাষাবিজ্ঞান, উপভাষা-বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা

**পাঠ্যবিষয়** ৪.৫ (ক) বিশেষ লিখকৰ নিৰ্বাচিত ৰচনা
৪.৫ (খ) অসমৰ তিব্বত-বৰ্মীয় ভাষা আৰু ভাষাতত্ত্ব

---

## পাঠ্যবিষয় ৪.২ (ক)
## সংস্কৃত সাহিত্য

**গোট ১ ঃ** **কাব্য**
কালিদাসৰ ‘ৰঘুবংশম্’ (প্ৰথম আৰু দ্বিতীয় সৰ্গ)

**গোট ২ ঃ** **নাটক**
কালিদাসৰ ‘অভিজ্ঞানশকুন্তলম্’

**গোট ৩ ঃ** **প্ৰকৰণ**
শূদ্ৰকৰ ‘মৃচ্ছকটিকম্’ (প্ৰথম - দশম অংক)

পাঠ্য বিষয়

## সংস্কৃত সাহিত্য

সাহিত্য-শাখাৰ এই কাকতখন হ'ল 'সংস্কৃত সাহিত্য'। কাকতখনৰ বিষয়বস্তু হ'ল সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ। কাকতখনত সংস্কৃত সাহিত্যৰ তিনিখন উল্লেখযোগ্য গ্ৰন্থ অন্তৰ্ভুক্ত কৰা হৈছে। মহাকবি কালিদাসৰ *ৰঘুবংশম্* আৰু *অভিজ্ঞানশকুন্তলম্* আৰু শূদ্ৰকৰ *মৃচ্ছকটিকম্*। তিনিটা খণ্ডত খণ্ডিত কৰি এই পাঠ্যক্ৰমক আলোচনা কৰা হৈছে—

**প্ৰথম খণ্ড ঃ কালিদাসৰ 'ৰঘুবংশম্'**

**দ্বিতীয় খণ্ড ঃ কালিদাসৰ 'অভিজ্ঞানশকুন্তলম্'**

**তৃতীয় খণ্ড ঃ শূদ্ৰকৰ 'মৃচ্ছকটিকম্'**

**প্ৰথম খণ্ড**টিত আলোচিত হৈছে মহাকবি কালিদাসৰ *ৰঘুবংশম্* কাব্যখন। সংস্কৃত কাব্য সাহিত্যত কালিদাসৰ স্থান নিৰূপণ কৰি *ৰঘুবংশম্* কাব্যৰ সাধাৰণ পৰিচয় আৰু প্ৰথম আৰু দ্বিতীয় সৰ্গৰ পাঠগত পৰ্যালোচনা এই খণ্ডটিত দাঙি ধৰা হৈছে।

**দ্বিতীয় খণ্ড**টিত কালিদাসৰ *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ আলোচনা আগবঢ়োৱা হৈছে। *অভিজ্ঞানশকুন্তলম্*-ৰ পাঠগত পৰ্যালোচনা এই খণ্ডটিৰ মূল বিষয়বস্তু। খণ্ডটিৰ আৰম্ভণিতে সংস্কৃত নাট্য সাহিত্যৰ পৰিচয় জ্ঞাপন কৰি কালিদাসৰ নাট্যকৃতি সম্পৰ্কে আলোচনা কৰা হৈছে।

**তৃতীয় খণ্ড**টিৰ আলোচনাত স্থান লাভ কৰিছে শূদ্ৰকৰ *মৃচ্ছকটিকম্* নামৰ প্ৰকৰণখনিয়ে। এই খণ্ডটিত আলোচিত শিতানসমূহ হ'ল সংস্কৃত প্ৰকৰণ সাহিত্য, শূদ্ৰকৰ পৰিচয়, সাহিত্য কৃতি আৰু *মৃচ্ছকটিকম্*-ৰ প্ৰথমৰ পৰা দশম অঙ্কলৈ পাঠগত পৰ্যালোচনা।

## প্ৰথম খণ্ড
# কালিদাসৰ 'ৰঘুবংশম্'

সংস্কৃত সাহিত্য শীৰ্ষক এই কাকতখনৰ এই প্ৰথম খণ্ডটিত সংস্কৃত সাহিত্যৰ এখনি মহৎ কাব্য কালিদাসৰ 'ৰঘুবংশম্' কাব্যখনিৰ বিষয়ে পৰ্যালোচনা আগবঢ়োৱা হ'ব। আলোচনাৰ প্ৰসংগত সংস্কৃত কাব্যসাহিত্যৰ এটি সাধাৰণ অভাসো অন্তৰ্ভুক্ত কৰা হৈছে। এই খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰি আলোচনা কৰা হৈছে —

**প্ৰথম বিভাগ ঃ সংস্কৃত কাব্যসাহিত্য আৰু কালিদাস**

**দ্বিতীয় বিভাগ ঃ 'ৰঘুবংশম্' কাব্যৰ সাধাৰণ পৰিচয়**

**তৃতীয় বিভাগ ঃ 'ৰঘুবংশম' কাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গ**

প্ৰথম বিভাগটিত সংস্কৃত কাব্য সাহিত্য আৰু কালিদাসৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা হৈছে। বিভাগটোত আলোচিত শিতানসমূহ হ'ল— সংস্কৃত কাব্যসাহিত্য, সংস্কৃত কাব্যসাহিত্যৰ বৈশিষ্ট্য, মহাকবি কালিদাসৰ পৰিচয়, কালিদাসৰ কাব্য, কালিদাসৰ কাব্যৰ বৈশিষ্ট্য আৰু সংস্কৃত কাব্যসাহিত্যত কালিদাসৰ স্থান।

দ্বিতীয় বিভাগটিৰ বিষয়বস্তু হ'ল *ৰঘুবংশম্* কাব্যখনিৰ সাধাৰণ পৰিচয়। বিভাগটিত মহাকাব্য হিচাপে *ৰঘুবংশম্* , *ৰঘুবংশম্* কাব্যৰ বিষয়বস্তু, শিৰোনামৰ তাৎপৰ্য্য, *ৰঘুবংশম্* কাব্যৰ মূল আৰু মৌলিকতা আৰু মহাকবি কালিদাসৰ কাব্যৰীতি আদি শিতানসমূহ আলোচিত হৈছে।

তৃতীয় বিভাগৰ আলোচনাত কাব্যখনিৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ পাঠগত পৰ্যালোচনাই স্থান পাইছে। বিভাগটিৰ আলোচনাত সামৰি লোৱা দিশসমূহ হ'ল — সৰ্গ দুটাত থকা বিষয়বস্তুৰ বিস্তৃত আলোচনা, সৰ্গ দুটাত প্ৰতিফলিত হোৱা চৰিত্ৰসমূহ, প্ৰকৃতি বৰ্ণনা আৰু সাহিত্যিক সমীক্ষা।

## প্ৰথম বিভাগ
# সংস্কৃত কাব্যসাহিত্য আৰু কালিদাস

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ সংস্কৃত কাব্যসাহিত্য
১.৪ সংস্কৃত কাব্যসাহিত্যৰ বৈশিষ্ট্য
১.৫ মহাকবি কালিদাসৰ পৰিচয়
১.৬ কালিদাসৰ কাব্য
১.৭ কালিদাসৰ কাব্যৰ বৈশিষ্ট্য
১.৮ সংস্কৃত কাব্যসাহিত্যত কালিদাসৰ স্থান
১.৯ সাৰাংশ (Summing Up)
১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

সমগ্ৰ বিশ্ব কাব্যসাহিত্যৰ ভিতৰত সংস্কৃতকাব্যসাহিত্যই এক বিশেষ স্থান অধিকাৰ কৰি আছে। শব্দ আৰু অৰ্থৰ সহাবস্থানৰ জৰিয়তে যি নান্দনিক সৃষ্টি লিখকৰ লেখনিৰপৰা নিৰ্গত হয় — সেইটোৱেই হ'ল সাহিত্য। সহিতস্য ভাবঃ সাহিত্যম্ —এই ব্যুৎপত্তি অনুসৰি শব্দ আৰু অৰ্থ একেলগে থকাৰ ভাবটোকেই সাহিত্য বুলি কোৱা হয়। অৰ্থাৎ সাহিত্যত শব্দ আৰু অৰ্থই নিজৰ নিজৰ ভূমিকা পালনৰ মাজেৰে সহাৱস্থান কৰে। শব্দৰ শক্তিৰে গঠিত হয় সাহিত্যৰ বাহ্যিক ৰূপ আৰু অৰ্থৰ পৰিকল্পনাৰে সৃষ্টি হয় সাহিত্যৰ আভ্যন্তৰীণ আবেদন। এই সাহিত্যই গল্প, কবিতা, প্ৰবন্ধ আদি বিভিন্ন ৰূপত স্বকীয় আকৰ্ষণ প্ৰকাশ কৰে। শব্দৰ মূৰ্ছনা আৰু অৰ্থৰ ব্যঞ্জনাই সৃষ্টি কৰে সাহিত্যৰ প্ৰাণস্পন্দন। বাস্তৱ জগতত থাকিও বাস্তৱৰ পৰা ফালৰি কাটি কল্পনাৰ আধাৰত লিখকে ৰস-ধ্বনি-অলংকাৰেৰে সমৃদ্ধ কৰি সৃষ্টি কৰে সাহিত্যজগত। ইয়াত থকা চিনাকি শব্দ এটাও হ'ব পাৰে বিশাল অৰ্থৰ উপস্থাপক। গ্ৰন্থকাৰে নিজৰ প্ৰতিভা শক্তিৰ বলেৰে এক অভিনব জগতৰ সৃষ্টি কৰে সাহিত্যৰ জৰিয়তে।

এই সাহিত্যৰে এটা উল্লেখনীয় ধাৰা হ'ল কাব্য বা কবিতা। কবিতাৰ আকৃতিত শব্দ আৰু অৰ্থৰ বিশেষ উপস্থাপন পদ্ধতিৰেই পাৰিভাষিক নাম হ'ল কাব্যসাহিত্য। কবিতা মানুহৰ অতি আপোন। ইয়াত থকা তাল-ছন্দ-লয়ে অতি সোনকালে মানুহৰ হৃদয় জিনি ল'ব পাৰে - পাঠকক দিব পাৰে এক অভূতপূৰ্ব আনন্দৰ অনুভূতি —সেইকাৰণে সাহিত্যৰ বিভিন্ন ৰূপৰ ভিতৰত কাব্যৰ এক বিশেষ মৰ্যাদা থকা দেখিবলৈ পোৱা যায়। কাব্য সাহিত্যৰ সাৰ্বজনীন আবেদনে ইয়াক কৰি তুলিছে অমূল্য আৰু অতুলনীয়। গোটেই বিশ্বৰ সাহিত্য জগতত পণ্ডিতসকলে কৰা সমীক্ষাৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে, সাহিত্যৰ ভিতৰত কাব্য বা কবিতাৰ আবেদন আটাইতকৈ বেছি। ইয়াৰ এটি প্ৰধান কাম হ'ল কবিতাৰ ছন্দ। এটা ছন্দই নিজা মহিমাৰে কাব্যৰ সৌন্দৰ্য্যক তথা আকৰ্ষণক দ্বিগুণিত কৰিব পাৰে। ছন্দৰ তাল আৰু লয়ৰ লগত যেতিয়া কবিকল্প অনুপম বৰ্ণনা যুক্ত হয় তেতিয়া স্বতঃস্ফূৰ্তভাৱে এক নান্দনিক পৰিৱেশৰ

সৃষ্টি হয়। ছন্দৰ প্ৰতি প্ৰবৃত্তিগত আকৰ্ষণ থকা মানৱ হৃদয়ত সেইকাৰণে স্বাভাৱিকতে কবিতা বা কাব্যই গভীৰ চাপ পেলাবলৈ সক্ষম হয়। অমৃতনিঃস্যন্দি সংস্কৃত ভাষাৰ কাব্য সাহিত্যও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। এই বিভাগটিত সংস্কৃত কাব্য সাহিত্য আৰু এই জগতৰ উজ্জ্বল ৰত্নস্বৰূপ মহাকবি কালিদাসৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰি আপুনি —

- সংস্কৃত কাব্যসাহিত্য আৰু ইয়াৰ বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব;
- মহাকবি কালিদাসৰ বিষয়ে অৱগত হ'ব;
- কালিদাসৰ কাব্য আৰু ইয়াৰ বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব; আৰু
- সংস্কৃত কাব্যসাহিত্যত কালিদাসৰ স্থানৰ বিষয়ে অৱগত হ'ব।

## ১.৩ সংস্কৃত কাব্যসাহিত্য

ভাৰতীয় বাঙ্ময় প্ৰতিভূ স্বৰূপ সংস্কৃত ভাষাত সৃষ্টি হোৱা সাহিত্য জগতখনৰ পৰিসৰ অতি বিস্তৃত। এই সুবিশাল ক্ষেত্ৰখনৰ বহুখিনি ঠাই জুৰি আছে অনুপম ৰত্নখোচিত কাব্য জগতে। গতিকে সংস্কৃত কাব্যসাহিত্যৰ পৰিধিও অতি বিশাল ৰূপে প্ৰতিভাত হয়। এইখিনিতে সংস্কৃত ভাষাত ব্যৱহাৰ হোৱা কাব্যপদটোৰ অৰ্থবিশ্লেষণ অতি প্ৰয়োজনীয়। আলঙ্কৰিক বিশ্বনাথ কবিৰাজে তেওঁৰ সাহিত্যদৰ্পণৰ প্ৰথম পৰিচ্ছেদত কাব্যৰ স্বৰূপ এনেদৰে দাঙি ধৰিছে - *বাক্যং ৰসাত্মকং কাব্যম্* । ইয়াৰ অৰ্থ হ'ল ৰসাত্মক বাক্যই কাব্য। অৰ্থাৎ যি বাক্যৰ আত্মা হ'ল ৰস অথবা যি বাক্যত ৰস প্ৰধান হিচাপে থাকে সেইটোৱেই হ'ল কাব্য। এই লক্ষণ বিশ্লেষণ কৰিলে দেখা যায় যে সংস্কৃত ভাষাত বাক্যৰ দুটা ৰূপ স্বীকাৰ কৰি লোৱা হৈছে — এটা হ'ল বাহ্যিক ৰূপ আৰু আনটো হ'ল আভ্যন্তৰীণ ৰূপ। কাব্যৰ বাহ্যিক বা পৰিদৃশ্যমান ৰূপত থাকে শব্দাৰ্থ আৰু কাব্যৰ আভ্যন্তৰীণ ৰূপত থাকে ইয়াৰ ৰস। এই ৰসেই হ'ল কাব্যৰ প্ৰাণ। মানুহৰ দেহত যেনেদৰে আত্মাই চৈতন্যৰ মূল হিচাপে থাকি জীৱন দান কৰে সেইদৰে শব্দাৰ্থৰ ভিতৰত অদৃশ্য ৰূপত থকা ৰসেই কাব্যৰ জীৱনধাৰা ৰূপে চিহ্নিত হয়। কাব্যৰ এই স্বৰূপ অনুসৰি কবিৰ যিকোনো সৃষ্টিকেই কাব্য বুলি অভিহিত কৰা যায়। গতিকে সংস্কৃতত কাব্যপদটোৰ দ্বাৰা গদ্য, নাটক, চম্পূ আদি সকলোধৰণৰ ৰচনাকেই বুজায়। একেদৰে কবিপদটোৱে গল্পকাৰ, নাট্যকাৰ আদি সকলোকে সামৰি লয়। অসমীয়া অথবা ইংৰাজী আদি ভাষাত কবিতা লিখাজনেই কবি অথবা poet, গদ্যলিখাজন হ'ল গদ্যকাৰ বা prose-writer, নাটক লিখাজনে হ'ল নাট্যকাৰ বা dramatist। কিন্তু সংস্কৃতত গদ্য, পদ্য, নাটক আদি সকলোধৰণৰ সৃষ্টিৰ কৰ্তাকেই কবি বুলি অভিহিত কৰা হয়। এই নিয়ম অনুসৰি *কাদম্বৰী, হৰ্ষচৰিত*ৰ নিচিনা কালজয়ী গদ্যসাহিত্যৰ ৰচক বাণভট্টও কবি, *মৃচ্ছকটিক* ৰ নিচিনা প্ৰকৰণৰ ৰচয়িতা শূদ্ৰকও কবি তথা *ৰঘুবংশ, কুমাৰসম্ভৱ* আদি মহাকাব্যৰ ৰচয়িতা কালিদাসেও সংস্কৃত ভাষাৰ মহাকবি হিচাপে জনাজাত হৈছে। সংস্কৃত কাব্যসাহিত্যৰ আৰম্ভনি কেতিয়াৰ পৰা হৈছিল সেই বিষয়ে সঠিক ধাৰণা দিব পৰা নগলেও কোৱা যায় যে বৈদিক যুগত সৃষ্টি হোৱা বহুতো মন্ত্ৰৰ ভিতৰতেই কাব্যৰ ধাৰণা নিহিত হৈ আছিল। ইয়াৰ উদাহৰণ হিচাপে আমি *পুৰুৰবা - উৰ্বশী-সংবাদ, যম-যমী সংবাদ* আদি সংবাদসূক্তবোৰৰ কথা উল্লেখ কৰিব পাৰো। এই সূক্তবোৰত থকা কাব্যধৰ্মিতাই পৰৱৰ্তীকালৰ বহুতো কবিৰ কাব্যজগতৰ পাথেয় হৈ উঠিছে। কিন্তু এই কথা সৰ্বজনস্বীকাৰ্য যে প্ৰকৃত অৰ্থত মহাকাব্যৰ ধাৰণা জন্মে বাল্মীকিৰ ৰামায়ণৰ পৰা। সঙ্গমৰত দুটা ক্ৰৌঞ্চ চৰাইৰ ভিতৰত ব্যাধৰ

নিৰ্মম শৰৰ আঘাতত এটাৰ মৃত্যু হোৱা কাৰণে আনটোৰ যি কৰুণ বিলাপ বাল্মীকিয়ে শুনিছিল- তাৰে আঘাতত মুনিৰ হৃদয়ৰ অন্তস্থলত থকা শোকসমূহ শ্লোকৰ আকাৰত বহিৰ্গত হৈ অমূল্য ৰামায়ণ কাব্য সৃষ্টি কৰিছিল বুলি জনা যায়। বাল্মীকিৰ মুখৰ পৰা ওলোৱা সেই অনুপম শ্লোকটো হ'ল—

*মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।*
*যৎক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতম্।।*

ৰূপ-ৰস-ধ্বনি অলঙ্কাৰেৰে পৰিপূৰ্ণ এইখন ৰামায়ণেই পৃথিবীৰ ভিতৰতে সৃষ্টি হোৱা প্ৰথম মহাকাব্য যাৰবাবে এই মহামূল্যবান গ্ৰন্থখনক 'আদিকাব্য' আৰু বাল্মীকিক 'আদিকবি' বুলি আখ্যা দিয়া হৈছে। এই মহামূল্যৱান গ্ৰন্থখনত বিষয়বস্তুৰ বিশালতা, চৰিত্ৰ-চিত্ৰণৰ গাম্ভীৰ্য, ৰূপকল্পৰ গভীৰতা, ৰসৰ সাৱলীলতা, অলঙ্কাৰৰ সুসংবদ্ধ প্ৰয়োগ, ধ্বনিৰ সুনিপুন ব্যৱহাৰ, কবিসময়ৰ সাৰ্থক সংস্থাপন আৰু বৰ্ণনাৰ মাহাত্ম্যই অবিসম্বাদিতভাৱেই এইখন বিশ্বৰ প্ৰথম মহাকাব্যৰূপে স্বীকৃত হৈছে। এই কাব্যখন সকলোৰে বাবে 'অভ্যৰ্হিত' বা পূজনীয় আৰু সংস্কৃতত যিটো পূজনীয় সেইটোকেই প্ৰথম বা আদি বুলি কোৱাৰ পৰম্পৰা অনুসৰণ কৰা হয়। সেই দৃষ্টিভঙ্গীত ৰামায়ণক অতি সহজেই আদিকাব্য বুলি অভিহিত কৰা যায় আৰু একে কাৰণতেই কাব্যৰ ৰচয়িতা বাল্মীকিক আদিকবি ৰূপে আখ্যা দিয়া হয়। ৰামায়ণৰ পিছতেই আহে মহাভাৰতৰ স্থান। যুদ্ধৰ পটভূমিকাত ৰচিত হ'লেও এই মহাকাব্যখনৰ গুণগত মান যথেষ্ট উচ্চখাপৰ। পিছৰ যুগৰ কবিসকলৰ ৰচনাত ৰামায়ণ আৰু মহাভাৰতৰ প্ৰভাৱ অপৰিসীম। ৰামায়ণ আৰু মহাভাৰতৰ যোগেদি সংস্কৃত ভাষাত ৰচনা কৰা কাব্যসাহিত্যৰ যি ধাৰা প্ৰৱাহমান হ'ল - তাৰ গতি এতিয়াও অব্যাহত হৈ আছে। বিভিন্ন সময়ত বহুতো কবিয়ে নিজৰ নিজৰ প্ৰতিভাৰ বলত নতুন নতুন কাব্যসৃষ্টিৰ মাজেদি সংস্কৃত কাব্যসাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। সেইকাৰণে ভাৰতীয় সাহিত্যৰ আৰাধনাত নিৰত বিদ্যাৰ্থীৰ ওচৰত সংস্কৃত কাব্যসাহিত্যৰ জগতখন সঁচাকৈয়ে প্ৰবল আকৰ্ষণৰ এটি কেন্দ্ৰবিন্দু।

**অগ্ৰগতিৰ নিৰীক্ষণ**

১) সংস্কৃত 'কাব্য' আৰু ইংৰাজী 'poetry' ৰ মাজত পাৰ্থক্য কি?

.................................................................................

.................................................................................

২) ৰামায়ণ সৃষ্টিৰ পটভূমি কি আছিল?

.................................................................................

.................................................................................

৩) মহামুনি বাল্মীকিক কিয় আদিকবি আৰু ৰামায়ণক কিয় আদিকাব্য বুলি কোৱা হয়?

.................................................................................

.................................................................................

## ১.৪ সংস্কৃত কাব্যসাহিত্যৰ বৈশিষ্ট্য

সংস্কৃত কাব্যসাহিত্যৰ কিছুমান সুকীয়া বৈশিষ্ট্য আছে যাৰ কাৰণে সমগ্ৰ বিশ্বতেই সংস্কৃত কাব্য সাহিত্যই এক বিশেষ স্থান অধিকাৰ কৰি আছে। আগতে কৈ অহাৰ দৰে সংস্কৃত

কাব্যত ৰসকেই আত্মা হিচাপে স্বীকাৰ কৰা হয়। আত্মাৰ অস্তিত্বই যেনেকৈ চৈতন্যৰ কাৰণ ঠিক সেইদৰে ৰসৰ অস্তিত্বই কাব্যত্বৰ সাধক হয়। ইয়াতে মনকৰিবলগীয়া কথাটো হ'ল— শব্দ আৰু অৰ্থক কাব্যৰ শৰীৰৰূপে কল্পনা কৰা হয়। কোৱা হৈছে 'শব্দাৰ্থশৰীৰং তাবৎ কাব্যম্' (ধ্বন্যালোক ঃ ১ম উঃ)। মানুহৰ শৌৰ্য-বীৰ্য আদি গুণৰ দৰে কাব্যত থকা ৰসৰ উৎকৰ্য বিধান কৰা স্থিৰ ধৰ্মবোৰেই হ'ল কাব্য গুণ। *সাহিত্যদৰ্পণ*-ৰ অষ্টম পৰিচ্ছেদত বিশ্বনাথ কবিৰাজে গুণৰ লক্ষণ এনেদৰে দাঙি ধৰিছে- *'ৰসস্যাঙ্গিত্বমাপ্তস্য ধৰ্ম্মা: শৌৰ্যাদয়ো যথা গুনাঃ'* । মাধুৰ্য, ওজঃ আদি কাব্যগুণবোৰে কাব্যত থকা ৰসৰ উৎকৰ্ষ সাধন কৰে। সংস্কৃতকাব্যত ৰীতিৰ এক বিশেষ স্থান আছে। যদিও ৰীতি শব্দটোৱে সাধাৰণ অৰ্থত কাব্যৰচনাৰ ৰীতিক বুজায় কিন্তু সংস্কৃতত ৰীতি শব্দটোৰে এটি পৰিভাষিক অৰ্থ বহন কৰে। মানুহৰ শৰীৰত সঠিক স্থানত হাত-ভৰিৰ সংযোগৰ নিচিনাকৈ কাব্যত থকা পদসমূহৰ সঠিক অৱস্থানকেই ৰীতি আখ্যা দিয়া হয়। পাঞ্চালী, গৌড়ী আদি ৰীতিসমূহে কাব্যত থকা ৰসৰ উৎকৰ্ষ সাধন কৰে। বিশ্বনাথ কবিৰাজৰ মতে — *'পদসঙ্ঘটনা ৰীতিৰঙ্গসংস্থাবিশেষবৎ। উপকৰ্ত্ৰী ৰসাদীনাম্'* । (*সাহিত্যদৰ্পণ* ৯ম পৰিচ্ছেদ)। সংস্কৃত কাব্যজগতত অলঙ্কাৰৰ (figure of speech) এটা বৈশিষ্ট্যপূৰ্ণ স্থান আছে। অলংকাৰ কাব্যৰ আবিচ্ছেদ্য অঙ্গ নহলেও ইয়াৰ উপস্থিতিয়ে কাব্যৰ উৎকৰ্যসাধন কৰে। মানুহৰ দেহত সংস্থাপিত খাৰু, মালাৰ নিচিনাকৈ কাব্যত নিবিষ্ট উপমা, ৰূপক, যমক আদি অলঙ্কাৰে কাব্যৰ শোভা বৰ্দ্ধন কৰে, ফলস্বৰূপে কাব্যৰ আত্মৰূপী ৰসে উৎকৰ্যতা লাভ কৰে। কবিৰাজ বিশ্বনাথৰ ভাষাত অলংকাৰৰ লক্ষণ হ'ল *'শব্দাৰ্থয়োৰস্থিৰা যে ধৰ্ম্মাঃ শোভাতিশায়িনঃ। ৰসাদীনুপকুৰ্ব্বন্তো ঽ লঙ্কাৰাস্তেঙ্গদাদিবৎ* (*সাহিত্যদৰ্পণ* ১০ম পৰিচ্ছেদ)। সংস্কৃত কাব্যসাহিত্যত গুণ, অলঙ্কাৰ আৰু ৰীতিক ৰসৰ উৎকৰ্ষহেতু বুলি কোৱা হয় কাৰণ কাব্যৰ এই তিনিটা উপাদানেই ৰসৰ শ্ৰীবৃদ্ধিৰ মাধ্যমেৰে কবিকৰ্মৰ নান্দনিক শোভাবৰ্দ্ধন কৰি কাব্যক কৰি তোলে অনন্য সাধাৰণ। সংস্কৃত কাব্যসাহিত্যক প্ৰধানভাৱে ৰসৰ শ্ৰী বৃদ্ধিৰ মাধ্যমেৰে দুটা ভাগত ভগোৱা হৈছে। ইয়াৰ এটা হৈছে শ্ৰব্য (পাঠ্য) আৰু আনটো হ'ল দৃশ্য। যিবোৰ কাব্য কাণেৰে শুনা হয় বা পাঠ কৰা হয় আৰু চকুৰে উপভোগ কৰা হয়। সেইবোৰ শ্ৰব্যকাব্য। যেনে মহাকাব্য, খণ্ডকাব্য। আনফালে যিবোৰ কাব্য মঞ্চস্থ কৰাৰ কাৰণে ৰচনা কৰা হয় আৰু চকুৰে উপভোগ কৰা হয় সেইবোৰক দৃশ্যকাব্য বুলি কোৱা হয়। নাটক, প্ৰকৰণ আদি কাব্যবোৰ এই ভাগৰে অন্তৰ্ভুক্ত। দৃশ্যকাব্যত এজনৰ চৰিত্ৰত বেলেগৰ ৰূপ আৰু কাৰ্য আৰোপিত হয় কাৰণে ইয়াক সাধাৰণভাৱে ৰূপক বুলিও আখ্যা দিয়া হয়। ৰূপকৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে — *তদ্ৰূপাৰো পাণ্ডু ৰূপকম্*।। অৰ্থাৎ বেলেগৰ ৰূপ আৰোপ কৰা কাৰণেই এই কাব্যক ৰূপক বুলি কোৱা হয়। আলঙ্কৰিকসকলে শ্ৰব্যকাব্যক দুটা ভাগত বিভক্ত কৰিছে। সেইবোৰ হ'ল গদ্য আৰু পদ্য। যিবোৰ শ্ৰব্যকাব্য গদ্যৰ আকৃতিত লিখা হয় সেইবোৰ হ'ল গদ্যকাব্য। যেনে — বাণভট্টৰ *কাদম্বৰী* আৰু *হৰ্যচৰিত*, দণ্ডীৰ *দশকুমাৰচৰিত*, সুবন্ধুৰ *বাসৱদত্তা*। আনফালে যিবোৰ শ্ৰব্যকাব্য পদ্যৰ আকৃতিত ৰচনা কৰা হয় সেইবোৰকে পদ্যকাব্য বুলি অভিহিত কৰা হয়। মহাকাব্য, খণ্ডকাব্য আদি ৰচনাবোৰ পদ্যকাব্যৰ অন্তৰ্ভুক্ত। সংস্কৃত কাব্যসাহিত্যৰ বিশাল জগতত গদ্যকাব্য আৰু পদ্যকাব্যৰ উপৰি এবিধ মিশ্ৰকাব্য পোৱা যায়। গদ্য আৰু পদ্য উভয়শৈলীৰে উপস্থাপন কৰা এইবিধ কাব্যক চম্পূকাব্য বুলি কোৱা হয়। ইয়াৰ উদাহৰণ হিচাপে ত্ৰিবিক্ৰমভট্টৰ *নলচম্পূ* কাব্যখনৰ কথা ক'ব পাৰি। সংস্কৃত কাব্যৰ এটা বিশেষ ৰীতি হ'ল ই সদায় মঙ্গলবাচক বাক্যেৰে অথবা পদেৰে আৰম্ভ হয়। মঙ্গলবাচক শব্দেৰে বা শ্লোকেৰে আৰম্ভ কৰিলে সকলো বাধা-বিঘিনিৰ পৰা পৰিত্ৰাণ পোৱা যায় এই বিশ্বাসেৰে কবিয়ে কাব্যৰ আৰম্ভনিতে মঙ্গলবাচক বাক্য সন্নিবিষ্ট কৰে। সংস্কৃত কাব্যত এটা মুখ্য ৰস থাকে যাক অঙ্গীৰস বুলি কোৱা হয় আৰু আন কিছুমান ৰস ইয়াত অঙ্গ

হিচাপে মুখ্য বা প্ৰধানৰসৰ সহায়ক হয়। যেনে মহাকবি কালিদাসৰ *অভিজ্ঞানশকুন্তলম্* নাটকখনত প্ৰধান হিচাপে আছে শৃঙ্গাৰ ৰস কিন্তু হাস্য, কৰুণ আদি ৰসে ইয়াত শৃঙ্গাৰ ৰসৰ সহায়কাৰী হিচাপে থকা দেখা যায়। কাব্যত প্ৰধান চৰিত্ৰ হিচাপে সাধাৰণতে নায়ক-নায়িকাক পোৱা যায় আৰু ইয়াৰ উপৰিও কিছুমান পাৰ্শ্বচৰিত্ৰৰ সন্নিবেশ ঘটে। মহাকাব্যৰ ক্ষেত্ৰত, আধ্যায়বোৰক 'সৰ্গ' বুলি কোৱা হয় আৰু ইয়াত থকা নায়কজন বীৰ পুৰুষ হ'ব লাগে। সাহিত্যদৰ্পণত কোৱা হৈছে *'সৰ্গবন্ধো মহাকাব্যং তত্ৰৈকঃ নায়কঃ শূৰঃ'* (৬ষ্ঠ পৰিচ্ছেদ)। মহাকাব্যৰ সৰ্গবোৰত এটা এটা ছন্দ প্ৰধানকৈ ব্যৱহাৰ কৰা হয় আৰু সৰ্গৰ শেষৰফালে ছন্দ পৰিৱৰ্তন কৰি বেলেগ ছন্দৰ অৱতাৰণা কৰা হয়। সংস্কৃত কাব্যসাহিত্যত প্ৰকৃতি বৰ্ণনাৰ এক বিশেষ স্থান দেখিবলৈ পোৱা যায়। প্ৰাকৃতিক বস্তুবোৰত মানবীয় ব্যৱহাৰ অৰ্পণ কৰি কবিসকলে নিজা নিজা সৃষ্টিত অনুপম অভিনৱত্ব প্ৰণয়ন কৰা পৰিলক্ষিত হয়। এইসকল বৈশিষ্ট্যৰ বাবে সংস্কৃত কাব্যসাহিত্যই বৰ্তমানযুগতো স্বকীয়তা বাহাল ৰাখিবলৈ সমৰ্থ হৈছে।

**অগ্ৰগতিৰ নিৰীক্ষণ**

১) সংস্কৃত কাব্যত আত্মা বুলিলে কিহক বুজায়?

..............................................................................

..............................................................................

২) সংস্কৃত মহাকাব্যত ছন্দ ব্যৱহাৰৰ নিয়ম কি?

..............................................................................

..............................................................................

### ১.৫ মহাকবি কালিদাসৰ পৰিচয়

সমগ্ৰ ভাৰতীয় সাহিত্যৰ বিশাল পৰিধিত মহাকবি কালিদাসৰ নাম অত্যধিক উজ্বলতাৰ সৈতে চিৰ-যুগমীয়া হৈ আছে। মহাকাব্য, নাটক, খণ্ডকাব্য — এই সকলোধৰণৰ ৰচনাতেই এইজন কবি স্বতন্ত্ৰতাৰ পৰিচয় দি সমগ্ৰ সাহিত্যকোশৰ ধ্ৰুৱতৰাৰূপে সমাজত এক সুকীয়া আসনৰ গৰাকী হৈছে। কিন্তু অতি দুখৰ বিষয় হ'ল যে বৰ্তমানলৈকে এই মহাকবিজনাৰ ব্যক্তিগত পৰিচয় কতো সঠিকভাবে পোৱা নাযায়। বিভিন্ন দেশৰ পণ্ডিতসকলে বিভিন্ন সময়ত মহাকবিৰ জীৱন-বৃত্তান্তৰ বিষয়ে গৱেষণা কৰি অনুমানৰ আধাৰত কিছুমান সিদ্ধান্তত উপনীত হৈছে। ইয়াৰে কিছুমান সাহিত্য জগতত স্বীকৃত হৈছে, কিছুমানক আকৌ কল্পনাশ্ৰয়ী হিচাপে প্ৰত্যাখ্যান কৰা হৈছে বিদ্বৎ সমাজত। লোককথা অনুসৰি এইজনা মহাকবিয়ে জীৱনৰ প্ৰাৰম্ভত অত্যন্ত মূৰ্খ আছিল। কিছুমান পণ্ডিতে তেওঁক বিদ্বান বুলি পৰিচয় দি এজনী বিদুষী ৰাজকুমাৰীৰ লগত বিয়া দিলে কিন্তু বিয়াৰ প্ৰথম দিনাই ৰাজকুমাৰীয়ে কালিদাসৰ অজ্ঞতাৰ কথা জানি তেওঁক ঘৰৰ পৰা বহিষ্কাৰ কৰে। দেৱীৰ আশিষধন্য হৈ পৰৱৰ্তী সময়ত মহাজ্ঞানী, বিদ্বান, মহাকবি হিচাপে সমাজত প্ৰতিষ্ঠা লাভ কৰে। কিছুমান পণ্ডিতে কালিদাসক ৰজা বিক্ৰমাদিত্যৰ ৰাজসমাজত থকা প্ৰতিষ্ঠিত 'নৱৰত্ন'ৰ এজন হিচাপে গ্ৰহণ কৰিছে। সংস্কৃত ভাষাত প্ৰচলিত এটি শ্লোকে এই কথাটোক প্ৰতিষ্ঠিত কৰাত সহায় কৰিছে ।

*ধন্বন্তৰি-ক্ষপৰ্ণকামৰসিংহশংকু-বেতালভট্ট-ঘটকৰ্পৰ-কালিদাসাঃ*
*খ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি বৈ বৰৰুচিৰ্নব বিক্ৰমস্য।।*

(জ্যোতিৰ্বিদ্যাভৰণ)

তদুপৰি মহাকবিয়ে ৰচনা কৰা বিক্ৰমোৰ্বশীয়ম্ নাটকখনত ৰজা বিক্ৰমাদিত্যৰ প্ৰতি থকা মহাকবি কালিদাসৰ অনুৰাগৰ উমান কৰিব পাৰি। এই বিশ্বাসৰ ভিত্তিত কালিদাসক ৰজা বিক্ৰমাদিত্যৰ সভাকবি হিচাপে কল্পনা কৰিব পাৰিলেও এইজন ৰজাৰ সময় নিৰ্দ্ধাৰণ কৰা নাযায়। ফলস্বৰূপে মহাকবি কালিদাসৰ সময়ৰ বিবেচন-প্ৰক্ৰিয়াটোও অমীমাংসিত হিচাপে থাকি যায়। ড° কীথৰ মতে মহাকবি কালিদাস গুপ্তবংশীয় ৰজা বিক্ৰমাদিত্য দ্বিতীয় চন্দ্ৰগুপ্তৰ সমকালীন। ভি. ভি. মিৰাচি আদি বৰ্তমানকালীন পণ্ডিতসকলেও মহাকবি কালিদাসক গুপ্তযুগৰ কবি ক'ব খোজে। তদুপৰি সময়ৰ দৰে মহাকবিৰ জন্মস্থান লৈও পণ্ডিতসকলৰ মাজত মত পাৰ্থক্য লক্ষ্য কৰা যায়। কিছুমান বঙ্গদেশীয় পণ্ডিতে তেওঁৰ জন্মস্থান বঙ্গদেশ বুলি প্ৰতিষ্ঠিত কৰিব বিচাৰে। কিছুমান পণ্ডিতে আকৌ তেওঁক কাশ্মীৰৰ কবি বুলি স্থিৰ কৰিবৰ বাবে যুক্তি দিছে। পিটাৰচন আদি পণ্ডিতে কালিদাসক বিদৰ্ভ দেশৰ কবি বুলি কয়। কালিদাসৰ বিভিন্ন কাব্যত উজ্জয়িনী প্ৰদেশৰ অনুপম বৰ্ণনা লক্ষ্য কৰি বহুতো পণ্ডিতে তেওঁৰ বাসস্থান উজ্জয়িনী বুলি সিদ্ধান্ত লৈছে। মহাকবিয়ে ৰচনা কৰা বিভিন্ন কাব্যত থকা দেবাদিদেৱ শিৱৰ মাহাত্ম্যসংকীৰ্তনৰ কথা স্মৰণ কৰি বহুতো পণ্ডিতে মহাকবি কালিদাসক শৈৱ বুলি ক'ব খোজে। কিন্তু এই আটাইবোৰ সিদ্ধান্তই অনুমান নিৰ্ভৰ। উপযুক্ত প্ৰমাণৰ অভাৱত আজিলৈকে কালিদাসৰ ব্যক্তিগত পৰিচয়ৰ বিষয়টো অমীমাংসিত হৈ আছে কিন্তু এই বিষয়ত বিভিনধৰণৰ গৱেষণামূলক কাম অদ্যাৱধি চলি আছে।

**অগ্ৰগতিৰ নিৰীক্ষণ**

১) মহাকবি কালিদাসৰ ব্যক্তিজীৱনৰ বিষয়ে কি জানে লিখক।

.................................................................

.................................................................

২) মহাকবি কালিদাসক ৰজা বিক্ৰমাদিত্যৰ মহাকবি বুলি কোৱাৰ যুক্তিযুক্ততা কি?

.................................................................

.................................................................

## ১.৬ কালিদাসৰ কাব্য

কালিদাসৰ কাব্যক তিনিটা ভাগত ভগাব পাৰি। যেনে — মহাকাব্য, খণ্ডকাব্য বা গীতিকাব্য আৰু নাটক। মহাকবি কালিদাসৰ দুখন মহাকাব্য হ'ল — *ৰঘুবংশম্* আৰু *কুমাৰসম্ভৱম্*। খণ্ডকাব্য আৰু গীতিকাব্য শ্ৰেণীত পৰিছে মহাকবি কালিদাসৰ *মেঘদূতম্* আৰু *ঋতুসংহাৰঃ*। মহাকবি কালিদাসৰ তিনিখন কালজয়ী নাটক হ'ল *অভিজ্ঞানশকুন্তলম্, বিক্ৰমোৰ্বশীয়ম্* আৰু *মালবিকাগ্নিমিত্ৰম্* । ইয়াৰ উপৰি *নলোদয়, সেতুবন্ধ, শৃঙ্গাৰৰসাষ্টক* ইত্যাদি কাব্যকো মহাকবি কালিদাসৰ লেখনী প্ৰসূত বুলি কিছুমান পণ্ডিতে স্বীকাৰ কৰিব খোজে। কিন্তু এই কাব্যবোৰৰ মাজত থকা ৰচনা-ৰীতিৰ পাৰ্থক্যৰ প্ৰতি চকু দি কিছুমান পণ্ডিতে ক'ব খোজে যে কালিদাস নামৰ একাধিক কবি আছিল আৰু তেওঁলোকে সময়ে সময়ে বিভিন্ন ধৰণৰ কাব্যৰচনা কৰিছিল।

## ১.৭ কালিদাসৰ কাব্যৰ বৈশিষ্ট্য

মহাকবি কালিদাসৰ ৰচনাৰাজিত কিছুমান অনন্যসাধাৰণ বৈশিষ্ট্যৰ সমাৱেশ ঘটিছে যাৰ বাবে এই কাব্যবোৰে সমগ্ৰ পৃথিৱীৰ সাহিত্যজগতত এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই ৰচনাসমূহৰ সামগ্ৰিক বিশ্লেষণৰ পৰা জনা যায় যে মহাকবি কালিদাসে এক বিশেষ ৰচনা ৰীতি অনুসৰণ কৰি তেওঁৰ কাব্যসমূহ প্ৰণয়ন কৰিছে। ৰচনাশৈলীৰ পাৰিভাষিক অভিধানেই

হ'ল ৰীতি। আলঙ্কাৰিক সকলে কবিসকলৰ লিখন পদ্ধতি বিশ্লেষণ কৰি কিছুমান ৰীতিৰ অস্তিত্ব স্বীকাৰ কৰিছে। যেনে — বৈদৰ্ভী, পাঞ্চালী, গৌড়ী আদি। মহাকবি কালিদাসক বৈদৰ্ভী ৰীতিৰ কবি বুলি স্বীকাৰ কৰা হৈছে। ৰীতিৰ নামকৰণ ভৌগোলিক অঞ্চলৰ ভিত্তিত হ'লেও ই এটি বিশেষধৰণৰ ৰচনাশৈলীক বুজায়। গতিকে বিদৰ্ভপ্ৰদেশৰ লগত সঙ্গতি ৰাখি নামকৰণ কৰা হ'লেও বৈদৰ্ভী ৰীতিয়ে কিছুমান কাব্যিক বৈশিষ্ট্যৰ পৰিচায়ক হয়। মহাকবি কালিদাসৰ ৰচনাসমূহত এই বৈশিষ্ট্যবোৰৰ উপস্থিতি লক্ষ্য কৰি পৰৱৰ্তী পণ্ডিতসকলে তেওঁৰ ৰচনাৰীতিক বৈদৰ্ভী বুলি স্বীকাৰ কৰিছে। এই ৰীতিৰ লক্ষণৰ বিষয়ে বামনাচাৰ্যই তেওঁৰ 'কাব্যালঙ্কাৰসূত্ৰবৃত্তি' নামৰ গ্ৰন্থত কৈছে — 'সমগ্ৰগুনোপেতা বৈদৰ্ভী'। অৰ্থাৎ মাধুৰ্য, প্ৰসাদ আদি সকলো কাব্যগুণৰ সমাৱেশেৰে গঢ়ি উঠে বৈদৰ্ভী নামৰ ৰচনাশৈলী। মহাকবি কালিদাসৰ ৰচনাবোৰত সকলোধৰণৰ কাব্যগুণৰ অস্তিত্বৰ উমান পোৱা যায় বাবে নিঃ সন্দেহে তেওঁক বৈদৰ্ভীৰীতিৰ কবি হিচাপে আখ্যা দিব পাৰি। সংস্কৃতত অতি প্ৰচলিত এটি উক্তিৰ পৰাও এই কথাৰ প্ৰমান পোৱা যায়। সেইটো হ'ল — বৈদৰ্ভীৰীতিসন্দৰ্ভে কালিদাসঃ প্ৰগলভতে। অৰ্থাৎ বৈদৰ্ভীৰীতিৰ ক্ষেত্ৰত কালিদাসৰ প্ৰগলভতা বা নিপুণতা পৰিদৃষ্ট হয়। কালিদাস আছিল কল্পনাবিলাসী কবি, তেওঁৰ প্ৰতিখন ৰচনাই কল্পনাপ্ৰসূত ধ্যান-ধাৰণাৰে পৰিপুষ্ট। কিন্তু এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে মহাকবিৰ কল্পনাই বাস্তৱৰ সত্যতাক অতিক্ৰম কৰি অবাস্তৱতাৰ স্তৰত গৈ ৰসৰ অপকৰ্ষ কেতিয়াও সাধন কৰা নাই। বৰঞ্চ মহাকবিৰ কল্পনাই প্ৰায় প্ৰতিটো ক্ষেত্ৰতেই বাস্তৱতাৰ লগত খাপ খুৱাই বিষয়বস্তুৰ গভীৰতা প্ৰকাশ কৰিছে। প্ৰত্যেকটো বৰ্ণনীয় বিষয়ক সূক্ষ্মভাৱে বিশ্লেষণ কৰি তাৰ লগত কল্পনাৰ শক্তি মিশ্ৰিত কৰি কবি অত্যন্ত মহীয়ান হৈ উঠিছে। বিষয়বস্তুৰ গভীৰত প্ৰৱেশ কৰি সাধাৰণ মানুহে দেখা নোপোৱা বৈশিষ্ট্যসমূহক কল্পনাৰ ৰঙেৰে ৰঙীন কৰি পাঠকসমাজৰ ওচৰত হৃদয়গ্ৰাহী ৰূপত প্ৰকাশ কৰাটো মহাকবি কালিদাসৰ লেখনীৰ এটি অনুপম বৈশিষ্ট্য। ইয়াৰ মাজেদিয়ে প্ৰকাশ পায় তেওঁৰ বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰ গভীৰতা। *অভিজ্ঞান-শাকুন্তলম্* নাটকত দৌৰি যোৱা মৃগটোৰ বৰ্ণনা, শকুন্তলাৰ আসন্ন বিৰহত কাতৰ হোৱা প্ৰকৃতিৰ বৰ্ণনা, *মেঘদূতম্* কাব্যত যক্ষপ্ৰিয়াৰ বিৰহ বৰ্ণনা, মেঘৰ যাত্ৰাপথৰ বৰ্ণনা, *ৰঘুবংশম্* মহাকাব্যত দিলীপ আৰু সুদক্ষিণাৰ বশিষ্ঠ মুনিৰ আশ্ৰম যাত্ৰাৰ বৰ্ণনা, আপন্নসত্ত্বা সুদক্ষিণাৰ বৰ্ণনা, সমুদ্ৰবৰ্ণনা আদিয়ে মহাকবিৰ কল্পনাৰ গভীৰতা তথা দৃষ্টিভঙ্গীৰ সূক্ষ্মতাৰ কথা প্ৰমাণ কৰে।

সাৰ্থক উপমালংকাৰৰ সমাৱেশ হ'ল মহাকবি কালিদাসৰ কাব্যৰচনাৰ আন এক উল্লেখনীয় বৈশিষ্ট্য। উপমা আৰু উপমাভিত্তিক অলঙ্কাৰৰ প্ৰয়োগত মহাকবিৰ লেখনীৰ লয়লাস সচাকৈয়ে আকৰ্ষণীয়। ৰঘুবংশম্, অভিজ্ঞানশকুন্তলম্, মেঘদূতমকে আদি কৰি কবিৰ সকলো কাব্যতেই উপমাৰ্গভ অলঙ্কাৰৰ পয়োভৰ দেখা যায়। ইয়াৰ বাবে 'উপমা কালিদাসস্য' — এই উক্তি বিশ্বসমাজত বহুভাৱে পৰীক্ষিত হৈ আদৰৰ সৈতে গৃহীত হৈছে। এই বাক্যটোৰ অৰ্থ হ'ল— উপমা অলঙ্কাৰ কালিদাসৰ। অৰ্থাৎ উপমা অলঙ্কাৰৰ ক্ষেত্ৰ ত মহাকবি কালিদাসৰ পৰিপূৰ্ণতা আৰু সম্পূৰ্ণ সাৰ্থকতা অনুধাৱন কৰা যায়। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল আলোচ্যমান উক্তিটোত কেৱলমাত্ৰ উপমা অলঙ্কাৰৰ কথা থাকিলেও ইয়াত উপমা শব্দটোৱে উপমাভিত্তিক সকলো অলঙ্কাৰকে সামৰি লৈছে। গতিকে ৰূপক, অৰ্থান্তৰন্যাস, তুল্যযোগিতা, উৎপ্ৰেক্ষা আদি অলঙ্কাৰসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰতো মহাকবিৰ সমমানৰ পাৰদৰ্শিতা দেখা পোৱা যায়। মহাকবিৰ সাৰ্থক উপমা অলংকাৰৰ প্ৰয়োগ তেওঁৰ *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম সৰ্গত এনেদৰে পোৱা যায়—

*ললাটোদয়মাভুগ্নং পল্লৱস্নিগ্ধপাটলা।*
*বিভ্ৰতী শ্বেতৰোমাঙ্ক; সন্ধ্যেৱ শশিনং নৱম্।।* (৮৩)

ইয়াত আবেলিসময়ত আশ্ৰমত ঘূৰি অহা নন্দিনী গাইৰ বৰ্ণনা দিবলৈ গৈ অতি সুন্দৰভাবে কাঁচিজোনৰ দ্বাৰা সুশোভিত সন্ধিয়াকালৰ উপমা দাঙি ধৰিছে মহাকবি কালিদাসে তেওঁৰ কল্পনাপ্ৰসূত ভাবানুভূতিৰে। এনেদৰে উপমা তথা ৰূপক, অৰ্থান্তৰন্যাস আদি কাব্যিক অলঙ্কাৰৰ সুষম আৰু সফল প্ৰয়োগেৰে কালিদাসৰ কাব্যমাধুৰী দ্বিগুনিত হৈ ৰসজ্ঞ পাঠকৰ হৃদয়ত অনবদ্য ৰসানুভূতিৰ সৃষ্টি কৰিবলৈ সক্ষম হয়।

মহাকবি কালিদাসৰ সৰল ভাষা তেওঁৰ ৰচনাৰ আন এক বৈশিষ্ট্য। দীৰ্ঘসমাসৰ ব্যৱহাৰ, কঠিন তথা অপ্ৰচলিত শব্দৰ প্ৰয়োগ, অৰ্থগ্ৰহণৰ দুৰূহত্ব আদি মহাকবিৰ ৰচনাত পোৱা নাযায়। ইয়াৰ বাবে মহাকবিৰ ৰচনা সহজপাঠ্য আৰু সহজগম্য হৈ উঠিছে। শব্দচয়নৰ ক্ষেত্ৰ ত মহাকবিৰ দূৰদৰ্শিতাৰ পৰিচয় অতি সহজেই পোৱা যায়। শব্দ আৰু অৰ্থৰ সুন্দৰ সমাৱেশে কালিদাসৰ কাব্যক নিৰুপম কৰি তুলিছে। তদুপৰি প্ৰকৃতিৰ সাৰ্থক বৰ্ণনা কালিদাসৰ কাব্যৰ এক অবিচ্ছেদ্য অঙ্গ। মহাকবিৰ লেখনীৰ স্পৰ্শেৰে প্ৰকৃতিয়ে যেন জীৱন্তৰূপ লৈ মানুহৰ সন্মুখত উপস্থিত হয় আৰু নিজৰ ৰূপ-ৰস-শব্দ স্পৰ্শৰে মোহিত কৰি তোলে মানুহৰ হৃদয়। কবিৰ কল্পনাত প্ৰকৃতিৰ বিভিন্ন উপাদানে নায়ক-নায়িকাৰ নিচিনা মানবীয় চৰিত্ৰৰ অধিকাৰী হৈ কাব্যৰ এক উল্লেখনীয় চৰিত্ৰ হৈ উঠা দেখা যায় কালিদাসৰ বিভিন্ন কাব্যসাহিত্যত। সেইকাৰণে *অভিজ্ঞানশকুন্তলম্* নাটকত বৃক্ষৰাজিয়েও শকুন্তলাৰ আসন্ন বিৰহত ম্ৰিয়মান হোৱা দেখা যায়, মেঘদূতম্ কাব্যত পৰ্বতসমূহক প্ৰেমৰ ৰসেৰে অভিষিক্ত হোৱা দেখা যায়, ৰঘুবংশম্ মহাকাব্যত সীতাৰ অনুপস্থিতিত নূপুৰৰ মৌনতা প্ৰকাশ পায়। প্ৰকৃতিৰ জড়বস্তুৰ ওপৰত এনেদৰে মানবত্ব আৰোপ কৰাকেই অলঙ্কাৰশাস্ত্ৰৰ পৰিভাষাত ‘সমাসোক্তি’ (personification) বুলি অভিহিত কৰা হয় আৰু মহাকবি কালিদাসৰ সমাসোক্তি বিষয়বস্তুৰ ভাবগাম্ভীৰ্য তথা বৰ্ণনাৰ চাতুৰ্য সঁচাকৈয়ে অতুলনীয়। চৰিত্ৰ চিত্ৰনৰ ক্ষেত্ৰতো মহাকবি কালিদাসে সাৰ্থকতাৰ শীৰ্ষবিন্দু স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। নায়ক-নায়িকাৰ পৰা আদি কৰি পাৰ্শ্বচৰিত্ৰ এটাও মহাকবিৰ কাব্যত যেন বৰ্ণনাৰ তুলিকাৰে প্ৰাণৱন্ত হৈ উঠিছে। সাৰ্থক ব্যঞ্জনা আৰু উপযুক্ত ছন্দৰ ব্যৱহাৰো মহাকবি কালিদাসৰ ৰচনাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। মহাকবি কালিদাসৰ লেখনীত ভাৰতীয়তাৰ এটি সুসংবদ্ধৰূপ ফুটি উঠা দেখা যায়। ভাৰতীয় সমাজত থকা আদৰ্শসমূহ, ভাৰতীয় পটভূমিকাত পোৱা চৰিত্ৰসমূহৰ উপযুক্ত বিশ্লেষণ, বেদ-স্মৃতি-পুৰাণ আদিৰ পৰা পোৱা জ্ঞানৰ আধাৰত প্ৰকাশ কৰা আদৰ্শবোৰৰ সন্নিবেশ আদিয়ে মহাকবিৰ কাব্যক কৰি তুলিছে আবেগিক আৰু তত্ত্বগধুৰ। বাল্মীকি আদি পূৰ্বৱৰ্ত্তী কবিসকলৰ পদাঙ্ক অনুসৰণ কৰিও সেইকাৰণে মহাকবি কালিদাস হৈ আছে অনন্যসাধাৰণ।

**অগ্ৰগতিৰ নিৰীক্ষণ**

১) ‘উপমা কালিদাসস্য’—এই উক্তিটোৰ অৰ্থ বিশ্লেষণ কৰি ইয়াৰ সত্যতাৰ প্ৰমাণ দিয়ক।

..........................................................................

..........................................................................

২) মহাকবি কালিদাসৰ ‘সমাসোক্তি’ প্ৰয়োগৰ বিষয়ে এটি চমু টোকা লিখক।

..........................................................................

..........................................................................

## ১.৮ সংস্কৃত কাব্যসাহিত্যত কালিদাসৰ স্থান

সংস্কৃত কাব্য সাহিত্যত মহাকবি কালিদাসৰ এক বিশেষ স্থান আছে । তেওঁৰ কাব্যৰ সফলতাৰ ফালে লক্ষ্য ৰাখি দ্বিধাহীন ভাবেই তেওঁক 'কবিকুলশিৰোমণি' আখ্যা দিব পাৰি। কেৱল প্ৰাচ্যপণ্ডিতসকলেই নহয়, পাশ্চাত্য বহু পণ্ডিতেও কালিদাসৰ শ্ৰেষ্ঠতাৰ স্বীকৃতি দিছে। এজন কবি বা লিখকৰ সাফল্য নিৰ্ণীত হয় পৰৱৰ্তী যুগৰ সমালোচকসকলে আগবঢ়োৱা মন্তব্যৰ ভিত্তিত। মহাকবি কালিদাসৰ বিষয়ে দিয়া পৰৱৰ্তী কাব্যসমালোচকসকলৰ মন্তব্য পৰ্য্যালোচনা কৰিলেই বুজা যাব সংস্কৃত সাহিত্যত মহাকবি কালিদাসৰ স্থান ক'ত। সংস্কৃত গদ্যকাৰ বাণভট্টই তেওঁৰ হৰ্ষচৰিত নামৰ আখ্যায়িকাৰ আৰম্ভনিতে কালিদাসৰ কাব্যৰ গুণসঙ্কীৰ্তন কৰি কৈছে — *'নিৰ্গতাসু ন বা কস্য কালিদাসস্য সূক্তিষু। প্ৰীতিমধুৰ সান্দ্ৰাসু মঞ্জৰীষ্বিব জায়তে।।'* অৰ্থাৎ মিঠাৰসেৰে পৰিপূৰ্ণ মঞ্জৰীৰ নিচিনাকৈ কালিদাসৰ সুন্দৰ ৰচনাত কাৰ আনন্দ নহয়? বানভট্টৰ মতে মঞ্জৰীৰ মিঠা ৰসৰ আকৰ্ষণ যেনেকুৱা তীব্ৰ সেইদৰে কালিদাসৰ সুন্দৰ ৰচনাৰ আকৰ্ষণো সহৃদয়ৰ ওচৰত অত্যন্ত বেচি। বাণভট্টৰ নিচিনা প্ৰতিষ্ঠিত লিখকৰ এই উক্তিয়ে মহাকবি কালিদাসৰ কাব্যমাহাত্ম্য অকপটে ঘোষণা কৰিছে। কবি জয়দেৱে কালিদাসক 'কবিকুলগুৰু' বুলি আখ্যা দিছে — *'ভাসো হাসঃ কবিকুলগুৰুঃ কালিদাসো বিলাসঃ'*। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰেও মহাকবি কালিদাসৰ কাব্যপ্ৰতিভাৰ স্বীকৃতি দি তেওঁক লৈ কবিতা ৰচনা কৰিছে। মহাকবি কালিদাসৰ অসাধাৰণ কাব্যৰীতিৰ আস্বাদ লৈ কোনোবা এজন কবিয়ে কৈছে—

*পুৰা কবীনাং গণনাপ্ৰসঙ্গে*
*কনিষ্ঠিকাধিষ্ঠিতকালিদাসঃ।*
*অদ্যাপি তত্তুল্যকবেৰভাবাদ্*
*অনামিকা সাৰ্থবতী বভূব।।*

প্ৰাচীনকালত কবিসকলৰ গণনা প্ৰসঙ্গত কালিদাসে কনিষ্ঠ আঙুলিত অধিষ্ঠিত আছিল (প্ৰথম হোৱা বাবে)। আজিলৈকে তেওঁৰ সমতুল্য কবিৰ অভাবত পিছৰ আঙুলিৰ অনামিকা নামটো সাৰ্থক হ'ল (অৰ্থাৎ এই আঙুলিত বেলেগ কবিৰ নাম দিয়া নগল)। কোন এজন নাম নজনা কবিৰ এই বাক্যই অবলীলাক্ৰমে প্ৰমাণ কৰে যে কালিদাস সংস্কৃতসাহিত্যজগতত এজন অদ্বিতীয় কবি। আনন্দবৰ্ধনাচাৰ্য্যৰ ধ্বন্যালোক গ্ৰন্থৰ বৃত্তিত অতি নগন্যসংখ্যক মহাকবিৰ অস্তিত্বৰ কথা ব্যক্ত কৰি কোৱা হৈছে — 'অস্মিন্ অতিবিচিত্ৰে কবি পৰম্পৰা বাহিনিসংসাৰে কালিদাসপ্ৰভৃতয়ো দ্বিত্ৰাঃ পঞ্চযা বা মহাকবয়ঃ'। অৰ্থাৎ এই অপাৰ কাব্যসংসাৰত কালিদাসক আদি কৰি দুই তিনিজন অথবা চাৰিপাঁচজনমানহে মহাকবি পোৱা যায়। কেবল মাত্ৰ প্ৰাচ্যমনীষীসকলেই নহয়, প্ৰাশ্চাত্য বহুপণ্ডিতেও কবি কালিদাসৰ অতুলনীয় কাব্যপ্ৰতিভাৰ পৰিচয় অনুধাৱন কৰি তেওঁৰ গুণসঙ্কীৰ্তন কৰিছে নিজৰ নিজৰ ভাষাত। অধ্যাপক ল্যাসেনে কালিদাস সম্পৰ্কে কৈছে — 'brightest star in the firmanent of Indian poetry' অৰ্থাৎ ভাৰতীয় কাব্যগগনত কালিদাস হ'ল উজ্জ্বলতম জ্যোতিষ্ক। জাৰ্মান কবি গ্যেটেৰ মতে কালিদাসৰ অভিজ্ঞানশকুন্তলমতেই বিচাৰি পোৱা যায় স্বৰ্গীয় আৰু পাৰ্থিব সৌন্দৰ্যৰ সংমিশ্ৰণ। ইয়াৰ উপৰিও হামবোল্ড, উইলচন্, চিলভেন্ লেভী, এ. ডব্লিউ ৰাইডাৰ আদি পাশ্চাত্য পণ্ডিতসকলে বিভিন্নভাৱে মহাকবি কালিদাসৰ সাহিত্য প্ৰতিভাৰ অতুলনীয়ত্ব ঘোষণা কৰিছে। পৰৱৰ্তীযুগৰ বিভিন্ন কবিয়ে নিজৰ কাব্যত কালিদাসক অনুকৰণ আৰু অনুসৰণ কৰিছে। কালিদাসৰ ৰচনাৰ বিশালত্বৰ ফালে চাই বিদ্বৎসমাজে তেওঁক ভাৰতবৰ্ষৰ শেক্সপীয়েৰ বুলি অভিহিত কৰিছে।

এনেদৰে বিভিন্ন সময়ৰ বিভিন্ন পণ্ডিতে মহাকবি কালিদাসৰ বিষয়ে তেওঁলোকৰ প্ৰশংসাবাণী আগবঢ়াইছে। মহাকবি কালিদাসৰ ৰচনাৰ বিষয়গাম্ভীৰ্য তথা কাব্য চাতুৰ্য অনুধাৱন কৰি যুগে যুগে মণীষীসকলে মুগ্ধ হৈছে। তেওঁৰ জ্ঞানৰ বিশালতা আৰু প্ৰকাশভঙ্গীৰ সাৱলীলতাই ৰসজ্ঞ পাঠকৰ হৃদয়ত বিষ্ময়ৰ জোৱাৰ আনিছে। কোনোবা পণ্ডিতে মুগ্ধ হৈছে মহাকবিৰ প্ৰকাশভঙ্গীৰ, কোনোবাই আস্বাস লৈছে তেওঁৰ অপৰূপ প্ৰকৃতি বৰ্ণনাৰ, কোনোবা সাহিত্য প্ৰেমীয়ে হৃদয় পূৰ্ণ কৰিছে মহাকবিৰ অনুপম ৰস সৃষ্টিৰ কৌশলেৰে। কবি এজনৰ ক্ষেত্ৰ ত যিমানখিনি গুণ থাকিব লাগে কালিদাস সেই সকলোবোৰ বৈশিষ্ট্যৰেই পৰিপূৰ্ণ। পৰৱৰ্ত্তী যুগৰ বহুতো কবিয়ে কালিদাসৰ কাব্যৰ অনুকৰণত নতুন নতুন গ্ৰন্থ ৰচনা কৰিছে। এই অনুকৰণে মহাকবিৰ ৰচনাক কৰি তুলিছে অধিকতৰ প্ৰশংসনীয়। ৰাজশেখৰে তেওঁৰ অলঙ্কাৰ গ্ৰন্থত মহাকবিৰ লক্ষণ প্ৰসঙ্গত কৈছে—

*শব্দাৰ্থোক্তিষু যঃ পশ্যেদিহ কিঞ্চন নূতনম্।*
*উল্লিখেৎ কিঞ্চন প্ৰাচ্যং মন্যতাং স মহাকবিঃ।।*

ইয়াৰ অৰ্থ হ'ল যিজনে কাব্যত শব্দ আৰু অৰ্থৰ মাজেদি কিবা নতুন তথ্য দিয়ে অথচ প্ৰাচীন বিষয়ৰো সন্ধান দিয়ে সেইজনকেই মহাকবি বুলি অভিহিত কৰা হয়। কালিদাসৰ কাব্যত আমি সকলো ঠাইতে নতুনত্বৰ সন্ধান লাভ কৰাৰ লগতে সমান্তৰালভাৱে প্ৰাচীনতাৰ আবেশ বিচাৰি পাওঁ। প্ৰাচীনত্ব আৰু নতুনত্বৰ সুন্দৰ মেলবন্ধনেৰে কালিদাসৰ কাব্যকৃতি মনমোহনীয়, আনন্দজনক আৰু সুগভীৰ হৈ উঠিছে। সেই কাৰণে নিঃসঙ্কোচে কালিদাসক মহাকবি বুলি আখ্যা দিব পাৰি।

**অগ্ৰগতিৰ নিৰীক্ষণ**

১) মহাকবি কালিদাসৰ বিষয়ে প্ৰাচ্য পণ্ডিতসকলে কেনেদৰে বিচাৰ কৰিছে?

..................................................................

..................................................................

২) কালিদাসক মহাকবি বুলি কিয় কোৱা হয়?

..................................................................

..................................................................

## ১.৯ সাৰাংশ (Summing Up)

এই অধ্যায়টি অধ্যয়ন কৰি জনা গল যে সংস্কৃত কাব্য সাহিত্যৰ পৰিধি অত্যন্ত বিশাল কাৰণ সংস্কৃত ভাষাত কাব্যপদটোৱে সকলোধৰণৰ ৰচনাক সামৰি লয়। নাটক, গদ্য, চম্পূ, মহাকাব্য, খণ্ডবাক্য আদি সকলোবোৰ ৰচনাই সংস্কৃতত কাব্যপদেৰে অভিহিত হয়। ৰসক প্ৰধানৰূপে লৈ ৰচনা কৰা বাক্যকেই সংস্কৃতত কাব্য বুলি কোৱা হয়। সংস্কৃত কাব্যসাহিত্যত থকা কিছুমান অসাধাৰণ বৈশিষ্ট্যই পৃথিৱীৰ সকলো ধৰণৰ সাহিত্যৰ ভিতৰতেই সংস্কৃত কাব্যসাহিত্যক এক সুকীয়া অস্তিত্ব দান কৰিছে। মহাকবি কালিদাস সংস্কৃত কাব্যসাহিত্যৰ এক উজ্জ্বলতম নাম। তেওঁৰ ব্যক্তিগত পৰিচয় সঠিকভাৱে জনা নগলেও তেওঁক ৰজা বিক্ৰমাদিত্যৰ ৰাজসভাৰ কবি হিচাপে গ্ৰহণ কৰা হয়। মহাকবি কালিদাসে নাটক, গীতিকাব্য, মহাকাব্য এই তিনিধৰণৰ ৰচনাতেই তেওঁৰ পাণ্ডিত্য তথা অনুপম কাব্যকুশলতাৰ প্ৰমাণ দিছে। তেওঁৰ ৰঘুবংশম্ আৰু কুমাৰ সম্ভবম্ হ'ল মহাকাব্য, মেঘদূতম্ আৰু ঋতুসংহাৰঃ হ'ল গীতিকাব্য আৰু

অভিজ্ঞানশকুন্তলম্, বিক্রমোর্বশীয়ম্, মালবিকাগ্নিমিত্রম্ হ'ল নাটক। ইয়াৰ উপৰিও আন কিছুমান ৰচনাক পৰৱৰ্তী বিদ্বৎসমাজে কালিদাসৰ কীৰ্ত্তি বুলি কব বিচাৰে। মহাকবি কালিদাসৰ কাব্যৰ কিছুমান অসাধাৰণ বৈশিষ্ট্য আছে। কাব্যগুণৰ সমাহাৰ, সুন্দৰ তথা সাৰ্থক উপমা-অলঙ্কাৰৰ প্ৰয়োগ, নিপুণ প্ৰকৃতিচিত্ৰণ, সাৰ্থকচৰিত্ৰসৃষ্টি আদি মহাকবি কালিদাসৰ ৰচনাৰীতিৰ বৈশিষ্ট্য। তদুপৰি সহজ-সৰল ভাষাৰ প্ৰয়োগে কালিদাসৰ কাব্যৰ নান্দনিক অনুভূতিক দ্বিগুণীত কৰিছে। এই ক্ষেত্ৰত মনকৰিবলগীয়া কথাটো হ'ল যে, মহাকবি কালিদাসৰ সৃষ্টিসমূহ স্থান আৰু কালৰ সীমাৰেখা অতিক্ৰম কৰি আজিৰ যুগতো একেদৰেই আনন্দৰ উৎস ৰূপে বিৰাজ কৰিছে। কালিদাসৰ অসাধাৰণ কাব্য প্ৰতিভাৰ বাবে তেওঁ সমগ্ৰ পৃথিৱীৰ সাহিত্যসমাজত এক বিশেষ স্থান অধিকাৰ কৰি আছে। বিভিন্ন সময়ত বিভিন্ন সমালোচকে তেওঁৰ কাব্যৰ উচ্ছ্বসিত প্ৰসংশা আগবঢ়াইছে। প্ৰাচ্য, পাশ্চাত্য, উভয় দেশৰ পণ্ডিতসকলেই কালিদাসৰ ৰচনাৰীতিৰ প্ৰতি আকৃষ্ট হৈ তেওঁক সাহিত্য জগতৰ এটি গুৰুত্বপূৰ্ণ আসন প্ৰদান কৰিছে। গতিকে মহাকবি কালিদাস সৰ্বকালৰে এজন শ্ৰেষ্ঠ কবি।

## ১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সংস্কৃত ভাষাত কাব্য শব্দৰ বিস্তৃত অৰ্থ কি ?

২. সংস্কৃত কাব্যসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক?

৩. প্ৰাচ্য তথা পাশ্চাত্যৰ মনীষীসকলে কেনেদৰে মহাকবি কালিদাসৰ প্ৰশংসা কৰিছে?

৪. মহাকবি কালিদাসৰ ৰচনাবোৰ উল্লেখ কৰি তেওঁৰ কাব্যৰ বৈশিষ্ট্যবোৰ দাঙি ধৰক?

## ১.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


চৌখম্বা সংস্কৃত সংস্থা ঃ *সাহিত্যদৰ্পণ*

মতিলাল বানাৰসী দাস ঃ *ধ্বন্যালোক*

ৰমেন্দ্ৰ মোহন বোস ঃ *অভিজ্ঞানশকুন্তলম্ — এ ক্ৰিটিক স্টাডি*

হৰমোহন দেৱ গোস্বামী ঃ *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*

থানেশ্বৰ শৰ্মা ঃ *মহাকবি কালিদাসৰ অভিজ্ঞানশকুন্তলম্- এক সমীক্ষা*


* * *

## দ্বিতীয় বিভাগ
## 'ৰঘুবংশম্' কাব্যৰ সাধাৰণ পৰিচয়

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ মহাকাব্য হিচাপে 'ৰঘুবংশম্'
২.৪ 'ৰঘুবংশম্' কাব্যৰ বিষয়বস্তু
২.৫ শিৰোনামৰ তাৎপৰ্য্য
২.৬ 'ৰঘুবংশম্' কাব্যৰ মূল আৰু মৌলিকতা
২.৭ মহাকবি কালিদাসৰ কাব্যৰীতি
২.৮ সাৰাংশ (Summing Up)
২.৯ আৰ্হি প্ৰশ্ন (Sample Question)
২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

সমগ্ৰ পৃথিৱীৰ সাহিত্যজগতত মহাকবি কালিদাসৰ *ৰঘুবংশম্* মহাকাব্য এক অনুপম অৱদান। সম্পূৰ্ণ কাব্যখনতেই মহাকবিৰ পৰিপক্ক প্ৰতিভাৰ সফল বিচ্ছুৰণ ঘটা দেখা যায়। যি সাতখন গ্ৰন্থক কালিদাসৰ ৰচনা বুলি সকলো পণ্ডিতে স্বীকাৰ কৰিছে তাৰে ভিতৰত কবিমানসৰ সৰ্ব্বাঙ্গীন প্ৰতিচ্ছবিৰে উদ্ভাসিত এই মহাকাব্যখন যুগে যুগে পাঠক সমাজত আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ আহিছে। ৰূপ-ৰস-শব্দৰ অপূৰ্ব সমাহাৰে *ৰঘুবংশম্* মহাকাব্যক এক অসামান্য সৌন্দৰ্য তত্ত্বৰ পৰিবাহক হিচাপে বিশ্বৰ কাব্যজগতত প্ৰতিষ্ঠিত কৰিছে। বিষয়বস্তুৰ সমীচীন বিন্যাস, পৰিমিত ৰসবোধৰ নিৰ্বাস তথা সাবলীল প্ৰকাশভঙ্গীৰ গৰিমাৰে সমৃদ্ধ *ৰঘুবংশম্* বহু পণ্ডিতেই কবিৰ পৰিণত বয়সৰ ৰচনা বুলি মত পোষণ কৰে। কল্পনাবিলাসী মহাকবি লেখনীত তদানীন্তন ভাৰতবৰ্ষৰ এটি সমাগ্ৰিক ধাৰণা মোহময় ৰূপত প্ৰকাশ পাইছে। সম্পূৰ্ণ *ৰঘুবংশম্* মহাকাব্য ঊনৈশটা সৰ্গত বিৰচিত। এই মহাকাব্যত মহাকবি কালিদাসে ভাৰতবৰ্ষৰ উত্তৰদিশত থকা হিমালয় পৰ্বতৰ পৰা আৰম্ভ কৰি দক্ষিণফালে ভাৰতমহাসাগৰলৈকে তথা পশ্চিমদিশত পাৰস্যৰ পৰা পূৱফালে প্ৰাচীন কামৰূপ লৈকে বিভিন্ন স্থানৰ বিচিত্ৰ ঘটনাসমৃদ্ধ বৰ্ণনা আগবঢ়াইছে। *ৰামায়ণ, পুৰাণ* আদিত বৰ্ণিত সূৰ্য্যবংশীয় কিছুমান চৰিত্ৰক আধাৰ হিচাপে লৈ মহাকবি কালিদাসে নিজৰ অসামান্য কাব্যপ্ৰতিভাৰ বলেৰে, নতুন নতুন কলা-কৌশল প্ৰয়োগেৰে তথা সূক্ষ্মাতিসূক্ষ্ম ভাবাবেগৰ সংমিশ্ৰনেৰে বিষয়বস্তুক বিস্তৃত কৰি নানা ৰসসমৃদ্ধ, বৰ্ণছন্দোময় এই মহাকাব্যক পূৰ্ণতাৰ প্ৰতিমূৰ্ত্তি হিচাপে প্ৰতিষ্ঠা কৰিছে। কবিমানসৰ অন্তস্থলত প্ৰস্ফুটিত, কবিমনীষাৰ উজ্জ্বল দীপ্তিৰে উদ্ভাসিত, বাগ্‌দেৱীৰ কৰুণাঘন আশীৰ্ব্বাদপুষ্ট এইখন মহাকাব্যক আলঙ্কাৰিকসকলেও উৎকৃষ্টতাৰ শীৰ্ষস্থানত ঠাই দিছে। ছন্দ, অলংকাৰ, গুণ, ৰীতি, ধ্বনি, ৰস আদি সকলো কাব্যিক উপাদানেৰে পৰিপুষ্ট *ৰঘুবংশম্* মহাকাব্যখন, সম্পূৰ্ণ কাব্যখন পঢ়ি উঠি সহজেই ভাবিব পাৰি যে প্ৰাচীন ভাৰতীয় সমাজৰ শাসনব্যৱস্থা অৰ্থনীতি, দৈনন্দিন ৰীতিনীতি, ভৌগোলিক তথা প্ৰাকৃতিক পৰিবেশ আদি সকলো দিশ সামৰি লৈ মহাকাবিয়ে ইতিহাসৰ উদ্যানত কল্পলোকৰ কুসুম চয়ন কৰি বাস্তৱ আৰু কবি কল্পনাৰ অপূৰ্ব মেলবন্ধনেৰে *ৰঘুবংশম্* মহাকাব্যৰ ৰচনা সম্পূৰ্ণ কৰিছে। গতিকে নাটকসমূহৰ ক্ষেত্ৰত যেনেদৰে অবিসম্বাদিতভাৱে *অভিজ্ঞানশকুলম্*ক কালিদাসৰ **সৰ্বস্ব** বুলি স্বীকাৰ কৰা হয় (কালিদাসস্য সৰ্বস্বমভিজ্ঞানশকুন্তলম্), সেইদৰে মহাকাব্য

আৰু খণ্ডকাব্যসমূহৰ ভিতৰত *ৰঘুবংশম্* ক মহাকবিৰ সৰ্ব্বোত্তম ৰচনা বুলি কব পাৰি। ৰজা দিলীপৰ পৰা আৰম্ভ কৰি অগ্নিবৰ্ণলৈকে ঊনত্ৰিশজন ইক্ষ্বাকুবংশীয় ৰজাৰ বিচিত্ৰ কাৰ্য কাহিনীৰে সমৃদ্ধ এইখন মহাকাব্যত নৃপতিসকলৰ কৰ্তব্যপৰায়ণতাৰ পৰা আৰম্ভ কৰি উচ্ছৃঙ্খলতালৈকে চৰিত্ৰৰ সকলো দিশ সামৰি লোৱা হৈছে। ৰাজ্যশাসনৰ সমান্তৰালভাবে ব্যক্তিগত দিশতো তেওঁলোকৰ জীৱনদৰ্শন কেনেকুৱা, কিহৰ প্ৰতি তেওঁলোকৰ নিবিড় আকৰ্ষণ, কোন অমৃতসন্ধানত তেওঁলোক নিবিষ্টচিত্ত ইত্যাদি সকলো প্ৰশ্নৰ সন্ধান দিছে মহাকবি কালিদাসে তেওঁৰ লেখনীৰ মাধ্যমত *ৰঘুবংশম্* মহাকাব্যত। মহাকবিৰ বৰ্ণিত জীৱনধাৰা ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ —এই চতুৰ্বৰ্ণ কেন্দ্ৰিক তথা ব্ৰহ্মচৰ্য-গাৰ্হস্থ-বাৰ্ণপ্ৰস্থ-সন্ন্যাস —এই চতুৰাশ্ৰমভিত্তিক। ভাৰতীয় পৰম্পৰাৰ সাৰ্থক বাহকৰূপে খ্যাতিমান মহাকবি কালিদাসে *ৰঘুবংশম্* কাব্যত প্ৰধানভাবে বৰ্ণনাত্মক ৰীতি অনুসৰণ কৰিলেও স্থানে স্থানে যথাযোগ্যভাবে প্ৰযুক্ত সংলাপশ্ৰেণীৰ উক্তিয়ে কাব্যখনক এটি বিশেষ মৰ্যাদা দান কৰিছে। এই কাব্যৰ বহুমুখী ভাবৰ প্ৰতি লক্ষ্য ৰাখি বহুতো পণ্ডিতে এইখনক কাব্য নকৈ বহুকাব্যৰ সমষ্টি বুলি ক'ব খোজে। ৰসপিপাসু কাব্যপাঠকসকলৰ মনোভূমিত অবিসংবাদিত আবেদন জগাব পৰা এই মহাকাব্যৰ অনিন্দ্যনীয় সৌন্দৰ্য্য উপভোগ কৰি সহৃদয়সকলে অবলীলাক্ৰমে কয় *'ক ইহ ৰঘুকবে ন ৰমতে'*, অৰ্থাৎ ৰঘুকাব্যৰ ৰচিয়তা কালিদাসৰ বিষয়ে কোনেনো আনন্দ নাপায়। ইয়াৰ দ্বাৰাই প্ৰমাণিত হয় যে *ৰঘুবংশম্* কাব্যৰ ৰচয়িতা হিচাপে মহাকবিৰ খ্যাতি সমগ্ৰ জগতত বিস্তাৰ লাভ কৰিছিল।

## ২.২ উদ্দেশ্য (Objectives)

*ৰঘুবংশম্* কাব্যৰ সাধাৰণ পৰিচয় নামৰ এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মহাকাব্য হিচাপে *ৰঘুবংশম্* ৰ স্থানৰ বিষয়ে জানিব পাৰিব;
- *ৰঘুবংশম্* কাব্যৰ বিষয়বস্তুৰ বিষয়ে অবগত হ'ব;
- *ৰঘুবংশম্* এই শিৰোনামটোৰ সাৰ্থকতাৰ বিষয়ে জানিব পাৰিব;
- *ৰঘুবংশম্* কাব্যৰ মূল আৰু মৌলিকতাৰ লগত পৰিচিত হব পাৰিব; আৰু
- *ৰঘুবংশম্* কাব্যত প্ৰতিফলিত মহাকবি কালিদাসৰ কাব্যৰীতিৰ বিষয়ে অবগত হ'ব।

## ২.৩ মহাকাব্য হিচাপে 'ৰঘুবংশম্'

আপুনি ইতিমধ্যে অৱগত হৈছে যে সংস্কৃতত কাব্যশব্দটোৱে কেৱল মাত্ৰ কবিতাত লিখা গ্ৰন্থক নুবুজায় কিন্তু গদ্য, পদ্য, চম্পূ আদি সকলোধৰণৰ ৰচনাকে সামৰি লৈ বহল অৰ্থত কাব্যপদটো সংস্কৃতত ব্যৱহাৰ হয়। সেইফালৰ পৰা মহাকাব্য হ'ল কাব্যৰেই এটি প্ৰধান শ্ৰেণী। আলঙ্কাৰিক সকলে স্বকীয় দৃষ্টিভঙ্গীৰে কাব্যৰ লক্ষণ দি তদন্তৰ্গত মহাকাব্যৰ লক্ষণকো বিশেষভাবে নিক্ষেপ কৰিছে তেওঁলোকৰ গ্ৰন্থত। সাহিত্যদৰ্পণকাৰ বিশ্বনাথ কবিৰাজে মহাকাব্যৰ লক্ষণ বিস্তৃতৰূপত দিছে উক্ত গ্ৰন্থৰে ৬ষ্ঠ পৰিচ্ছেদত। তেওঁৰ মতে সৰ্গযুক্ত কাব্যই হ'ল মহাকাব্য আৰু ইয়াত এজন বীৰপুৰুষ নায়ক হিচাপে থাকে (*সৰ্গবন্ধো মহাকাব্যং; তত্ৰৈকো নায়কঃ সুৰঃ*)। এই নায়কজন সদ্বংশজাত ক্ষত্ৰিয় আৰু ধীৰোদাত্তগুণ সমন্বিত হব লাগে। একে বংশত জন্ম গ্ৰহণ কৰা বহুতো কুলীন ৰজাৰ বৰ্ণনাও ইয়াত থকিব পাৰে (*একবংশভবা ভূপাঃ কুলজা বহবোবাপি*)। শৃঙ্গাৰ, বীৰ আৰু শান্তৰসৰ ভিতৰত এটা অঙ্গী বা প্ৰধান ৰস হিচাপে থাকে (*শৃঙ্গাৰ বীৰ শান্তানাম কোऽঙ্গীৰস ইষ্যতে*)। আন সকলো ৰসে ইয়াত অঙ্গ বা সহায়কাৰী হিচাপে থাকে আৰু নাটকত সকলো সন্ধি মহাকাব্যত থাকে (*অঙ্গানি সৰ্বেহপি ৰসাঃ সৰ্বে নাটকসন্ধয়ঃ*)। ইতিহাসৰ পৰা

পোৱা অথবা সজ্জনক আশ্ৰয় কৰি গ্ৰহণ কৰা ঘটনা ইয়াৰ কথাবস্তু হয় (*ইতিহাসোদ্ভৱং বৃত্তমন্যদ্বা সজ্জনাশ্ৰয়ম্*)। ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিটা বৰ্গৰ আলোচনা মহাকাব্যত থাকে আৰু ইয়াৰে এটাক প্ৰধান ফলহিচাপে গ্ৰহণ কৰা হয়। (*চত্বাৰসস্য বৰ্গাঃ স্যুন্তেষ্বেকং চ ফলং ভবেৎ*)। আৰম্ভণিতে মহাকাব্যত নমস্কাৰ, আশীৰ্ব্বাদ অথবা বস্তুনিৰ্দেশ থাকিব লাগে (*আদৌ নমস্ক্ৰিয়াশীৰ্বা বস্তুনিৰ্দেশ এৱ বা*)। কোনোৱা ঠাইত খল অৰ্থাৎ অসৎমানুহৰ নিন্দা আৰু সজ্জনৰ গুণানুকীৰ্ত্তন থাকিব লাগে (*ক্কচিন্নিন্দা খলাদীনাং সতাং চ গুণকীৰ্ত্তনম্*)। প্ৰত্যেকটো সৰ্গত এটা ছন্দ থাকে কিন্তু সৰ্গৰ শেষত বেলেগ ছন্দৰ ব্যৱহাৰ হয় (*একবৃত্তময়ৈঃ পটদ্যৰবসানে অন্যবৃত্তকৈঃ*)। আঠটাতকৈ অধিক সংখ্যক সৰ্গ যুক্ত হব লাগে মহাকাব্যত আৰু সৰ্গবোৰৰ পৰিসৰ অত্যন্ত ক্ষুদ্ৰ বা অত্যন্ত বৃহৎ হ'ব নালাগে (*নাতিস্বল্পা নাতিদীৰ্ঘাঃ সৰ্গা অষ্টাধিকা ইহ*)। কিন্তু কেতিয়াবা বেলেগ বেলেগ ছন্দযুক্ত সৰ্গত মহাকাব্যত দেখা যায় (*নানাবৃত্তময়ঃ ক্কাপি সৰ্গঃ কশ্চন দৃশ্যতে*)। সৰ্গৰ শেষত পৰবৰ্তী সৰ্গৰ বিষয়বস্তুৰ আভাস দিব লাগে (*সৰ্গান্তে ভাবিসৰ্গস্য কথায়াঃ সূচনং ভবেৎ*)। মহাকাব্যত সন্ধ্যা, সূৰ্য্য, চন্দ্ৰ, ৰাতি, প্ৰদোষ, এন্ধাৰ, দিন, ৰাতিপুৱা, মধ্যাহ্নসময়, মৃগয়া, পৰ্বত, ঋতু, বনভূমি, সাগৰ, সম্ভোগ, বিৰহ, মুনি, স্বৰ্গ, চহৰ, যজ্ঞ, যুদ্ধ, বিবাহ, পুত্ৰজন্ম আদি বিষয়সমূহৰ বিস্তৃত বৰ্ণনা যথাযুক্তভাৱে দিব লাগে (*সন্ধ্যাসূৰ্য্যেন্থৰজনী-প্ৰদোষ ধ্বান্তবাসৰাঃ। প্ৰাতৰ্মধ্যাহ্ন মৃগয়াশৈলৰ্তুৰ্বনসাগৰাঃ। সম্ভোগ বিপ্ৰলম্ভৌ চ মুনিস্বৰ্গপুৰাধ্বৰাঃ। ৰণ প্ৰয়াণোপযম মন্ত্ৰপুত্ৰোদয়াদয়ঃ। বৰ্ণনীয়া যথাযোগং সাঙ্গোপাঙ্গা অমী ইহ*)। কবিৰ নামেৰে, বৰ্ণনীয় বিষয়ৰ নামেৰে, নায়কৰ নামেৰে অথবা বেলেগৰ নামেৰে মহাকাব্যৰ নামকৰণ হ'ব লাগে আৰু এটি সৰ্গত থকা আকৰ্ষণীয় বিষয়ৰ দ্বাৰা সেই বিশেষ সৰ্গটোৰ নাম হ'ব লাগে (*কবেৰ্বৃত্তস্য বা নাম্না নায়কস্যেতৰস্য বা। নামাস্য সৰ্গোপাদেয়কথয়া সৰ্গনাম তু*)।

সংস্কৃত মহাকাব্যসমূহত সাধাৰণ ভাবে এই বৈশিষ্ট্যবোৰ দেখিবলৈ পোৱা যায়। মহাকবি কালিদাসৰ *ৰঘুবংশম্* কাব্যতো মহাকাব্যৰ এই লক্ষণবোৰ কম-বেচি পৰিমাণে সুস্পষ্টৰূপত দেখা যায়। *ৰঘুবংশম্* কাব্যত বিষয়বস্তুৰ বিন্যাস ঘটিছে ঊনৈশটা সৰ্গৰ সমন্বয়ত। ইয়াতে এজন নায়ক নাথাকিলেও ঊনত্ৰিশজনে সূৰ্য্যবংশীয় ৰজাৰ বৰ্ণনা দাঙি ধৰা হৈছে। মহাকবি কালিদাসে এই কাব্যত তেওঁৰ অনুপম বৰ্ণনাৰ মাজেদি বীৰৰসক ,অঙ্গীৰস বা প্ৰধান হিচাপে প্ৰতিষ্ঠা কৰিছে। বীৰৰসৰ লগতে শৃঙ্গাৰ, কৰুণ আদি ৰসবোৰ এই প্ৰধানৰসৰে সহায়ক হিচাপে ঠায়ে ঠায়ে আবৰ্ত্তিত হৈছে। ৰামায়ণ, পুৰাণ আদিত থকা সূৰ্যবংশীয় ৰজাসকলৰ ইতিহাসক কেন্দ্ৰ কৰি গঢ় লৈছে মহাকবি কালিদাসৰ *ৰঘুবংশম্* কাব্যৰবিষয়বস্তু। কাব্যখনত বৰ্ণিত বিভিন্ন ঘটনাপ্ৰবাহৰ মাজেদি ধৰ্ম, অৰ্থ, কাম, মোক্ষ —এই চতুৰ্বৰ্গৰ গতি আবৰ্ত্তিত হৈছে। কালিদাসে এই কাব্যত দিলীপৰ চৰিত্ৰবৈশিষ্ট্যৰ মাজেদি ধৰ্মক, ৰঘুচৰিত্ৰৰ মাজেদি অৰ্থক, অজচৰিত্ৰৰ মাজেদি কামক আৰু দশৰথচৰিত্ৰৰ মাজেদি মোক্ষক প্ৰধানভাবে প্ৰক্ষেপ কৰিছে। দিলীপৰ পৰা আৰম্ভ কৰি সুদৰ্শনলৈকে আঠাইশজন ৰজাৰ জীৱনচৰিতৰ মাজেদি মহাকাবি কালিদাসে ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ — এই চতুৰ্বৰ্গসাধনাৰ প্ৰতিফলন ঘটাইছে। *ৰঘুবংশম্* কাব্যৰ আৰম্ভণিত কালিদাসে নিত্যসম্বন্ধেৰে যুক্ত জগতৰ পিতৃ-মাতৃ শিৱ-পাৰ্বতীৰ বন্দনা কৰিছে। তাৰ পিছত কবিয়ে বিষয়বস্তুৰ সূচনা কৰিছে। সমগ্ৰ কাব্যখনতেই কবি কালিদাসে বিভিন্ন ঠাইত ৰাৱণ, কশম্বুক আদি অসৎজনৰ নিন্দা কৰিছে আৰু ইয়াৰ বিপৰীতে সূৰ্য্যবংশীয় ৰজাসকলৰ গুণগান কৰিছে কবিয়ে। অগ্নিবৰ্ণৰ বাহিৰে বাকী ৰজাসকলৰ আত্মপ্ৰত্যয়মূলক জীৱনকাহিনীৰ দ্বাৰা কালিদাসে সজ্জনৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ দাঙি ধৰিছে। সমগ্ৰ *ৰঘুবংশম্* কাব্যতেই কালিদাসে প্ৰতিটো সৰ্গৰ বাবে এটি এটি বিশেষ ছন্দ পছন্দ কৰিছে আৰু সৰ্গৰ শেষৰ ফালে বেলেগ ছন্দৰ অবতাৰণা কৰা হৈছে। উদাহৰণ স্বৰূপে কব

পাৰি যে *ৰঘুবংশম্* কাব্যৰ প্ৰথমসৰ্গত অনুষ্টুপুছন্দৰ ব্যৱহাৰ কৰি সৰ্গৰ শেষত প্ৰহৰ্ষিনী ছন্দ গ্ৰহণ কৰা হৈছে। ঊনৈশটা সৰ্গসমৃদ্ধ *ৰঘুবংশম্*-ত কোনো এটা সৰ্গই অতি সংক্ষিপ্ত বা অতিবিস্তৃত পৰিসৰৰ নহয়। তদুপৰি প্ৰত্যেকটো সৰ্গৰ শেষৰফালে পৰৱৰ্ত্তী সৰ্গৰ বিষয়বস্তুৰ সূচনা দিয়া হৈছে। যেনে প্ৰথমসৰ্গত ৰজা দিলীপৰ বৰ্ণনা, বশিষ্ঠৰ আশ্ৰমত দিলীপৰ গমন, বশিষ্ঠৰ আশ্ৰমৰ বৰ্ণনা, ৰজা দিলীপৰ পুত্ৰহীনতাৰ কাৰণ আদি সংযুক্ত কৰি মহাকবিয়ে সৰ্গৰ শেষৰ ফালে দ্বিতীয়সৰ্গত বৰ্ণনীয় নন্দিনীৰ সেৱাৰ বিষয়ে সূচনা আগবঢ়াইছে। সমগ্ৰ কাব্যখনতেই কবি কালিদাসে তেওঁৰ স্বভাবসুলভ কল্পনাশক্তিৰে নিখুতভাবে সন্ধিয়া, ৰাতি, সূৰ্য্য, চন্দ্ৰ, প্ৰাতঃকাল, পৰ্বত, ঋতু, বন-উপবন, সাগৰ, নিজৰা, আশ্ৰম আদিৰ বৰ্ণনা উপস্থাপিত কৰিছে। উদাহৰণ হিচাপে আমি চতুৰ্থসৰ্গত থকা শৰৎকালৰ বৰ্ণনা, ৰঘুৰ দিগ্বিজয়যাত্ৰা, তৃতীয়সৰ্গত ৰঘুৰ জন্ম, সপ্তমসৰ্গত থকা অজ আৰু ইন্দুমতীৰ বিবাহ অনুষ্ঠান, নৱমসৰ্গত থকা দশৰথৰ মৃগয়া, ত্ৰয়োদশসৰ্গত থকা চিত্ৰকূট পৰ্বতৰ বৰ্ণনা, গঙ্গা-যমুনাৰ সঙ্গম বৰ্ণনা, যোড়শসৰ্গত থকা গ্ৰীষ্মঋতুৰ বৰ্ণনা আদিৰ কথা উল্লেখ কৰিব পাৰোঁ। এই কাব্যৰ নামকৰণৰ ক্ষেত্ৰত দেখা যায় যে যিহেতুকে ইয়াতে কোন এজনক নায়ক হিচাপে প্ৰক্ষেপ কৰা নাই সেইকাৰণে দিলীপপুত্ৰ ৰঘুক সূৰ্যবংশীয় ৰজাসকলৰ প্ৰতীক লৈ তেওঁৰ নামেৰে কবি কালিদাসে এই কাব্যৰ শিৰোনাম ধাৰ্য্য কৰিছে। তদুপৰি প্ৰত্যেকটো সৰ্গতেই বিশেষভাবে সূচিত ঘটনাৰ সংযোজনত উপনামৰ সৃষ্টি কৰা হৈছে। যেনে প্ৰথমসৰ্গত ৰজা দিলীপৰ বশিষ্ঠমুণিৰ আশ্ৰমত যাত্ৰাকৰা ঘটনাটোক মূল হিচাপে লৈ এই সম্পৰ্কে নামকৰণ কৰা হৈছে *বশিষ্ঠাশ্ৰমগমনঃ* ।

এই আলোচনাৰ পৰা এই কথা স্পষ্টৰূপে বুজা যায় যে কালিদাসৰ *ৰঘুবংশম্* কাব্যত আলঙ্কাৰিকসকলে নিৰ্দিষ্ট কৰি দিয়া প্ৰায় সকলোবোৰ বৈশিষ্ট্যই বিদ্যমান। গতিকে এইখন কাব্যক অবলীলাক্ৰমে মহাকাব্য বুলি আখ্যা দিয়া যায়। তদুপৰি সাহিত্যদৰ্পণ গ্ৰন্থতেই মহাকাব্যৰ উদাহৰণ হিচাপে *ৰঘুবংশম্* কাব্যৰ নাম দিয়া হৈছে। গতিকে কালিদাসৰ *ৰঘুবংশম্* খনক অবিসংবাদিতভাৱেই এখন সফল মহাকাব্য হিচাপে গ্ৰহণ কৰিব পাৰি।

## ২.৪ 'ৰঘুবংশম্' কাব্যৰ বিষয়বস্তু

ঊনৈশটা সৰ্গত মহাকবি কালিদাসে *ৰঘুবংশম্* কাব্যৰ বিষয়বস্তুৰ বিন্যাস ঘটাইছে। বিচিত্ৰ ঘটনা সম্বলিত এই সৰ্গবোৰে কথাবস্তুক এটি মহিমাময় ৰূপ প্ৰদান কৰিবলৈ সক্ষম হৈছে। তলত সৰ্গ অনুসৰি *ৰঘুবংশম্* কাব্যৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰা হল।

**১ম সৰ্গঃ—** সংস্কৃত কাব্যৰ ধাৰা অনুসৰি মহাকবি কালিদাসে তেওঁৰ *ৰঘুবংশম্* কাব্যৰ আৰম্ভণি কৰিছে এটি মঙ্গলবাচক শ্লোকেৰে। শব্দ আৰু অৰ্থৰ মাজত থকা নিত্যসম্বন্ধৰ দৰে সম্বন্ধযুক্ত জগৎপিতা পৰমেশ্বৰ আৰু জগন্মাতা পাৰ্বতীৰ স্তুতি-বন্দনাৰে মহাকবি কালিদাসে পাতনি মেলিছে *ৰঘুবংশম্* কাব্যৰ। কাব্যৰ আৰম্ভনিতে কবিয়ে পূৰ্বসূৰী বাল্মীকি আদি মহাকবিৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি ৰজা দিলীপৰ বৰ্ণনাৰে বিষয়বস্তুৰ সূচনা কৰিছে। এইজন ৰজাৰ জ্ঞান আছিল তেওঁৰ আকৃতিৰ অনুৰূপ, তেওঁৰ বিদ্যা আছিল জ্ঞানৰ অনুৰূপ, কৰ্ম আছিল বিদ্যাৰ অনুৰূপ আৰু কৰ্ম অনুসৰি তেওঁ সাফল্যলাভো কৰিছিল। ৰজা দিলীপে তেওঁৰ ৰাজত্বকালত প্ৰজাসকলক ভালদৰে ৰক্ষণাবেক্ষণ কৰি তথা প্ৰকৃত উপায়েৰে তেওঁলোকক পালন কৰি তেওঁলোকৰ পিতৃস্বৰূপ হৈছিল আৰু প্ৰকৃত-পিতৃসকল কেৱলমাত্ৰ জন্মদাতাহে আছিল। যজ্ঞকাৰী, উপযুক্ত দণ্ড ধাৰী, পৰাৰ্থে নিয়োজিতচিত্ত এইজন ৰজাই পুত্ৰকামনা কৰিও সন্তানহীন হোৱা কাৰণে ৰাজ্যভাৰ মন্ত্ৰিসকলক দি পুত্ৰলাভৰ আশাত পত্নী সুদক্ষিনাক লগত লৈ বশিষ্ঠমুনিৰ আশ্ৰমত গৈছিল।

আশ্ৰমৰ শান্তিভঙ্গ যাতে নহয় সেইকাৰণে ৰজা দিলীপে লগত অতিকম সংখ্যক মানুহ লৈছিল। পত্নীক বাটত ইটো-সিটো দেখুৱাই ৰজা দিলীপ সন্ধিয়া সময়ত মহৰ্ষি বশিষ্ঠৰ আশ্ৰমত প্ৰবেশ কৰিছিল। বশিষ্ঠৰ আশ্ৰমত মুনিসকলে ৰজা দিলীপ আৰু ৰাণী সুদক্ষিনাক সাদৰ অভ্যৰ্থনা জনাইছিল। ৰজাই মহৰ্ষি বশিষ্ঠ আৰু তেওঁৰ পত্নীক যথাযোগ্য অৰ্চনা কৰি তেওঁৰ পুত্ৰহীনতাৰ দুৰ্ভাগ্য তথা এই দুখৰ পৰা পৰিত্ৰাণৰ উপায়ৰ বিষয়ে মুনিক সুধিলে। তপস্বী বশিষ্ঠই ধ্যানযোগে ৰজাৰ পুত্ৰহীনতাৰ কাৰণ জানি কলে যে কামধেনু সুৰভিৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন নকৰাৰ বাবেহে সুৰভিৰ অভিশাপত ৰজাই সন্তানহীন হৈ আছে। এই অভিশাপৰ পৰা মুক্তি লাভৰ বাবে বশিষ্ঠই ৰজা আৰু ৰাজমহিষীক সুৰভিকন্যা নন্দিনীক যথাযোগ্য সেৱা কৰিবলৈ কলে, ৰজাই গুৰুৰ আদেশ শিৰোধাৰ্য কৰি ব্ৰতধাৰিনী পত্নীৰ সৈতে কঠোৰ নিয়মনীতি অনুসৰণ কৰি নন্দিনীক সেৱা কৰাৰ উদ্দেশ্যে প্ৰস্তুত হল। এইখিনিতে *ৰঘুবংশম্* কাব্যৰ প্ৰথমসৰ্গৰ বিষয়বস্তু সমাপ্ত হয়।

**২য় সৰ্গঃ—** মহৰ্ষি বশিষ্ঠই কোৱা ধৰণে ৰজা দিলীপে পত্নীৰ সৈতে নন্দিনীৰ সেৱাত নিৰত হল। নন্দিনীক অনুসৰণ কৰি কৰি কেতিয়াবা তাইক ফলদানেৰে, কেতিয়াবা তাইৰ ভৰি খজুৱাই দি, কেতিয়াবা আকৌ তাইৰ ইচ্ছা অনুসৰি বেলেগ বেলেগ ঠাইত যাব দি ৰজাই নন্দিনীৰ সেৱা কৰিছিল। নন্দিনী থিয় হলে ৰজাও ৰখি গৈছিল, নন্দিনী গতি কৰিলে ৰজাও গতি কৰিছিল, নন্দিনী বহিলে ৰজাও বহিছিল, নন্দিনী পানী খালেহে ৰজাই পানী গ্ৰহণ কৰিছিল। এনেদৰে বহুধৰণে নন্দিনীৰ প্ৰতি সেৱা আগবঢ়াই ৰজাই নন্দিনীক বনভূমিৰ পৰা তপোবনলৈ লৈ আহিছিল। আশ্ৰম পোৱাৰ লগে লগে ৰৈ থকা সুদক্ষিনাও বহুধৰণে নন্দিনীক অৰ্চনা কৰিছিল। এনেদৰে নন্দিনীৰ সেৱাতেই সম্পূৰ্ণ ৰূপে নিমগ্ন হৈ থকা ৰজা দিলীপ আৰু ৰাণী সুদক্ষিনাই একৈশদিন পাৰ কৰিলে। পিছদিনা নতুন ঘাঁহ খোৱাৰ বাবে হিমালয় পৰ্বতৰ গুহাত প্ৰবেশ কৰি নন্দিনী মায়াসিংহ এটিৰ দ্বাৰা আক্ৰান্ত হল। ৰজাই বহু চেষ্টা কৰিও মায়াসিংহটোক স্পৰ্শ কৰিব নোৱাৰিলে। কিছুসময় পিছত ৰজাৰ বিস্ময় দুগুণ বৃদ্ধি কৰি নিকুম্ভৰ মিত্ৰ কুম্ভোদৰ নামৰ সেই মায়াসিংহটোৱে নিজকে শিৱৰ দাস বুলি ব্যক্ত কৰি গুহাত তাৰ উপস্থিতিৰ কাৰণ ব্যক্ত কৰি আহাৰ হিচাপে নন্দিনীক গ্ৰহণ কৰাৰ কথা জনালে। নন্দিনীক মায়াসিংহৰ কবলৰ পৰা মুক্ত কৰিবৰ উদ্দেশ্যে নিজৰ দেহ দান কৰাৰ কথা কলে কিন্তু মায়াসিংহটোৱে ৰজাক এই আত্মত্যাগৰ পৰা বিৰত হবলৈ বহুধৰণে বুজালে। নন্দিনীৰ সেৱাত মন প্ৰাণ প্ৰদত্ত ৰজাই দিলীপে কোনোভাবেই মায়াসিংহৰ কথাত মান্তি নহল। যেতিয়া ৰজাই নন্দিনীৰ বিনিময়ত মায়াসিংহৰ ওচৰত নিজৰ শৰীৰ উছৰ্গা কৰিলে তেতিয়া আকাশৰ পৰা পুষ্পবৃষ্টি হল আৰু নন্দিনীয়ে ব্যক্ত কৰিলে যে ৰজা দিলীপৰ গুৰুভক্তি আৰু সেৱাৰ গভীৰতা পৰীক্ষা কৰাৰ কাৰণেহে নন্দিনীয়ে মায়াসিংহৰ সৃষ্টি কৰিছিল। অৱশেষত ৰজাৰ কৰ্ত্তব্য নিষ্ঠা দেখি সন্তুষ্ট হৈ নন্দিনীয়ে ৰজাক বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লে। ৰজা দিলীপে নন্দিনীৰ ওচৰত পত্নী সুদক্ষিনাৰ গৰ্ভত এটি পুত্ৰসন্তান লাভৰ প্ৰাৰ্থনা জনালে। ইয়াৰ পিছত ৰজাই আশ্ৰমত ঘূৰি আহি গুৰু বশিষ্ঠক সকলো কথা জনালে আৰু গুৰু, গুৰুপত্নী তথা নন্দিনীক শ্ৰদ্ধাৰে প্ৰদক্ষিণ কৰি ৰাজধানী যোৱাৰ উদ্দেশ্যে প্ৰস্থান কৰিলে। যথাসময়ত ৰাজধানীলৈ ঘূৰি আহি ৰজা দিলীপে পুনৰ ৰাজ্যভাৰ গ্ৰহণ কৰিলে আৰু ৰাজমহিষী সুদক্ষিণাও পৃথিৱীৰ মানুহৰ কল্যাণৰ বাবে এটি পুত্ৰসন্তান গৰ্ভত ধাৰণ কৰিলে। এইখিনিতে *ৰঘুবংশম্* কাব্যৰ দ্বিতীয় সৰ্গৰ কথাবস্তুৰ সমাপ্তি ঘটে।

**৩য় সৰ্গ ঃ—** ৰাণী সুদক্ষিনাৰ শৰীৰত গৰ্ভসঞ্চাৰৰ লক্ষণবোৰ সুস্পষ্ট হৈ উঠিল। তেওঁ বেলেগ বেলেগ খাদ্য বস্তু পৰিত্যাগ কৰি মাটিত খোৱাতেই আগ্ৰহ দেখুৱাইছিল। লাহে লাহে

গৰ্ভবৃদ্ধিৰ লগে লগে সুদক্ষিনাৰ শৰীৰ পুৰণি পাত সৰি নতুন পল্লৱ ধাৰণ কৰি হোৱা সুন্দৰ লতাৰ নিচিনা ধুনীয়া হৈ উঠিল। এই সময়তে ৰজা দিলীপে যথানিয়মত ৰানী সুদক্ষিনাৰ পুংসবন আদি ক্ৰিয়া সম্পাদন কৰিলে। গৰ্ভপূৰ্ণ হোৱাৰ পিছত দশম মাহত ৰানীয়ে সৌভাগ্যশালী পুত্ৰ এটিৰ জন্ম দিলে। পুৰোহিত বশিষ্ঠমুনিয়ে তপোবনৰ পৰা আহি ৰাজপুত্ৰৰ সকলোধৰণৰ জাতকৰ্ম আদি সংস্কাৰ সাধন কৰিলে। ৰজা দিলীপে শত্ৰুদমনত পুত্ৰই পাৰদৰ্শী হব তথা শাস্ত্ৰ সমূহতো পণ্ডিত হব —এই কথা জানি ৰঘু বুলি পুত্ৰৰ নামকৰণ কৰিলে। সময়ৰ গতিত ৰঘুৱে ডাঙৰ হব ধৰিলে আৰু যথাসময়ত ৰঘুৰ চূড়াকৰণ আদি সংস্কাৰ সম্পাদন কৰি বিদ্যাৰম্ভ কৰা হল। পিতৃ দিলাপৰ পৰা ৰঘুৱে শস্ত্ৰবিদ্যাৰ শিক্ষা গ্ৰহণ কৰিছিল। যথাসময়ত যৌবনপ্ৰাপ্ত ৰঘুৰ বিবাহসংস্কাৰ সাধন কৰা হল আৰু বিভিন্ন বিদ্যাত পাৰদৰ্শী তথা বিনয় আদি গুণেৰে সমৃদ্ধ ৰঘুক যুবৰাজ হিচাপে অভিষিক্ত কৰা হল। ইয়াৰ পিছত এদিন শতযজ্ঞ সম্পাদনত প্ৰবৃত্ত হোৱা ৰজা দিলীপৰ যজ্ঞীয় ঘোড়াটোক ইন্দ্ৰই অপহৰণ কৰিলে। সেইসময়তে ৰাজধানীত আহি উপস্থিত হোৱা নন্দিনীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি দিব্যদৃষ্টি লাভ কৰা ৰঘুৱে পূৰ্বদিশত অশ্ব অপহৰণকাৰী ইন্দ্ৰক দেখি এনেকুৱা কাৰ্য্যৰ পৰা বিৰত হবলৈ দেবৰাজক অনুৰোধ জনালে। কিন্তু শতক্ৰতু ইন্দ্ৰই এই অনুৰোধ ৰক্ষা নকৰাত দুইজনৰ মাজত প্ৰবল বাণযুদ্ধ আৰম্ভ হয়। ৰঘুৰ পৰাক্ৰমত সন্তুষ্ট হোৱা ইন্দ্ৰই ৰঘুক অশ্বটোৰ বাহিৰে বেলেগ যিকোনো বস্তু প্ৰাৰ্থনা কৰিব কলে। ৰঘুৱে তেতিয়া পিতৃ দিলীপে যাতে যজ্ঞসম্পাদনৰ সম্পূৰ্ণ ফল পায় সেই ব্যৱস্থা কৰিবলৈ ইন্দ্ৰক অনুৰোধ কৰিলে। ইন্দ্ৰদেবৰ কৃপাত দিলীপে সকলো কথা গম পাই বীৰপুত্ৰ ৰঘুক অভিনন্দন জনালে। যথাসময়ত দিলীপে বিষয়ৰ প্ৰতি অনাসক্ত হৈ যুবৰাজ ৰঘুৰ ওপৰত ৰাজ্যশাসনৰ ভাৰ অৰ্পণ কৰি সুদক্ষিনাক লৈ ইক্ষ্বাকুবংশীয় ৰজাসকলৰ নিয়ম অনুসৰি বাণপ্ৰস্থাশ্ৰম গ্ৰহণ কৰি তপোবনগামী হল। ইয়াতেই *ৰঘুবংশম্* কাব্যৰ তৃতীয়সৰ্গৰ সমাপ্ত হয়।

**৪ৰ্থ সৰ্গ ঃ—** পিতৃপ্ৰদত্ত ৰাজ্যভাৰ শিৰোধাৰ্য কৰি ৰঘুৱে অতি নিষ্ঠাৰ সৈতে ৰাজ্যশাসন কৰি সকলো প্ৰজাৰ মন-প্ৰাণ হৰণ কৰি লৈছিল। ফলত সকলোফালে সফলতাৰ প্ৰতীকস্বৰূপ ৰঘুৰ ক্ষেত্ৰত ‘ৰজা’ নামটো সম্পূৰ্ণ সাৰ্থক হৈ উঠিছিল। ৰঘুৰ ৰাজ্যত শান্তি স্থাপন হোৱাৰ পিছতেই পদ্মলক্ষণসমৃদ্ধ শৰৎ ঋতুৰ আগমন ঘটিছিল। ৰাজধানী তথা ৰাজ্যৰ প্ৰান্তদেশসমূহ সম্পূৰ্ণ সুৰক্ষিত কৰি ৰঘুৱে দিগ্বিজয়ৰ উদ্দেশ্যে ছয়প্ৰকাৰ সৈন্যৰ সৈতে যাত্ৰা আৰম্ভ কৰে। ৰঘুৱে প্ৰথমতে পূবদিশত তেওঁৰ অভিযান আৰম্ভ কৰে আৰু ব্ৰহ্মদেশ, বঙ্গদেশ, উৎকলপ্ৰদেশ আদি জয় কৰি চাৰিওফালে নিজৰ জয় বিস্তাৰ কৰিছিল। দক্ষিণ দিশতো ৰজা ৰঘুৱে কাবেৰী নদী পাৰ হৈ পান্ড্য দেশীয় ৰজাসকলক পৰাস্ত কৰে। ইয়াৰ পিছত মলয় আৰু দৰ্দূৰ নামৰ পৰ্বতত নিজৰ পৰাক্ৰম প্ৰকাশ কৰি ৰজা ৰঘুৱে সূৰ্যপৰ্বত অতিক্ৰম কৰে। পশ্চিমদিশত যোৱা ৰঘুৱে কেৰল আদি ঠাইত নিজৰ পৰাক্ৰম ঘোষণা কৰি পাৰসীকসকলক জয় কৰাৰ উদ্দেশ্যে অগ্ৰসৰ হয়। পশ্চিমদেশীয় ৰজাসকলক নিজৰ পৰাক্ৰমেৰে পৰাস্ত কৰি ৰঘুৱে উত্তৰদিশত যাত্ৰা আৰম্ভ কৰে। হূণসকলক সন্ত্ৰস্ত কৰি কম্বোজদেশৰ ৰজাসকলক পৰাস্ত কৰি ৰঘুৱে পাৰ্বত্য জাতীয় ৰজাসকলক লগত যুদ্ধত প্ৰবৃত্ত হয় আৰু নিজৰ বীৰত্বেৰে সেইসকলক পৰাস্ত কৰি লৌহিত্যনদ অতিক্ৰম কৰি প্ৰাগজ্যোতিষত আহি উপস্থিত হয়। কামৰূপৰ ৰজাই ৰঘুৰ লগত সন্ধি কৰে আৰু বহুতো ৰত্ন-উপহাৰেৰে তেওঁৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে। এনেদৰে সকলোদিশতে বিজয় ধ্বজা উৰুৱাই ৰজা ৰঘুৱে যথাসময়তে ৰাজধানীত প্ৰত্যাবৰ্ত্তন কৰে। ৰাজধানীলৈ ঘূৰি আহি তেওঁ সকলো দান কৰিবলগীয়া বিশ্বজিৎ যজ্ঞ সম্পাদন কৰে আৰু পৰাজয়বৰণ কৰা ৰজাসকলক বিভিন্ন পুৰস্কাৰেৰে বিভূষিত কৰি তেওঁলোকৰ মনৰ পৰা পৰাজয়ৰ গ্লানি দূৰ কৰি দিয়ে। এনেদৰে

সন্মান লাভ কৰা ৰজাসকলে যথাসময়ত ৰঘুৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰি নিজৰ নিজৰ ৰাজধানীলৈ ঘূৰি গল। এইখিনিতে *ৰঘুবংশম্* কাব্যৰ চতুৰ্থসৰ্গৰ বিষয়বস্তু সমাপ্ত হয়।

**৫ম সৰ্গ ঃ—** বিশ্বজিৎ যজ্ঞত সকলো ধনসম্পত্তি শেষ হৈ নিঃকিণ হোৱা ৰঘুৰ ওচৰত কৌৎস ঋষিয়ে অৰ্থলাভৰ আশাত আহি উপস্থিত হল। অতিথিবৎসল ৰজা ৰঘুৱে কৌৎস ঋষিৰ যথাযোগ্য অৰ্চনা কৰি তেওঁৰ গুৰুৰ তথা আশ্ৰমৰ কুশলৰ বিষয়ে সুধিলে। তদুপৰি কৌৎসমুনিয়ে গুৰুৰ আদেশত আহিছে নে নিজৰ ইচ্ছাত ৰঘুক কৃতাৰ্থ কৰিব আহিছে সেই বিষয়েও ৰঘুৱে জানিব বিচাৰিলে। ৰঘুৰ কথা শুনি আৰু তেওঁ আগবঢ়োৱা মৃৎপাত্ৰৰ অৰ্ঘ্যৰ প্ৰতি লক্ষ্য ৰাখি ৰজাৰ নিৰ্ধনতা অনুমান কৰি কৌৎসঋষিয়ে বিশ্বজিৎযজ্ঞত কৰা দানৰ গুৰুত্ব ব্যক্ত কৰি জনালে যে তেওঁ প্ৰকৃততে গুৰুদক্ষিণাৰ অৰ্থলোৱাৰ বাবে ৰজা ৰঘুৰ ওচৰত আহিছে। কিন্তু বৰ্তমানে ৰজাৰ নিঃস্বতা দেখি তেওঁ আৰু অৰ্থ বিচাৰিব খোজা নাই। এনেদৰে কৈ ঘূৰি যাবলৈ উদ্যত হোৱা কৌৎসমুনিক নিবৃত্ত কৰি ৰজা ৰঘুৱে গুৰুদক্ষিণাৰ পৰিমাণ জানিব বিচাৰিলে আৰু মুণিয়েও উত্তৰত গুৰুৱে চৌধ্যকোটি স্বৰ্ণমুদ্ৰা বিচৰা বুলি কলে। ৰজাই মুণিক ঘূৰি যাবলৈ মানা কৰি দুই-তিনিদিন অপেক্ষা কৰিব কৈ কুবেৰৰ ধন জয় কৰি অনাৰ উদ্দেশ্যে যুদ্ধযাত্ৰাৰ বাবে সাজু হল। এনেতে ৰাতিপুৱা ৰাজকৰ্মচাৰীসকল আহি জনালে যে কোষাগাৰত আকাশৰপৰা স্বৰ্ণবৃষ্টি হৈছে। কুবেৰৰ পৰা পোৱা ধনখিনি কৌৎসমুনিক ৰজাই দিব খোজাত ঋষিয়ে প্ৰয়োজনৰ অতিৰিক্ত ধন অস্বীকাৰ কৰে আৰু গুৰুদক্ষিণাৰ সমপৰিমান অৰ্থ গ্ৰহণ কৰি সন্তুষ্টমনত বিদায় লৈ ৰজাক পুত্ৰপ্ৰাপ্তিৰ আশীৰ্বাদ জনাই ঘূৰি যায়। ৰজাইও সেই আশীৰ্ব্বাদ অনুসৰি যথাসময়ত ব্ৰাহ্মমুহূৰ্ত্তত এটি পুত্ৰসন্তান লাভ কৰে আৰু এইপুত্ৰৰ নাম দিয়া হয় অজ। উপযুক্ত বিদ্যাশিক্ষা লাভ কৰি যৌবনপ্ৰাপ্ত অজক পিতৃ ৰঘুৱে বিদৰ্ভৰাজ ভোজৰ নিমন্ত্ৰণক্ৰমে তেওঁৰ ভনীয়েক ইন্দুমতীৰ স্বয়ংবৰ সভাত সৈন্যসামন্তৰ সৈতে পঠালে। বাটত অজৰ সন্মুখত বন্যহাতী এটা আহি পৰাত তাক ঘূৰাই পঠাবলৈ ৰাজপুত্ৰই তাৰ কপালত লাহেকৈ বাণৰ আঘাত কৰিলে। ৰজাৰ হাতৰ পৰা নিৰ্গত বাণৰ আঘাত পোৱাৰ লগে লগে সেই হাতীৰ দেহাৰ পৰা প্ৰিয়ংবদ নামৰ গন্ধৰ্ব পুত্ৰজন ওলাই আহি নিজৰ অহংকাৰৰ কাৰণে মতঙ্গমুণিৰ অভিশাপত এনেকুৱা হোৱা বুলি প্ৰকাশ কৰিলে। অজৰ হাতত মুক্তি পোৱা প্ৰিয়ংবদই আনন্দিত হৈ অজক 'সন্মোহন' নামৰ গান্ধৰ্ব অস্ত্ৰ প্ৰদান কৰে। তাৰ পিছত অজই বিদৰ্ভৰাজ্যত প্ৰবেশ কৰে আৰু বিদৰ্ভৰ ৰজাই যথোচিত সন্মান প্ৰদৰ্শন কৰি ৰজাক স্বাগতম জনায়। অজই বিদৰ্ভৰাজৰ অনুচৰৰ সৈতে নতুনকৈ নিৰ্মাণ কৰা পটমণ্ডপত প্ৰবেশ কৰি যথাসময়ত নিদ্ৰামগ্ন হল আৰু ৰাতিপুৱা চাৰণপুত্ৰসকলৰ প্ৰশংসাসমৃদ্ধ জাগৰনীবচনত সাৰ পাই বিধি অনুসৰি প্ৰাতঃকালীন কৰ্ত্তব্য সম্পাদন কৰি উপযুক্ত বেশভূষাৰে সজ্জিত হৈ স্বয়ংবৰ সভাত উপস্থিত হল। ৰঘুবংশ মহাকাব্যৰ পঞ্চমসৰ্গৰ বিষয়বস্তু ইয়াতেই সমাপ্ত হয়।

**৬ষ্ঠ সৰ্গ ঃ—** স্বয়ম্বৰ সভাত আহি অজই উপস্থিত হোৱাৰ লগে লগে তেওঁৰ অলোকসামান্য ৰূপলাবণ্যত সমগ্ৰ পুৰবাসীয়ে সমাকৃষ্ট হৈ আন আন ৰজাক ত্যাগ কৰি তেওঁৰ ফালেই দৃষ্টি নিবদ্ধ কৰিলে। অলপ পিছত স্বয়ংবৰা ইন্দুমতীয়ে সভাকক্ষত প্ৰবেশ কৰিলে আৰু তৎক্ষণাৎ সকলো ৰজাই নিজা নিজা ভঙ্গিমাৰে প্ৰণয়চেষ্টা ব্যক্ত কৰিলে। দ্বাৰপালিকা সুনন্দাই এজনৰ পিছত এজন ৰজাৰ বংশপৰিচয়, সুমহান কীৰ্তি তথা পৰাক্ৰমৰ বিষয়ে কবলৈ গৈ প্ৰথমতে মগধদেশৰ ৰজাৰ ওচৰত ইন্দুমতীৰ সৈতে আহি উপস্থিত হল। সুনন্দাৰ মুখৰ পৰা মগধ ৰজাৰ প্ৰজানুৰঞ্জকত্ব, প্ৰশাসনক্ষমতা, যাগপ্ৰিয়তা আদি অতুলনীয় গুণৰ কথা শুনিও ইন্দুমতীৰ হৃদয় তেওঁৰ প্ৰতি আকৃষ্ট নহল। তাৰপিছত সুনন্দাই অঙ্গদেশৰ ৰজাৰ গুণ গুণগৰিমা ব্যক্ত কৰিলে

কিন্তু ইন্দুমতীয়ে পূৰ্বৰ দৰে এইজন ৰজাকো প্ৰত্যাখ্যান কৰিলে। ইয়াৰ পিছত সুনন্দাই ইন্দুমতীক লগত লৈ আজানুলম্বিতবাহুবিশিষ্ট, সুবিশাল ব্ৰহ্মদেশ যুক্ত, সূৰ্যৰ দৰে উজ্জ্বলপ্ৰভাময় অবন্তিদেশৰ ৰজাৰ ওচৰত থিয় হৈ তেওঁৰ গুণগাথা আৰম্ভ কৰে কিন্তু আগৰ দৰে ইন্দুমতীয়ে এইজন ৰজাৰ প্ৰতিও কোনোধৰণৰ অনুৰাগ অনুভৱ নকৰিলে। অবন্তিৰাজৰ পিছত ইন্দুমতীয়ে সুনন্দাৰ সৈতে আহি উপস্থিত হয় অনুপদেশৰ ৰজা প্ৰতীপৰ ওচৰত। জ্ঞানবৃদ্ধসকলৰ অনৰাগী, যুদ্ধবীৰ, কাৰ্তবীৰ্যবংশোদ্ভৱ এইজন ৰজাৰ বীৰত্বৰ কথাও ইন্দুমতীৰ হৃদয়ক আকৰ্ষিত কৰিব নোৱাৰিলে। এনেদৰে এজন এজনকৈ শূৰসেনৰ ৰজা সুষেণ, কলিঙ্গৰাজ হেমাঙ্গদ আৰু উৰগপুৰৰ ৰজা পাণ্ড্যক প্ৰত্যাখ্যান কৰি ৰঘুনন্দন অজৰ ওচৰত আহি উপস্থিত হল সুনন্দাৰ সৈতে বিদৰ্ভকুমাৰী ইন্দুমতীয়ে। অতুলনীয় সৌন্দৰ্য্যৰ অধিকাৰী হোৱা অজৰ সন্মুখত আহি ইন্দুমতীয়ে আকৃষ্ট হৃদয় হৈ আৰু কাৰো ওচৰতেই নগল। অজৰ প্ৰতি ইন্দুমতীয়ে আকৰ্ষণ প্ৰকাশ কৰাত সুনন্দাই অজৰ বংশমৰ্যাদা তথা সৌন্দৰ্য্যৰ প্ৰশংসা আৰম্ভ কৰিলে। সেই সকলো শুনি অজৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণ অনুভৱ কৰা ইন্দুমতীয়ে ৰঘুনন্দনক বৰমাল্য পিন্ধাইদি স্বামী হিচাপে বৰণ কৰিলে। জোন-জোনাকৰ অপূৰ্ব মিলনৰ নিচিনা সুন্দৰ এই মিলনত একফালে নগৰবাসীৰ হৃদয়বোৰ আনন্দেৰে পৰিপূৰ্ণ হল আনফালে আন ৰজাসকলৰ মুখমণ্ডল প্ৰত্যাখ্যানৰ দুখত নিষ্প্ৰভ হৈ উঠিল। *ৰঘুবংশম্* মহাকাব্যৰ ষষ্ঠ সৰ্গৰ বিষয়বস্তু ইয়াতেই সমাপ্ত হয়।

**৭ম সৰ্গ ঃ—** ৰজা ভোজে ভনীয়েক ইন্দুমতী আৰু বৰ হিচাপে বৰণ কৰা ৰঘুনন্দন অজক লগত লৈ ৰাজপথত ওলাল আৰু নগৰবাসী তিৰোতাসকলে নিজৰ নিজৰ কাম এৰি বৰ-বধূক চাবলৈ আহিল। পুৰনাৰীসকলৰ প্ৰশংসা শুনি শুনি আহি অজ আৰু ইন্দুমতীয়ে ৰাজপ্ৰাসাদত প্ৰৱেশ কৰি বিবাহ অনুষ্ঠানত বহিল। যথাযথ নিয়মত বিবাহ অনুষ্ঠান সমাপন কৰি স্ত্ৰী ইন্দুমতীক লগত লৈ বিদৰ্ভৰাজ ভোজৰ সৈতে অজ ৰাজধানীৰ উদ্দেশ্যে যাত্ৰা আৰম্ভ কৰিলে। পূৰ্বৰেপৰা সাজু হৈ থকা প্ৰত্যাখ্যাত ৰজাসকলে অজৰ যাত্ৰাপথ অবৰুদ্ধ কৰাত দুই পক্ষৰ মাজত প্ৰচণ্ড যুদ্ধ আৰম্ভ হয়। বাট-ঘাট সকলো ঠাই তেজেৰে পৰিপূৰ্ণ হৈ গল। শত্ৰুপক্ষৰ ওচৰত সৈন্যসকল পৰাজিত হলেও ৰঘুনন্দন, বীৰ অজই প্ৰাণপন যুদ্ধ কৰিবলৈ ল'লে। অবশেষত অজই প্ৰিয়ংবদৰ পৰা পোৱা গান্ধৰ্ব অস্ত্ৰটো নিক্ষেপ কৰি শত্ৰুসকলোকে নিদ্ৰাৰ কোলাত শুৱাই জয়ধ্বজা স্থাপন কৰিলে। শত্ৰুপক্ষৰ ৰজাসকলক পৰাজিত কৰিলেও অজই কাৰো প্ৰাণনাশ কৰা নাছিল। ইন্দুমতীয়ে স্বামীৰ বিজয়বাৰ্তা পাই অতিশয় আনন্দচিত্ত হৈ সখীসকলৰ কথামতে স্বামীক অভিনন্দন জনালে। ৰজা ৰঘুৱে দূতৰ মুখত সকলো কথা শুনি পুত্ৰৰ বীৰত্বত সুখী হৈ ৰাজধানীত পুত্ৰবধূৰ সৈতে উপস্থিত হোৱা বিজয়ী অজক অভিনন্দন জনালে। তাৰ পিছত ৰঘুৱে উপযুক্তসন্তানৰ হাতত সংসাৰৰ দায়িত্বভাৰ অৰ্পণ কৰি সূৰ্যবংশৰ নিয়ম অনুসৰি বাণপ্ৰস্থাশ্ৰমলৈ যোৱাৰ কথা মনস্থ কৰিলে। এইখিনিতেই *ৰঘুবংশম্* মহাকাব্যৰ সপ্তমসৰ্গৰ বিষয়বস্তুৰ সমাপ্তি হয়।

**৮ম সৰ্গ ঃ—** পিতৃ ৰঘুৰ পৰা ৰাজ্যভাৰ গ্ৰহণ কৰি অজে পূৰ্ণোদ্যমত ৰাজ্যশাসন আৰম্ভ কৰিলে আৰু তেওঁৰ স্বভাবসুলভ দূৰদৃষ্টি তথা কৰ্ম কুশলতাৰে প্ৰজাসকলৰ মন আকৰ্ষণ কৰিলে। পুত্ৰৰ অনুৰোধক্ৰমে ৰঘুৱে বনবাসত নগৈ নগৰৰ প্ৰান্তদেশত বাসগৃহ নিৰ্মাণ কৰি ইন্দ্ৰিয়সমূহক সংযত কৰি সন্ন্যাসজীবন আৰম্ভ কৰিলে। এনেদৰে কিছুদিন থাকি ৰঘুৱে সমাধিস্থ হল। পিতৃৰ দেহত্যাগৰ কথা শুনি ব্যাকুল হৈ পৰা অজে যথানিয়মত পিতাৰ শ্ৰাদ্ধাদিকাৰ্য সমাপন কৰিলে। কিছুদিন পিছত ইন্দুমতীৰ গৰ্ভত অজপুত্ৰৰ জন্ম হল আৰু ভৱিষ্যতে এইজন দশাননৰ ঘাতকৰ জনক হব —এই কথা ভাবি পণ্ডিতসকলে নবজাতকৰ নাম ৰাখিলে দশৰথ। অজপুত্ৰ দশৰথে

সময়ৰ লগে লগে ডাঙৰ আৰু সুন্দৰ হব ধৰিলে। হঠাতে এদিন ৰাজ্যৰ এটি উপবনত বিহাৰ কৰি থকা সময়ত ইন্দুমতীৰ বুকুত নাৰদৰ বীণাচ্যুত দিব্যপুষ্পমালা এডাল আহি আঘাত কৰাত থিতাতেই ৰাণীৰ মৃত্যু ঘটে। পত্নীপ্ৰিয় ৰজাই ইন্দুমতীৰ বিয়োগত ম্ৰিয়মান হৈ বহুস্মৃতি ৰোমন্থন কৰি বিলাপ কৰিব ধৰিলে। প্ৰিয়পত্নীৰ মৃতদেহ কোলাত লৈ থকা অজৰ মনৰ পৰা সকলো আনন্দ দূৰীভূত হল আৰু তেওঁ শোকত সম্পূৰ্ণ বিধ্বস্ত হৈ পৰিল। আত্মীয়সকলে বহুকষ্টেৰে ইন্দুমতীৰ দেহ অজৰ কোলাৰ পৰা লৈ অন্ত্যেষ্টিক্ৰিয়া সম্পাদন কৰিলে। দহদিন পিছত শোকাতুল ৰজাই শাস্ত্ৰমতে পত্নীৰ শ্ৰদ্ধাদি কৰ্ম সম্পাদন কৰিলে। এইফালে কুলগুৰু বশিষ্ঠই ধ্যানত সকলো কথা জানি শিষ্যৰ হতুৰাই জনালে যে তৃণবিন্দুনামৰ ঋষিজনৰ অভিশাপতেই হৰিণী নামৰ অপ্সৰা এজনীয়ে ইন্দুমতী হৈ মানবীৰূপ ধাৰণ কৰিছিল আৰু দিব্যপুষ্পদৰ্শনৰ ফলত অভিশাপমুক্তা হৈ সেই দেবনাৰীজনীয়ে যথাস্থানত ঘূৰি গৈছে। গতিকে এই মৃত্যুলৈ চিন্তা কৰি লাভ নাই। এই গুৰুবাণীয়ে কিন্তু ৰজাৰ দুখৰ উপশম ঘটাব নোৱাৰিলে আৰু বহুকষ্টেৰে পুত্ৰমুখ দৰ্শন কৰি কৰি অজে কোনোমতে আঠবছৰ কাল অতিক্ৰম কৰি ৰোগগ্ৰস্থ হৈ পৰিল। কিছুদিন পিছত দশৰথক যথা নিয়মত ৰাজ্যভাৰ অৰ্পন কৰি অজে মৃত্যুলৈকে আহাৰ গ্ৰহণ নকৰাৰ ব্ৰত ধাৰণ কৰিলে আৰু শেষত জাহ্নবী আৰু সৰযূ নদীৰ সঙ্গমস্থলত দেহত্যাগ কৰি স্বৰ্গত পত্নীৰ লগত সন্মিলিত হল। ইয়াতেই *ৰঘুবংশম্* মহাকাব্যৰ অষ্ঠমসৰ্গৰ বিষয়বস্তু সমাপ্ত হয়।

**৯ম সৰ্গ ঃ—** অজপুত্ৰ দশৰথে পিতৃবিয়োগৰ পিছত ৰাজ্যভাৰ সম্পূৰ্ণৰূপে গ্ৰহণ কৰি অত্যন্ত পাৰদৰ্শিতাৰ সৈতে ৰাজ্যশাসন কৰিব ধৰিলে। ৰঘু আৰু অজৰ সময়ত যেনেদৰে পৃথিবী শোভা পাইছিল একেদৰে দশৰথৰ ৰাজত্বকালতো পৃথিবী সৌন্দৰ্য্যপৰিপূৰ্ণা হৈ উঠিছিল। ৰজা হিচাপে দশৰথ যেনেকুৱা সফল আছিল একেদৰে যজ্ঞ আদি কৰ্মতো তেওঁৰ সমানেই পাৰদৰ্শিতা দেখিবলৈ পোৱা গৈছিল। মহাপৰাক্ৰমী এইজন ৰজাক মগধ, কোশল আৰু কেকয় দেশৰ ৰাজকন্যাতিনিজনীয়ে পতিৰূপে বৰণ কৰিলে। তাৰ পিছত ৰাজ্যত বসন্ত সমাগমত চাৰিওফালে প্ৰাকৃতিক সৌন্দৰ্য্যৰ আতিশয্য পৰিলক্ষিত হল। ৰজা দশৰথে সম্পূৰ্ণভাবে বসন্তঋতুৰ সৌন্দৰ্য্য উপভোগ কৰি অবশেষত মৃগয়াৰ বাবে সাজু হল। মৃগয়াৰ উপযুক্ত বেশ-ভূষা ধাৰণ কৰি, ধনুৰ্বাণ লগত লৈ ঘোঁৰাৰ ওপৰত উঠি ৰজা দশৰথে বনভূমিৰ উদ্দেশ্যে যাত্ৰা কৰিলে। মৃগবিলাকৰ উদ্দেশ্যে ধনুৰ্বাণ প্ৰস্তুত কৰিও স্বভাবকোমল ৰজাই পুনৰ বাণ সংযমন কৰি ললে। বন্য গাহৰি, বাঘ, সিংহ আদিক বধ কৰি কৰি মৃগয়াবিলাসী ৰজা দশৰথে এদিন তমসানদীৰ তীৰভূমিত আহি উপস্থিত হল। সেই ঠাইত কলহত পানী ভৰোৱাৰ শব্দ শুনি হাতীৰ অবস্থিতি অনুমান কৰি ৰজাই শব্দভেদী বান নিক্ষেপ কৰে আৰু সেই বাণৰ আঘাতত অন্ধমুণিৰ পুত্ৰৰ মৃত্যু ঘটে। পুত্ৰৰ মৃত্যুত অসহায় হৈ পৰা অন্ধদম্পতীয়ে ৰজাক পুত্ৰ শোকত প্ৰাণবিয়োগৰ অভিশাপ দিয়ে। পুত্ৰহীন ৰজাই এই অভিশাপক শিৰোধাৰ্য কৰি অন্ধমুণিৰ ইচ্ছামতে পুত্ৰৰ মৃতদেহৰ সৈতে অনুগমনৰ ব্যৱস্থা সম্পূৰ্ণ কৰি বনভূমি পৰিত্যাগ কৰে। ইয়াতেই *ৰঘুবংশম্* মহাকাব্যৰ নৱমসৰ্গৰ কথাবস্তু সমাপ্ত হয়।

**১০ম সৰ্গ ঃ—** প্ৰায় দহহেজাৰ কাল ৰাজ্যশাসন কৰা দশৰথৰ হৃদয় পুত্ৰমুখ দৰ্শনৰ উদ্দেশ্যে ব্যাকুল হৈ পৰিল। ঋষ্যশৃঙ্গ আদি ঋষিসকলে মিলি ৰজা দশৰথৰ বাবে পুত্ৰেষ্টিযাগ আৰম্ভ কৰিলে। এইফালে দেবতাসকলেও ৰাক্ষস ৰাবণৰ অত্যাচাৰত অতিষ্ঠ হৈ বিষ্ণুৰ ওচৰত উপস্থিত হল। দেবতাসকলে আহি অনন্তনাগৰ ওপৰত বহি থকা, ৰঙাবসনধাৰী, কৌস্তুভ মণিৰে সজ্জিত, যোগনিদ্ৰাৰ পৰা সাৰ পোৱা ভগবানক দেখা পালে। দেবতাসকলে সমগ্ৰ জগতৰ স্ৰষ্টা, ইন্দ্ৰিয়াতীত, নিষ্কাম, তপস্বী, সৰ্বজ্ঞ, স্বয়ম্ভূ, অনাদি ভাগবানক স্তুতি কৰিব ধৰিলে আৰু এই

স্তবত শ্ৰীভগবানে দেৱতাসকলৰ প্ৰতি সন্তুষ্ট হৈ তেওঁলোকৰ দুখৰ কাৰণ জানি ভবিষ্যতে ৰাৱণৰ ঘাতকৰূপে ৰজাদশৰথৰ পুত্ৰ হৈ জন্ম লোৱাৰ কথা ব্যক্ত কৰিলে। এইফালে দশৰথৰ ৰাজ্যত কৰা পুত্ৰেষ্টি যাগৰ যজ্ঞাগ্নিৰ পৰা দিব্যপুৰুষ এজন আবিৰ্ভূত হৈ স্বৰ্ণপাত্ৰত মিষ্টান্ন দশৰথক প্ৰদান কৰিলে। দশৰথে সেই পাত্ৰ কৌশল্যা আৰু কৈকেয়ীৰ মাজত ভাগ কৰি দিলে। ৰানী দুজনীয়ে নিজৰ নিজৰ অংশৰ পৰা আধাভাগ সুমিত্ৰাক খাবলৈ দিলে। যথাসময়ত কৌশল্যাৰ গৰ্ভত ৰাম, কৈকেয়ীৰ গৰ্ভত ভৰত সুমিত্ৰাৰ গৰ্ভত লক্ষ্মণ আৰু শত্ৰুঘ্নৰ জন্ম হ'ল। সমগ্ৰ পৃথিবীয়ে এই চাৰিজন দশৰথপুত্ৰৰ আগমনত সুখস্নাতা হৈ উঠিল। ৰজাৰ গৃহত পাৰিজাতৰ বৃষ্টি হ'ল স্বৰ্গলোকৰ পৰা। যথাসময়ত এই চাৰিজন ৰাজপুত্ৰৰ সকলো সংস্কাৰ বিধিমতে পালন কৰা হল। চাৰিজন ভ্ৰাতৃৰ মাজত অশেষ সৌহাৰ্য্য থাকিলেও লাহে লাহে ৰাম আৰু লক্ষ্মণ তথা ভৰত আৰু শত্ৰুঘ্নই অভিন্নহৃদয় হৈ পৰিল। ৰজা দশৰথে চাৰিজন পুত্ৰৰেই গুণাবলী লক্ষ্য কৰি অশেষ আনন্দত নিমজ্জিত হল। এইখিনিতে *ৰঘুবংশম্* মহাকাব্যৰ দশমসৰ্গৰ কথাবস্তু সমাপ্ত হয়।

**১১শ সৰ্গ ঃ—** মুণি বিশ্বামিত্ৰই অযোধ্যাত আহি যজ্ঞবিঘ্নকাৰী ৰাক্ষসকলক বধকৰিবৰ বাবে ৰামক লৈ যাবলৈ বিচৰাত ৰজা দশৰথে লক্ষ্মণৰ সৈতে ৰামক মুনিৰ হাতত অৰ্পণ কৰে। ৰাম আৰু লক্ষ্মণ বয়সত সৰু হলেও ঋষিৰ পৰা পোৱা বলা আৰু অতিবলা বিদ্যাৰ প্ৰভাৱত অতি সহজেই পথক্লান্তি শূণ্য হৈ বাট অতিক্ৰম কৰি আগুৱাই গ'ল। পথত অতিশয় কলা তাড়কা ৰাক্ষসীয়ে তেওঁলোকৰ গতি অৱৰুদ্ধ কৰিব খোজাত ৰামচন্দ্ৰই বাণ নিক্ষেপ কৰে আৰু সেই বাণত শৰীৰ বিদীৰ্ন হৈ তাড়কাৰ মৃত্যু ঘটে। ইয়াৰ পিছত বিশ্বামিত্ৰৰ লগত ৰাম আৰু লক্ষ্মণে বামনাশ্ৰম দৰ্শন কৰি মুনিৰ আশ্ৰমত প্ৰবেশ কৰি যজ্ঞবিঘ্নৰূপী ৰাক্ষসসকলক হত্যা কৰিবলৈ উদ্যত হয়। ইয়াতেই ৰামে হত্যা কৰে তাড়কাপুত্ৰ মাৰীচ আৰু সুবাহু নামৰ অতিশয় শক্তিশালী ৰাক্ষসদুজনক। ৰাক্ষস সকলক হত্যা কৰাত বিশ্বমিত্ৰৰ মন আনন্দেৰে পৰিপূৰ্ণ হৈ উঠে। তাৰপিছত জনক ৰজাৰ আমন্ত্ৰণক্ৰমে বিশ্বামিত্ৰই ৰাম আৰু লক্ষ্মণক সঙ্গী হিচাপে লৈ মিথিলাৰ উদ্দেশ্যে যাত্ৰা কৰে। বাটত গৌতম মুণিৰ আশ্ৰমত প্ৰবেশ কৰি তেওঁলোক মিথিলাত উপস্থিত হয়। জনকৰ যজ্ঞ শেষ হোৱাৰ পিছত বিশ্বামিত্ৰৰ অনুৰোধ ক্ৰমে মিথিলাধিপতিয়ে হৰ ধনুখন ৰামক দেখুৱালে। পৰাক্ৰমী ৰামচন্দ্ৰৰ প্ৰবল আঘাতত অতি কঠোৰ সেই ধনুখন নিমেষতে ভঙ্গ হয়। জনকে এই ঘটনাত অতিশয় আনন্দিত হৈ নিজৰ প্ৰতিজ্ঞা পালনৰ উদ্দেশ্যে ৰামৰ হাতত প্ৰিয়কন্যা সীতাক অৰ্পন কৰে। ৰামচন্দ্ৰৰ লগত সীতাৰ, লক্ষ্মণৰ লগত উৰ্মিলাৰ আৰু কুশধ্বজৰ কন্যাদ্বয় মান্তৰী আৰু শ্ৰুতকীৰ্তিৰ লগত ভৰত আৰু শত্ৰুঘ্নৰ বিবাহ অনুষ্ঠিত হয়। ৰজা দশৰথৰ উপস্থিতিত বিবাহকাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত চাৰিজন পুত্ৰ তথা চাৰিগৰাকী পুত্ৰবধূক লগত লৈ ৰাজধানীৰ উদ্দেশ্যে যাত্ৰা কৰে। যাত্ৰাপথত তেওঁলোকৰ সন্মুখত ক্ষত্ৰিয়বধকাৰী পৰশুৰামৰ আবিৰ্ভাৱ ঘটে আৰু কিছুসময় ৰামচন্দ্ৰ আৰু পৰশুৰামৰ মাজত কথোপকথন চলে। তাৰপিছত ৰামচন্দ্ৰই বাণ নিক্ষেপ কৰি পৰশুৰামৰ অনুমতিক্ৰমে তেওঁৰ স্বৰ্গপথ অবৰুদ্ধ কৰে আৰু ৰামচন্দ্ৰক অভিবাদন জনাই পৰশুৰাম অন্তৰ্হিত হয়। ৰজা দশৰথে বিজয়ী ৰামচন্দ্ৰক আলিঙ্গন কৰি আনন্দমনেৰে যাত্ৰা কৰি অযোধ্যাপুৰীত প্ৰবেশ কৰে। ইয়াতেই *ৰঘুবংশম্* মহাকাব্যৰ একাদশসৰ্গৰ কথাবস্তু সমাপ্ত হয়।

**১২শ সৰ্গ ঃ—** ৰজা দশৰথৰ বৃদ্ধ বয়সত ৰামচন্দ্ৰৰ ৰাজ্যাভিষেক হয় কিন্তু কৈকেয়ীৰ দুৰভিসন্ধিত ৰজা পৰাস্ত হয় আৰু ৰামচন্দ্ৰ চৈধ্যবছৰৰ বাবে বনবাসত যাবলগীয়া হয়। ৰামচন্দ্ৰৰ এই যাত্ৰাকালত তেওঁৰ সঙ্গী হয় কনিষ্ঠ ভ্ৰাতা লক্ষ্মণ আৰু প্ৰিয়পত্নী সীতাদেবী। কিন্তু পুত্ৰৰ

বিচ্ছেদবেদনা সহ্য কৰিব নোৱাৰা দশৰথৰ মৃত্যু হয়। দশৰথে কেকেয়ীৰ প্ৰতি কৰা প্ৰতিজ্ঞামৰ্মে ভৰতক ৰজা হিচাপে গ্ৰহণ কৰাৰ কাৰণে মাতি পঠোৱা হয় কিন্তু ভৰতে এই প্ৰস্তাৱ গ্ৰহণ নকৰি ৰামচন্দ্ৰৰ সন্ধানত গৈ চিত্ৰকূটবনত আহি জ্যেষ্ঠভ্ৰাতৃক পিতাৰ মৃত্যুসংবাদ দিয়ে আৰু ৰাজত্ব গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে। কিন্তু পিতৃসত্যপালনত দৃঢ়প্ৰতিজ্ঞ ৰামচন্দ্ৰই এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। তেতিয়া ভৰতে তেওঁৰ পাদুকাগ্ৰহণ কৰি সেই পাদুকাক আশ্ৰয় কৰি ৰাজ্যশাসন আৰম্ভ কৰে। এইফালে চিত্ৰকূটবনত লক্ষ্মণৰ সৈতে ৰামচন্দ্ৰ আৰু সীতাদেবীৰ দিন অতিবাহিত হয়। এদিন এই বনতেই বিৰাধ নামৰ ৰাক্ষসজনে আহি ৰামচন্দ্ৰৰ পথ অবৰোধ কৰি সীতাক হৰণ কৰাত ৰামচন্দ্ৰ আৰু লক্ষ্মণে সন্মিলিত ভাবে বিৰাধক হত্যা কৰে। অগস্ত্যমুণিৰ আদেশক্ৰমে ৰামচন্দ্ৰ, সীতা আৰু লক্ষ্মণৰ সৈতে আহি পঞ্চৱটীত উপস্থিত হয়। ইয়াতেই ৰাবণভগিনী শূৰ্পনখাই আহি প্ৰথমতে ৰামচন্দ্ৰ আৰু পিছত লক্ষ্মণৰ ওচৰত গৈ প্ৰণয়প্ৰস্তাৱ আগবঢ়াই প্ৰত্যাখ্যাত হৈ সীতাক আক্ৰমণ কৰাৰ বাবে সাজু হোৱাত লক্ষ্মণে তৰোৱালেৰে সেই ৰাক্ষসীৰ নাক-কাণ ছেদ কৰে। তাৰপিছত খৰ, দূষণ, ত্ৰিশিৰা আদি ৰাক্ষসসকলৰ লগত ৰাম-লক্ষ্মণৰ যুদ্ধ হয় আৰু ৰাক্ষসসমূহৰ ধ্বংস হয়। এইফালে শূৰ্পনখাৰ প্ৰতি কৰা অত্যাচাৰৰ প্ৰতিশোধ লোৱাৰ বাবে সাজু হোৱা ৰাবণে পঞ্চবটীত আহি হৰিণৰ ৰূপ ধৰি সীতাক হৰণ কৰি লৈ যায়। প্ৰবলপৰাক্ৰমী ৰাম আৰু লক্ষ্মণে জটায়ুৰ মুখৰ পৰা এই সংবাদ শুনি পৰ্যায়ক্ৰমে বালী আদিক হত্যা কৰি ৰাবণৰ সন্মুখীন হয়। ৰাম-ৰাবণৰ প্ৰচণ্ডযুদ্ধৰ অন্তত ৰাবণৰ মৃত্যু ঘটে আৰু লঙ্কাত বন্দী হৈ থকা সীতাদেবীৰ অগ্নিপৰীক্ষাৰ পিছত ৰামচন্দ্ৰই পত্নীক গ্ৰহণ কৰি পুষ্পকবিমানেৰে অযোধ্যা অভিমুখে যাত্ৰা কৰে এইখিনিতে সমাপ্ত হয় *ৰঘুবংশম্* মহাকাব্যৰ দ্বাদশসৰ্গৰ কথাবস্তু।

**১৩শ সৰ্গ ঃ—** আকাশমাৰ্গেৰে যাত্ৰা কৰি থকা সময়ত ৰামচন্দ্ৰই তলত সমুদ্ৰ দৰ্শন কৰি সীতাৰ ওচৰত সমুদ্ৰমাহাত্ম্য বৰ্ণনা কৰিব ধৰিলে। সৰ্বব্যাপী বিষ্ণুৰ দৰে এই সমুদ্ৰ আছিল প্ৰকাৰ আৰু পৰিমাণত বিশাল। ভগবান বিষ্ণুৱে যোগনিদ্ৰাকালত এই সমুদ্ৰতেই শয়ন কৰিছিল। সমুদ্ৰৰ পিছত ৰামচন্দ্ৰই পত্নীৰ ওচৰত দৃশ্যমান জনস্থান আৰু পঞ্চৱটীৰ বৰ্ণনা দাঙি ধৰে। পঞ্চৱটীত থকা অগস্ত্য মুনিৰ আশ্ৰম, শাতকৰ্ণিমুনিৰ পঞ্চাপ্সৰ, সুতীক্ষ্মমুনিৰ তপস্যা, শৰভঙ্গ ঋষিৰ তপোবন আদি ৰামচন্দ্ৰই দেখুৱাই দিয়ে প্ৰাণাধিক প্ৰিয়পত্নী সীতাক। তাৰপিছত ৰামচন্দ্ৰই চিত্ৰকূটৰ বিষয়ে কৈ গঙ্গা-যমুনাৰ সঙ্গমৰ অপৰূপ বৰ্ণনা দিয়ে। গঙ্গা-যমুনাৰ অবগাহন কৰা পুৰুষৰ পুনৰ্জন্ম নহয়। তদনন্তৰ ৰামচন্দ্ৰই পত্নী সীতাক সৰযূনদীৰ বিষয়ে বৰ্ণনা দিয়ে। ইতিমধ্যে সেই বিমান আকাশমাৰ্গৰ পৰা নামি পৃথিৱীপৃষ্ঠত উপস্থিত হয়। পূৰ্বৰে পৰা অপেক্ষা কৰি থকা ভৰতে অৰ্ঘ্যপ্ৰদান কৰে ৰামচন্দ্ৰৰ চৰণত। ৰাক্ষসকুলৰ ৰজা বিভীষণেও ৰামচন্দ্ৰক অভ্যৰ্থনা জনায়। তাৰপিছত ৰামে ভৰত আৰু লক্ষ্মণক লগত লৈ ৰথত আৰোহণ কৰি অযোধ্যাৰ ওচৰত থকা শত্ৰুঘ্নৰ মণ্ডপত প্ৰবেশ কৰে। ইয়াতেই *ৰঘুবংশম্* মহাকাব্যৰ ত্ৰয়োদশ সৰ্গৰ বিষয়বস্তু সমাপ্ত হয়।

**১৪শ সৰ্গ ঃ—** ৰামচন্দ্ৰই লক্ষ্মণৰ সৈতে আহি অযোধ্যাত উপস্থিত হৈ প্ৰথমতে কৌশল্যা আৰু সুমিত্ৰাক প্ৰণাম জনাই ৰাজধানীত প্ৰবেশ কৰিলে। তাৰপিছত পিতৃ দশৰথৰ কক্ষত প্ৰবেশ কৰি কৈকেয়ীক প্ৰণাম জনাই তেওঁৰ মনৰ দুখ দূৰ কৰিলে। যথাসময়ত ৰামচন্দ্ৰই পিতৃৰ আদেশ স্মৰণ কৰি ৰাজ্যভাৰগ্ৰহণ কৰে আৰু তিনিজন ভ্ৰাতৃৰ প্ৰতি সমাভাবাপন্ন হৈ সফলতাৰ সৈতে ৰাজ্য শাসন আৰম্ভ কৰে। ইতিমধ্যে সীতাদেবীৰ গৰ্ভসঞ্চাৰ হয় আৰু তেওঁৰ শৰীৰত গৰ্ভলক্ষণ প্ৰকট হৈ উঠে। এইসময়ত স্বামীৰ ইচ্ছা অনুসৰি নিজৰ অভিপ্ৰায় জনাই সীতাদেবীয়ে ভাগীৰথী নদীৰ তীৰৱৰ্তী তপোবনত যোৱাৰ আকাঙ্ক্ষা ব্যক্ত কৰে। ইতিমধ্যে ৰজা ৰামচন্দ্ৰই ভদ্ৰনামৰ

অনুচৰজনৰ মুখৰ পৰা জানিব পাৰে যে ৰাজ্যত নৰ-নাৰীসকলে ৰাৱণৰ গৃহত থকা সীতাদেবীক ৰামচন্দ্ৰই গ্ৰহণ কৰা কাৰণে নিন্দা কৰি আছে। প্ৰজাপ্ৰিয় ৰজাই এই অপবাদ সহ্য কৰিব নোৱাৰি সীতাদেবীক পৰিত্যাগ কৰাৰ সিদ্ধান্ত লয়। ৰামচন্দ্ৰই কনিষ্ঠ ভ্ৰাতৃ লক্ষ্মণক মাতি আনি বাল্মীকিৰ আশ্ৰম দেখুৱাবৰ ছলেৰে সীতাক লগত লৈ তাতে পৰিত্যাগ কৰি অহাৰ দায়িত্ব ন্যস্ত কৰে। অপাপ বিদ্ধা, সৰলমনা সীতাই আশ্ৰম দৰ্শন কৰি অত্যন্ত আনন্দিত হয় কিন্তু যি মুহূৰ্তত জানিব পাৰে যে স্বামীয়ে তেওঁক পৰিত্যাগ কৰিছে সেই ক্ষণতেই সীতাৰ হৃদয়-মন বিষাদগ্ৰস্ত হৈ পৰে আৰু কৰুণ স্বৰত তেওঁ বিলাপ আৰম্ভ কৰে। অগ্নিশুদ্ধা হোৱাৰ পিছতো ৰামচন্দ্ৰই কিয় সীতাক পৰিত্যাগ কৰিলে এই কথাটো তেওঁৰ বোধগম্য নহল। তথাপি পৰিত্যক্তা সীতাদেবীয়ে নিজচৰিত্ৰৰ অনুৰূপ স্বভাবেৰে স্বামীৰ প্ৰতি অকপট প্ৰেম ব্যক্ত কৰে আৰু ভৱিষ্যতে ৰামচন্দ্ৰকে স্বামী হিচাপে পোৱাৰ আকাঙ্ক্ষা ব্যক্ত কৰে লক্ষ্মণৰ আগত। লক্ষ্মণো বিদায় লোৱাৰ পিছত সীতাই আকুল হৈ কান্দিব ধৰে। সেই সময়তে কুশ আনিবলৈ যোৱা বাল্মীকিয়ে ক্ৰন্দনৰ শব্দ শুনি ধ্যানত সকলো কথা জানি সীতাক লৈ আহি তমসানদীৰ তীৰৱৰ্তী আশ্ৰমত উপস্থিত হল। তাত তপস্বিনী সকলৰ সৈতে সীতাদেবীৰ দিনযাত্ৰা আৰম্ভ হল। এইফালে সীতাক পৰিত্যাগ কৰি ৰাজধানীলৈ উভতি অহা লক্ষ্মণৰ মুখৰ পৰা সকলো কথা শুনি পত্নী বিৰহত ব্যাকুল ৰামচন্দ্ৰৰ চকুৰ পানী নিঃসৃত হল। কিন্তু অতিসংযমী ৰজাই নিজৰ মনৰ ভাব গোপন কৰি ৰাজ্যশাসন কৰিব ধৰিলে। এইসময়ত প্ৰয়োজনীয় যজ্ঞাদিকাৰ্যত সীতাৰ প্ৰতিকৃতি নিৰ্মাণ কৰি ৰজাই সপত্নীক হৈ শাস্ত্ৰমতে কাৰ্যসমাধা কৰিছিল। এই কথা বুলি জানি সীতাদেবীয়ে কোনোমতে ৰজাৰ পৰিত্যাগ মানি লৈছিল। ইয়াতেই *ৰঘুবংশম্* মহাকাব্যৰ চতুৰ্দশসৰ্গৰ কথাবস্তুৰ সমাপ্তি ঘটে।

**১৫শ সৰ্গ ঃ—** সীতা পৰিত্যাগৰ পিছত ৰামচন্দ্ৰ ৰাজ্যশাসনত নিমগ্ন হল। ইতিমধ্যে যজ্ঞবিঘ্নকাৰী লৱণাসুৰৰ আগমনবাৰ্তা শুনি ৰামচন্দ্ৰই শত্ৰুঘ্নক এই অসুৰবধৰ নিমিত্তে প্ৰস্তুত হবলৈ আদেশ দিয়ে। জ্যেষ্ঠভ্ৰাতৃৰ আজ্ঞা শিৰোধাৰ্য কৰি শত্ৰুঘ্নই গৈ নিজৰ পৰাক্ৰমেৰে লৱণাসুৰক বধ কৰে আৰু মধুৰা নামৰ অপৰূপ নগৰী এটি যমুনা নদীৰ তীৰত নিৰ্মাণ কৰে। এইফালে বাল্মীকিৰ আশ্ৰমত সীতাদেবীয়ে লৱ আৰু কুশৰ জন্ম দিয়ে। বাল্মীকিৰ তত্ত্বাবধানত সীতাপুত্ৰ দুজনৰ সকলো সংস্কাৰ বিধিমতে সম্পন্ন হয়। বাল্মীকিৰ ওচৰত এই দুজন শিশুপুত্ৰই বেদাদিশাস্ত্ৰ অধ্যয়ন কৰি ৰামায়ণগানত পাৰদৰ্শী হৈ উঠে। এই সময়ত ভৰত, লক্ষ্মণ আৰু শত্ৰুঘ্নৰ নিজৰ নিজৰ পত্নীয়ে দুটা দুটাকৈ পুত্ৰসন্তানৰ জন্ম দিয়ে। ইতিমধ্যে ৰাজ্যত অকালমৃত্যু ঘটাৰ সংবাদ পাই ৰজা ৰামচন্দ্ৰই ইয়াৰ কাৰণ বিচাৰি যাওঁতে শূদ্ৰ শম্বুকৰ ইন্দ্ৰপদ লাভৰ বাবে কৰা তপস্যা দেখি সেইঠাইতে শম্বুকৰ শিৰচ্ছেদ কৰি ৰাজ্যক অমঙ্গলৰ পৰা ৰক্ষা কৰে। তাৰপিছত অগস্ত্যমুনিৰ সঙ্গ লাভ কৰি ৰাজ্যত অশ্বমেধযজ্ঞ আৰম্ভ কৰে। স্বৰ্ণময়ী সীতাই আছিল এই যজ্ঞত ৰামচন্দ্ৰৰ পত্নী। ইতিমধ্যে সকলো ঠাইতে লৱ আৰু কুশৰ কণ্ঠত ৰামায়ণী গাণৰ প্ৰশংসাৰ কথা শুনি ৰামচন্দ্ৰই তিনিজন ভ্ৰাতৃৰ সৈতে এই গান শুনিব ধৰিলে। বাল্মীকিৰ মুখৰ পৰা ৰামচন্দ্ৰই জানিব পাৰিলে যে লৱ আৰু কুশ হল ৰামচন্দ্ৰৰে পুত্ৰদ্বয় সীতাদেবীক পুণৰ গ্ৰহণৰ বিষয়ে বাল্মীকিৰ অনুৰোধবাক্যশুনি ৰামচন্দ্ৰই সীতাক নিজৰ সতীত্বৰ প্ৰমাণ দিয়াৰ কথা ব্যক্ত কৰিলে। কিন্তু স্বামীৰ সন্মুখতেই সীতাই মাতৃ ধৰিত্ৰীৰ কোলাত চিৰশয্যা গ্ৰহণ কৰিলে। তাৰপিছত ৰামচন্দ্ৰই ভৰতক সিন্ধুদেশ প্ৰদান কৰে আৰু ভৰতে তেওঁৰ পুত্ৰদ্বয় তক্ষ আৰু পুষ্কলক তক্ষশিলা আৰু পুষ্কলাৱতীত অভিষিক্ত কৰি ৰামচন্দ্ৰৰ ওচৰত ঘূৰি আহে। ৰামচন্দ্ৰৰ আদেশক্ৰমে লক্ষ্মণেও তেওঁৰ দুই পুত্ৰ অঙ্গদ আৰু চন্দ্ৰকেতুক ৰাজ্যৰ অংশ প্ৰদান কৰে। এনেদৰে পুত্ৰসকলক যথাযোগ্য

পদত অধিষ্ঠিত কৰি ৰামচন্দ্ৰই লক্ষ্মণ আৰু ভৰতক লৈ মহাপ্ৰস্থানৰ উদ্দেশ্যে যাত্ৰা কৰে আৰু সৰযূনদীৰ মাধ্যমত মানবৰূপ পৰিত্যাগ কৰি বিষ্ণুৰূপত প্ৰবেশ কৰে। এইখিনিতে *ৰঘুবংশম্* মহাকাব্যৰ পঞ্চদশসৰ্গৰ বিষয়বস্তু সমাপ্ত হয়।

**১৬শ সৰ্গ ঃ—** লব আদি ভ্ৰাতৃসকল কুশকেই শ্ৰেষ্ঠ জ্ঞান কৰি নিজৰ নিজৰ ৰাজ্যশাসনত ব্যস্ত হল। এদিন মাজনিশা অযোধ্যাশ্ৰী কুশৰ আগত উপস্থিত হৈ অযোধ্যাৰ দুখলগা অবস্থাৰ বিষয়ে বৰ্ণনা কৰি কুশক এই অবস্থাৰ পৰা অযোধ্যাক ৰক্ষা কৰাৰ বাবে অনুৰোধ জনায়। পিছদিনা কুশে ব্ৰাহ্মণ সকলক এই কথা সদৰি কৰাত ব্ৰাহ্মণসকলে তেওঁক অভিনন্দন জনায় আৰু তেওঁ ব্ৰাহ্মণসকল হাতত কুশাবতী নগৰী প্ৰদান কৰি অযোধ্যাৰ উদ্দেশ্যে যাত্ৰা কৰি দীৰ্ঘ পথ অতিক্ৰম কৰি অযোধ্যাৰ ৰাজপ্ৰাসাদত প্ৰবেশ কৰে। এই সময়ত অযোধ্যা নগৰীত গ্ৰীষ্মঋতুৰ আগমন ঘটে। গ্ৰীষ্মনিদাথ দূৰ কৰাৰ উদ্দেশ্যে সৰযূনদীত বিহাৰ কৰি অৱশেষত কুশই নদীৰ পানীত নামি বিলাসিনীসকলৰ লগত জলকেলিত মত্ত হয়। এইসময়ত হঠাতে কুশৰ বাহুত থকা ৰামচন্দ্ৰৰ পৰা লাভ কৰা অগস্ত্যমুনিৰ অলংকাৰটো হেৰাই যায়। তৎক্ষণাৎ এই ৰত্নৰ সন্ধান কৰিবলৈ অনুচৰসকলক আদেশ দিয়া হয়। তাৰপিছত অনুচৰসকলৰ মুখৰ পৰা এই ৰত্ন কুমুদনাগৰ দ্বাৰা গৃহীত হৈছে বুলি জানি ৰজা কুশে খণ্ডত অগ্নিশৰ্মা হৈ সৰ্পৰাজক হত্যাৰ উদ্দেশ্যে অস্ত্ৰ গ্ৰহণ কৰাত সৰ্পৰাজ নিজে হাতত ৰত্নটো লৈ এটি কন্যাৰ সৈতে আহি ৰজাৰ সন্মুখত উপস্থিত হয়। সৰ্পৰাজৰ ভনীয়েক কুমুদ্বতীয়ে কৌতূহল বশত এই ৰত্নটো গ্ৰহণ কৰিছিল। তাকেই ঘূৰাই দি সৰ্পৰাজে ৰজা কুশক কুমুদ্বতীৰ পাণিগ্ৰহণ কৰাৰ বিষয়ে প্ৰস্তাৱ আগবঢ়ায়। কুশে আনন্দ মনেৰে এই প্ৰস্তাৱ গ্ৰহণ কৰে আৰু অগ্নিৰ সন্মুখত কুমুদ্বতীক পত্নীৰূপে গ্ৰহণ কৰে। এইখিনিতে *ৰঘুবংশম্* মহাকাব্যৰ যোড়শসৰ্গৰ বিষয়বস্তু সমাপ্ত হয়।

**১৭শ সৰ্গ ঃ—** কুশ আৰু কুমুদ্বতীৰ অতিথি নামৰ পুত্ৰসন্তান হয়। পুত্ৰজন্মৰ কিছুদিন পিছত কুশৰ মৃত্যু হয় আৰু কুমুদ্বতীয়ে স্বামীৰ লগত সহমৰণ যায়। পিতা কুশৰ মৃত্যুৰ পিছত অমাত্যসকলে অতিথিক যৌবৰাজ্যত অভিযেক কৰি নৃপতিৰূপে সিংহাসনত অধিষ্ঠিত কৰায়। বংশমৰ্যাদাক্ৰমে কুশপুত্ৰ অতিথিয়ে অতি সবলভাবে নিপুণতাৰ সৈতে ৰাজ্যশাসন কৰিব আৰম্ভ কৰে। তেওঁৰ শাসনকালত ৰাজধানীত সকলোধৰণৰ সুখ সম্পদৰ আগমন ঘটে। ধৰ্ম, অৰ্থ, কাম —এই ত্ৰিবৰ্গকেই সমভাবে সেবা কৰি ৰজা অতিথিয়ে ৰাজ্যত শৃঙ্খলতা তথা ৰাজলক্ষ্মীক স্থিৰভাবে অধিষ্ঠিত কৰিছিল। প্ৰজাসকলৰ মঙ্গলাৰ্থে তেওঁ সদায় ধনসঞ্চয় কৰিছিল আৰু শত্ৰুসকলক পৰাজিত কৰাৰ উদ্দেশ্যে ৰজা অতিথিয়ে যুদ্ধকাৰ্যত পাৰদৰ্শী, শিক্ষিত সেনাবাহিনী নিয়োগ কৰিছিল। সদায় প্ৰশংসাৰযোগ্য কাম কৰিও তেওঁ প্ৰশংসা শুনি লাজ প্ৰকাশ কৰিছিল আৰু সকলো ক্ষেত্ৰতেই প্ৰজাসকলক প্ৰকাশ কৰি তুলিছিল। ৰাজধৰ্ম যথাযথভাবে পালন কৰি এইজন ৰজা যথাসময়ত শাস্ত্ৰবিধি অনুসৰি যজ্ঞাদি কৰ্মৰ অনুষ্ঠান কৰিছিল। এনেদৰে অতিথিৰ ৰাজ্যশাসনৰ বৰ্ণনা দি *ৰঘুবংশম্* মহাকাব্যৰ সপ্তদশসৰ্গৰ কথাবস্তু সমাপ্ত হয়।

**১৮শ সৰ্গ ঃ—** ৰজা অতিথিৰ ঔৰসত আৰু অৰ্থপতিৰ কন্যাৰ গৰ্ভত নিষধনামৰ পুত্ৰ সন্তানৰ জন্ম হয়। বৃদ্ধকালত অতিথিয়ে পুত্ৰ নিষধৰ ওপৰত ৰাজ্যভাৰ অৰ্পণ কৰি স্বৰ্গগামী হয়। নিষধৰ পিছত ৰাজ্যলাভ কৰে তৎপুত্ৰ নলে। নলৰ পুত্ৰ নভঃ অযোধ্যাৰ ৰজা হয় আৰু পুণ্ডৰীক নামৰ পুত্ৰ এটি জন্ম দিয়ে। নভৰ মৃত্যুৰ পিছত বংশক্ৰম অনুসৰি পুণ্ডৰীকে ৰাজ্যভাৰ গ্ৰহণ কৰে। পুণ্ডৰীকৰ পিছত ৰাজ্যভাৰ লাভ কৰে তেওঁৰ সুপুত্ৰ ক্ষেমধন্বাই। ক্ষেমধন্বাৰ সুযোগ্য পুত্ৰ দেবানীকে পিতৃপ্ৰদও ৰাজ্য সফলতাৰ সৈতে পালন কৰে। দেবানীকৰ সুযোগ্য পুত্ৰ অহীনগুয়ে সমগ্ৰ পৃথিবীৰ অধীশ্বৰ হৈছিল। অহীনগুৰ স্বৰ্গগমনৰ পিছত তেওঁৰ পুত্ৰ পাৰিযাত্ৰই ৰাজ্যভাৰ গ্ৰহণ

কৰে। পাৰিযাত্ৰৰ পুত্ৰ আছিল শিল আৰু তেওঁৰ পুত্ৰ উন্নাভ বংশানুক্ৰমিক ভাৱে ৰাজসিংহাসনত অধিষ্ঠিত হয়। উন্নাভৰ পিছত তৎপুত্ৰ বজ্ৰনাভ, বজ্ৰনাভৰ পুত্ৰ শঙ্খণ আৰু তাৰ পিছতে শঙ্খণৰ পুত্ৰ ব্যুষিতাশ্বই একাদিক্ৰমে ৰজা হয় সাৰ্থকতাৰ সৈতে প্ৰজাপালন কৰে। ব্যুষিতাশ্বৰ পুত্ৰ বিশ্বসহ আৰু তৎপুত্ৰ হিৰণ্যনাভে পৈত্ৰিক সিংহাসনত আৰোহণ কৰি নিজা কীৰ্তিৰে ৰাজ্যশ্ৰীক উন্নত কৰি তোলে। হিৰণ্যনাভৰ পুত্ৰ আছিল কৌসল্য, তৎপুত্ৰ ব্ৰহ্মিষ্ঠ আৰু ব্ৰহ্মিষ্ঠতনয় পুত্ৰ যথাসময়ত ৰাজভাৰ গ্ৰহণ কৰিছিল। পুত্ৰই যথাসময়ত তেওঁৰ পুত্ৰ পুষ্যক ৰাজ্যভাৰ প্ৰদান কৰি যোগবলেৰে মুক্তি লাভ কৰে। পুষ্যৰ পিছত পৃথিবীপতি হয় তেওঁৰ পুত্ৰ ধ্ৰুবসিদ্ধিয়ে। এইজন ৰজাই শিশুপুত্ৰ সুদৰ্শনক ৰাখি সিংহৰ আক্ৰমণত প্ৰাণহুতি দিয়ে। অমাত্যসকলে একত্ৰিত হৈ এই শিশুপুত্ৰকেই ৰাজসিংহাসনত অধিষ্ঠিত কৰি সম্ৰাট হিচাপে স্বীকাৰ কৰে। বয়স কম হলেও মানসিক বলেৰে সুদৰ্শনে বিশাল ৰাজ্যভাৰ গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। যথাসময়ত সুদৰ্শনে যৌবন অবস্থা লাভ কৰে আৰু অমাত্যসকলে মিলি অপৰূপা কন্যাৰত্নৰ সৈতে তেওঁৰ বিবাহ স্থাপন কৰে। এনেদৰে *ৰঘুবংশম্* মহাকাব্যৰ অষ্টাদশসৰ্গৰ কথাবস্তু শেষ হয়।

**১৯শ সৰ্গ ঃ—** ৰজা সুদৰ্শনে পৰিপূৰ্ণভাৱে ৰাজ্যভোগ কৰি পুত্ৰ অগ্নিবৰ্ণৰ হাতত ৰাজ্যভাৰ অৰ্পণ কৰি বানপ্ৰস্থৰ শৰণ লৈ নৈমিষাৰণ্যত প্ৰবেশ কৰে। কামুক ৰজা অগ্নিবৰ্ণই কেইবছৰকাল ৰাজ্যশাসন কৰি অমাত্যসকলৰ ওপৰত ৰাজ্যভাৰ অৰ্পণ কৰি স্ত্ৰীসম্ভোগত লিপ্ত হয়। ইন্দ্ৰিয় সুখভোগত মত্ত ৰজা অগ্নিবৰ্ণই সকলোসময়তে শৰীৰকেন্দ্ৰিক সুখত নিমগ্ন আছিল। ৰাজ্যৰ কোনফালে তেওঁৰ কোনো দৃষ্টি নাছিল। অতিৰিক্ত স্ত্ৰীসম্ভোগ আৰু মদিৰাপাণৰ ফলত কমসময়তে তেওঁৰ শৰীৰ যক্ষ্মাৰোগত আক্ৰান্ত হয়। কিন্তু শৰীৰ ৰোগাগ্ৰস্ত হলেও অগ্নিবৰ্ণৰ সম্ভোগস্পৃহা তথা মদিৰাপান অলপো কমা নাছিল। এই অপ্ৰতিৰোধ্য কামচাৰিতাৰ ফলত ৰজা অগ্নিবৰ্ণই অকালতে মৃত্যুবৰণ কৰে। তেওঁৰ প্ৰিয় তথা বিশ্বস্ত মন্ত্ৰীসকলে গোপনে ৰজাৰ অন্ত্যেষ্টিক্ৰিয়া সম্পাদন কৰি অন্তঃসত্বা প্ৰধান মহিষীক ৰাজসিংহাসনত অধিষ্ঠিত কৰে। মন্ত্ৰীসকলৰ সহায় সহযোগিতা লাভ কৰি অগ্নিবৰ্ণৰ প্ৰধান মহিষীয়ে যোগ্যৰূপে ৰাজ্যশাসন কৰিছিল। এইখিনিতে *ৰঘুবংশম্* মহাকাব্যৰ ঊনবিংশ বিষয়বস্তু তথা সম্পূৰ্ণ মহাকাব্যখন সমাপ্ত হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰঘুবংশ মহাকাব্যৰ বিষয়বস্তু সংক্ষেপে লিখা। (১০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.........................................................................................

.........................................................................................

.........................................................................................

## ২.৫ শিৰোনামৰ তাৎপৰ্য্য

মহাকবি কালিদাসে *ৰঘুবংশম্* মহাকাব্যত প্ৰথমসৰ্গৰ পৰা ঊনবিংশ সৰ্গলৈকে যি কথাবস্তুৰ বিন্যাস স্থাপন কৰিছে তাতে ঊনত্ৰিশজন ৰজাৰ বিষয়ে কোৱা হৈছে। এই ক্ষেত্ৰত কিছুমান নৃপতিৰ বিষয়ে বিশদ বৰ্ণনা তথা কিছুমানৰ বিষয়ে সংক্ষিপ্ত পৰিচয় প্ৰদান কৰি মহাকবি কালিদাসে নিজৰ পছন্দ তথা ৰুচিৰ অভিব্যক্তি ঘটাইছে। এই মহাকাব্যৰ বিষয়বস্তু আৰম্ভ হয় সূৰ্যবংশীয় ৰজা দিলীপৰ পৰা আৰু সমাপ্ত হয় অগ্নিবৰ্ণৰ বৰ্ণনাৰে। এইক্ষেত্ৰত দ্বিতীয়স্থানত আছে দিলীপপুত্ৰ ৰঘুৰ কথা। গতিকে দিলীপৰ মাধ্যমত যি বংশানুকীৰ্ত্তন তথা কীৰ্তিকলাপৰ

বৰ্ণনাৰ পাতনি মেলা হল তাত ৰঘু নাম গ্ৰহণ কৰি বিশেষভাবে *ৰঘুবংশম্* নামকৰণ কিয় কৰা হল সেইবিষয়ে পণ্ডিতসকলৰ মনতো প্ৰশ্ন জাগে। কিন্তু মহাকাব্যপাঠৰ অন্তত এই কথা স্পষ্ট হৈ পৰে যে যদিও মহাকবি কালিদাসে দিলীপক লৈ কথাবস্তুৰ আৰম্ভ কৰিছে কিন্তু দিলীপ সুদক্ষিনাৰ সন্তানলাভৰ প্ৰচেষ্টাই এই ক্ষেত্ৰত গুৰুত্ব লাভ কৰিছে। মহাৰাজ দিলীপৰ চৰিত্ৰত পিতৃসুলভ গুণাৱলীৰ প্ৰকাশ ঘটোৱাই যেন মহাকবিৰ উদ্দেশ্যে হৈ পৰিছে। তদুপৰি ৰজা দিলীপৰ জন্মৰ পৰা এই মহাকাব্যৰ কথাবস্তু আৰম্ভ হোৱা নাই কিন্তু ৰজা দিলীপৰ কাহিনীটো যেন ৰঘুৰ জন্মৰ মুখবন্ধ হিচাপে নিবদ্ধ হৈছে মহাকবিৰ লেখনীত। ৰঘুৰ জন্মবৃত্তান্তটো হল এই মহাকাব্যত নিবদ্ধ প্ৰথমজন ৰাজপুত্ৰৰ জন্মকাহিনী। মহাকবি কালিদাসে যেন এই জন্মকাহিনীটোৰ মাজেদি এটা শক্তিশালী ৰাজবংশৰ পাতনি মেলিছে তেওঁৰ মহাকাব্যত আৰু এই দৃষ্টিভঙ্গীৰ ফলশ্ৰুতি হিচাপেই উক্ত মহাকাব্যৰ নামকৰণ কৰা হৈছে *ৰঘুবংশম্*। ৰঘুৰ বংশ, ৰঘুবংশ শিৰোনামটোক এই ধৰণে ব্যাখ্যা কৰিব পাৰি। মহাকাব্যৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে যে আলঙ্কাৰিকসকলৰ মতে কবিৰ নামত, বিষয়বস্তুৰ নামেৰে, নায়কৰ নামেৰে অথবা বেলেগৰ নাম লৈ মহাকাব্যৰ নামকৰণ কৰিব লাগে। *সাহিত্যদৰ্পণ* গ্ৰন্থত বিশ্বনাথ কবিৰাজে কৈছে *কবেৰ্বৃত্তস্য বা নাম্না নায়কস্যেতৰস্য বা, নামমাস্য* ...... ইত্যাদি। এই নিয়ম অনুসৰি বিচাৰ কৰা যায় যে মহাকবি কালিদাসে ৰঘুচৰিত্ৰটোক প্ৰধান চৰিত্ৰ হিচাপে লৈ তেওঁৰ বংশাৱলীৰ বৰ্ণনা কৰিছে কাৰণে উক্ত মহাকাব্যৰ নামকৰণ কৰিছে *ৰঘুবংশম্* । ইয়াৰ উপৰিও কোৱা যায় যে পৌৰাণিক তথা ইতিহাসলব্ধ চৰিত্ৰবোৰৰ মাজত কোনোবা এটি চৰিত্ৰৰ প্ৰতি কোনোবা কবি লেখকৰ দুৰ্বলতা থকাটো অতি স্বাভাবিক কথা। মহাকবি কালিদাসৰ দৃষ্টিত সূৰ্যবংশীয় ৰজা ৰঘুৰ প্ৰতি থকা তেওঁৰ আকৰ্ষণৰ উমান পোৱা যায়। সেইকাৰণে আকৰ্ষণৰ কেন্দ্ৰচৰিত্ৰক মূল হিচাপে লৈ মহাকবিয়ে উক্ত কাব্যৰ নামকৰণ *ৰঘুবংশম্* বুলি স্থিৰ কৰিছে। যিহেতু ৰঘুৰ জন্মসম্বন্ধীয় বৃত্তান্তৰ দ্বাৰা কাব্যখনৰ আৰম্ভনি ঘটিছে গতিকে দ্বিধাহীন ভাবে কোৱা যায় যে উক্ত নামকৰণটি এই মহাকাব্যত সম্পূৰ্ণৰূপে সাৰ্থক হৈছে। পণ্ডিত আৰ. কে. কৃষ্ণ মাচাৰিয়াৰৰ মতে মহাকবি কালিদাসে এই শিৰোনামটো ৰামায়ণৰ পৰা গ্ৰহণ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

*ৰঘুবংশম্* মহাকাব্যৰ নামকৰণৰ সাৰ্থকতা ব্যাখ্যা কৰক (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

....................................................................................................

....................................................................................................

....................................................................................................

## ২.৬ ‘ৰঘুবংশম্’ কাব্যৰ মূল আৰু মৌলিকতা

*ৰঘুবংশম্* মহাকাব্যৰ শিৰোনাম তথা বিষয়বস্তুৰ ক্ষেত্ৰত ৰামায়ণৰ প্ৰভাব স্পষ্টকৈ প্ৰতিফলিত হলেও বৰ্ণনীয় কথাৰ পৰিক্ৰমাৰ ফালে লক্ষ্য কৰি এটা কথাত উপনীত হোৱা যায় যে কাহিনীৰ ক্ষেত্ৰত মহাকবিয়ে বহুলাংশে ঋণী হ'লেও বিভিন্ন পুৰাণত বৰ্ণিত সূৰ্য্যবংশীয় নৃপতিসকলৰ কাহিনীবোৰেও কালিদাসক সমানভাবে প্ৰভাবিত কৰিছিল। কাৰণ নৱমসৰ্গৰ পৰা পঞ্চদশ সৰ্গলৈকে কলিদাসে ৰামায়ণকথাৰ অনুৰূপ কাহিনীৰ অবতাৰণা কৰিলেও সমগ্ৰ *ৰঘুবংশম্* মহাকাব্যত বিভিন্ন সূৰ্যবংশীয় ৰজাৰ বিচিত্ৰ যি কীৰ্তিকলাপৰ পৰিচয় পোৱা যায় আৰু বংশানুক্ৰমিকভাবে সূৰ্য্যবংশীয় ৰজাসকলৰ যি ক্ৰম মহাকাব্যত দেখা পোৱা যায় তাত মহাকবিৰ

স্বকীয় প্ৰতিভা আৰু পুৰাণসমূহৰ প্ৰভাবৰ চিন সুস্পষ্ট। ৰামায়ণত দিলীপৰ পৰা আৰম্ভ কৰি কুশলৈকে ঊনৈশজন সূৰ্য্যবংশীয় নৃপতিৰ কথা পোৱা যায় আৰু দিলীপৰ পিছত ভগীৰথ, কুকৎস্থ আৰু চতুৰ্থস্থানত ৰঘুৰ নাম পোৱা যায়। কিন্তু মহাকবি কালিদাসৰ বৰ্ণনাত দিলীপৰ পৰা আৰম্ভ কৰি ষষ্ঠ স্থানত পোৱা যায় কুশৰ নাম আৰু ৰঘুক ইয়াতে দিলীপৰ পুত্ৰৰূপে উল্লেখ কৰা হৈছে। মহাকবি কালিদাসে দিয়া সূৰ্য্যবংশীয় ৰজাসকলৰ ক্ৰমটো হল দিলীপ-ৰঘু-অজ-দশৰথ-ৰাম-কুশ-অতিথি-নিষধ-নল-পুণ্ডৰীক-ক্ষেমধন্বা- দেবানীক- অহীনত্ত-পাৰিযাত্ৰ-শীল-উন্নাভ-বজ্ৰনাভ-শঙ্খণ-ব্যুষিতাশ্ব- বিশ্বমহ-হিৰণ্যনাভ-কৌসল্য-ব্ৰহ্মিষ্ঠ-পুত্ৰ-পুষ্য-ধ্ৰুবসিদ্ধি-সুদৰ্শন-অগ্নিবৰ্ণ। এইক্ষেত্ৰত কুশৰ পৰবৰ্তী যি সকল ৰজাৰ নাম ক্ৰম অনুসৰি দিয়া হৈছে তাৰ লগত ৰামায়ণ বৰ্ণিত ক্ৰমৰ সাদৃশ্য পোৱা নাযায়। কিন্তু ব্ৰহ্মপুৰাণত পোৱা দিলীপৰ পৰা অহীনগুলৈকে চতুৰ্দশ পুৰুষৰ বৰ্ণনাৰ লগত *ৰঘুবংশম্* কাব্যৰ ক্ৰমৰ সাদৃশ্য পৰিলক্ষিত হয়। *অগ্নিপুৰাণ* আৰু *মৎস্যপুৰাণ*ত অজৰ পৰা অহীনগুলৈকে যি ক্ৰম পোৱা যায় ৰঘুবংশতো সেই নামসমূহৰ একেই ক্ৰম অনুসৃত হোৱা দেখা যায়। *বায়ুপুৰাণ*ত দিলীপৰ পৰা অগ্নিবৰ্ণলৈকে আঠাইশজন ৰাজপুৰুষৰ বিৱৰণ পোৱা যায় কিন্তু তাত দিলীপৰ পুত্ৰ হিচাপে দীৰ্ঘবাহুৰ নাম থকা দেখা যায়। তদুপৰি পাৰিযাত্ৰ আৰু বজ্ৰনাভৰ মাজত দল, বল আৰু ঔঙ্কৰ নাম থকা দেখা যায় কিন্তু *ৰঘুবংশম্* কাব্যত থকা শীল, উন্নাভ, কৌসল্য, ব্ৰহ্মিষ্ঠ তথা পুত্ৰৰ উল্লেখ তাত নাই। গতিকে এইক্ষেত্ৰত ক'ব পৰা যায় যে মহাকবি কালিদাসৰ ৰচনাত দিলীপৰ পৰা অহীনগুলৈকে ৰাজপুৰুষসকলৰ বৰ্ণনা *ব্ৰহ্মপুৰাণ*ত পোৱা বৰ্ণনাৰ সদৃশ তথা পুষ্যৰ পৰা অগ্নিবৰ্ণলৈকে চাৰিপুৰুষৰ বৰ্ণনা *বায়ুপুৰাণ* আৰু *বিষ্ণুপুৰাণ*ত পোৱা বৰ্ণনাৰ অনুৰূপ। পাৰিযাত্ৰ, বজ্ৰনাভ, শঙ্খণ, ব্যুষিতাশ্ব, বিশ্বসহ আৰু হিৰণ্যনাভৰ বৰ্ণনাত *বায়ুপুৰাণ*ৰ প্ৰভাব থাকিলেও শীল, উন্নভ, কৌসল্য, ব্ৰহ্মিষ্ঠ আৰু পুত্ৰ এই পাঁচজন ৰাজচৰিত্ৰ সম্পূৰ্ণৰূপে কবিৰ সৃষ্টি বুলি কব পাৰা যায়।

উৎসৰ ক্ষেত্ৰত *ৰঘুবংশম্* কাব্যত কালিদাসৰ লেখনীয়ে পূৰ্বসূৰীসকলৰ কীৰ্তিচিহ্নৰ প্ৰভাব বহন কৰিলেও বিষয়বস্তুৰ বিন্যাস তথা চৰিত্ৰচিত্ৰণ আৰু বৰ্ণনচাতুৰ্য সম্পূৰ্ণভাবে মহাকবিৰ স্বকীয়তাৰ পৰিচয় দিয়ে। ৰাময়ণৰ বৰ্ণনভঙ্গীৰ অনুসৰণ মহাকবিয়ে কৰিলেও ক'তো অন্ধ অনুকৰণ পোৱা নাযায়। কিছু ক্ষেত্ৰত ৰাময়ণ কাহিনী অনুসৰণতো মহাকবিয়ে স্বাতন্ত্ৰ্য ব্যক্ত কৰিছে। যেনে *ৰাময়ণ*ত দশৰথৰ মৃগয়া পোৱা যায় বৰ্ষাঋতুত, কিন্তু মহাকবিয়ে বসন্তঋতুক দশৰথৰ মৃগয়াৰ কাল হিচাপে নিৰ্ণিত কৰিছে। *ৰাময়ণ*ত ৰামচন্দ্ৰ আৰু পৰশুৰামৰ মাজত হোৱা যুদ্ধ তথা শত্ৰুঘ্নৰ দ্বাৰা লৱণাসুৰৰ বধকাৰ্য বৰ্ণনা যিমানখিনি ভয়ঙ্কৰতাৰ সৈতে কৰা হৈছে *ৰঘুবংশম্* কাব্যত সেইদৰে এই ঘটনাবোৰ বৰ্ণিত হোৱা নাই। তদুপৰি ৰজা দিলীপৰ নন্দিনীসেৱা, ৰঘুৰ দিগ্বিজয়বৰ্ণনা, ইন্দুমতীৰ স্বয়ংবৰ, কুশৰ জলক্ৰীড়া আদি মহাকবিৰ কাব্যপ্ৰতিভাৰ অমূল্য নিদৰ্শন। গতিকে কাব্যৰ আৰম্ভণিতে স্বভাবসুলভ বিনয়েৰে মহাকবিয়ে বাল্মীকি আদি পূৰ্বজসকলৰ প্ৰতি এই কাব্যৰচনাৰ ক্ষেত্ৰত কৰা ঋণৰ কথা স্বীকাৰ কৰিলেও সম্পূৰ্ণ মহাকাব্যখন মহাকবি কালিদাসৰ অনন্য কাব্যপ্ৰতিভাৰ কীৰ্তিচিহ্নস্বৰূপ।

**আত্মমূল্যায়ন প্ৰশ্ন**

*ৰঘুবংশম্* মহাকাব্যৰ উৎসৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক। (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................

..............................................................................

..............................................................................

## ২.৭ মহাকবি কালিদাসৰ কাব্যৰীতি

মহাকবি কালিদাস বৈদৰ্ভীৰীতিৰ কবি। এই ৰীতিসম্বন্ধে কোৱা হৈছে *শব্দাৰ্থয়োঃ সম গুস্ফঃ বৈদৰ্ভী ৰীতিৰিষ্যতে* , অৰ্থাৎ শব্দ আৰু অৰ্থৰ সমমাহাত্ম্যত বৈদৰ্ভীৰীতি প্ৰতিফলিত হয়। মহাকবি কালিদাসৰ কাব্যত শব্দ আৰু অৰ্থৰ সহাবস্থান অনন্যসাধাৰণ। উপযুক্ত অৰ্থসমৃদ্ধ সঠিক শব্দচয়ণ কৰাটো মহাকবিৰ লেখনীৰ এক অনুপম বৈশিষ্ট্য। বৈদৰ্ভী ৰীতিৰ ক্ষেত্ৰত কালিদাসৰ নৈপুণ্য অবলোকন কৰি পৰবৰ্তী পণ্ডিতসকলে কৈছে— *'বৈদৰ্ভীৰীতিসন্দৰ্ভে কালিদাসঃ প্ৰগল্ভতা'* অৰ্থাৎ বৈদৰ্ভীৰীতিৰ বিষয়ে কালিদাসৰ কাব্যপ্ৰগল্ভতা দৰ্শনীয়। আচাৰ্য দণ্ডীয়ে মহাকবিৰ বৈদৰ্ভীৰীতিৰ নৈপুণ্য পৰীক্ষা কৰি কৈছিল- *তেনেদং বৰ্ত্ম বৈদৰ্ভং কালিদাসেন শোধিতম্* অৰ্থাৎ কালিদাসে বৈদৰ্ভী ৰীতিক শুদ্ধতা প্ৰদান কৰিছিল। মৌসনা শব্দৰ মধুৰ অৰ্থ তথা শব্দকল্পৰ সাৰ্থক প্ৰয়োগ মহাকবিৰ কাব্যক কৰি তুলিছে অতুলনীয়। প্ৰসন্নৰাঘৱ কাব্যৰ ৰচয়িতা জয়দেৱে কৈছে— *বৈদৰ্ভী কবিতা স্বয়ং বৃতবতী শ্ৰীকালিদাসং বৰম্*, অৰ্থাৎ বৈদৰ্ভী ৰীতিৰ কবিতাই যেন নিজে তৰুনীৰূপত আহি মহাকবিক বৰণ কৰিছিল। পণ্ডিতসকলৰ এনেকুৱা উক্তিৰ পৰাই অনুমান কৰা যায় মহাকবিৰ ৰচনাৰীতিৰ সাফল্যৰ গভীৰতা।

কালিদাসৰ উপমা সকলো ঠাইতে শ্ৰেষ্ঠতাৰ প্ৰমাণ দিয়ে। সেইকাৰণে কোৱা হয় *উপমা কালিদাসস্য* অৰ্থাৎ উপমা হ'ল কালিদাসৰ সম্পদ। এই উক্তিৰ তাৎপৰ্য অত্যন্ত গভীৰ। উপমা তথা উপমাগৰ্ভ অলঙ্কাৰসমূহৰ সাৰ্থক প্ৰয়োগ মহাকবিৰ কাব্যৰত্নক কৰি তুলিছে অনন্য সাধাৰণ। উদাহৰণ হিচাপে আমি *ৰঘুবংশম্* কাব্যৰ নিম্নোক্ত শ্লোকটো গ্ৰহণ কৰিব পাৰো।

*মন্দঃ কবিযশঃপ্ৰাৰ্থী গমিষ্যামুপহাস্যতাম্*
*প্ৰাংশুলভ্যে ফলে লোভাদুদ্বাহুৰিৱ বামনঃ।* (১.৩)

এই শ্লোকটিৰ অৰ্থ হল মন্দবুদ্ধিযুক্ত মই কবিৰ খ্যাতিলাভ কৰাৰ আশাত দীৰ্ঘহাতযুক্ত মানুহে ঢুকি পোৱা ফললৈ লোভত বাওনাই হাত মেলাৰ নিচিনাকৈ মানুহৰ হাঁহিৰ পাত্ৰ হম। অৰ্থাৎ বাওনা এজনে ওখ ঠাইত ওলমি থকা ফললাভৰ বাবে লোভত হাত মেলি দি সেই ফল ঢুকি নোপোৱাত যেনেদৰে মানুহৰ হাঁহিয়াতৰ পাত্ৰ হয়, ময়ো সেইদৰে অলপবুদ্ধিযুক্ত হৈ কবিৰ যশপ্ৰাৰ্থী হোৱা কাৰণে মানুহৰ উপহাসৰ পাত্ৰ হম। তদুপৰি *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম শ্লোকটোৱে মহাকবিৰ নিপুন উপমা প্ৰয়োগৰ সাৰ্থকতা ব্যক্ত কৰে। এই শ্লোকটোত কবিয়ে পাৰ্বতী পৰমেশ্বৰৰ সংযোগক বাক্য আৰু অৰ্থৰ নিত্যসংযোগৰ লগত তুলনা কৰিছে। এনেদৰে অতি সহজ অথচ স্বতঃস্ফূৰ্ত ধাৰণাসমৃদ্ধ উপমা-ৰূপক-উৎপ্ৰেক্ষা তথা অনুপ্ৰাস-যমক আদি অলংকাৰৰ মূৰ্ছনাই মহাকবিৰ কাব্যক কৰি তুলিছে ৰসময় তথা আকৰ্ষক। ইন্দুমতীৰ স্বয়ংবৰসভাত ৰাজনন্দিনীয়ে এজন এজন ৰজাক অতিক্ৰম কৰি গৈ থকাৰ সময়ত তেওঁলোকৰ মুখেবোৰ ৰাতিৰ দীপশিখাত ক্ষন্তেককালৰ বাবে উজ্জ্বল হৈ পুনৰ গতিমান আলোক দূৰীভূত হোৱাত অন্ধকাৰাচ্ছন্ন হৈ পৰা অট্টালিকাবোৰৰ নিচিনা মলিন হৈ উঠিছিল। এইক্ষেত্ৰত মহাকবিৰ সহজ সৰল অথচ গভীৰ দৃষ্টিভঙ্গীয়ে যি হৃদয়স্পৰ্শী ৰূপকল্পৰ সৃষ্টি কৰিলে সেইটো আন ক'তো পাবলৈ নাই। এই কথা চিন্তা কৰিয়ে পৰবৰ্তী পণ্ডিতসকলে কালিদাসক 'দীপশিখা' কালিদাস বুলি অভিহিত কৰিছে। বাণভট্ট মহাকবিৰ কাব্যৰচনাৰ প্ৰশংসা কৰি কৈছে—

*নিৰ্গতাসু ন বা কস্য কালিদাসস্য সূক্তিষু।*
*প্ৰীতিৰ্মধুৰসান্দ্ৰাসু মঞ্জৰীষ্বিব জায়তে।*

অৰ্থাৎ মধুৰ-সিক্ত মঞ্জৰীৰ নিচিনাকৈ কালিদাসৰ সুন্দৰ উক্তিত কাৰনো আনন্দ নহয়। যিদৰে ধুনীয়া ফুলৰ মঞ্জৰী দৃষ্টিনন্দন হয় সকলোৰে বাবে সেইদৰে কালিদাসৰ কাব্যও সকলোকে আনন্দ দিয়ে। ৰসৰ ব্যঞ্জনা, ৰূপকল্পৰ সাৰ্থক যোজনা, শব্দাৰ্থৰ মধুৰ মিলন, অতুলনীয় চৰিত্ৰ ৰূপায়ণ, অলঙ্কাৰৰ মোহময় মূৰ্ছনা তথা কল্পনাশক্তিৰ মাধুৰ্য্য —এই সকলো কাব্যিক উপাদানে মহাকবি কালিদাসৰ কীৰ্ত্তিক ৰসজ্ঞ পাঠকৰ হৃদয়ত অম্লান কৰি ৰাখিছে। সেই কাৰণে ই কালিদাসক অদ্বিতীয় কাব্যসম্ৰাট ৰূপে গণ্য কৰা হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

*ৰঘুবংশম্* মহাকাব্যত প্ৰতিফলিত কাব্যৰীতিৰ বিষয়ে চমুটোকা লিখা। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................................
.................................................................................................
.................................................................................................

## ২.৮ সাৰাংশ (Summing Up)

*ৰঘুবংশম্* মহাকাব্যৰ সাধাৰণ আলোচনা শীৰ্ষক পাঠটি অধ্যয়ন কৰি আপুনি কালিদাস বিৰচিত এই মহাকাব্যৰ বিষয়ে জানিব পাৰিলে। আলঙ্কাৰিক সকলে নিৰ্ণয় কৰা মহাকাব্যৰ লক্ষণ তথা মহাকাব্যহিচাপে *ৰঘুবংশম্*ৰ অবস্থিতিৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে। এই কাব্যৰ ঊনৈশটা সৰ্গৰ বিষয়বস্তুৰ লগত আপোনাৰ পৰিচয় হল। দিলীপৰ পৰা আৰম্ভ কৰি অগ্নিবৰ্ণলৈকে সূৰ্যবংশীয় ঊনত্ৰিশজন ৰজাৰ বিষয়ে বিভিন্ন কাহিনী জানিব পাৰিলে। ৰঘুৰ জন্ম কেনেকৈ হৈছিল, ৰঘুৰ ৰাজত্ব তথা দিগ্বিজয়, অজৰ কথা, দশৰথৰ কাহিনী তথা *ৰামায়ণ* অনুসৰ্গৰ ৰাম আৰু লব-কুশৰ কাহিনী আৰু কুশৰ পৰবৰ্তী ৰজাসকলৰ চৰিত্ৰ, গুণাৱলী আৰু কাৰ্যৰ বিষয়ে জানিব পাৰিলে। কাব্যৰ অন্তিম পৰ্যায়ত আহি অবগত হল কেনেকৈ অতিকামুক ৰজা অগ্নিবৰ্ণৰ মৃত্যু হ'ল। প্ৰজাসকলক ৰক্ষা কৰা আৰু ৰাজ্যত শান্তিবিধান কৰাই হল এজন ৰজাৰ প্ৰধান কৰ্ত্তব্য —এই ক্ষেত্ৰত স্বাৰ্থহানি হলেও ৰজাৰ সেইদৰে কৰ্ত্তব্যপালন কৰি যাবই লাগিব —এই অমূল্যবানী প্ৰচাৰ কৰিছে উক্ত মহাকাব্যখনে। এই অধ্যায়টো পঢ়ি আপুনি *ৰঘুবংশম্* এই শিৰোনামটোৰ তাৎপৰ্য তথা সাৰ্থকতাৰ বিষয়েও জানিব পাৰিলে। *ৰঘুবংশম্* কাব্যৰ মূল আৰু ইয়াত থকা কালিদাসীয় স্বকীয়তাৰ লগতো আপোনাৰ পৰিচয় হল। তদুপৰি *ৰঘুবংশম্* কাব্যত প্ৰতিফলিত কালিদাসৰ ৰচনাৰীতিৰ বিষয়েও আপুনি জানিব পাৰিলে।

## ২.৯ আৰ্হি প্ৰশ্ন (Sample Question)

১) মহাকাব্যৰ লক্ষণ দি মহাকাব্য হিচাপে ৰঘুবংশম্ কাব্যৰ বিষয়ে আলোচনা কৰক।

২) ৰঘুবংশম্ কাব্যৰ বিষয়বস্তু সংক্ষেপে লিখক।

৩) 'ৰঘুবংশম্' কাব্যৰ নামকৰণৰ সাৰ্থকতা আলোচনা কৰক।

৪) ৰঘুবংশম্ কাব্যৰ মূল কি? মহাকবিয়ে ইয়াত কি কি সংযোজন কৰিছে সেই বিষয়ে এটি টোকা লিখক।

৫) কালিদাসৰ ৰচনাৰীতিৰ বিষয়ে আলোচনা কৰক।

## ২.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


মালিনী গোস্বামী : *ৰঘুৰপি কাব্যম্*

থানেশ্বৰ শৰ্মা : *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*

হৰমোহন দেব গোস্বামী : *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*

জ্যোতিভূষণ চাকী

আৰু ৰনাবসু : *সংস্কৃত সাহিত্যসম্ভাৰ* (১০ম খণ্ড), 'ৰঘুবংশ'

দেবকুমাৰ দাস : *ৰঘুবংশম্ (ত্ৰয়োদশঃসৰ্গ)*


* * *

## তৃতীয় বিভাগ
## 'ৰঘুবংশম' কাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গ

**বিভাগৰ গঠন**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ সৰ্গ দুটাত থকা বিষয়বস্তুৰ বিস্তৃত আলোচনা
৩.৪ সৰ্গ দুটাত প্ৰতিফলিত হোৱা চৰিত্ৰসমূহ
৩.৫ প্ৰকৃতি বৰ্ণনা
৩.৬ সাহিত্যিক সমীক্ষা
৩.৭ সাৰাংশ (Summing Up)
৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

মহাকবি কালিদাসৰ অনন্যসাধাৰণ ৰচনা হ'ল *ৰঘুবংশম্* মহাকাব্য। বিষয়বস্তুৰ বিশালতা, উপস্থাপনৰ সৰলতা তথা অতুলনীয় কাব্যভঙ্গিয়েই এই মহাকাব্যখনৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। ঊনৈশটা সৰ্গত বিৰচিত এই মহাকাব্যখনৰ প্ৰতিটো সৰ্গতেই মহাকবিৰ কাব্যচাতুৰ্য্য প্ৰতিফলিত হৈছে। উপমা আদি অৰ্থালঙ্কাৰ, অনুপ্ৰাস আদি শব্দালঙ্কাৰ; প্ৰসাদ, মাধুৰ্য আদি কাব্যগুণ তথা ব্যঞ্জনাসমৃদ্ধ উক্তিৰে সমৃদ্ধ প্ৰত্যেকটো সৰ্গই ইয়াতে স্বকীয় গুণ-গৰিমাৰে সমুজ্জ্বল। যদিও এই মহাকাব্যৰ সৰ্গবোৰ এটা বিশেষ বিশেষ বিষয়ৰ বৰ্ণনাত আবদ্ধ কিন্তু আটাইবোৰে মূল কাহিনীৰ সুদৃঢ় এনাজৰীৰে সুসংবদ্ধৰূপে গ্ৰথিত। ফলস্বৰূপে কাহিনীৰ বিবৰ্ত্তনত প্ৰতিটো সৰ্গৰেই নিজা এটি অবদান আছে। সম্পূৰ্ণ কাব্যখন পাঠ কৰিলে এনেকুৱা লাগে যেন এটা সূত্ৰত গ্ৰথিত মালা এডালত থকা একোটা একোটা ৰত্নৰ দৰে জাজ্বল্যমান এই মহাকাব্যৰ প্ৰতিটো সৰ্গ, কোনো এটাই ইয়াতে অতিৰিক্ত বা অপ্ৰয়োজনীয় নহয়। নিজা সৌন্দৰ্যেৰে ভৰপূৰ এই সৰ্গবোৰ অধ্যয়ন কৰি পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰীদেৱে কৈছিল যে সঁচাকৈয়ে কালিদাসৰ ৰঘুবংশৰ নিচিনা জীৱনময় গ্ৰন্থ সংসাৰত আছে নে সেই বিষয়ে যথেষ্ট সন্দেহ। বৰ্তমান মহাকাব্যৰ প্ৰথম সৰ্গত মহাকবিয়ে ৰজা দিলীপৰ বৰ্ণনাৰে সূৰ্যবংশীয় ৰজা সকলৰ ঐতিহ্যমণ্ডিত কুলৰ পাতনি মেলিছে আৰু ঊনৈশ সৰ্গত ৰজা অগ্নিবৰ্ণৰ অত্যাধিক কামাসক্তি আৰু তাৰ ধ্বংসাত্মক ফলশ্ৰুতিৰে এই বংশৰ বৰ্ণনৰ সমাপ্তি ঘটাইছে। এই খ্যাতকীৰ্তি ৰজাসকলৰ একক বৰ্ণনাৰ পূৰ্বত মহাকবিয়ে অতি নিপুনভাৱে কাব্যৰ প্ৰথম সৰ্গত ৰঘুবংশীয় ৰজাসকলৰ সামগ্ৰিক গুণাৱলী ব্যক্ত কৰিছে। অৰ্থাৎ এই বংশৰ বৈশিষ্ট্য, মান, মৰ্যাদা, গৌৰব তথা পৰিশীলিত জীৱনবোধ ৰসজ্ঞ পাঠকসকলৰ হৃদয়ত প্ৰতিষ্ঠিত কৰিব বিচাৰিছে মহাকবি কালিদাসে। এই উদ্দেশ্য আগত ৰাখি মহাকবিয়ে প্ৰথম সৰ্গৰ উপস্থাপনা কৰিছে। গতিকে সমগ্ৰ কাব্যখনৰ প্ৰস্তাৱনা হিচাপে প্ৰতিষ্ঠিত কৰা যায় এই প্ৰথম সৰ্গক। প্ৰথমসৰ্গত ৰজা দিলীপ আৰু তেওঁৰ পত্নী সুদক্ষিণাৰ দ্বাৰা সুৰভি কন্যা নন্দিনীৰ প্ৰতি কৰা সেৱাকাৰ্যৰ দ্বাৰা যি বীজ উদ্দীপ্ত হ'ল সেই বীজৰ অঙ্কুৰিত সামগ্ৰিক ৰূপটোৱেই হল সম্পূৰ্ণ *ৰঘুবংশম্* মহাকাব্য। সেইফালৰ পৰা আলোচনা কৰিলে কব পৰা যায় যে সম্পূৰ্ণ *ৰঘুবংশম্* কাব্যৰূপী বিশালাকাৰ অট্টালিকাৰ ভিত্তিভূমিয়েই হ'ল এই কাব্যৰ প্ৰথম সৰ্গ য'ত সন্তানহীন দিলীপ আৰু সুদক্ষিণাই পুত্ৰলাভৰ আশাত উপায় বিচাৰি উপস্থিত হৈছিল

গুৰু বশিষ্ঠৰ আশ্ৰমত আৰু গুৰুৰ নিৰ্দেশতেই নিৰত হৈছিল কামধেনু নন্দিনীৰ সেৱাত। তাৰপিছত কাহিনী অগ্ৰসৰ হৈছে নিজৰ গতিত। মহাকাব্যৰ প্ৰথম সৰ্গত বৰ্ণিত বিষয়বস্তুৰ সূত্ৰ ধৰি মহাকবিয়ে ৰচনা কৰিছে দ্বিতীয় সৰ্গৰ। এই সৰ্গৰ আৰম্ভণিতে দেখা যায় যে ৰজা দিলীপ আৰু তেওঁৰ পত্নী সুদক্ষিণাই নিৰলসভাৱে সেৱা কৰি গৈছে নন্দিনীৰ। এই সেৱাকাৰ্যৰ গভীৰতা কিমান তাৰ উমান পাবলৈ নন্দিনীয়ে ৰজাৰ পৰীক্ষা ললে আৰু ৰজাই এই ভক্তি পৰীক্ষাত সাৰ্থকতাৰে সৈতে উত্তীৰ্ণ হল। নন্দিনীয়ে সুপ্ৰসন্ন হৈ ৰজাক পুত্ৰপ্ৰাপ্তিৰ বৰদান কৰে আৰু যথা সময়ত সুদক্ষিণাৰ গৰ্ভসঞ্চাৰ হয়। এই সৰ্গত মহাকবিয়ে দেখুৱাইছে যে বংশৰক্ষাৰ কাৰণে, পুত্ৰলাভৰ কাৰণে অতি শক্তিশালী, সুদক্ষ ৰজাজনেও কিমান কষ্ট কৰিবলগীয়া হয়। ঈশ্বৰৰ আশীৰ্বাদ অবিহনে কোনেও নিজৰ আকাঙ্খ্যা চৰিতাৰ্থ কৰিব নোৱাৰে। এই অমোঘ বাৰ্তাবাহী দ্বিতীয় সৰ্গৰ মূল্যও যথেষ্টৰূপে প্ৰতিফলিত হৈছে মহাকবিৰ লেখনীত। গতিকে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গত ৰঘুৰ জন্মৰ পূৰ্বৱৰ্ত্তী ঘটনাবোৰ সন্নিবিষ্ট হৈছে। কিন্তু মনকৰিবলগীয়া কথাটো হ'ল যে যিবোৰ ঘটনা ৰঘুৰ জন্মৰ লগত জড়িত সেইবোৰকে মহাকবিয়ে এই দুটা সৰ্গৰ বিষয়-বস্তু হিচাপে চয়ন কৰিছে। সেই কাৰণে ৰজা ৰঘুৰ জন্ম-কাহিনীৰ পাতনি হিচাপে সন্নিবিষ্ট প্ৰথম আৰু দ্বিতীয় সৰ্গৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। তদুপৰি এই দুই সৰ্গত মহাকবিৰ যি ৰচনা-কৌশল তথা কাব্য-প্ৰতিভা বিচ্ছুৰিত হৈছে তাৰ আস্বাদনে সম্পূৰ্ণ মহাকাব্যৰ কাব্য-কুশলতাৰ সন্ধান দিয়ে। অলঙ্কাৰ, ৰস, ধ্বনি, কাব্যগুণ সকলো কাব্যিক উপাদানেৰে পৰিপুষ্ট এই সৰ্গ দুটা পাঠক সমাজত বহুতো চৰ্চাৰ-বিষয়, গবেষণাৰো বিষয়। ইয়াৰ উপৰি প্ৰকৃতি-চিত্ৰণৰ ক্ষেত্ৰতো এই সৰ্গ দুটা মহাকবিৰ কল্পনাবিধৌত বৰ্ণন-মাধুৰীৰ স্বাক্ষৰতা বহন কৰে। গতিকে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ অধ্যয়নে সমগ্ৰ মহাকাব্যখনৰ গভীৰতাৰ বিষয়ে, সৌন্দৰ্যাতিশয্যৰ বিষয়ে তথা জ্ঞানসমৃদ্ধ কল্পনাৰ বিষয়ে আভাস দিয়ে।

## ৩.২ উদ্দেশ্য (Objectives)

*ৰঘুবংশম* কাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গ শীৰ্ষক এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সৰ্গ দুটাত থকা বিষয়বস্তুৰ বিস্তৃত আলোচনাৰ লগত পৰিচিত হ'ব পাৰিব;
- সৰ্গ দুটাত বৰ্ণনীয় বিষয়ৰ মাজেদি প্ৰতিফলিত হোৱা চৰিত্ৰসমূহৰ বিষয়ে জানিব পাৰিব;
- উক্ত সৰ্গ দুটাত প্ৰতিবিম্বিত হোৱা প্ৰকৃতিৰ বিষয়ে অবগত হ'ব; আৰু
- এই সৰ্গ দুটাৰ ভিত্তিত কৰা *ৰঘুবংশম্* কাব্যৰ সাহিত্যিক সমীক্ষাৰ লগতো পৰিচিত হ'ব।

## ২.৩ সৰ্গ দুটাত থকা বিষয়বস্তুৰ বিস্তৃত আলোচনা

মহাকবি কালিদাসে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গত ৰঘুৰ জন্মৰ প্ৰাক্কাহিনী সন্নিবিষ্ট কৰিছে। ৰজা দিলীপৰ বৰ্ণনা, সন্তানহীনতা, বশিষ্ঠাশ্ৰমগমন, নন্দিনীৰ সেৱা, নন্দিনীৰ বৰলাভ, ৰাজধানীলৈ প্ৰত্যাৱৰ্ত্তন, যথাসময়ত পত্নী সুদক্ষিণাৰ গৰ্ভসঞ্চাৰ- — এয়াই হল এই সৰ্গ দুটাৰ মূল বিষয়বস্তু। তলত পৃথক পৃথক ভাৱে সৰ্গ দুটাৰ বিষয়বস্তুৰ বিস্তৃত আলোচনা আগবঢ়োৱা হ'ল—

**প্ৰথমসৰ্গ ঃ**

এই সৰ্গৰ আৰম্ভণিতে অৰ্থাৎ মহাকাব্যখন আৰম্ভ কৰোঁতে মহাকবি কালিদাসে প্ৰথমতে জগতৰ পিতৃ-মাতৃ পাৰ্বতী আৰু পৰমেশ্বৰক প্ৰণাম জনাইছে। তেওঁ এই দেৱ-দেৱী দুজনক বন্দনা কৰিছে কাৰণ পাৰ্বতী আৰু পৰমেশ্বৰে শব্দ আৰু অৰ্থৰ মাজত থকা নিত্য সম্বন্ধেৰে যুক্ত

আৰু শব্দাৰ্থৰ জ্ঞানদায়ী। আৰাধ্য দেৱ-দেৱীক বন্দনা কৰি মহাকবিয়ে বিনয় প্ৰকাশ কৰি বিশাল সূৰ্যবংশৰ গৰিমাৰ ওচৰত নিজৰ জ্ঞানৰ ক্ষুদ্ৰতাৰ কথা ব্যক্ত কৰি ভেলেৰে দুখৰ সমুদ্ৰ পাৰ হোৱাৰ প্ৰয়াসৰ নিচিনা নিজৰ প্ৰয়াসৰ ব্যৰ্থতা প্ৰকাশ কৰিছে। নিজৰ ক্ষুদ্ৰ বুদ্ধিৰ তীব্ৰ সমালোচনা কৰি মহাকবিয়ে কৈছে যে তেওঁ হেনো বাওনাৰ নিচিনা হৈ ওখ-পাখ মানুহে ঢুকি পোৱা ফল লাভৰ কাৰণে বৃথা হাত মেলিছে। তথাপি বাল্মীকি আদি পূৰ্বসূৰীসকলে নিৰ্মাণ কৰি দিয়া পথেৰে তেওঁ সোমাই যাব বিচাৰিছে সূৰ্যবংশৰ ৰজাসকলৰ বিষয়ে বৰ্ণনাৰ বাবে।

ইয়াৰ পিছত মহাকবিয়ে ৰঘুবংশীয় ৰজাসকলৰ আচাৰ ব্যৱহাৰ আদিৰ বৰ্ণনা দি তেওঁলোকৰ মহত্ব প্ৰকাশ কৰে। এই বংশত জন্ম গ্ৰহণ কৰা পুৰুষসকল জন্মৰে পৰা শুদ্ধ, ফলপ্ৰাপ্তি নোহোৱালৈকে কৰ্ম্মৰ সম্পাদক, আসমূদ্ৰ পৃথিবীৰ অধিপতি, স্বৰ্গলৈকে যাবলৈ সক্ষম, যথাবিধি যজ্ঞসম্পাদনকাৰী ভক্ত-সন্ত দানকাৰী আছিল, এই নৃপতিসকলৰ ধন আছিল ত্যাগৰ বাবে, বিজয়ৰ ইচ্ছা আছিল যশস্যাৰ বাবে আৰু পত্নীগ্ৰহণ আছিল পুত্ৰলাভৰ বাবে। এই বংশৰ আদি পুৰুষ আছিল বিবস্বতপুত্ৰ মনু আৰু তেওঁৰ এই পবিত্ৰ বংশত ৰাজশ্ৰেষ্ঠ দিলীপৰ জন্ম হৈছিল।

ইয়াৰ পিছত মহাকবিয়ে দিলীপৰ বৰ্ণনা দিছে। বলিষ্ঠ স্কন্ধযুক্ত, বিশাল বাহুসমৃদ্ধ, ক্ষত্ৰিয়ধৰ্মৰ পৰাকাষ্ঠাৰূপী দিলীপে পৰাক্ৰমেৰে সকলো শত্ৰুক দমন কৰি নিষ্কণ্টকভাৱে ৰাজ্য শাসন কৰি গৈছিল। তেওঁৰ জ্ঞান আছিল আকৃতিৰ অনুৰূপ, শাস্ত্ৰবিদ্যা আছিল জ্ঞানৰ অনুৰূপ, শাস্ত্ৰনুমোদিত কৰ্মত আছিল তেওঁৰ প্ৰবৃত্তি আৰু কাৰ্যসমূহ আছিল ফলসিদ্ধিযুক্ত। তেওঁ সদায় মনু প্ৰদৰ্শিত পথেৰে ৰাজ্যশাসন কৰি সাৰ্থক ৰজা হৈ উঠিছিল। ৰজা দিলীপে ৰাজ্যশাসনত মন্ত্ৰণাৰ গুৰুত্ব যথাযথভাৱে উপলব্ধি কৰি মন্ত্ৰণাৰ গোপনীয়তা সৰ্বতোভাৱে ৰক্ষা কৰি কেৱল ফলৰ পৰাহে অননুমেয় কাৰ্যসাধন কৰিছিল। অতিসংযমী এইজন ৰজাৰ ক্ষেত্ৰত পৰস্পৰ বিৰুদ্ধ গুণাৱলীৰও সহাৱস্থান ঘটিছিল। জ্ঞানশালী হোৱা সত্বেও তেওঁ আছিল মৌণী অৰ্থাৎ মিতবাক্, সামৰ্থ্যৰ অধিকাৰী হৈও তেওঁ আছিল ক্ষমাবান আৰু নিৰহঙ্কাৰ। এইজন ৰজা অতিশয় ত্যাগশালী আছিল। জ্ঞানবৃদ্ধ ৰজা দিলীপে বিষয়-বাসনাৰ প্ৰতি নিৰাকৃষ্ট হৈ প্ৰজাসকলৰ সকলোধৰণৰ মঙ্গলসাধনত মনোনিবেশ কৰিছিল। যজ্ঞাদিকাৰ্যত স্পৃহা থকা এইজন ৰজাই মহৎ ব্যক্তিৰ সঙ্গ গ্ৰহণ কৰি দুষ্টক বৰ্জন কৰি সসাগৰা পৃথিৱীৰ অধীশ্বৰ হৈ উঠিছিল। দিলীপৰ উপযুক্ত পত্নী মগধ কন্যা সুদক্ষিণা স্বামীৰ অনুৰূপ হৈ বিনয় তথা নম্ৰতাৰ প্ৰতিমূৰ্তিৰূপে ৰাজ্যত অধিষ্ঠান কৰিছিল। জ্ঞানশালিনী তথা ঐশ্বৰ্যযুক্তা এই সহধৰ্মিণীৰ সৈতে দিলীপে সুখেৰে কালযাপন কৰি সন্তানলাভৰ আকাংখ্যাত ৰাজ্যৰ দায়িত্ব মন্ত্ৰীসকলৰ ওপৰত ন্যস্ত কৰি পত্নী সুদক্ষিণাৰ সৈতে গুৰু বশিষ্ঠৰ আশ্ৰমলৈ যাত্ৰা কৰিছিল। আশ্ৰমত যাতে কোনোধৰণৰ ব্যাঘাত নহয় সেইবাবে ৰজাই তাত অতি কম অনুচৰ লগত লৈ যাবলৈ সাজু হৈছিল।

ইয়াৰ পিছত মহাকবিয়ে বশিষ্ঠাশ্ৰমলৈ যোৱা বাটৰ বৰ্ণনা দিছে। ৰাজদম্পতীৰ আশ্ৰম যাত্ৰা কালত শালগছৰ নিৰ্যাসৰ গোন্ধেৰে সুবাসিত সুখ স্পৰ্শ বায়ু ফুলৰ ৰেণুৰে তেওঁলোকক সেৱা কৰিছিল। তেওঁলোকৰ ৰথৰ শব্দ শুনি মেঘৰ গৰ্জন ভাবি উন্মুখ হৈ ময়ূৰবিলাক মনোৰম কেকাধ্বনি কৰিছিল। হৰিণাবোৰ জোৰ জোৰকৈ থিয় হৈ তেওঁলোকৰ নয়ন সদৃশ নয়নেৰে ৰথৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিছিল। শ্ৰেণীবদ্ধ কলহংসবোৰ দিলীপ আৰু সুদক্ষিণাৰ দৃষ্টিগোচৰ হৈছিল। সৰোবৰসমূহত ফুলি থকা পদুম ফুলৰ গোন্ধ উপভোগ কৰি, স্বকীয় দান চিহ্নযুক্ত গাওঁসমূহত যাজ্ঞিকসকলে প্ৰদান কৰা অৰ্ঘ্য আৰু আশীৰ্বাদ গ্ৰহণ কৰি তেওঁলোক অগ্ৰসৰ হৈছিল।

নিজে প্ৰস্তুত কৰা ঘিঁউ লৈ থিয় হোৱা গোপবৃদ্ধসকলক বাটৰ দাঁতিত গজা গছসমূহৰ নাম শুধি শুধি ৰাজদম্পতীয়ে আগুৱাই গৈছিল। শীত ঋতুৰ অবসানত চিত্ৰা নক্ষত্ৰ আৰু চন্দ্ৰ অপূৰ্ব মিলনৰ শোভা ধাৰণ কৰি দিলীপ আৰু সুদক্ষিণাই আশ্ৰম অভিমুখে গৈ আছিল। সুন্দৰকান্তি যুক্ত ৰজাই বুধৰ দৰে শোভামান হৈ বাটত পত্নীক ইটো সিটো দেখুৱাই লৈ গৈছিল। তাৰ পিছত ক্লান্ত ঘোঁৰাসমূহক এৰি দি সন্ধিয়া দিলীপে পত্নীক লগত লৈ মহৰ্ষি বশিষ্ঠৰ আশ্ৰমত উপস্থিত হ'ল।

ইয়াৰ পিছত কালিদাসে বশিষ্ঠাশ্ৰমৰ বৰ্ণনা আৰু ৰজা আৰু মহৰ্ষিৰ কথোপকথন ব্যক্ত কৰিছে। সমিধ, কুশ, ফলমূল সংগ্ৰহ কৰি বনান্তৰৰ পৰা ঘূৰি অহা তপস্বীসকলে ৰজা আৰু মহিষীক অভিনন্দন জনালে। ঋষিপত্নীসকলৰ নীবাৰ ধান গ্ৰহণত অভ্যস্ত। যত্নপালিত মৃগসমূহ আশ্ৰমক পূৰ্ণ কৰি তুলিছে। গছৰ গুৰিৰ পৰা পানী গ্ৰহণত অভ্যস্ত চৰাইবোৰৰ কাৰণে মুনিকন্যাসকল গছৰ গুৰিত পানী ঢালি গুচি গৈছিল। সূৰ্য্য অস্তমিত হোৱাত হৰিনাবোৰে ঘাঁহ পাগুলিবলৈ আৰম্ভ কৰিছিল আৰু প্ৰজ্জ্বলিত হোমাগ্নিয়ে অতিথিসকলক পবিত্ৰ কৰি তুলিছিল। সাৰথিসকলক ৰথ ৰখাবৰ কাৰণে আদেশ দি পত্নীৰ সৈতে দিলীপে ৰথৰ পৰা অৱতৰণ কৰি অহাৰ লগে লগে জিতেন্দ্ৰিয় মুনিসকলে তেওঁলোকক উপযুক্ত অভ্যৰ্থনা জনাইছিল। এনেদৰে আশ্ৰমত প্ৰবেশ কৰি দিলীপ আৰু সুদক্ষিণাই অৰুন্ধতীৰ সৈতে বশিষ্ঠ মুনিক দৰ্শন কৰিলে। গুৰু আৰু গুৰুপত্নীক প্ৰণাম জনাই ৰজা আৰু ৰাজমহিষীয়ে তেওঁলোকৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰিলে। উপযুক্ত আতিথেয়তাৰ অভিনন্দিত হৈ ৰজা দিলীপে মুনিক কবলৈ ধৰিলে যে যদিও গুৰুৰ কৃপাত তেওঁৰ সকলো অঙ্গ মঙ্গলপূৰ্ণ, গুৰুৰ আশীৰ্বাদত তেওঁ ৰজা হিচাপে ধন্য তথা প্ৰজাকুল বিঘ্নহীন, কিন্তু পত্নী সুদক্ষিণাৰ গৰ্ভত পুত্ৰৰ মুখদৰ্শন নোহোৱা কাৰণে তেওঁ অসুখী তথা তেওঁৰ ভবিষ্যত নিৰাপত্তাহীন। ভবিষ্যতে পিতৃপুৰুষৰ তৰ্পণাদি কেনেকৈ সম্ভৱ হ'ব এই কথা চিন্তা কৰি দুঃখশীল ৰজাই পিতৃঋন পৰিশোধ কৰাৰ বাবে সন্তানপ্ৰাপ্তিৰ উদ্দেশ্যে মুনিৰ চৰণত প্ৰাৰ্থনা জনালে। গুৰু বশিষ্ঠই ধ্যানযোগে সকলো কথা জানি ৰজাক ক'লে যে অতীতকালত কোনোবা এদিন ইন্দ্ৰদেৱৰ উপাসনা কৰি পৃথিৱীত ঘূৰি অহাৰ সময়ত কামধেনু সুৰভিৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন নকৰাৰ বাবে 'মোৰ সন্তানক সেৱা নকৰিলে আপোনাৰ সন্তান নহয়' এনেদৰে অভিশাপপ্ৰাপ্ত হোৱা কাৰণে ৰজাই আজিও নিঃসন্তান হৈ আছে। গতিকে এতিয়া পাতালত বাস কৰা সুৰভিৰ কন্যা নন্দিনীক সেৱা কৰি শাপমুক্ত হ'ব পাৰিব- মুনিৰ মুখৰ পৰা ৰজাই এই কথা জানিব পাৰিলে।

মুনি বশিষ্ঠই এইদৰে সকলো কথা ব্যক্ত কৰি ৰজা দিলীপক পত্নী সুদক্ষিণাৰ সৈতে নন্দিনীৰ সেৱা আৰম্ভ কৰিবলৈ ক'লে। পীনস্তনৰ পৰা দুগ্ধ প্ৰবাহ বৈ থকা নন্দিনীয়ে যেন-অবভৃথস্নানৰ পবিত্ৰতা দান কৰি সেই মুহূৰ্ত্তত আশ্ৰমত প্ৰবেশ কৰি খুৰৰ আঘাতত উত্থিত ধূলিৰে ৰজাক স্পৰ্শ কৰিলে। লক্ষণজ্ঞ ঋষিয়ে পুন্যদৰ্শনা নন্দিনীক দেখি ৰজাৰ প্ৰাৰ্থনাৰ সাফল্য অনুধাবন কৰি ৰজাক কলে যে বনৰ ফলমূল আহাৰ হিচাপে গ্ৰহণ কৰি নিৰন্তৰ সাধনাৰ সৈতে এই গাইজনীৰ সেৱা কৰিব লাগিব। গাইজনী গতি কৰিলে ৰজাও যাব লাগিব, গাইজনী থিয় হলে ৰজাও থিয় হব লাগিব, গাইজনী বহিলে ৰজাও বহিব লাগিব, গাইজনীয়ে পানী খালেহে ৰজাই পানী খাব পাৰিব। সুদক্ষিণাও সেই ধৰণে নন্দিনীৰ পূজা কৰি ভক্তি চিত্তে ৰাতিপুৱা তপোবনৰ প্ৰান্তভাগলৈকে তাইক অনুগমন কৰিব। নন্দিনী সুপ্ৰসন্ন নোহোৱালৈকে এই ধৰণে সেৱা কৰি গলে ৰজাই পুত্ৰ সুখ দৰ্শন কৰিব। মুনিৰ মুখৰ পৰা এই কথা শুনি আনন্দিত ৰজাই পত্নীৰ সৈতে তপোবনত ৰাত্ৰি বাস কৰিলে।

এনেদৰে মহাকবি কালিদাসে ৯৫ টা শ্লোকেৰে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম সৰ্গত বিষয়বস্তু অৱতাৰণা কৰিছে। এই সৰ্গটোৰ শিৰোনাম হ'ল বশিষ্ঠাশ্ৰমগমনঃ।

**দ্বিতীয় সৰ্গ ঃ**

স্বৰ্গীয় গাই নন্দিনীৰ প্ৰতি ৰজা দিলীপৰ সেৱা কাৰ্যৰ বৰ্ণনাৰে *ৰঘুবংশম্* মহাকাব্যৰ দ্বিতীয় সৰ্গৰ আৰম্ভ হৈছে। এই সেৱাত মহিষী সুদক্ষিণাই সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ৰজা দিলীপে পত্নীৰ হতুৱাই কামধেনুজনীক ফুল-চন্দনেৰে সজাই পোৱালীটোক গাখীৰ খুউৱাৰ পিছত বান্ধি ৰাখিলে আৰু গাইজনীক বনত যোৱাৰ বাবে এৰি দিলে। মুনি বশিষ্ঠৰ কথা মতে মহিষী সুদক্ষিণাই গাইজনীৰ যাত্ৰাপথ অনুসৰণ কৰি গৈ থাকিল। আশ্ৰমপ্ৰান্তলৈকে যোৱাৰ পিছত ব্ৰতপালক ৰজাই নন্দিনীক অনুসৰণ কৰি কেতিয়াবা ৰুচিকৰ ঘাঁহ ছিঙি খাবলৈ দি কেতিয়াবা ঘঁহি-পিহি মহ আদি খেদি গাইজনীৰ শুশ্ৰূষা কৰিছিল। ঋষি বশিষ্ঠৰ উপদেশমতে ধেনুটো থিয় হলে ৰজাও থিয় হৈছিল, ধেনুটো গ'লে ৰজাও গৈছিল, তাই বহিলে ৰজাও বহিছিল আৰু পানী খালে ৰজাইও পানী খাইছিল। এনেদৰে নিৰসভাৱে নন্দিনীৰ প্ৰতি সেৱা আগবঢ়াই ৰজা দিলীপ আৰু ৰাণী সুদক্ষিণাই একৈশদিন অতিবাহিত কৰিলে। পাছদিনা নন্দিনীয়ে ৰজাৰ মনৰ ভাব জনাৰ বাবে হিমালয় পৰ্বতৰ গুহা এটিত প্ৰবেশ কৰিলে। কোনো হিংস্ৰ জন্তুৱে নন্দিনীক আক্ৰমণ কৰিব নোৱাৰে- এই ভাবি ৰজাই পৰ্বতৰ সৌন্দৰ্য্য চাই থাকোঁতেই হঠাতে এটা সিংহ আহি নন্দিনীক আক্ৰমণ কৰিলে। হঠাতে নন্দিনীৰ আৰ্তনাদ শুনি ৰজাই সিংহটোক দেখা পাই নন্দিনীক বচাবলৈ সিংহটোৰ বিনাশৰ বাবে তূনৰ পৰা বাণ উলিয়াবলৈ খুজিলে কিন্তু শৰৰ গুৰিতে তেওঁৰ আঙুলি লাগি থাকিল আৰু তেওঁ শৰ উঠাবলৈ নোৱাৰিলে। শত্ৰুবধৰ ক্ষেত্ৰত নিজৰ অসহায় অৱস্থা লক্ষ্য কৰি ৰজা দিলীপে ক্ৰুদ্ধ হৈ উঠিল। এই অৱস্থাত সেই মায়া সিংহটোৱে মানুহৰ কণ্ঠস্বৰত ৰজাক কলে যে তাক মাৰিবলৈ চেষ্টা কৰাটো বৃথা কাৰণ কুম্ভোদৰ নামৰ এই সিংহটো অষ্টমূৰ্তিধাৰী মহাদেৱৰ অনুচৰ। ৰজা দিলীপে সিংহটোৰ মুখৰ জানিব পাৰিলে যে বনৰীয়া হাতীসমূহক ভয় দেখুৱাবৰ বাবে স্বয়ং মহাদেৱৰ দ্বাৰা তাক গুহাটোৰ ৰক্ষক হিচাপে নিযুক্তি দিয়া হৈছে সিংহৰ ৰূপত। গতিকে সিংহটোৱে এতিয়া নন্দিনীক ভোজন কৰিব বুলি ক'লে। কিন্তু পৃথিৱীৰ পালনকৰ্ত্তা দিলীপে শিৱৰ প্ৰভাৱতেই তেওঁ সিংহটোৰ প্ৰতি বাণ নিক্ষেপ কৰিব পৰা নাই বুলি জানি মায়া সিংহক ক'লে যে মহাদেৱ তেওঁৰ পূজনীয় দেৱতা। কিন্তু যজ্ঞকৰ্তা গুৰু বশিষ্ঠৰ এই গাইজনীক তেওঁ কোনোমতেই এনেকুৱা বিপদৰ ফালে আগুৱাই দিব নোৱাৰে। গতিকে সিংহটোৰ উদ্দেশ্যে নন্দিনীৰ পৰিৱৰ্ত্তে ৰজাই নিজৰ দেহ দান কৰিব খুজিলে। কিন্তু মায়াসিংহটোৱে ৰজাক বুজাব খুজিলে যে নন্দিনীৰ বাবে ৰজাৰ আত্মবলিদান কোনোমতেই যুক্তিযুক্ত নহয়। ৰজাই আত্মবলিদান দি কেবল মাত্ৰ নন্দিনীক হে বচাব পাৰিব কিন্তু জীৱিত থাকি তেওঁ বহুতো প্ৰজাক বাধা-বিঘিনিৰ পৰা ৰক্ষা কৰিব পাৰিব। তদুপৰি সিংহটোৰ মতে ৰজাই যদি গুৰুৰ ভয়ত নিজৰ দেহ দান কৰিব খুজিছে তেতিয়াহলে ৰজাই ভুল কৰিছে কাৰণ নন্দিনীৰ নিচিনা বহুসংখ্যাক গাই দান কৰি ৰজাই গুৰুৰ খং দূৰ কৰিব পাৰিব। ইয়াৰ পিছত সিংহটোৱে বিৰত হল কিন্তু সিংহৰ আক্ৰমণত ভয়াৰ্ত্ত হৈ পৰা নন্দিনীৰ কাতৰ দৃষ্টি লক্ষ্য কৰি অতিশয় সদয় হৈ পৰা ৰজাই বিপদৰ পৰে আনক ত্ৰাণ কৰা কাৰণেই পৃথিৱীত খ্যাত হোৱা 'ক্ষত্ৰ' শব্দটোৰ মাহাত্ম্য স্মৰণ কৰি ক্ষত্ৰিয়বিৰোধীৰ ৰাজ্য বা প্ৰাণৰ ব্যৰ্থতাৰ কথা চিন্তা কৰি নন্দিনীক ৰক্ষা কৰাৰ বাবে নিজৰ শৰীৰ দান কৰাৰ কাৰণে মনস্থিৰ কৰিলে। এইক্ষেত্ৰত দিলীপে সিংহটোক বহুধৰণে বুজাবলৈ চেষ্টা কৰিলে। অৱশেষত সিংহটোৱে মান্তি হোৱাত ৰজাই অস্ত্ৰ ত্যাগ কৰি সিংহটোৰ ওচৰত নিজৰ শৰীৰ সমৰ্পণ কৰিলে। ঠিক সেই মুহূৰ্ত্তে ৰজাৰ ওপৰত পুষ্পবৃষ্টি হল আৰু নন্দিনীয়ে ৰজাৰ ওচৰত থিয় হৈ ক'লে যে তাই ৰজাৰ সেৱা কাৰ্যৰ গভীৰতা

জনাৰ উদ্দেশ্যে মায়াৰ সৃষ্টি কৰি ঘটনাবোৰ সংঘটিত কৰিলে আৰু ৰজা দিলীপে এই পৰীক্ষাত সাফল্যৰে সৈতে উত্তীৰ্ণ হ'ল। ৰজাৰ গুৰু ভক্তি তথা নন্দিনীৰ প্ৰতি থকা ৰজাৰ কৰুণা দেখি অত্যন্ত আনন্দিত হোৱা নন্দিনীয়ে ৰজাক বৰ প্ৰাৰ্থনা কৰিব ক'লে। ৰজা দিলীপে মহিষী সুদক্ষিণাৰ গৰ্ভত বংশৰক্ষক হিচাপে পুত্ৰলাভৰ বৰ ভিক্ষা কৰিলে আৰু নন্দিনীয়ে সেয়া হোৱাৰ প্ৰতিশ্ৰুতি দি ৰজাক তাইৰ গাখীৰ পান কৰিব ক'লে। কিন্তু পোৱালীয়ে পান নকৰালৈকে আৰু হোম নোহোৱালৈকে ৰজাই গাখীৰ পান নকৰে বুলি জানি নন্দিনী অতি আনন্দিত হৈ পৰিল। নন্দিনীক লগত লৈ ৰজা দিলীপে আশ্ৰমত ঘূৰি আহিল আৰু গুৰুক সকলো কথা বিস্তাৰিতভাৱে জনালে, সুদক্ষিণাকো গাইৰ অনুগ্ৰহৰ কথা কলে। পিছদিনা ৰাতিপুৱা ৰজা দিলীপে সকলো কৰণীয় কৰ্ম শেষ কৰি গুৰুৰ আদেশত যাত্ৰামঙ্গল অনুষ্ঠানৰ পিছত সুদক্ষিণাক লৈ ৰাজধানীৰ উদ্দেশ্যে যাত্ৰা কৰিলে আৰু যথাসময়ত ৰাণী সুদক্ষিণাই মানুহৰ মঙ্গঁলৰ বাবে ৰজাৰ তেজ শৰীৰত ধাৰণ কৰিলে।

এনেদৰে মহাকবি কালিদাসে ৭৫ টা শ্লোকেৰে *ৰঘুবংশম্* কাব্যৰ দ্বিতীয়সৰ্গত বিষয়বস্তুৰ অৱতাৰণা কৰিছে। এই সৰ্গটিৰ শিৰোনাম হল 'নন্দিনী বৰ প্ৰদানঃ'।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) ৰঘুবংশম্ মহাকাব্যৰ প্ৰথম সৰ্গৰ বিষয় বস্তুৰ বৰ্ণনা দিয়ক। (৪০ টা শব্দৰ ভিতৰত)

..........................................................................

..........................................................................

..........................................................................

(২) মহাৰাজ দিলীপ আৰু সুদক্ষিণাই কেনেদৰে নন্দিনীৰ প্ৰতি সেৱা আগবঢ়াইছিল সেই বিষয়ে চমুকৈ লিখক।

..........................................................................

..........................................................................

..........................................................................

(৩) দিলীপ আৰু মায়াসিংহৰ কথোপকথন ব্যক্ত কৰক। (৩৫ টা শব্দৰ ভিতৰত)

..........................................................................

..........................................................................

..........................................................................

## ৩.৪ সৰ্গদুটাত প্ৰতিফলিত হোৱা চৰিত্ৰসমূহ

মহাকবি কালিদাসৰ *ৰঘুবংশম্* কাব্যত বহুতো চৰিত্ৰৰ অৱতাৰণা কৰা হৈছে বিষয়বস্তুৰ বিভিন্নতাৰ লগত খাপ খুৱাই মহাকবিয়ে বিভিন্ন ধৰণৰ চৰিত্ৰ উপস্থাপন কৰিছে। ইক্ষাকুবংশীয় নৃপতিসকলৰ বৰ্ণনাত্মক জীৱন কাহিনীৰ উপস্থাপন এই মহাকাব্যৰ মুখ্য উদ্দেশ্য হ'লেও বিভিন্ন সময়ত মূল কাহিনীৰ লগত সংযোগ ৰক্ষা কৰি মহাকবিয়ে বিভিন্ন বৈশিষ্ট্যেৰে বিভূষিত নানা ধৰণৰ চৰিত্ৰৰ সন্নিবেশ ঘটাইছে। এই মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয়সৰ্গতো এই নিয়মৰ ব্যতিক্ৰম হোৱা নাই। এই দুটা সৰ্গতো মহাৰাজ দিলীপৰ লগতে সুদক্ষিণা, বশিষ্ঠ, নন্দিনীৰ চৰিত্ৰৰ অবতাৰণা ঘটিছে। সংক্ষেপে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গত প্ৰতিফলিত হোৱা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

## (ক) মহাৰাজ দিলীপৰ চৰিত্ৰ

মহাকবি কালিদাস বিৰচিত *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম মানবীয় চৰিত্ৰটোৱেই হ'ল দিলীপৰ চৰিত্ৰ। বৈবস্বত মনুৰ বংশত উজ্জ্বল ৰত্নৰূপী দিলীপৰ জন্ম হয়। ইতিহাস প্ৰসিদ্ধ এই বংশৰ মহান গুণবোৰেৰে সমৃদ্ধ আছিল মহাৰাজ দিলীপ। ক্ষত্ৰিয়বংশৰ কুল প্ৰদীপ মহাৰাজ দিলীপৰ শাৰীৰিক গঠনো আছিল উল্লেখনীয়। বহল বক্ষস্থলৰ অধিকাৰী, বলধৰ কান্ধৰ দৰে পুৰঠ কান্ধবিশিষ্ট, শালবৃক্ষৰ নিচিনা ঋজু আৰু শক্তিশালী বাহুৰ গৰাকী দিলীপৰ বৰ্ণনা কৰিব গৈ মহাকবিয়ে এনেদৰে কৈছে—

*ব্যূঢ়োৰস্ক বৃষস্কন্ধঃ শালপ্ৰাংশুৰ্মহাভুজঃ।*
*আত্মকৰ্মক্ষমং দেহং ক্ষাত্ৰো ধৰ্ম ইবাশ্ৰিতঃ।।* (প্ৰঃ সঃ, শ্লো, সঃ ১৩)

কেৱল শাৰীৰিক আকৃতিতেই নহয় জ্ঞান-গৰিমা মহানুভৱতা আদিতো আছিল মহাৰাজ দিলীপ সদা অনুকৰণীয়, এনেকুৱা বীৰত্বব্যঞ্জক শাৰীৰিক গঠন তথা পৰিপূৰ্ণ জ্ঞানৰ অধিকাৰী হৈও ৰজা দিলীপে প্ৰজাসকলৰ ওচৰত সহজলভ্য আছিল। ক্ষত্ৰিয় ধৰ্মৰ নীতি অনুসৰি প্ৰজাপালনেই আছিল তেওঁৰ মূল ধৰ্ম। সকলো কৰ্ত্তব্য তথা কৰ্ম অতি নিষ্ঠাৰে পালন কৰি মহাৰাজ দিলীপে প্ৰজাসকলৰ হৃদয়ত ভক্তিৰ স্থান অধিকাৰ কৰিছিল। এই প্ৰজাসকলেও তেওঁৰ চৰিত্ৰৰ অনুকৰণ কৰিব খুজি সকলো ক্ষেত্ৰতে ভাল ফল প্ৰদৰ্শন কৰিছিল। ৰজা দিলীপে কৰ গ্ৰহণ কৰিছিল নিজৰ ভোগৰ কাৰণে নহয় মানুহৰ কল্যাণৰ বাবেহে। সাম-দান-ভেদ আৰু দণ্ড । এই চাৰিবিধ ৰাজ্যশাসনৰ উপায়ৰ সাৰ্থক প্ৰয়োগ কৰি মহাৰাজ দিলীপে তেওঁৰ ৰাজ্যত সুখ-শান্তি তথা শৃঙ্খলা নীতি নিয়ম প্ৰণয়ন কৰিব পাৰিছিল। তেওঁৰ শাসনৰ ফলত প্ৰজাসকলৰ কোনোধৰণৰ অশান্তি ভোগকৰিবলগীয়া হোৱা নাছিল। কিন্তু মহাৰাজৰ কামবোৰৰ কথা গোপনভাৱে সংৰক্ষিত হৈছিল। এনেকুৱা ৰজাজনৰ চৰিত্ৰৰ গুণবোৰ যেন ইটোৱে সিটোৰ কাৰণ হৈ পৰিছিল। মহাকবিয়ে *ৰঘুবংশম্* কাব্যৰ প্ৰথমসৰ্গত অতি সুন্দৰ ভাৱে কৈছে—

*জ্ঞানে মৌনং ক্ষমা শক্তৌ ত্যাগে শ্লাঘাবিপৰ্যয়ঃ।*

*গুণা গুণানুবন্ধিত্বাৎ তস্য সপ্ৰসবা ইব।।* (শ্লোক. স. ২২)

প্ৰজানুৰঞ্জক মহাৰাজ দিলীপে প্ৰজাসকলৰ কল্যাণৰ বাবে যাগ-যজ্ঞাদি ধৰ্মীয় অনুষ্ঠানবোৰ সম্পাদন কৰিছিল আৰু পণ্ডিতসকলে দিয়া বিধান অনুসৰি তেওঁ চলিছিল। সজ্জনৰ ক্ষেত্ৰত তেওঁ শত্ৰুতা পৰিহাৰ কৰি সন্মান প্ৰদৰ্শন কৰিছিল আনফালে প্ৰিয়জনো দোষীহ'লে তেওঁৰ কৰুণাৰ পৰা বঞ্চিত হৈছিল। জ্ঞানবৃদ্ধ এইজন ৰজাই চাৰিত্ৰিক দিশত অতিশয় নম্ৰ আৰু শিষ্টাচাৰৰ পৰাকাষ্ঠা আছিল। সুশাসক এই ৰজাৰ ৰাজত্বত কোনোধৰণৰ অপায় বা অমঙ্গল ঘটা নাছিল। সন্তানহীন এই ৰজাজনে বশিষ্ঠমুনিৰ আশ্ৰমত উপস্থিত হৈ নিজৰ বিনয় স্বভাবক প্ৰকাশ কৰিছিল। সন্তান প্ৰাপ্তিৰ বাবে বশিষ্ঠামুনিৰ উপদেশ অনুসৰি এইজন ৰজাই পত্নী সুদক্ষিণাক লগত লৈ ৰাজোচিত বিষয়বোৰ পৰিত্যাগ কৰি সাধাৰণ মানুহ হিচাবে নন্দিনীৰ সেৱাত নিমগ্ন হৈছিল। গুৰুৰ প্ৰতি থকা ভক্তি আৰু কৰ্ত্তব্যৰ প্ৰতি থকা আকুণ্ঠ নিষ্ঠাৰ বাবেই মহাৰাজ দিলীপে মায়া সিংহৰ পৰীক্ষাতো সফল হৈছিল। নন্দিনীক ৰক্ষা কৰাৰ বাবে আত্মবলিদান দিবলৈ ওলোৱা মহাৰাজ দিলীপৰ ক্ষত্ৰিয়জনোচিত চৰিত্ৰ সচাঁকৈয়ে চিৰস্মৰণীয়।

মহাৰাজ দিলীপৰ এনেকুৱা বীৰত্বব্যঞ্জক অথচ শ্ৰদ্ধাশীল চৰিত্ৰ সৃষ্টি কৰি মহাকবি কালিদাসে চৰিত্ৰচিত্ৰণতো তেওঁৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে।

**(খ) সুদক্ষিণাৰ চৰিত্ৰ**

*ৰঘুবংশম্* মহাকাব্যত প্ৰকাশ পোৱা প্ৰথম নাৰী চৰিত্ৰটোৱেই হ'ল সুদক্ষিণাৰ চৰিত্ৰ। মহাৰাজ দিলীপৰ উপযুক্ত পত্নী হিচাপে মহাকবি কালিদাসে সুদক্ষিণাৰ চৰিত্ৰটো অঙ্কন কৰিছে। মগধ বংশৰ কণ্যা আছিল এইজনী সুদক্ষিণা আৰু সুন্দৰ দক্ষিণাময়ী হোৱা কাৰণেই তেওঁৰ সুদক্ষিণা নামটো যথাৰ্থভাৱে সাৰ্থকতা লাভ কৰিছে। সন্তানহীনা নাৰী দিলীপৰ পত্নী সুদক্ষিণা ব্ৰতচাৰিণীৰূপত পতিৰ কাৰ্যৰ সহচৰী হিচাপে বৰ্ণিত হৈছে মহাকবিৰ লেখনীত। গুৰু বশিষ্ঠৰ উপদেশমৰ্মে নন্দিনীৰ সেৱাত নিমগ্ন হোৱা সুদক্ষিণাই নিজৰ কৰ্তব্যৰ পৰা একমুহূৰ্ত্তৰ বাবেও পদচ্যুত হোৱা নাই। পতিৰ সহকাৰিণী হিচাপে নিৰলস সেৱাত ব্ৰতী হোৱা সুদক্ষিণাই নন্দিনীৰ অনুসৰণকাৰী ৰজাৰ পিছে পিছে গৈ থাকিল স্মৃতিয়ে শ্ৰুতিৰ অৰ্থ অনুসৰণ কৰাৰ দৰে। প্ৰকৃত অৰ্থত মহাৰাজ দিলীপৰ সহধৰ্মিনী সুদক্ষিণাই ব্ৰতচাৰিণীৰ বেশভূষা ধাৰণ কৰি স্বামীব্ৰতৰ ভাগ লৈছে। ৰাতিপুৱা হোৱাৰ লগে লগে শয্যা ত্যাগ কৰি এইজনী ধৰ্মপ্ৰাণা নাৰীয়ে গন্ধমাল্যৰে অৰ্চনা কৰি নন্দিনীধেনুক প্ৰস্তুত কৰি দিয়ে। আকৌ গোটেই দিনটো বনত ঘূৰি ঘূৰি সন্ধিয়াকালত আশ্ৰমলৈ প্ৰত্যাগমন কৰা নন্দিনীৰ প্ৰতি দৃষ্টিনিক্ষেপ কৰি সুদক্ষিণাই মানসিক তৃপ্তি লাভ কৰে। ৰাজসুখত অভ্যস্ত হৈও পতিপৰায়ণা সুদক্ষিণাই সকলো ভোগ্যবস্তু পৰিত্যাগ কৰি স্বামীৰ লগত ফলাহাৰ কৰিয়ে আশ্ৰমত দিনবোৰ অতিবাহিত কৰে। অৱশেষত গুৰুৰ আশীৰ্ব্বাদত নন্দিনীৰ বৰ লাভ কৰি এইজনী নাৰীয়ে ৰজাসকলৰ কল্যাণৰ বাবে দিলীপৰ তেজ গৰ্ভত ধাৰণ কৰে।

এনেদৰে মহাকবি কালিদাসে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ মাজেদি সুদক্ষিণাৰ চৰিত্ৰটোক পতিপৰায়ণা, ব্ৰতচাৰিণী স্ত্ৰী হিচাপে চিত্ৰিত কৰিছে।

**(গ) বশিষ্ঠৰ চৰিত্ৰ**

মহাকবি কালিদাসে *ৰঘুবংশম্* কাব্যৰ প্ৰথম সৰ্গৰ বিভিন্ন ঘটনাৰ মাজেদি বশিষ্ঠমুনিৰ চৰিত্ৰটো দাঙি ধৰিছে। ৰজা দিলীপে পত্নী সুদক্ষিণাৰ সৈতে আহি মুনি বশিষ্ঠৰ আশ্ৰমত উপস্থিত হয়। এই আশ্ৰমত মুনিয়ে স্বাহাৰ সৈতে থকা অগ্নিৰ দৰে অৰুন্ধতীৰ লগত বহি আছিল। মুনি বশিষ্ঠই অথৰ্ববেদৰ পণ্ডিত আছিল আৰু ইক্ষ্বাকুবংশক তেওঁ সদায় আধিভৌতিক আৰু আধিদৈবিক বিপদৰ পৰা ৰক্ষা কৰি আহিছিল। মন্ত্ৰকৰ্তা বশিষ্ঠই মন্ত্ৰৰ বলেৰে এই বংশৰ শত্ৰুকুলক বিনাশ কৰি নিষ্কন্টক ৰাজত্বৰ অধিকাৰী কৰি তুলিছিল নৃপতিসকলক। এই মুনিৰ অখণ্ড তেজেৰেই ৰজা দিলীপৰ প্ৰজাকুল ভয় আৰু বিপদ-আপদৰ পৰা মুক্ত থাকি আনন্দৰ সৈতে বিষয় ভোগ কৰিব পাৰিছিল। ইক্ষ্বাকুবংশৰ গুৰু বশিষ্ঠই ব্ৰহ্মযোনিসম্ভূত আছিল আৰু সেইকাৰণে তেওঁৰ শক্তি অনন্ত তথা অবাধিতৰূপে প্ৰকাশ পাইছিল। সমগ্ৰ ইক্ষ্বাকুবংশৰ সৰ্ব্বাংগীন সফলতাৰ আঁৰত আছিল গুৰু বশিষ্ঠৰ প্ৰভাৱ। কালিদাসে এই প্ৰসঙ্গত কৈছে— *ইক্ষ্বাকুণাং দুৰাপেৰ্থে ত্বদধীনা হি সিদ্ধয়ঃ।* এই মুনিজনে ধ্যানমগ্ন হৈ সকলো কথা অৱগত হৈছিল। তপস্যাৰ বলেৰে আত্মশুদ্ধি লাভ কৰা মুনি বশিষ্ঠই অজ্ঞাত আৰু অনাগত বিষয়সমূহ সম্বন্ধেও জানিছিল। ব্ৰহ্মাৰ পুত্ৰ, সত্যপ্ৰিয়ভাষী ঋষি বশিষ্ঠই ব্ৰত আদি নিয়মৰ ক্ষেত্ৰত সৰ্বজ্ঞ আছিল। এই ঋষিৰ আশীৰ্ব্বাদতেই নন্দিনীৰ প্ৰতি নিৰলস সেৱা আগবঢ়াই ৰজা দিলীপ আৰু ৰাণী সুদক্ষিণাই ৰঘুৰ নিচিনা বীৰপুত্ৰ লাভ কৰিছিল।

**(ঘ) নন্দিনীৰ চৰিত্ৰ**

প্ৰকৃততে নন্দিনী এজনী গাই হোৱা সত্ত্বেও মহাকবিৰ লেখনীত এই চৰিত্ৰটিৰ বিকাশ ঘটা দেখা যায় আৰু মহাকাব্য *ৰঘুবংশম্*ৰ প্ৰথম ৰজা দিলীপৰ বংশৰক্ষৰ ক্ষেত্ৰত এই গাইজনীৰ

ভূমিকা যথেষ্ট। সুৰভিকন্যা নন্দিনীয়ে দিব্য শক্তিসম্পন্ন আৰু অনিন্দনীয় সৌন্দৰ্যৰ অধিকাৰী আছিল আৰু বশিষ্ঠাশ্ৰমত কৰা যাগ-যজ্ঞত হোমৰ সাধন হিচাপে এই গাইজনীয়ে ঋষিসকলক সহায় কৰিছিল। *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথমসৰ্গত মহাকবি কালিদাসে এই স্বৰ্গীয় গাইজনীৰ শাৰীৰিক বৰ্ণনা দিবলৈ গৈ কৈছে যে নন্দিনী আছিল পল্লবৰ দৰে স্নিগ্ধ আৰু পাটলবৰ্ণবিশিষ্ট, কপালত আছিল অলপ অলপ বেকাঁ নোম। এনেকুৱা ৰূপৰ অধিকাৰিণী গাইজনীৰ লগত মহাকবিয়ে নতুন জোনক ধাৰণ কৰা সন্ধিয়া কালৰ তুলনা আগবঢ়াইছে-

*ললাটোদয়মাভুগ্নং পল্লবস্নিগ্ধপাটলা।*

*বিভ্ৰতী শ্বেতৰোমাঙ্কং সন্ধ্যেব শশিনং নবম্।।* (১ম সং শ্লোক স. ৮৩)

নন্দিনীৰ মাতৃস্নেহ নিঃসৃত হৈছে পোৱালিক দেখি ওহাৰৰ পৰা নিৰ্গতিত পৱিত্ৰ গাখীৰৰ টোপাল নিঃসৰণৰ মাজেদি। এই দুগ্ধই পৃথিবীক যেন অবভৃতস্নান কাৰ্যৰ সুষমা দান কৰিছিল। পুণ্যদৰ্শনা নন্দিনীয়ে ভৱিষ্যৎ আশা ফলৱৰ্তী হোৱাৰ বাৰ্তা দিয়ে। এই একবৎসা গাইজনীৰ প্ৰতি পৰমভক্তিভাৱে সেৱা আগবঢ়াই ৰজা দিলীপ আৰু পত্নী সুদক্ষিণাই মনত পৰম শান্তি লাভ কৰিছিল। এইজনী পয়স্বিনী গাভীয়েই ৰজা দিলীপৰ সেৱাৰ গভীৰতা পৰীক্ষা কৰাৰ উদ্দেশ্যে মায়াসিংহৰ সৃষ্টি কৰিছিল। আকৌ মায়াসিংহৰ মায়াজনিত পৰীক্ষাত সফল হোৱাৰ পিছত এই গাইজনীয়েই মহাৰাজ দিলীপৰ সম্মুখত জননীৰ নিচিনা আহি থিয় হৈছিল— *দদৰ্শ ৰাজা জননীমিব স্বাং গামগ্ৰতঃ প্ৰস্ৰবিনীং ন সিংহম্।* মনোবাঞ্চাপূৰ্ৰণকাৰিণী, ঋষিপ্ৰভাৱধন্যা নন্দিনীয়ে সন্তুষ্ট হৈ ৰজা দিলীপক পুত্ৰ প্ৰাপ্তিৰ বাবে বৰ প্ৰদান কৰে। এনেদৰে মহাকবিয়ে নন্দিনীৰ স্বভাৱত মানবোচিত গুণসমূহ অৰ্পণ কৰি সুন্দৰভাৱে এই চৰিত্ৰটোৰ অৱতাৰণা কৰিছে। ইয়াতেই মহাকবিৰ চৰিত্ৰাঙ্কণৰ সফলতা প্ৰমাণিত হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) ৰঘুবংশম্ মহাকাব্যত প্ৰতিফলিত হোৱা দিলীপৰ চৰিত্ৰটো বৰ্ণনা কৰক। (৫০ টা শব্দৰ ভিতৰত)।

.............................................................

.............................................................

.............................................................

(২) ৰঘুবংশম মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ আধাৰত ৰাণী সুদক্ষিণাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বৰ্ণনা দিয়ক (৪৫ টা শব্দৰ ভিতৰত)।

.............................................................

.............................................................

.............................................................

## ৩.৫ প্ৰকৃতি বৰ্ণনা

মহাকবি কালিদাসৰ প্ৰকৃতিবৰ্ণনা তেওঁৰ স্বভাৱসিদ্ধ অনুপম কল্পনাৰ মাধুৰ্য্যৰে অভিস্নাত, চিত্ৰকল্পৰ সাৱলীলতাৰে সমৃদ্ধ আৰু উপযুক্ত শব্দ প্ৰয়োগৰ সাধনাৰে পৰিপুষ্ট। কবি কালিদাসৰ প্ৰকৃতি বৰ্ণনাৰ ক্ষেত্ৰত তেওঁৰ আটাইবোৰ ৰচনাত যিটো বৈশিষ্ট্য আমাৰ চকুত সৰ্বপ্ৰথমে ধৰা পৰে সেইটো হ'ল মানুহৰ লগত প্ৰকৃতিৰ নিবিড় সম্পৰ্ক স্থাপন। দৰাচলতে মানুহ হ'ল সহজ-সৰল প্ৰকৃতিৰে এটা গুৰুত্বপূৰ্ণ অঙ্গ আৰু মূলৰ পৰা বিছিন্ন হৈ মানুহে কেতিয়াও মানসিক শান্তি নাপায়। প্ৰকৃতিৰ কোলাতেই মানুহৰ গভীৰ বিশ্ৰাম। মহাকবি কালিদাসে মানুহৰ লগত প্ৰকৃতিৰ

এই গভীৰ সম্পৰ্কৰ মাহাত্ম্য মনৰ অন্তস্থলত অনুভৱ কৰিছিল আৰু সেইকাৰণেই তেওঁৰ লেখনীত মানৱ-প্ৰকৃতিৰ আন্তৰিক সম্বন্ধৰ প্ৰতিফলন অতি স্বাভাৱিকভাৱেই প্ৰতিভাত হৈছে। মহাকবিৰ প্ৰকৃতিবৰ্ণনাৰ ক্ষেত্ৰত আন এটি বৈশিষ্ট্য হল তেওঁ প্ৰতিটো ক্ষেত্ৰতেই প্ৰকৃতিক জীৱন্তৰূপত প্ৰকাশ কৰিব বিচাৰিছে। কালিদাসৰ প্ৰকৃতি মানবীয় জীৱনস্পন্দন সমৃদ্ধ, সুখ-দুখ আৱেগ-অনুভূত সম্পন্ন আৰু প্ৰাণৰ গতিৰে পৰিপূৰ্ণ। *অভিজ্ঞানশকুন্তলম্, মেঘদূতম্, ঋতুসংহাৰম্, কুমাৰসম্ভৱম্* আদিৰ নিচিনাকৈ *ৰঘুবংশম্* মহাকাব্যতো মহাকবি কালিদাসৰ প্ৰকৃতি চিত্ৰণ সাফল্যৰ শিখৰত স্থান পাইছে। সমগ্ৰ মহাকাব্যখনতেই মহাকবিয়ে মানুহ আৰু প্ৰকৃতিৰ গভীৰ সম্পৰ্কৰ এনাজৰীডাল বিস্তাৰ কৰিছে। সেই পৰশত সমৃদ্ধ হৈছে এই মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গ দুটাও। উক্ত অধ্যায়ত *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ বিষয়বস্তুৰ মাজেৰে প্ৰতিফলিত হোৱা প্ৰকৃতিৰ প্ৰতিচ্ছবি তথা এই বৰ্ণনাৰ মাজেৰে প্ৰতিধ্বনিত হোৱা মহাকবিৰ কাব্যপ্ৰতিভাৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে।

*ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম সৰ্গত প্ৰাকৃতিক বৰ্ণনাৰ অপৰূপ চিত্ৰণ পোৱা যায় ৰজা দিলীপ আৰু সুদক্ষিণাৰ বশিষ্ঠৰ আশ্ৰম যাত্ৰাত। বশিষ্ঠাশ্ৰমলৈ যোৱাৰ পথত যেতিয়া ৰজা দিলীপ আৰু সুদক্ষিণাই মধুৰ অথচ গম্ভীৰ ধ্বনিযুক্ত ৰথত উঠিছিল তেতিয়া তেওঁলোকক বাৰিষাৰ মধুৰ আৰু গম্ভীৰ শব্দযুক্ত মেঘত থকা বিজুলী আৰু ঐৰাৱতৰ নিচিনা লাগিছিল। আশ্ৰমলৈ যাওঁতে বাটত শালগছৰ পত্ৰভঙ্গৰ ধুনীয়া গোন্ধেৰে সুবাসিত সুখস্পৰ্শ বতাহে ফুল আৰু পৰাগৰেণু পৰিবেষ্টিত হৈ গছবোৰক অলপ আন্দোলিত কৰি তেওঁলোকৰ প্ৰতি সেৱা আগবঢ়াইছিল। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল মহাকবি কালিদাসে প্ৰকৃতিক জীৱন্ত ৰূপত প্ৰকাশ কৰাৰ কাৰণে প্ৰাকৃতিক উপাদানসমূহত প্ৰয়োজন অনুসৰি মানবীয় গুণাৱলী অৰ্পণ কৰিছে কালিদাসৰ কাব্যসমূহত। সেইক্ষেত্ৰত *ৰঘুবংশম্* মহাকাব্যখনো ব্যতিক্ৰম নহয়। উক্ত বৰ্ণনাটোত দেখা গৈছে যে মহাকবিয়ে বতাহৰ ক্ষেত্ৰত মানবীয় ব্যৱহাৰ সমাৰোপ কৰিছে যাৰ ফলত বতাহে সুখস্পৰ্শপ্ৰদায়ী হৈ ৰজা দিলীপ আৰু সুদক্ষিণালৈ মানুহৰ দৰে সেৱা আগবঢ়াইছে। ইয়াতেই ব্যক্ত হয় মহাকবিৰ প্ৰকৃতিবৰ্ণনাৰ অনন্যৰূপতা। আকৌ দেখা যায় যে দিলীপ আৰু সুদক্ষিণাৰ যাত্ৰাপথত ময়ুৰবিলাকে অতি সুন্দৰ কেকাধ্বনি কৰিছিল, হৰিণবোৰ জোড়বান্ধি থিয় হৈ ৰথৰ ফালে দৃষ্টি নিক্ষেপ কৰি আছিল, সাৰস পক্ষীবোৰ একেলগে কলধ্বনি কৰি কৰি উৰি গৈছিল, শীতল বতাহৰ ঘ্ৰাণ পোৱা গৈছিল। এই যে ৰূপৰ ভিতৰতে অৰূপৰ বৰ্ণনা সাধাৰণ প্ৰাকৃতিক ঘটনা বা উপাদানক আনিন্দ্যনীয় কৰি তুলি সাৰ্থকভাৱে উপস্থাপন কৰা- এয়া মহাকবি কালিদাসৰ বাহিৰে আৰু কাৰো দ্বাৰাই সম্ভৱপৰ নহয়। বশিষ্ঠমুনিৰ আশ্ৰমত তপস্বীকন্যাসকলে গছপুলি সমূহত পানী দি থকাৰ সময়ত এই পানীখিনিৰ পৰা যাতে চৰাইবোৰেও পানী গ্ৰহণ কৰিব পাৰে তাৰ বাবে লগে লগে সেই ঠাইৰ পৰা আঁতৰি গৈছিল। অৰ্থাৎ একেলগে এই তাপসকন্যা সকলে গছপুলি আৰু চৰাইবোৰৰ কাৰণে পানী আগবঢ়াইছিল। প্ৰাকৃতিক উপাদানৰ প্ৰতি মানুহৰ এই সেৱাপৰায়ণ মনোভাৱৰ প্ৰকাশ মহাকবি কালিদাসৰ প্ৰায় প্ৰত্যেকখন কাব্যতেই পোৱা যায়। এইখিনিতে *অভিজ্ঞানশকুন্তলম্* নাটকৰ শকুন্তলাই কৰা গছৰ সেৱাৰ কথা প্ৰাণিধানযোগ্য। শকুন্তলাই গছত পানী নিদিয়াকৈ পানী গ্ৰহণ নকৰিছিল, অলংকাৰৰ প্ৰতি আকৰ্ষণ থাকিলেও গছৰ পৰা ফুল-পাত আদি কেতিয়াও ছিঙা নাছিল আৰু গছৰ প্ৰথমবাৰৰ বাবে পুষ্পোদ্গম হ'লে শকুন্তলাই উৎসৱৰ দৰে মনত আনন্দ লাভ কৰিছিল। *ৰঘুবংশম্* মহাকাব্যতো প্ৰকৃতিৰ লগত মানুহৰ এই একে আত্মীয়তা প্ৰকাশিত হৈছে।

*ৰঘুবংশম্* মহাকাব্যৰ দ্বিতীয়সৰ্গটো ক'ব গ'লে প্ৰকৃতি আৰু মানবৰ সঙ্গমস্থলী। কাৰণ এই সৰ্গৰ মূল বিষয়বস্তু হ'ল সুৰভিকণ্যা নন্দিনীৰ প্ৰতি আগবঢ়োৱা দিলীপ আৰু সুদক্ষিণাৰ আকুণ্ঠ সেৱাকাৰ্য। ইয়াতে মহাকবিয়ে যেন ক'ব খুজিছে প্ৰাকৃতিক উপাদানৰ প্ৰতি অবহেলা কৰিলে প্ৰকৃতিও প্ৰতিশোধ লয় আৰু প্ৰকৃতিৰ সন্তানক সেৱা কৰিহে এই পাপৰ পৰা মুক্তি পোৱা যায়। স্বৰ্গীয় গাই সুৰভিক এদিন অজ্ঞানতাবশতঃ দিলীপে অবজ্ঞা কৰিছিল কাৰণে সন্তানহীনতাৰ কঠোৰ দুখ তেওঁ সহ্য কৰিবলগীয়া হ'ল। আকৌ সুৰভিকন্যাৰ প্ৰতি আকুণ্ঠ সেৱা আগবঢ়াইহে দিলীপ আৰু সুদক্ষিণাই এই কষ্টৰ মুক্তি পালে। গতিকে প্ৰকৃতি আৰু মানুহ সম্পৰ্কৰ এনাজৰীৰে আবদ্ধ এই বন্ধনক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। নন্দিনীৰ প্ৰতি দিলীপে সেৱা আগবঢ়াই থকাৰ সময়তে দেখা যায় যে বতাহেৰে কম্পমান তৰুলতাসমূহে ৰজাৰ ওপৰত এনেদৰে পুষ্পবৰ্ষণ কৰিছে যেন পুৰণাৰী সকলে লাজাঞ্জলিৰে ৰজাক অভ্যৰ্থনা জ্ঞাপন কৰিছে— *অবাকিৰণ বাললতাঃ প্ৰসূনৈৰাচাৰলাজৈৰিব পৌৰকন্যাঃ* (২য় স. শ্লো. সং-১০)। এইসময়তে মহাৰাজ দিলীপে লতাকুঞ্জত বনদেৱতাসকলে ডাঙৰকৈ গোৱা নিজৰ যশোগান শুনিবলৈ পালে আৰু লগতে বাহবোৰৰ খুটাত বতাহ লগাত যেন বাঁহীৰ সুৰৰ শব্দমূৰ্চ্ছনাও তেওঁৰ কৰ্ণগোচৰ হল। তীব্ৰ ৰ'দৰ প্ৰকোপত ক্লান্ত হোৱা ৰজাক পৰ্বতীয়া নিজৰাৰ পানীৰে সিক্ত আৰু ফুলৰ সংস্পৰ্শত সুগন্ধযুক্ত হোৱা বতাহে সেৱা কৰিছিল। অৰ্থাৎ প্ৰকৃতিৰ উপাদানৰ প্ৰতি আগবঢ়োৱা সেৱাকাৰ্যত প্ৰকৃতিয়েই সহায়কাৰী হৈ উঠে। সকলো শ্ৰান্তি, ক্লান্তি দূৰ কৰি মানসিক শান্তিৰ আবেশ আনি দিব পাৰে প্ৰকৃতিয়ে। প্ৰকৃতিৰ কোলাতহে মানুহৰ প্ৰকৃত আনন্দ-এয়াই মানুহৰ পৰম আশ্ৰয়। মহাৰাজ দিলীপৰ ক্ষেত্ৰত দেখা গ'ল যে তেওঁৰ আসমুদ্ৰহিমাচল ৰাজ্য, ৰাজপ্ৰসাদ আদিয়ে তেওঁক যি সুখস্পৰ্শ দিব পৰা নাই সেই অমৃতময় আনন্দৰ আস্বাদ গ্ৰহণৰ বাবে মুনি বশিষ্ঠৰ উপদেশমৰ্মে তেওঁ আশ্ৰয় লৈছে প্ৰকৃতিৰ বুকুত। মহাকবি কালিদসে এনেদৰে প্ৰতিষ্ঠিত কৰিছে প্ৰকৃতি আৰু মানুহৰ চিৰন্তন সম্বন্ধক।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) ৰঘুবংশম্ মহাকাব্যৰ প্ৰথম সৰ্গৰ প্ৰকৃতিবৰ্ণনাৰ বিষয়ে লিখক। (৪০ টা শব্দৰ ভিতৰত)।

.............................................................

.............................................................

.............................................................

(২) ৰঘুবংশম্ মহাকাব্যৰ দ্বিতীয় সৰ্গত থকা প্ৰকৃতি বৰ্ণনাৰ বিষয়ে চমুকৈ লিখক (৪০ টা শব্দৰ ভিতৰত)।

.............................................................

.............................................................

.............................................................

## ৩.৬ সাহিত্যিক সমীক্ষা

*ৰঘুবংশম্* মহাকাব্যখন মহাকবিৰ অনুপম ৰচনাৰাজিৰ ভিতৰত অন্যতম। এই মহাকাব্যৰ প্ৰতিটো স্তৰতেই যেন কালিদাসৰ কাব্যিক প্ৰজ্ঞাৰ প্ৰতিফলন ঘটিছে। নৱ-নৱ-উন্মেষশালিনী সৃষ্টিশক্তিৰূপী প্ৰতিভাৰ অধিকাৰী মহাকবি কালিদাসে তেওঁৰ অপৰূপ কল্পনাৰ মায়াজালেৰে ঐতিহাসিক তথ্যসমৃদ্ধ এটি সুসংবদ্ধ কাহিনীৰ অৱতাৰণা কৰিছে সম্পূৰ্ণ *ৰঘুবংশম্* মহাকাব্যৰ

যোগেদি। ৰূপ-ৰস-শব্দৰ মধুৰ মিলনে সৃষ্টি কৰিছে মহাকাব্যখনৰ অলৌকিক উপাদেয়তা। বৰ্ণনীয় বিষয়ৰাজিৰ অন্তঃস্থল স্পৰ্শ কৰা কবিমানসৰ সফল প্ৰতিচ্ছবি অংকিত হৈছে প্ৰতিটো সৰ্গতেই। সেইকাৰণে এই মহাকাব্যখনৰ প্ৰত্যেকটো সৰ্গই নিজা সৌন্দৰ্যৰে বিভূষিত, স্বকীয়তাৰে প্ৰতিভাত আৰু বৰ্ণনস্বাতন্ত্ৰ্যেৰে সমুজ্জ্বল। এই অধ্যায়ত *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয়সৰ্গৰ বিষয়বস্তুৰ আধাৰত এটি সাহিত্যিক সমীক্ষা আগবঢ়োৱা হ'ল।—

ইতিমধ্যে আপুনি অৱগত হৈছে যে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয়সৰ্গৰ বিষয়বস্তু হ'ল যথাক্ৰমে মহাৰাজ দিলীপ আৰু সুদক্ষিণাৰ বশিষ্ঠাশ্ৰমগমন আৰু নন্দিনীৰ প্ৰতি সেৱা আগবঢ়াই পুত্ৰলাভৰ বাবে বৰ প্ৰাপ্তি। কিন্তু এইখিনিতেই মনকৰিবলগীয়া কথাটো হ'ল যে মহাকাব্যৰ প্ৰথমসৰ্গটো সদায়ে গুৰুত্ব বহন কৰে কাৰণ এই সৰ্গতেই মহাকাব্য প্ৰণেতাই মঙ্গলবাচক শ্লোকেৰে আৰাধ্যদেৱতাৰ স্মৃতি কৰি মহাকাব্যখনৰ বিষয়-প্ৰয়োজন-সম্বন্ধ আৰু অধিকাৰীৰ বিষয়ে ইঙ্গিত দিয়ে। তদুপৰি অলঙ্কাৰ শাস্ত্ৰমতে মহাকাব্যতো নাটকৰ দৰে মুখ-প্ৰতিমুখ-গৰ্ভ-বিমৰ্শ আৰু নিৰ্বহন নামৰ পাঁচটা সন্ধিৰ অস্তিত্ব থাকে। সেই নিয়ম অনুসৰি মহাকাব্য এটিৰ প্ৰাথমিক অৱস্থাত অৰ্থাৎ বিষয়বস্তুৰ প্ৰাৰম্ভিক সূচনাত মুখ সন্ধিৰ অৱস্থিতি অনুধাৱন কৰা যায়। কাৰণ মুখসন্ধিৰ কাৰ্যই হ'ল 'আৰম্ভ' নামৰ অৱস্থা আৰু বিষয়বস্তুৰ 'বীজ'ৰ উৎপত্তি প্ৰদৰ্শন কৰা। 'আৰম্ভ' নামৰ অৱস্থাটোৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে— *ভবেদাৰম্ভ ঔৎসুক্যং যন্ মুখ্যফলসিদ্ধয়ে* (সাহিত্য দৰ্পণ- ৬ষ্ঠ পৰিচ্ছেদ)। অৰ্থাৎ মুখ্যফলসিদ্ধিৰ বাবে নায়ক বা আন কাৰোবাৰ প্ৰৱল ইচ্ছাপ্ৰকাশৰ নামেই হ'ল আৰম্ভ। আনফালে 'বীজ' হ'ল ফলৰ প্ৰাথমিক কাৰণ যিটো অলপমান প্ৰকাশিত হৈ বিভিন্নধৰণে বিস্তৃতি লাভ কৰি সম্পূৰ্ণ ঘটনাৰ কেন্দ্ৰত ৰৈ যায়। সাহিত্যদৰ্পণত বীজৰ লক্ষণ প্ৰসঙ্গঁত কোৱা হৈছে—

*অল্পমাত্ৰং সমুদ্দিষ্টং বহুধা যদ্বিসৰ্পতি।*
*ফলস্য প্ৰথমো হেতুৰ্বীজং তদভিধীয়তে।।* (৬ষ্ঠ পৰিচ্ছেদ)

এই বীজ আৰু আৰম্ভৰ জৰিয়তে নাটকৰ দৰে মহাকাব্যতো মুখসন্ধিৰ উপস্থাপন কৰা হয় আৰু বিষয়বস্তু বৰ্ণনাৰ প্ৰাথমিক অৱস্থাতেই এই সন্ধিৰ সূচনা কৰা হয়। সেইফালৰ পৰা মহাকাব্যৰ প্ৰাথমিক সৰ্গবোৰৰ গুৰুত্ব যথেষ্ট পৰিমাণে থাকে।

মহাকবি কালিদাসৰ *ৰঘুবংশম্* মহাকাব্যৰ সূচনা কৰা হৈছে পাৰ্বতী-পৰমেশ্বৰক আৰধনা কৰা মাঙ্গলিক শ্লোকেৰে। বাক্য আৰু অৰ্থৰ পূজাৰী মহাকবিয়ে শব্দ আৰু অৰ্থৰ মাজত থকা নিত্য সম্বন্ধৰ নিচিনা সম্বন্ধযুক্ত জগতৰ পিতৃ-মাতৃ শিৱ-পাৰ্বতীক বন্দনা কৰি কৈছে—

*বাগৰ্থাবিব সম্পৃক্তৌ বাগৰ্থপ্ৰতিপত্তয়ে।*
*জগতঃ পিতৰৌ বন্দে পাৰ্বতীপৰমেশ্বৰৌ।।*

এই শ্লোকৰ মাজেৰে মহাকবিয়ে বাগৰ্থপ্ৰতিপত্তিৰূপ প্ৰয়োজনৰ কথা ব্যক্ত কৰিছে। বাক্য আৰু অৰ্থৰ জ্ঞানলাভৰ উদ্দেশ্য আগত লৈ মহাকবিয়ে বাক্য আৰু অৰ্থৰ দৰে নিত্যসম্বন্ধযুক্ত পাৰ্বতী আৰু পৰমেশ্বৰক বন্দনা কৰি কাব্য-ৰচনাত ব্ৰতী হৈছে। বাক্য আৰু অৰ্থৰ বিষয়ে জানিব খোজা মানুহে এই কাব্য অধ্যয়ন কৰিব পাৰিব। এইদৰে মহাকাব্যখনৰ প্ৰয়োজন আদিৰ বিষয়ে সূচনা দি মহাকবিয়ে বিষয়বস্তুৰ গভীৰতা প্ৰকাশ কৰি সেইবিষয়ে নিজৰ জ্ঞানৰ অগভীৰতাৰ বিষয়ে কৈ বিনয়ৰ প্ৰকাশ কৰিছে। স্বল্প বুদ্ধিৰ অধিকাৰী হৈ তেওঁ বিশাল এটি বিষয়বস্তুক উপস্থাপন কৰিব খুজিছে- এইটো প্ৰকৃততে দুষ্কৰ এটি কাৰ্য তথাপি কবিৰ খ্যাতি লাভ কৰাৰ আশা বুকুত

বান্ধি কালিদাসে উক্ত কাৰ্যত ব্ৰতী হৈছে। এইক্ষেত্ৰত তেওঁৰ সহায় হ'ল পূৰ্বসূৰী সকলে দৰ্শন কৰা মাৰ্গটো। পূৰ্বজসকলে নিৰ্মাণ কৰা বাটেৰে গৈ তেওঁ তেওঁৰ উদ্দেশ্য সিদ্ধিৰ বাবে অগ্ৰসৰ হ'ব বুলি মনত ভাবি এই মহাকাব্য ৰচনাত ব্ৰতী হৈছে। এনেদৰে বিশাল পাণ্ডিত্যৰ অধিকাৰী, অলোকসামান্য প্ৰতিভাধৰ মহাকবিয়ে নিজৰ জ্ঞানৰ সীমা উল্লেখ কৰি বাল্মীকি আদি পূৰ্বজসকলক যথাযোগ্য সন্মান প্ৰদৰ্শন কৰি কবিসুলভ বচনেৰে *ৰঘুবংশম্* মহাকাব্যৰ শুভাৰম্ভ কৰিছে। সূৰ্যবংশৰ বৰ্ণনা কৰিব গৈ মহাকাব্যৰ প্ৰথমসৰ্গত সন্তানহীন মহাৰাজ দিলীপৰ সন্তান প্ৰাপ্তিৰ আকুলতাকেই মহাকবিয়ে ফললাভৰ আৰম্ভ হিচাপে প্ৰকাশিত কৰিছে। তদুপৰি স্বৰ্গীয় ধেনু সুৰভিৰ কন্যা নন্দিনীৰ সেৱাতেই সন্তান প্ৰাপ্তিৰ সম্ভাৱনা ব্যক্ত কৰি মহাকবিয়ে বিষয়বস্তুৰ বীজৰ ইঙ্গিতো প্ৰদান কৰিছে মহাকাব্যখনৰ প্ৰথম সৰ্গত। এনেদৰে দেখা যায় যে— মহাকাব্য *ৰঘুবংশম্*-ত কালিদাসে মুখসন্ধিৰ সাৰ্থক উপস্থাপন কৰিছে। ইয়াৰ পিছত বিষয়বস্তু নিজৰ গতিত আগবাঢ়ি গৈছে কবিৰ লেখনীৰ মাজেদি।

অলঙ্কাৰ আদি প্ৰয়োগৰ ক্ষেত্ৰতো মহাকবিয়ে *ৰঘুবংশম্* ৰ প্ৰথম আৰু দ্বিতীয়সৰ্গত সফলতা প্ৰদৰ্শন কৰিছে। *উপমা কালিদাসস্য* বুলি বহু ব্যৱহৃত সত্যাৰ্থপ্ৰদায়ী বাক্যটিৰ যাথাৰ্থ এই দুটা সৰ্গৰ ভিত্তিতো প্ৰমাণিত হয়। মহাকাব্যখনৰ প্ৰথমসৰ্গৰ প্ৰথম শ্লোকটিতেই মহাকবিয়ে সাৰ্থক উপমাৰ প্ৰয়োগ কৰিছে। পাৰ্বতী পৰমেশ্বৰৰ সম্বন্ধৰ প্ৰতিমূৰ্ত্তি হিচাপে ব্যৱহৃত জগৎজননী আৰু জগৎপিতাৰ প্ৰতিচ্ছবিক উপস্থাপন কৰা হ'ল শব্দাৰ্থৰ মাজত থকা নিত্যসম্বন্ধৰ ভিত্তিত। এনেকুৱা অতুলনীয় উপমাৰ সৃষ্টি যেন কেৱল মহাকবি কালিদাসৰ বাবেহে সম্ভৱ। মন্দবুদ্ধি কবিয়ে যেতিয়া বিশাল *ৰঘুবংশম্* ৰ বৰ্ণনা দিব গৈছে তেতিয়া এই খাপ নোখোৱা বিষয়দুটাৰ মাজৰ ব্যৱধান বুজাবলৈ মহাকবিয়ে ভেলেৰে সমুদ্ৰপাৰ হোৱাৰ নিচিনা দুষ্কৰ প্ৰচেষ্টাৰ উপমা আনিছে। ইয়াত নিদৰ্শন অলঙ্কাৰৰ ব্যৱহাৰ হৈছে। অল্পজ্ঞানী কবিৰ ক্ষেত্ৰত যশলাভৰ আকাঙ্খাৰ লগত তুলনা দিয়া হৈছে- বাওনাৰ চন্দ্ৰস্পৰ্শ কৰাৰ ইচ্ছাৰ নিচিনা অবাস্তৱ পৰিকল্পনাৰ। কেৱল সাৰ্থক উপমাৰ ক্ষেত্ৰতেই নহয় উপমাগৰ্ভ আন আন অলঙ্কাৰৰ প্ৰয়োগৰ ক্ষেত্ৰতো মহাকবিয়ে *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম সৰ্গত পাৰদৰ্শিতাৰ প্ৰমাণ দিছে। উৎপ্ৰেক্ষা অলঙ্কাৰৰ সাৰ্থক প্ৰয়োগৰ এটি উদাহৰণ হ'ল—

*জ্ঞানে মৌনং ক্ষমা শক্তৌ ত্যাগে শ্লাঘাবিপৰ্যয়ঃ*
*গুণা গুণানুবন্ধিত্বাৎ তস্য সপ্ৰসবা ইব।।* (১ম স. শ্লো. স. ২২)

একেদৰে অৰ্থান্তৰন্যাস অলংকাৰৰ উপযুক্ত ব্যৱহাৰেৰে মহাকবি কালিদাসে এই সৰ্গটোত বহুতো অমোঘ বাণীৰ উপস্থাপন কৰিছে। এই অলঙ্কাৰৰ এটি উদাহৰণ তলত দিয়া হ'ল-

*ঈপ্সিতং তদবজ্ঞানদ্ বিদ্ধি সাৰ্গলমাত্মণঃ।*
*প্ৰতিবধ্লাতি হি শ্ৰেয়ঃ পূজ্যপূজাব্যতিক্ৰমঃ।।* (১ম স. শ্লো. স.- ৭৯)

*ৰঘুবংশম্* -ৰ দ্বিতীয়সৰ্গতো মহাকবিয়ে বিভিন্ন অলঙ্কাৰৰ সুষম আৰু যথাৰ্থপ্ৰয়োগ কৰিছে। অৰ্থান্তৰন্যাসৰ উদাহৰণ হিচাপে কব পৰা যায় নিম্নোলিখিত শ্লোকটোৰ কথা—
*ক্ষতাৎ কিল ত্ৰায়ত ইত্যুদগ্ৰঃ ক্ষত্ৰস্য শব্দো ভুবণেষু ৰূঢ়ঃ। ৰাজ্যেন কিং তদ্‌বিপৰীতবৃত্তেঃ প্ৰাণেৰুপক্ৰোশমলীমসৈৰ্বা।। (২য় স. শ্লো. স. ৫৩)। চিত্ৰাৰ্পিতাৰম্ভ ইবাবতস্থে (২য় স. শ্লো. স. ৩১), সুৰদ্বিষশ্চান্দ্ৰমসী সুধেৱ (২য় স. শ্লো.স. ৩৯)* আদি প্ৰয়োগসমূহতো মহাকবিৰ অলঙ্কাৰ প্ৰিয়তাৰ আভাস পোৱা যায়।।

মহাকবি কালিদাস বৈদৰ্ভীৰীতিৰ কবি। তদুপৰি তেওঁৰ ৰচনা চাতুৰ্যত বৈদৰ্ভীৰীতিও নতুনৰূপত প্ৰকাশিত হৈছিল। সেইকাৰণে মহাকবিৰ প্ৰকাশভঙ্গীৰ সাৱলীলতা তথা শব্দাৰ্থৰ অনুপম সংযোগৰ বিষয়ে লক্ষ্য কৰি আচাৰ্য দণ্ডীয়ে কৈছিল যে মহাকবি কালিদাসে বৈদৰ্ভী ৰীতিকো পৰিশুদ্ধ কৰি তুলিব পাৰিছে।

*লিপ্তা মধুদ্ৰৱেণাসন্ যস্য নিৰ্বিষয়া গিৰঃ।*
*তেনেদং বৰ্ত্ম বৈদভং কালিদাসেণ শোধিতম্।।*

সৰল অথচ সবল ভাষাৰ প্ৰয়োগ তথা অনুপম বৰ্ণনমাধুৰী হ'ল মহাকবি কালিদাসৰ ৰচনাৰ এটি অভিজাত বৈশিষ্ট্য। দীৰ্ঘ সমাসবহুল বাক্য পৰিহাৰ কৰি সংক্ষিপ্ত অথচ সাৰগৰ্ভ বাক্যেৰে নিজৰ বাগ্মীতা প্ৰকাশ কৰিব পৰা শক্তিৰ অধিকাৰী আছিল মহাকবি। সেইকাৰণে আজিও তেওঁ আন কবিসকলৰ দ্বাৰা অনুকৰণীয় হৈ আছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) ৰঘুবংশম্ মহাকাব্যৰ প্ৰথম সৰ্গৰ বিষয়ে এটি সাহিত্যিক সমীক্ষা আগবঢ়াওক (৪০ টা শব্দৰ ভিতৰত)।

.................................................................
.................................................................
.................................................................

(২) ৰঘুবংশম্ মহাকাব্যৰ প্ৰথমশ্লোকটোৰ গুৰুত্বৰ বিষয়ে এটি টোকা লিখক (৪০ টা শব্দৰ ভিতৰত)।

.................................................................
.................................................................
.................................................................

## ৩.৭ সাৰাংশ (Summing Up)

*ৰঘুবংশম্* কাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গ শীৰ্ষক অধ্যায়টিৰ পৰা ঊনৈশটা সৰ্গ বিশিষ্ট এই মহাকাব্যখনৰ প্ৰথম দুটা সৰ্গৰ বিষয়বস্তুৰ সম্বন্ধে বিস্তৃত ধাৰণা এটি হ'ল। এই অধ্যায়টিত আলোচনা কৰা হৈছে যে *ৰঘুবংশম্* মহাকাব্যত ইক্ষ্বাকুবংশীয় ৰজা ৰঘুৰ জন্মৰ পূৰ্বৰ ঘটনাবোৰ সন্নিবিষ্ট কৰি পাতনি হিচাপে উক্ত সৰ্গ দুটাৰ অৱতাৰণা কৰা হৈছে। কাব্যৰ আৰম্ভণিতে মহাকবিয়ে যথাৰীতি জগৎপিতা আৰু জগৎ জননী পাৰ্বতীৰ বন্দনা কৰিছে আৰু নিজৰ স্বভাৱসুলভ বিষয় ভাৱেৰে পূৰ্বজসকলৰ প্ৰতি যথাযোগ্য সন্মান জনাই তথা বিষয়বস্তুৰ ব্যাপকতাৰ কথা জ্ঞাপন কৰি মূল গ্ৰন্থ চয়নত প্ৰৱেশ কৰিছে। *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথমসৰ্গত বৈবস্বতমনুৰ পৰা অহা মহাৰাজ দিলীপৰ চৰিত্ৰবৰ্ণনা, তেওঁৰ ৰাজোচিত গুণাৱলী তথা কাৰ্যসিদ্ধি প্ৰক্ৰিয়া আদিৰ বৰ্ণনা দিয়া হৈছে। তাৰ পিছত ৰাণী সুদক্ষিণাৰ কথা কৈ মহাকবিয়ে এই সৰ্গত বশিষ্ঠাশ্ৰমলৈ মহাৰাজ দিলীপ আৰু সুদক্ষিণাৰ যাত্ৰাৰ বৰ্ণনা দিছে। আশ্ৰমলৈ যোৱাৰ বাটত প্ৰাকৃতিক সৌন্দৰ্য্যৰ মনোমোহা ৰূপ অৱলোকন কৰি ৰজা আৰু ৰাণী উভয়েই মুগ্ধ হৈছে। বশিষ্ঠাশ্ৰম পোৱাৰ পিছত মহাৰাজ দিলীপ আৰু মুনি বশিষ্ঠৰ কথোপকথনৰ বৰ্ণনা পোৱা যায় মহাকবিৰ লেখনীত। মুনিৰ আগত মহাৰাজে নিজৰ সন্তানহীনতাৰ কথা ব্যক্ত কৰাত বশিষ্ঠই ধ্যানযোগে এই অপুত্ৰকতাৰ কাৰণৰ বিষয়ে জানি স্বৰ্গীয় গাই সুৰভিৰ কন্যা নন্দিনীক সেৱা কৰিবৰ বাবে মহাৰাজ দিলীপ

আৰু সুদক্ষিণাক উপদেশ দিলে। মহাকাব্যখনৰ দ্বিতীয় সৰ্গত নন্দিনীৰ প্ৰতি আগবঢ়োৱা দিলীপ আৰু সুদক্ষিণাৰ সেৱাৰ বিষয়ে বিস্তৃত বৰ্ণনা দিয়া হৈছে। ঋষি বশিষ্ঠৰ উপদেশ শিৰোধাৰ্য কৰি মহাৰাজ দিলীপে পত্নী সুদক্ষিণাৰ সৈতে তপোবনত থাকি নন্দিনীক সেৱা কৰিব ধৰিলে। নন্দিনীৰ গতি অনুসৰি হে ৰজা আৰু ৰাণীৰ জীৱন অতিবাহিত হ'ব ধৰিলে। এনেদৰে দিনবোৰ অতিবাহিত হৈ থাকিল। দিলীপৰ কৰ্মভক্তিৰ পৰীক্ষা ল'বলৈ নন্দিনীয়ে মায়াসিংহৰ অৱতাৰণা কৰিলে কিন্তু মহাৰাজ দিলীপে নিজৰ বীৰত্ব তথা আত্মত্যাগৰ ইচ্ছাৰে সেই পৰীক্ষাতো সফলতাৰ সৈতে উত্তীৰ্ণ হ'ল। এনেদৰে মহাৰাজ দিলীপ আৰু সুদক্ষিণাৰ পৰা আকুণ্ঠ সেৱা লাভ কৰি নন্দিনীয়ে মহাৰাজক পুত্ৰলাভৰ বৰ দান কৰিলে। অভীষ্ট সিদ্ধিৰ বৰ লাভ কৰি আনন্দমনেৰে বশিষ্ঠৰ পৰা বিদায় লৈ ৰজা আৰু ৰাণীয়ে ৰাজধানীলৈ উভতি গল আৰু যথাসময়ত পৃথিবীৰ ৰক্ষাকৰ্ত্তাৰূপী পুত্ৰ ৰঘুক সুদক্ষিণাই গৰ্ভত ধাৰণ কৰিলে।

এই অধ্যায়টোত *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গত প্ৰতিফলিত হোৱা মহাৰাজ দিলীপ, ৰাণী সুদক্ষিণা, মুনি বশিষ্ঠ আৰু নন্দিনীৰ চৰিত্ৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। এই চৰিত্ৰবোৰে মহাকবি কালিদাসৰ চৰিত্ৰ চিত্ৰণৰ কাৰুকাৰ্য তথা কাব্যনৈপুন্যৰ বিষয়ে সদৰি কৰিছে।

মহাকবি কালিদাস প্ৰকৃততে প্ৰকৃতিৰ কবি। তেওঁৰ সকলো ৰচনাৰ মূল আধাৰৰূপে থাকে প্ৰাকৃতিক উপাদান। *ৰঘুবংশম্* মহাকাব্যতো মহাকবিৰ প্ৰকৃতিবৰ্ণনা অনুপম আৰু হৃদয়গ্ৰাহী। এই মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গতো মহাকবিৰ লেখনীয়ে প্ৰকৃতিক জীৱন্ত ৰূপত প্ৰকাশিত কৰিছে। গছ, লতা-পাত, হৰিণ, ময়ুৰ আদি প্ৰাণীবোৰে কবিৰ কল্পনা স্পৰ্শত যেন মানবীয় গুণেৰে পৰিপূৰ্ণ হৈ উঠিছে। প্ৰকৃতি আৰু মানুহৰ মাজৰ নিবিড় সম্পৰ্কৰ প্ৰতিচ্ছবি ফুটি উঠিছে শ্লোকবোৰৰ মাজেদি।

এই অধ্যায়টিত উক্ত সৰ্গ দুটাৰ ভিত্তিত মহাকাব্যখনৰ এটি সাহিত্যিক সমীক্ষাও আগবঢ়োৱা হৈছে। কবিৰ কল্পনা, উপস্থাপনপদ্ধতি, ভাষাশৈলী, বৰ্ণনাৰীতি, অলংকাৰ আদিৰ প্ৰয়োগ প্ৰক্ৰিয়া ইত্যাদি বিষয়ক লৈ আলোচনা কৰা হৈছে। এই আলোচনাৰ পৰা দেখা যায় যে মহাকবি কালিদাসৰ কল্পনা শক্তি কিমান গভীৰ, অন্তদৃষ্টি কিমান প্ৰখৰ আৰু কবিত্ব প্ৰতিভা কিমান শক্তিশালী। তেওঁৰ এই বাক্যচাতুৰ্যই কেতিয়াও ৰস আস্বাদনত বাধাৰ সৃষ্টি কৰা নাই বৰঞ্চ ৰসক পূৰ্ণতাহে দান কৰিবলৈ সক্ষম হৈছে।

## ৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) *ৰঘুবংশম্* মহাকাব্যৰ প্ৰথম সৰ্গত থকা মহাৰাজ দিলীপৰ বশিষ্ঠাশ্ৰম যাত্ৰাৰ বিষয়ে বৰ্ণনা দিয়ক।

(২) মহাৰাজ দিলীপৰ সন্তানহীনতাৰ কাৰণ কি আছিল ? কেনেকৈ তেওঁ এই দুখৰ পৰা মুক্তি পাইছিল আলোচনা কৰক।

(৩) মহাৰাজ দিলীপে সুদক্ষিণাৰ সৈতে নন্দিনীৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বিষয়ে বৰ্ণনা দিয়ক।

(৪) মহাৰাজ দিলীপ মায়াসিংহৰ কথোপকথনৰ বিষয়ে লিখক আৰু এই কথোপকথনৰ পৰা দিলীপৰ চৰিত্ৰৰ কোনটো দিশ প্ৰতিফলিত হৈছে সেই বিষয়েও আলোচনা কৰক।

(৫) ৰাণী সুদক্ষিণাৰ চৰিত্ৰত প্ৰতিফলিত গুণসমূহৰ বিষয়ে এটি টোকা আগবঢ়াওক।

(৬) মহাকবি কালিদাসৰ প্ৰকৃতিবৰ্ণনা প্ৰথম আৰু দ্বিতীয় সৰ্গৰ আধাৰত আলোচনা কৰক।

(৭) সাহিত্যিক দৃষ্টিভঙ্গীত ‘ৰঘুবংশম্’ মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ গুৰুত্বৰ বিষয়ে লিখক।

(৮) মহাকবি কালিদাসৰ ৰচনাৰীতিৰ বিষয়ে চমুকৈ আলোচনা কৰক।

## ৩.৯ প্ৰসঙ্গ গ্ৰন্থ (Reference/Suggested Readings)


বিশ্বনাথ কবিৰাজ ঃ *সাহিত্যদৰ্পণ*

সংস্কৃত সাহিত্য সম্ভাৰ ঃ *ৰঘুবংশম্*

সুধেচণ্ড্ৰজ্ঞন্দু মোহন ভদ্ৰ ঃ *ৰঘুবংশম্*

অশোক কুমাৰ বন্দ্যোপাধ্যায় ঃ *ৰঘুবংশম্*

হৰমোহন দেৱ গোস্বামী ঃ *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*

থানেশ্বৰ শৰ্মা ঃ *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*

মালিনী গোস্বামী ঃ *ৰঘুৰপি কাব্যম্*


* * *

## দ্বিতীয় খণ্ড

# কালিদাসৰ অভিজ্ঞানশকুন্তলম্

এই কাকতখনৰ প্ৰথম খণ্ডটিত সংস্কৃত সাহিত্যৰ এখনি মহৎ কাব্য কালিদাসৰ 'ৰঘুবংশম্' কাব্যখনিৰ বিষয়ে পৰ্যালোচনা কৰি অহা হৈছে। আলোচনাৰ প্ৰসংগত সংস্কৃত কাব্যসাহিত্যৰ এটি সাধাৰণ আভাসো অন্তৰ্ভুক্ত কৰা হৈছে। এই খণ্ডটিত কালিদাসৰ এখন কালজয়ী নাটক 'অভিজ্ঞানশকুন্তলম্'ৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব। এই খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰি আলোচনা কৰা হৈছে -

**প্ৰথম বিভাগ ঃ সংস্কৃত নাট্যসাহিত্য আৰু কালিদাস**

**দ্বিতীয় বিভাগ ঃ অভিজ্ঞানশকুন্তলম্ৰ সাধাৰণ পৰিচয়**

**তৃতীয় বিভাগ ঃ অভিজ্ঞানশকুন্তলম্ৰ পাঠগত পৰ্যালোচনা**

প্ৰথম বিভাগটিত সংস্কৃত নাটকৰ উৎপত্তি সম্পৰ্কে থকা মতবাদসমূহৰ লগতে সংস্কৃত নাটকৰ বৈশিষ্ট্যসমূহ পৰ্যালোচনা কৰা হৈছে। কালিদাসৰ নাট্যকৃতিৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে সংস্কৃত নাট্যসাহিত্যত কালিদাসৰ স্থান সম্পৰ্কেও এই বিভাগটিত বিশ্লেষণ কৰা হৈছে।

দ্বিতীয় বিভাগটিৰ বিষয়বস্তু হ'ল অভিজ্ঞানশকুন্তলম্ নাটখনিৰ সাধাৰণ পৰিচয়। নাটখনিৰ নাটকীয় কথাবস্তু , মূল আৰু নাট্যকাৰৰ মৌলিকতা, নাট্যৰীতি আৰু সংস্কৃত নাট্যসাহিত্যত নাটখনৰ স্থান সম্পৰ্কে এই বিভাগটিত আলোচনা কৰা হৈছে।

তৃতীয় বিভাগৰ আলোচনাত নাটখনৰ পাঠগত পৰ্যালোচনাই স্থান পাইছে। ইয়াত অংক অনুসৰি নাটখনৰ সাৰাংশ, চৰিত্ৰ-চিত্ৰণ, নাটখনত প্ৰয়োগ হোৱা ৰস, ছন্দ, অলংকাৰ; নাটকীয় সন্ধি আদি দিশসমূহ বিশ্লেষণ কৰাৰ লগতে নাটখনৰ বৈশিষ্ট্যপূৰ্ণ চতুৰ্থ অংকটোৰ বৈশিষ্ট্য সামৰি লোৱা হৈছে।

## প্ৰথম বিভাগ
## সংস্কৃত নাট্যসাহিত্য আৰু কালিদাস

**বিভাগৰ গঠন**


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ সংস্কৃত নাট্য সাহিত্য
১.৪ সংস্কৃত নাট্য সাহিত্যৰ বৈশিষ্ট্য
১.৫ কালিদাসৰ নাটক
১.৬ কালিদাসৰ নাটকৰ বৈশিষ্ট্য
১.৭ সংস্কৃত নাট্যসাহিত্যত কালিদাসৰ স্থান
১.৮ সাৰাংশ (Summing Up)
১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ১.১ ভূমিকা (Introduction)

বৈদিক সাহিত্যৰ পিছতে আৰম্ভ হোৱা মহাকাব্য যুগৰ শেষৰ ফালে সংস্কৃত নাট্য সাহিত্যৰ এটা ধাৰাবাহিক ইতিহাস পোৱা যায়। সংস্কৃত নাটকৰ ক্ষেত্ৰত প্ৰচলিত হৈ থকা প্ৰখ্যাত উক্তিটো হৈছে- 'কাব্যেষু নাটকং ৰম্যম্'। অৰ্থাৎ কাব্যসমূহৰ ভিতৰত নাটক হ'ল ৰমণীয় (আকৰ্ষক)। সংস্কৃত ভাষাত প্ৰচলিত সমগ্ৰ সাহিত্যৰ ভিতৰত 'নাটক'ক অতি জনপ্ৰিয়, আনন্দদায়ক পৰিৱেশ্যকলা বুলি অভিহিত কৰা হৈছে। সংস্কৃত নাট্য সাহিত্য এককভাৱে সম্পূৰ্ণৰূপে গদ্য বা পদ্যত ৰচনা কৰা হোৱা নাই। গদ্য আৰু পদ্য উভয় ধাৰাৰে এই নাটক সমূহ ৰচনা কৰা হৈছে। সংস্কৃত নাট্যসাহিত্য জনপ্ৰিয় হোৱাৰ মূলতে হৈছে ইয়াৰ বৰ্ণনা ৰীতি, মানৱীয় চৰিত্ৰৰ উপস্থাপন, সৰ্বসাধাৰণে বুজিব পৰা ভাষাৰ প্ৰয়োগ আদি। ভাৰতীয় পৰম্পৰাই সংস্কৃত নাটকৰ উৎপত্তি স্বৰ্গীয় বুলি ক'ব খোজে। এইমত অনুসৰি সৃষ্টিকৰ্তা ব্ৰহ্মাই ঋগবেদৰ পৰা নাটকৰ বিষয়বস্তু, সামবেদৰ পৰা সংগীত, যজুৰ্বেদৰ পৰা কাৰ্য্য তথা অঙ্গী-ভঙ্গী আৰু অথৰ্ববেদৰ পৰা ৰস সংগ্ৰহ কৰি নাটকৰ সৃষ্টি কৰিছিল। সেইকাৰণে, এনেদৰে সৃষ্টি হোৱা নাট্যসাহিত্যক 'পঞ্চম বেদ' বুলি কোৱা হৈছে। শিৱ আৰু পাৰ্বতীয়েও নাট্যবেদৰ নৃত্যত অৰিহণা যোগাইছিল। শিৱই তাণ্ডৱ নৃত্য আৰু পাৰ্বতীয়ে লাস্য নৃত্যৰ জৰিয়তে নাটকত অংশ গ্ৰহণ কৰিছিল। পৃথিৱীত ভৰত মুনিয়ে এই নাটকৰ সূচনা কৰে আৰু অলপ দিনৰ ভিতৰতে ই অতি জনপ্ৰিয় হৈ পৰে। নাটকৰ উদ্দেশ্য হিচাপে ভৰত মুনিয়ে এনেদৰে কৈছে যে, এই পৃথিৱীত নাটকে দুঃখিত, ক্লান্ত, শোকাভিভূত আৰু অসহায় মানুহক সুখ-শান্তি প্ৰদান কৰিব-

*"দুঃখাৰ্তানাং শ্ৰমাৰ্তানাং শোকাৰ্তানাং তপস্বিনাম্।*
*বিশ্ৰামজননং লোকে নাট্যমেতদ্ ভৱিষ্যতি।।"*

নাট্যশাস্ত্ৰত ৰজা নহুচক নাটকৰ প্ৰথম পৃষ্ঠপোষক বুলি কোৱা হয়। ভাৰতীয় পৰম্পৰাই সংস্কৃত নাটকৰ উৎপত্তি স্বৰ্গীয় উৎপত্তি বুলি ভাবিলেও পাশ্চাত্য পণ্ডিত সকলৰ মতে গ্ৰীক নাটকৰ প্ৰভাৱত সংস্কৃত নাটকৰ উৎপত্তি হৈছে। গতিকে সংস্কৃত সাহিত্যৰ উৎপত্তিৰ বিষয়ে বিভিন্ন ধৰণৰ মতভেদ দেখিবলৈ পোৱা যায়। নাটকসমূহৰ প্ৰধান বৈশিষ্ট্য হৈছে, এইবোৰৰ অপূৰ্ব নিৰ্মাণ কৌশল, অনুপম চৰিত্ৰ সৃষ্টি আৰু ৰসৰ ব্যৱহাৰ। নাটকসমূহ আৰম্ভ হয় 'নান্দী'

অৰ্থাৎ  স্তুতিবাক্যেৰে আৰু সমাপ্ত হয় ‘ভৰত বাক্য’ অৰ্থাৎ সামৰণি প্ৰাৰ্থনাৰে। নাটকবোৰৰ বিষয়বস্তু হ’ল  কাহিনীমূলক, উপাখ্যানমূলক, বুৰঞ্জীমূলক অথবা কল্পনাপ্ৰসূত। সংস্কৃত নাটকৰ অন্যতম বৈশিষ্ট্য হৈছে এয়ে যে, নাটকসমূহ মিলনান্তক, বিয়োগান্তক নহয়।

সংস্কৃত নাট্যসাহিত্য ভাস, মহাকবি কালিদাস, ভৱভূতি, শূদ্ৰক, বিশাখদত্ত, শ্ৰীহৰ্ষ আদি নাট্যকাৰ সকলৰ নাট্যৰাজিৰে সমৃদ্ধ। এই নাট্যকাৰ সকলৰ ভিতৰত মহাকবি কালিদাসে সমগ্ৰ বিশ্বৰ সাহিত্য ক্ষেত্ৰতেই  এখন উচ্চ আসন লাভ কৰি আহিছে। নাট্যসাহিত্য সৃষ্টিত অদ্বিতীয় কালিদাসৰ ব্যক্তিগত জীৱন আজিও জনশ্ৰুতিতেই আছে। তেওঁৰ জন্ম অথবা জন্ম স্থান সম্পৰ্কে আজিও এটা সঠিক সিদ্ধান্তত উপনীত হ’ব পৰা নাই। কালিদাসৰ দ্বাৰা ৰচিত সাহিত্যৰাজি হৈছে-  ৰঘুবংশম্ আৰু কুমাৰসম্ভৱম্ নামৰ দুখন মহাকাব্য; মেঘদূতম্ আৰু ঋতুসংহাৰম্ নামৰ দুখন খণ্ডকাব্য; আৰু বিক্ৰমোৰ্বশীয়ম্, মালৱিকাগ্নিমিত্ৰম্ আৰু অভিজ্ঞানশকুন্তলম্ নামৰ তিনিখন নাটক। ‘শ্ৰুতবোধ’ নামৰ আন এখন গ্ৰন্থও কালিদাসৰ দ্বাৰা ৰচিত বুলি অনুমান কৰা হয়। ‘ৰঘুবংশম্’ নামৰ মহাকাব্যখনত ৰজা ৰঘুকে আদি কৰি শ্ৰীৰামচন্দ্ৰৰ পূৰ্ববৰ্তী ৰজা সকলৰ বিষয়ে বৰ্ণনা কৰা হৈছে। শিৱ-পাৰ্বতীৰ পুত্ৰ কুমাৰ কাৰ্তিকৰ জন্ম কাহিনীয়েই ‘কুমাৰসম্ভৱম্’ নামৰ মহাকাব্যখনৰ মূল বিষয়বস্তু। ‘মালবিকাগ্নিমিত্ৰম্’ নামৰ নাটকখনৰ বিষয়বস্তু হৈছে ৰাজকুমাৰ অগ্নিমিত্ৰ আৰু ৰাজকুমাৰী মালৱিকাৰ প্ৰণয় কাহিনী। মৰ্ত্ত্যৰ ৰজা পুৰুৰবাৰ লগত স্বৰ্গৰ অপ্সৰা উৰ্বশীৰ প্ৰণয় কাহিনীয়েই হৈছে ‘বিক্ৰমোৰ্বশীয়ম্’ নামৰ নাটকখনৰ মূল বিষয়বস্তু। আনহাতে ‘অভিজ্ঞানশাকুন্তলম্’ নাটকখনৰ মূল বিষয়বস্তু হৈছে ৰজা দুষ্যন্ত আৰু আশ্ৰমৰ পালিতা কন্যা শকুন্তলাৰ অমৰ প্ৰেম।

এই বিভাগটোত সংস্কৃত নাট্যসাহিত্য আৰু কালিদাস সম্বন্ধে আলোচনা কৰা হৈছে। সংস্কৃত নাট্যসাহিত্যৰ উৎপত্তি আৰু ইয়াৰ ক্ৰমবিকাশৰ ধাৰা সম্বন্ধে ইয়াত আলোচনা কৰাৰ লগতে সংস্কৃত নাটকৰ উৎপত্তিৰ লগত জড়িত মতবাদ সমূহো আলোচনা কৰা হৈছে। সংস্কৃত নাটকসমূহৰ এক সুকীয়া বৈশিষ্ট্য আছে আৰু এই বৈশিষ্ট্যসমূহ ইয়াত উপস্থাপন কৰা হৈছে। সংস্কৃত নাট্য সাহিত্যত কালিদাসে বিশেষ স্থান অধিকাৰ কৰি আহিছে। কালিদাসে ৰচনা কৰা নাটক আৰু এইবোৰৰ বৈশিষ্ট্যসমূহো এই বিভাগটোত সামৰা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

সংস্কৃত নাট্যসাহিত্য আৰু কালিদাসৰ বিষয়ে আলোচনা কৰা এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- সংস্কৃত নাট্যসাহিত্য সম্পৰ্কে জানিব পাৰিব,
- সংস্কৃত নাট্যসাহিত্যৰ উপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে অবগত হ’ব পাৰিব,
- সংস্কৃত নাটকৰ বৈশিষ্ট্যৰ বিষয়ে ধাৰণা লাভ কৰিব,
- কালিদাসৰ নাট্যসাহিত্যৰ বিষয়ে জ্ঞাত হ’ব,
- কালিদাসৰ নাটকৰ বৈশিষ্ট্য সম্বন্ধে জানিব পাৰিব,
- সংস্কৃত নাট্যসাহিত্যত কালিদাসে লাভ কৰা গুৰুত্বপূৰ্ণ স্থানৰ বিষয়েও অৱগত হ’ব পাৰিব।

## ১.৩ সংস্কৃত নাট্য সাহিত্য

সংস্কৃত নাট্য সাহিত্যই ভাৰতীয় সাহিত্যত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। এই নাট্য সাহিত্যৰ উৎপত্তি তথা প্ৰাচীনতা সম্বন্ধে প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন পণ্ডিতে বহুতো

মতবাদ আগবঢ়াইছে। ইয়াৰে কিছুমান মতবাদ সম্পূৰ্ণ ধৰ্মীয় কিছুমান আকৌ ধৰ্ম নিৰপেক্ষ। (ভাৰতীয় সংস্কৃত নাটকৰ উৎপত্তি অৱশ্যে স্বৰ্গীয় বুলি কব খোজে পৰম্পৰাই তাৰে কিছুমান ধৰ্মীয় মতবাদ আৰু কিছুমান ধৰ্ম নিৰপেক্ষ। সংস্কৃত নাটক সম্পূৰ্ণৰূপে গদ্য অথবা সম্পূৰ্ণৰূপে পদ্যত ৰচনা কৰা হোৱা নাই। এই নাটক ৰচনা কৰা হৈছে গদ্য আৰু পদ্য উভয় ৰূপত। এতিয়ালৈকে উপলব্ধ সংস্কৃত নাটকৰ কাহিনীবোৰ বিশ্লেষণ কৰিলে কিছুমান নতুন কথা চকুত পৰে। অৰ্থাৎ সংস্কৃত নাটকত মহাকাব্যসমূহত পোৱা ধৰণে অতি মানৱীয় অথবা অমঙ্গলীয়া দৈত্য দানৱৰ কাহিনী পোৱা নাযায়। মানৱীয় চৰিত্ৰ আৰু আনুষঙ্গিক অৱস্থাৰ চিত্ৰণ এই নাটকসমূহত পোৱা যায়। ইয়াৰ উপৰিও নাৰী আৰু নিম্নখাপৰ চৰিত্ৰ সমূহৰ মুখত সংস্কৃত ভাষাৰ পৰিবৰ্তে প্ৰাকৃত ভাষাৰ প্ৰয়োগ দেখা যায়। ভৰতমুনিৰ দ্বাৰা প্ৰণীত 'নাট্যশাস্ত্ৰ' ই হ'ল সংস্কৃত সাহিত্যৰ প্ৰথম নাটক সম্বন্ধীয় গ্ৰন্থ। এইখন গ্ৰন্থত নাটক নিৰ্মাণৰ নিয়ম প্ৰণালী, কলা-কৌশল আদিৰ বিশদ বিৱৰণ পোৱা যায়। আনহাতে অষ্টাধ্যায়ী, ৰামায়ণ, অৰ্থ-শাস্ত্ৰ, বৌদ্ধজাতক আদি গ্ৰন্থত নাট্যকলাৰ বিভিন্ন অঙ্গ সন্নিবিষ্ট থকা দেখিবলৈ পোৱা যায়। অৰ্থশাস্ত্ৰত কিছুমান লোকে গান-বাজনা আৰু নাটক প্ৰদৰ্শন কৰি জীৱিকা নিৰ্বাহ কৰাৰ কথা উল্লেখ আছে। মহাভাষ্য গ্ৰন্থত 'কংসবধ' আৰু 'বালিবধ' নামৰ দুখন নাটকৰ নাম পোৱা যায়।

সংস্কৃত নাটকৰ উৎপত্তি সন্দৰ্ভত প্ৰাচ্য আৰু পাশ্চাত্যৰ পণ্ডিতসকলে যি মতবাদ আগবঢ়াইছে তাৰে কিছুমান তলত আলোচনা কৰা হ'ল।

**১) পৰম্পৰাগত মতবাদ ঃ**

ভাৰতীয় পৰম্পৰাই সংস্কৃত নাটকৰ উৎপত্তি স্বৰ্গীয় বুলি ক'ব খোজে। পৰম্পৰা মতে এইটো বিশ্বাস কৰা হয় যে এসময়ত দেৱতাসকলে নিজৰ বিনোদনৰ বাবে সৃষ্টিকৰ্ত্তা ব্ৰহ্মাক কিবা এটা উপায় উদ্ভাৱন কৰিবলৈ অনুৰোধ কৰে। ব্ৰহ্মাই তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰি ঋগ্‌বেদৰপৰা কথা, সামবেদৰপৰা সঙ্গীত, যজুৰ্বেদৰ পৰা অভিনয় আৰু অথৰ্ৱবেদৰ পৰা ৰস গ্ৰহণ কৰি পঞ্চমবেদ নাট্যকাব্য ৰচনা কৰে। কোৱা হৈছে-

*জগ্ৰাহ পাঠ্যং ঋগ্‌বেদাৎ সামেভ্য গীতমেৱ চ।*
*যজুৰ্বেদাদভিনয়ং ৰসানথৰ্ৱনাদ্ অপি।।* (*নাট্যশাস্ত্ৰ* ১/১৭)

ব্ৰহ্মাৰ এই কাৰ্যত দেৱ-দেৱীসকলে বিভিন্ন ধৰণেৰে সহায় কৰে। শিৱই তাণ্ডৱ নৃত্য আৰু পাৰ্ৱতীয়ে লাস্য নৃত্য আগবঢ়ায়। বিষ্ণুৱে কৈশিকী, সাত্বতী, আৰভটী আৰু ভাৰতী নামেৰে চাৰিটা নাটকীয় কৌশল আগবঢ়ায়। বিশ্বকৰ্মাই ৰঙ্গমঞ্চ সাজি উলিয়াই। ব্ৰহ্মাই ৰচনা কৰা 'অসুৰ পৰাজয়', 'অমৃত-মন্থন' আৰু 'ত্ৰিপুৰা-দাহ' নাটকসমূহ প্ৰথমে এই মঞ্চত অভিনয় কৰা হয়। অপ্‌সৰা আৰু গন্ধৰ্ব সকলে এই অভিনয়ত অংশ গ্ৰহণ কৰে।

ভৰতমুনিয়ে পৃথিৱীত প্ৰথমে এই নাটকৰ সূচনা কৰে। অৱশ্যে পৰম্পৰা অনুসৰি কোৱা হয় যে কোনো এজন মুনিক উপলুঙা কৰি অভিশপ্ত হোৱা ভৰতৰ পুত্ৰসকলে শূদ্ৰৰূপে পৃথিৱীত জন্ম গ্ৰহণ কৰিবলগীয়া হোৱা বাবেই পৃথিৱীত নাট্যাভিনয়ৰ প্ৰচলন সম্ভৱ হয়। ভৰতমুনিয়ে পৃথিৱীত নাট্যাভিনয়ৰ প্ৰচলনৰ উদ্দেশ্য সন্দৰ্ভত এনেদৰে কৈছে-

*দুখাৰ্তানাং শ্ৰমৰ্তানাং শোকাৰ্তানাং তপস্বিনাম্।*
*বিশ্ৰামজননং লোকে নাট্যমেতদ্ ভৱিষ্যতি।।* (*নাট্যশাস্ত্ৰ* ১/১১৮)

নাট্যশাস্ত্ৰত ৰজা নহুষক পৃথিৱীত নাটকৰ প্ৰথম পৃষ্ঠপোষক বুলি উল্লেখ কৰা আছে।

২) **পাশ্চাত্য পণ্ডিসকলৰ অভিমত ঃ**

**ক) মৃতক পূজা ঃ** মৃত বীৰপুৰুষসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সময়ে সময়ে যি অনুষ্ঠানৰ আয়োজন কৰা হৈছিল তাৰ পৰাই নাটকৰ উৎপত্তি হৈছিল বুলি ড° ৰিজৱে অভিমত প্ৰকাশ কৰে। ৰামলীলা, কৃষ্ণলীলা আদি তেনে অনুষ্ঠানৰে পৰিচায়ক বুলি কিছুমান পণ্ডিতে কব খোজে। আনহাতে ড° কীথে এনে মতবাদ খণ্ডন কৰি উক্ত নাটকৰ প্ৰাকৃতিক তাৎপৰ্য ব্যাখা কৰিছে। তেওঁৰ মতে প্ৰাকৃতিক পৰিবৰ্ত্তন দেখুৱাৱলৈ অথৱা বিশেষ উদ্দেশ্যলৈ এটা ঋতুৰ ওপৰত যি অনুষ্ঠানৰ আয়োজন কৰা হৈছিল তাৰ পৰাই কৃষ্ণলীলা আদিৰ দৰে নাটকৰ উৎপত্তি হৈছিল। কিন্তু তাৎপৰ্যপূৰ্ণ কথা এয়ে যে ভাৰতীয় সাহিত্যত ইয়াৰ কোনো সংকেত নাই।

**খ) উৎসৱাত্মক মতবাদ ঃ মে'পোল সিদ্ধান্ত ঃ** পশ্চিমীয়া দেশবোৰত বছৰৰ মে' মাহত অনুষ্ঠিত মে'পোল উৎসৱৰপৰাই নাটকৰ উৎপত্তি হোৱা বুলি কিছুমান পণ্ডিতে কব খোজে। এই উৎসৱৰ নাৰী পুৰুষ সকলোৱে নৃত্য-গীত কৰে। ভাৰতবৰ্ষত অনুষ্ঠিত 'ইন্দ্ৰধ্বজ' উৎসৱতো মে'পোল উৎসৱৰ নিচিনাকৈ নৃত্যাভিনয় অনুষ্ঠিত হৈছিল আৰু সেই উৎসৱৰ আলম লৈয়ে সংস্কৃত নাটকৰ উৎপত্তি হৈছিল বুলি কোৱা হয়। কিন্তু এনে সিদ্ধান্ত সকলো পণ্ডিতৰে গ্ৰহণযোগ্য হোৱা নাই।

**গ) ধৰ্মনিৰপেক্ষ মতবাদঃ** মাইম পণ্ডিত হিলেব্ৰান্ট আৰু ষ্টেনকোনোৱে অনুকৰণাত্মক প্ৰহসনৰ পৰাই ভাৰতীয় নাটকৰ উৎপত্তি হোৱা বুলি মতামত প্ৰকাশ কৰিছে। এনেকুৱা প্ৰহসনৰ লগত মহাকাব্যৰ আবৃত্তি যোগ হৈ নাটকৰ জন্ম হোৱা বুলি ধাৰণা কৰা হৈছে। কিন্তু ড° কীথে দৃঢ়তাৰে খণ্ডন কৰি কয় যে নাটকৰ উৎপত্তিৰ আগতে চৰিত্ৰ অনুকৰণাত্মক প্ৰহসন প্ৰচলনৰ কোনো তথ্যভিত্তিক প্ৰমাণ নাই।

**ঘ) পুতলা নাচ ঃ** জাৰ্মান পণ্ডিত ড° পিশেলে পুতলা নাচৰ পৰাই সংস্কৃত নাট্য সাহিত্যৰ উৎপত্তি হৈছে বুলি অভিমত প্ৰকাশ কৰিছে। তেওঁৰ মতে ভাৰতবৰ্ষত এই নৃত্যৰ উৎপত্তি হৈ সমগ্ৰ বিশ্বতে ইয়াৰ প্ৰচলন হয়। মহাভাৰত, কথাসৰিৎ সাগৰ, বালৰামায়ন আদিত পুত্তলিকা, পুত্ৰিকা, দাৰুময়ী আদি পুতলাবাচক শব্দৰ উল্লেখ পোৱা যায়। ইয়াৰপৰাই পুতলা নাচৰ ব্যাপক প্ৰচলনৰ অনুমান কৰিব পাৰি। সংস্কৃত নাটকৰ সূত্ৰধাৰ শব্দটো পুতলানাচৰ পৰা লোৱা হৈছে বুলি ধাৰণা কৰা হয়। কিন্তু নিৰ্জীৱ পুতলা নাচৰ পৰাই ৰসভাৱ সম্বলিত নাটকৰ উৎপত্তি হৈছে বুলি ধাৰণা কৰাটো অপ্ৰামাণিক। তদুপৰি পুতলানাচত নাট্যাভিনয় কেৱল অনুকৰণ কৰি দেখুওৱা হয়।

**ঙ) ছায়া নাটক ঃ** ড° লুৰ্ডসৰ মতে সংস্কৃত নাটকৰ উৎপত্তি স্থল হৈছে ছায়া নাটক। এই মতবাদ বহুতো পণ্ডিতে মানি ল'ব নোখোজে। কাৰণ ভাৰতবৰ্ষত ছায়া নাটকৰ প্ৰাচীনতা সম্বন্ধে কোনো প্ৰমাণিত তথ্য আৱিষ্কৃত হোৱা নাই। 'দূতাংগদ' নামৰ এখন ছায়া নাটক সংস্কৃত সাহিত্যত প্ৰসিদ্ধ যদিও ই ইমান প্ৰাচীন বা মহত্ত্বপূৰ্ণ নহয়।

**চ) সংবাদ-সূক্তৰ অৱদান ঃ** পণ্ডিত মেক্সম্যুলাৰ তথা চিলভান্ লেৱিৰ মতে ঋগ্‌বেদত থকা পুৰুৰৱা-উৰ্বশী, যম-যমী, সৰমা-পনি আদি সংবাদ সূক্তবোৰতে ধৰ্মীয় চৰিত্ৰবিশিষ্ট সংস্কৃত নাটকৰ বীজ নিহিত হৈ আছে। পণ্ডিত ওল্ডেনবাৰ্গ আৰু ৱিন্টাৰনিজৰ সংবাদ-সূক্ত বোৰত দুটা ভাগ আছে- এভাগ বৰ্ণনাত্মক আৰু আনভাগ সংলাপ। প্ৰথমভাগৰ পৰা মহাকাব্য আৰু দ্বিতীয়ভাগৰপৰা নাটকৰ উৎপত্তি হৈছে বুলি তেওঁ কব খোজে।

জাৰ্মান পণ্ডিত ৱেবাৰে সংস্কৃত নাটকত গ্ৰীক সকলৰ প্ৰভাৱ পৰিছে বুলি অভিহিত কৰিছে। আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ পিছত ভাৰতবৰ্ষৰ ৰাজ প্ৰাসাদবিলাকত কিছুমান গ্ৰীক নাটক মঞ্চস্থ কৰা হৈছিল। তাৰ ফলত ভাৰতীয় নাট্যকাৰসকল গ্ৰীক নাটকৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা বুলি অনুমান কৰিব পাৰি। বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত, ৰঙ্গমঞ্চ নিৰ্মাণকে আদি কৰি দুই এটা ক্ষেত্ৰত দুয়োবিধ নাটকৰ মাজত মিল দেখা যায় যদিও অমিলো নোহোৱা নহয়। সংস্কৃত নাটক বিয়োগান্তক নহয়, মিলনান্তক হে। তদুপৰি ভাসৰ নাটকসমূহ গ্ৰীক সকল ভাৰতলৈ অহাৰ আগতে ৰচনা কৰা হৈছিল বুলি বহুতো পণ্ডিতে মতামত আগবঢ়াইছে। গতিকে সংস্কৃত নাটক গ্ৰীক নাটকৰ প্ৰভাৱত সৃষ্টি হৈছিল বুলি একে আষাৰে কব নোৱাৰি।

ওপৰত উল্লেখ কৰা মতবাদসমূহ ভালদৰে বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে প্ৰাচীন ভাৰতীয় সাহিত্যক আশ্ৰয় কৰি সংস্কৃত নাট্যকাৰ সকলে নাটক ৰচনা কৰিছিল। বৈদিক সাহিত্যৰ পৰাই নাটকীয় উপাদান সংগ্ৰহ কৰি তেওঁলোকে নিজস্ব প্ৰতিভা, নাট্যশৈলী, নীতি-ধৰ্ম-আদৰ্শ আদি সন্নিবিষ্ট কৰি নাট্যশাস্ত্ৰৰ জগতখন সমৃদ্ধিশালী কৰি তুলিবলৈ সক্ষম হৈছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃত নাট্যসাহিত্যৰ উৎপত্তি সম্পৰ্কে থকা কোনটো মতবাদ গ্ৰহনযোগ্য? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ১.৪ সংস্কৃত নাট্য সাহিত্যৰ বৈশিষ্ট্য

ভৰতমুনিয়ে তেওঁৰ গ্ৰন্থ 'নাট্যশাস্ত্ৰ'ত লিপিবদ্ধ কৰি থৈ যোৱা নাটক ৰচনাৰ কৌশলবোৰ প্ৰাচীন সংস্কৃত নাট্যকাৰসকলে মানি চলিছিল। গতিকে স্বভাৱতেই সংস্কৃত নাটকৰ গঠনতত্ত্ব, ভাষাৰ প্ৰয়োগ, কলা-কৌশল, ৰসবোধ, ৰঙ্গমঞ্চৰ ব্যৱহাৰ, নীতি-ধৰ্ম আদৰ্শ আদিত কেতবোৰ সুকীয়া বৈশিষ্ট্য চকুত পৰে।

সংস্কৃত নাটকত নান্দীকে আদি কৰি অনেক পূৰ্বৰঙ্গ প্ৰয়োগ কৰা হয়। নাটক এখনত নিৰ্বিঘ্ন অভিনয়ৰ পৰিসমাপ্তিৰ বাবে সূত্ৰধাৰে উপাস্য দেৱতাক প্ৰাৰ্থনা জনায়। ইয়াকে নান্দী বোলে। কিছুমান নাটকত নান্দীৰ জৰিয়তে নাটকীয় বিষয়বস্তুৰো কি ছু আভাস দিয়া হয়। (আনহাতে নাটকৰ শেষত ভৰতবাক্যত অভিনেতা, দেশৰ আৰু দহৰ কল্যাণ কামনা কৰা হয়।) নান্দী পাঠৰ পিছত সূত্ৰধাৰে মঞ্চত প্ৰৱেশ কৰি নটী, বিদূষক অথবা নাটকৰ পাৰ্শ্বচৰিত্ৰৰ লগত অভিনয় কৰি তাৰ জৰিয়তে দৰ্শকক কি নাটক মঞ্চস্থ কৰা হব তাক অৱগত কৰায় আৰু মঞ্চত নাটকীয় চৰিত্ৰৰ আগমনৰ সূচনা কৰি মঞ্চ ত্যাগ কৰে। এইয়াই হ'ল সংস্কৃত নাটকৰ প্ৰস্তাৱনা অথবা আমুখ।

সংস্কৃত নাটকত উপস্থাপন কৰা চৰিত্ৰবোৰৰ মুখত বেলেগ বেলেগ ভাষা আৰোপ কৰাটো নাটকৰ এটি সুকীয়া বৈশিষ্ট্য। ৰজা, মন্ত্ৰী, দেৱতা আদিৰ মুখত সংস্কৃত ভাষা; স্ত্ৰীচৰিত্ৰকে আদি কৰি নিম্ন শ্ৰেণীৰ চৰিত্ৰসমূহৰ মুখত প্ৰাকৃত ভাষা প্ৰয়োগ কৰা দেখা যায়। অৱশ্যে প্ৰাচীন কালত প্ৰচলিত লোকভাষাসমূহ সংস্কৃত নাটকত প্ৰয়োগ কৰি সৰ্বসাধাৰণৰ ওচৰত নাটকৰ জনপ্ৰিয়তা আনিব বিচৰা হৈছিল বুলি অনুমান কৰা যায়।

মঞ্চত অভিনয় কৰি দেখুৱাব নোৱাৰা অথচ নাটকীয় বিষয়বস্তুৰ লগত ওতঃপ্ৰোতঃ সম্বন্ধ থকা ঘটনাৰাজি মধ্যম তথা নীচ চৰিত্ৰৰ কথোপকথনৰ জৰিয়তে নাটকৰ দুটা অংকৰ মাজত উপস্থাপন কৰা হয়। এইয়াই হ'ল প্ৰৱেশক আৰু বিষ্কম্ভক। দৰাচলতে প্ৰৱেশক আৰু বিষ্কম্ভকে অতীতৰ ঘটনাৰ ইংগিত দিয়ে আৰু ভৱিষ্যতে হ'বলগীয়া ঘটনাৰাজিৰ কিঞ্চিত আভাস দিয়ে। বিষ্কম্ভক দুই প্ৰকাৰৰ শুদ্ধ আৰু মিশ্ৰ বিষ্কম্ভক। প্ৰবেশক আৰু বিষ্কম্ভকৰ উপৰিও সংস্কৃত নাটকত তিনি প্ৰকাৰৰ নাটকীয় কৌশল প্ৰয়োগ কৰি নাটকীয় কাহিনীভাগ আগবঢ়াই নিয়া হয়। সেই তিনিটা হ'ল- অঙ্কাৱতাৰ, অঙ্কাষ্য আৰু চুলিকা। পঞ্চসন্ধিৰ প্ৰয়োগ সংস্কৃত নাটকৰ এটি অন্যতম বৈশিষ্ট্য। এই পঞ্চসন্ধি হ'ল- মুখ, প্ৰতিমুখ গৰ্ভ, বিমৰ্শ আৰু নিৰ্বহন। নাটকীয় কাহিনীভাগৰ আৰম্ভণীৰ পৰা উপসংহাৰলৈকে এই পাঁচটা সন্ধি প্ৰয়োগ কৰি কাহিনীৰ বিস্তাৰ কৰা হয়।

ৰসসৃষ্টি হ'ল সংস্কৃত নাটকৰ প্ৰধান বৈশিষ্ট্য। সংস্কৃত নাটকৰ প্ৰতি আগ্ৰহী দৰ্শকক আমোদ দিয়াৰ উদ্দেশ্যে নাটকত ৰসসৃষ্টি কৰা হৈছিল। সাধাৰণতে নটা ৰসৰ ভিতৰত এটা ৰসক প্ৰধান ৰস হিচাবে লৈ অন্যান্য ৰসসমূহক অংগ বা অপ্ৰধান ৰস হিচাবে লৈ নাটকসমূহ পৰিবেশন কৰা হয়। বীৰৰস অথবা শৃংগাৰ ৰসক সংস্কৃত নাটকসমূহত প্ৰধান ৰস হিচাবে লোৱা হয়।

সংস্কৃত নাটকবোৰ উদ্দেশ্যধৰ্মী। গতিকে নাট্যকাৰসকলে নাটকীয় কাহিনীৰ মাজেৰে কিছুমান নীতি, ধৰ্ম, আদৰ্শ আদিৰ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা দেখা যায়। ধৰ্মৰ জয়, অধৰ্মৰ পৰাজয়, ধাৰ্মিক তথা সত্যবাদীজনে অধাৰ্মিক সকলৰ ওপৰত সাব্যস্ত কৰা জয়লাভ আদি কাহিনীবোৰ ৰামায়ণ মহাভাৰত আদি মহাকাব্যসমূহৰপৰা বুটলি নাট্যৰূপ দিবলৈ কৰা প্ৰচেষ্টাই সংস্কৃত নাটকক এটি সুকীয়া বৈশিষ্ট্য প্ৰদান কৰিছে। সংস্কৃত নাটকৰ আন এটি উল্লেখনীয় দিশ হ'ল নায়কক আদৰ্শবান চৰিত্ৰ হিচাপে উপস্থাপন কৰা। গতিকে যিবোৰ কাৰ্য্যই নায়কৰ মৰ্য্যদা হানি কৰিব পাৰে তেনেবোৰ কাৰ্য্য নাটকীয় ঘটনাৰাজিৰপৰা বাদ দিয়া হয়। যিহেতু নাটকীয় কাহিনীভাগে দৰ্শকৰ আবেগ অনুভূতিত প্ৰভাৱ পেলায় গতিকে নাটকীয় কাহিনী অথবা নায়কৰ কৰুণ পৰিণতি সংস্কৃত নাটকত সন্নিবিষ্ট কৰা নহয়। অৰ্থাৎ সংস্কৃত নাটক বিয়োগান্ত হিচাবে ৰচনা কৰা নহয়।

ৰসসৃষ্টি আৰু আদৰ্শ বা নীতি প্ৰতিষ্ঠা সংস্কৃত নাটকৰ ঘাই উদ্দেশ্য হোৱা বাবে নাটকত কিছুমান দশ্য অৰ্থাৎ যুদ্ধ-বিগ্ৰহ, স্থান, দন্তচ্ছেদ, নখচ্ছেদ আদি পৰিবেশন কৰা নহয়। কাৰণ এনেবোৰ ঘটনাই ৰসসৃষ্টিত আৰু আদৰ্শ প্ৰতিষ্ঠাত বাধাৰ সৃষ্টি কৰিব পাৰে। অৱশ্যে এটা কথা অনস্বীকাৰ্য যে এনেবোৰে বৈশিষ্ট্যই সংস্কৃত নাট্যকাৰ সকলৰ নাটকীয় ঘটনাক নিজৰ ইচ্ছামতে আগ বঢ়াই নিয়াৰ স্বাধীনতাক খৰ্ব কৰা যেন অনুভৱ হয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

সংস্কৃত নাটকৰ মূল বৈশিষ্ট্য কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ১.৫ কালিদাসৰ নাটক

নাট্যশাস্ত্ৰত উল্লিখিত সম্পূৰ্ণ নাটকীয় তত্ত্ব যথাযথভাৱে পালন কৰি নাট ৰচনা কৰা প্ৰথম নাট্যকাৰ জনেই হ'ল মহাকবি কালিদাস। অনুপম ৰচনা কৌশল, নতুন বিচাৰ পদ্ধতি, নতুন ভাৱধাৰা, নতুন আৱেগ-অনুভূতিৰ সমাহাৰ ঘটাই মহাকবি গৰাকীয়ে সংস্কৃত নাট্যসাহিত্যক পাঠকৰ বাবে মনোগ্ৰাহী কৰি তুলিবলৈ সক্ষম হৈছে। তেওঁৰ ৰচনাৰাজিত ভাৰতীয় জনজীৱনক প্ৰতিনিধিত্ব কৰিবপৰা অনেক উপাদান নিহিত হৈ আছে। তেওঁৰ অসাধাৰণ কৃতিত্বৰ পৰিচায়ক ৰচনাৰাজি বিশ্বজুৰি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে।

মহাকবি কালিদাসে 'মালবিকাগ্নিমিত্ৰম্', 'বিক্ৰমোৰ্বশীয়ম্' আৰু 'অভিজ্ঞানশকুন্তলম্' নামৰ তিনিখন নাটক লিখি সংস্কৃত সাহিত্যৰ ভৰাল চহকী কৰে। ৰচনা-শৈলী, নাটকীয় সংবিধান, নাট্যকাৰৰ পাণ্ডিত্য প্ৰকাশ আদি বিভিন্ন বিষয়সমূহ বিশ্লেষণ কৰি পণ্ডিতসকলে 'মালৱিকা-গ্নিমিত্ৰম্' নাটকখনক নাট্যকাৰৰ প্ৰথম নাটক বুলি বিবেচনা কৰিছে। 'বিক্ৰমোৰ্শীয়ম্' তেওঁৰ দ্বিতীয় নাটক তথা 'অভিজ্ঞানশকুন্তলম্' নাটকখন তেওঁৰ অন্তিম ৰচনা। 'অভিজ্ঞানশকুন্তলম্' কবিৰ শ্ৰেষ্ঠ ৰচনা। অকল সংস্কৃত বা ভাৰতীয় সাহিত্যৰে শ্ৰেষ্ঠ নাটক নহয়, বিশ্বসাহিত্যৰে ই এক অনুপম সৃষ্টি। নাটকীয় বিষয়বস্তু, কলা-কৌশল আদিয়ে প্ৰমাণ কৰে যে অভিজ্ঞানশকুন্তলম্ নাট্যকাৰৰ পৈণত বয়সত ৰচনা।

### মালৱিকাগ্নিমিত্ৰম্ ঃ

পাঁচ অংক বিশিষ্ট এখন নাটক। নাটকৰ পটভূমি হ'ল ঐতিহাসিক। সুঙ্গবংশীয় ৰজা অগ্নিমিত্ৰ আৰু বিদৰ্ভৰ ৰাজকন্যা মালবিকাৰ প্ৰেমকাহিনীয়েই হ'ল নাটকৰ বিষয়বস্তু। ৰজাৰ পত্নীসকলৰ মাজত ঈৰ্ষা, ৰজাৰ ইন্দ্ৰিয়জ প্ৰেম, ৰজাৰ প্ৰধান মহিষী ধাৰিণীৰ চতুৰতা আদি বিষয়সমূহ নাটকখনত প্ৰতিফলিত হৈছে।

**নাট্যবস্তু ঃ** মহিষী ধৰিণীৰ পৰিচৰিকা মালবিকাৰ চিত্ৰ এখন নাট্যশালাত দেখি ৰজা অগ্নিমিত্ৰ মুগ্ধ হয়। বিদূষক গৌতমে মালবিকাৰ লগত ৰজাৰ সাক্ষাতৰ ব্যৱস্থা কৰিবৰ বাবে উপায় উদ্ভাৱন কৰে। কৌশলেৰে তেওঁ নাট্যশালাৰ আচাৰ্য গণদাস আৰু হৰদত্তৰ মাজত কাজিয়াৰ সৃষ্টি কৰে আৰু তাৰ মীমাংসা স্বৰূপে তেওঁলোকৰ শিষ্যসকলৰ কলাৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। ৰজা আৰু ৰাণী তালৈ আমন্ত্ৰিত হয়। মালবিকাৰ নৃত্য উপভোগ কৰি ৰজাই মালবিকাৰ প্ৰতি আসক্ত হয় আৰু নিভৃতে মালবিকাক লগ পাব বিচাৰে। সেইমতে বিদূষকে প্ৰমোদবনত দুয়োৰে নিভৃত সাক্ষাতৰ বন্দোৱস্ত কৰে যদিও ৰজাৰ দ্বিতীয় মহিষী ইৰাৱতীয়ে তাত বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিয়ে। ইৰাৱতীয়ে ধাৰিণীৰ হতুৱাই মালবিকাক বন্দী কৰি থয়। কিন্তু চতুৰ বিদূষকে মালবিকাক মুকলি কৰি আনিবলৈ সক্ষম হয়। তেনে সময়তে ৰজাৰ ৰাজ্যৰ ৰাজনৈতিক

পট পৰিবৰ্তনৰ ফলত প্ৰকাশ পায় যে মালবিকা প্ৰকৃততে বিদৰ্ভৰাজ মাধবসেনৰ মন্ত্ৰী সুমতিৰ ভগিনী। অগ্নিমিত্ৰৰ সেনাপতি বীৰসেনে দস্যুৰ হাতৰ পৰা উদ্ধাৰ কৰি মালবিকাক ধাৰিণীৰ হাতত সমৰ্পন কৰিছিল। কৌশিকীয়েও সেই বিপদৰপৰা মুক্ত হৈ পৰিব্ৰাজিকাৰূপে বিদিশাৰ ৰাজভৱনত আশ্ৰয় গ্ৰহণ কৰে। সেই সময়ত আন এটি আনন্দৰ বতৰাই ৰাজ্যৰ পৰিবেশ আনন্দিত কৰি তোলে। অগ্নিমিত্ৰ আৰু ধাৰিণীৰ পুত্ৰ বসুমিত্ৰই যবনসেনাক পৰাজিত কৰি তেওঁৰ পিতামহ পুষ্পমিত্ৰৰ যজ্ঞাশ্ব ফিৰাই আনিবলৈ সক্ষম হয়। গতিকে আনন্দপূৰ্ণ মুহূৰ্ত্তত মহাৰাণী ধাৰিণীৰ সন্মতিক্ৰমে অগ্নিমিত্ৰ আৰু মালবিকাৰ বিবাহ সম্পন্ন হয়।

**সমীক্ষা ঃ** অধিকাংশ পণ্ডিতৰ মতে মালবিকাগ্নিমিত্ৰ কালিদাসৰ প্ৰথম নাট্যকৃতি। সেইবাবে হয়তো ইয়াত নায়ক-নায়িকাৰ চৰিত্ৰৰ পূৰ্ণবিকাশ দেখা নাযায়। নাটকীয় কথাবস্তুৰ প্ৰত্যেক পৰিস্থিতি আৰু প্ৰত্যেক অৱস্থাত অগ্নিমিত্ৰৰ প্ৰেমসিদ্ধিৰ বাবে যত্ন কৰা দেখা গৈছে। তাৰ ফলত নাটকত বিভিন্ন অবান্তৰ কাহিনীৰ সমাবেশ ঘটিছে। অৱশ্যে কাহিনীবোৰে মূল ঘটনা আগবাঢ়ি যোৱাত সহায় কৰিছে।

নাটকীয় কলা-কৌশলৰ ফালৰপৰা নাটকখন উচ্চ মানদণ্ডৰ বুলি কব নোৱাৰি। নায়ক-নায়িকাৰ চৰিত্ৰ ভালদৰে ফুটাই তুলিব পৰা নাই। নায়ক বিদূষকৰ মুখাপেক্ষী আনহাতে নায়িকা ধাৰিণীৰ সজাৰ পক্ষী। বিদূষককো স্বভাৱসিদ্ধ চৰিত্ৰ হিচাবে চিত্ৰিত কৰা হোৱা নাই। ৰজাৰ মালবিকাৰ প্ৰতি যি প্ৰেম তাত কেৱল দৈহিক প্ৰেমৰ চিত্ৰহে ফুটি উঠিছে, আদৰ্শ প্ৰেমৰ নহয়। ৰজাৰ বন্ধু বিদূষকৰ সহযোগত অৱশেষত অগ্নিমিত্ৰ আৰু মালবিকাৰ মিলনৰ বাট মুকলি হয়।

**বিক্ৰমোৰ্বশীয়ম্ ঃ**

পুৰুৰৱা আৰু উৰ্ৱশীৰ প্ৰেম কাহিনীক উপজীব্য হিচাবে লৈ নাট্যকাৰে পাঁচ অংক যুক্ত নাটকখন ৰচনা কৰে। বৈদিক আৰু লৌকিক সাহিত্যৰ অনেক গ্ৰন্থত পুৰুৰৱা-উৰৰ্শীৰ কাহিনী পোৱা যায়। ঋগবেদ (১০/৯৫ সূক্ত) আৰু শতপথ ব্ৰাহ্মণত এই কাহিনী পোৱাৰ উপৰিও মৎস্যপুৰাণ, বিষ্ণুপুৰাণ, পদ্মপুৰাণ, কথাসৰিৎসাগৰতো পোৱা যায়। সংস্কৃত আলংকাৰিকসকলে নাটকখনক 'ত্ৰোটক' বুলি কয় কাৰণ ইয়াৰ নায়ক-নায়িকা দিব্য মনুষ্য দুয়োলোকৰ অন্তৰ্গত।

**নাট্যবস্তু ঃ** কেশী দৈত্যৰ আক্ৰমণত ভীত-সন্ত্ৰস্তা অপ্সৰা সকলক উদ্ধাৰ কৰিবলৈ পুৰুৰৱা আগবাঢ়ি যায়। দৈত্যৰ হাতৰ পৰা অপ্সৰাসকলক উদ্ধাৰ কৰে। সেইসময়তে অপ্সৰা উৰ্বশী আৰু ৰজা পুৰুৰৱা পৰস্পৰৰ প্ৰতি আসক্ত হয়। উৰ্বশীয়ে ৰজাৰ হৃদয়ৰ বতৰা জানিবলৈ গোপনে ৰজা আৰু বিদূষকৰ কথা বতৰা শুনি থাকি গছৰ পাতত প্ৰেম পত্ৰ লিখি ৰজাৰ গাৰৈ দলিয়াই দিয়ে, কিন্তু বিদূষকৰ অসাবধানতাৰ ফলত সেই পত্ৰ মহাৰাণী ঔশীনৰীৰ হাতত পৰে। ৰজাৰ অনুনয়ত মহাৰাণীৰ ক্ৰোধ শান্ত হয়। ইফালে স্বৰ্গত অভিনয়ৰত অৱস্থাত উৰ্বশীয়ে পুৰুযোত্তমৰ ঠাইত পুৰুষৰ উচ্চাৰণ কৰাত শাপগ্ৰস্তা হৈ মৰ্ত্যলৈ আহিবলগীয়া হয় আৰু পুৰুৰৱাক লগ পায়। কিন্তু পুৰুৰৱাৰ সামান্য কথাতে ঠেহ লাগি গন্ধমাদন বনত প্ৰৱেশ কৰে আৰু লতালৈ ৰূপান্তৰিত হয়। সংগমনীয় মনিৰ সহায়ত ৰজাই উৰ্বশীক পুনৰুদ্ধাৰ কৰি ৰাজধানীলৈ লৈ যায় আৰু তাতে বিবাহ সম্পন্ন হয়। হৰিষত বিষাদ অহাৰ দৰে সংগমনীয় মণিটো হঠাতে এটি শেন চৰাইয়ে লৈ যায়। কিন্তু হঠাতে এপাত শৰ আহি শেন চৰাইটোক বিদ্ধ কৰাত শৰৰ গৰাকীৰ লগত ৰজাৰ পৰিচয় হয়। আচলতে শৰপাত আছিল ৰজাৰ পুত্ৰ আয়ুসৰ। ৰজাই উৰ্বশীৰ গৰ্ভত পুত্ৰ জন্ম হোৱা কথাটো গম পোৱা নাছিল। উৰ্বশীয়ে ৰজাক হেৰুৱাব লাগিব বুলি জানিয়েই পুত্ৰক চ্যৱন মুনিৰ আশ্ৰমত লুকুৱাই ৰাখিছিল। কাৰণ পূৰ্বতে ভৰতমুনিয়ে অভিশাপ দিছিল যে পুৰুৰবাই পুত্ৰমুখ দেখিলেই উৰ্বশী শাপমুক্তা হৈ স্বৰ্গলৈ উভতি যাব পাৰিব। উৰ্বশীয়ে ৰজাক সকলো কথা কৈ স্বৰ্গলৈ যাবলৈ ওলাল। ঠিক তেনেতে স্বৰ্গৰ পৰা নাৰদ আহি দেৱ-দানৱৰ যুদ্ধ

লগাৰ সংবাদ দিয়ে আৰু ৰজাক দেৱতাসকলক সহায় কৰিবলৈ কলে। লগতে কলে যে তাৰ বিনিময়ত উৰ্বশীৰ লগত যাবজ্জীৱন থাকিব পাৰিব। ৰজাই সকলোবোৰ কথা মানি ললে আৰু পুত্ৰ আয়ুসক ৰাজ্যভাৰ গতাই দি উৰ্বশীৰ লগত সুখেৰে জীৱন কটাবলৈ ধৰিলে।

**সমীক্ষা ঃ** নাটকৰ কাহিনীভাগ বিভিন্ন গ্ৰন্থত উপলব্ধ হলেও কালিদাসে নিজস্ব ভাব-ভাষা-শৈলীৰে নাটকখন নকৈ উপস্থাপন কৰিছে। নাটকৰ নায়ক ধীৰোদাত্ত প্ৰকৃতিৰ। নিজৰ বল-বীৰ্য্যৰে গুণতে তেওঁ ত্ৰিভুবনত অবাধে বিচৰণ কৰি দুষ্টক দমন কৰি আৰ্তজনক উদ্ধাৰ কৰিব পাৰিছিল। নাটকখনত নায়ক-নায়িকাৰ মাজৰ ৰূপজ প্ৰেমৰ বৰ্ণনাই মুখ্য স্থান পাইছে। প্ৰণয় সম্বন্ধীয় কথাৰ বাবে তেওঁ ৰাজকাৰ্যকো পিঠি দিয়া দেখা যায়।

নায়িকা উৰ্বশী স্বৰ্গৰ অপ্সৰা হলেও দেৱী আৰু মানৱীয় গুণেৰে সংমিশ্ৰণ তেওঁৰ শৰীৰত বিদ্যমান। ৰজাৰ প্ৰতি থকা গভীৰ প্ৰেমৰ বাবে তেওঁ নিজৰ গৰ্ভজাত শিশুকো আতৰত ৰাখিছে। স্বৰ্গৰ অপ্সৰা হলেও উৰ্বশীয়ে পতিৰ বিচ্ছেদ সহ্য কৰিব নোৱাৰে বাবে চিৰকাল মৰ্ত্যৰ মানৱী ৰূপত থাকি যায়। ৰজাৰ মহিষী ঔশীনৰীৰ চৰিত্ৰই নাটকত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলেও তেওঁৰ চৰিত্ৰত এক বিশেষত্ব ফুটি উঠিছে। সেইয়া হৈছে তেওঁ নিজৰ সুখ নেওচি স্বামীৰ সুখৰ বাবে উৰ্বশীৰ লগত ৰজাৰ মিলনৰ অনুমতি দিয়ে। গতিকে উৰ্বশীতকৈ তেওঁৰ চৰিত্ৰৰ মহত্ত্ব বেছি।

**অভিজ্ঞানশকুন্তলম্ ঃ**

সাতটা অঙ্কযুক্ত এই নাটকখনৰ বিষয়বস্তু হ'ল প্ৰেম। হস্তিনাপুৰৰ ৰজা দুষ্যন্ত আৰু কণ্বমুনিৰ পালিতা কন্যা শকুন্তলাৰ মাজৰ প্ৰেম-কাহিনীক উপজীব্য হিচাবে লৈ নাটকখনৰ কাহিনীভাগ ৰচনা কৰা হৈছে। নাটকৰ মূল বিষয়বস্তুৰ উৎস মহাভাৰত হলেও নাট্যকাৰে নিজস্ব কৌশল, কল্পনাপ্ৰসূত সৃষ্টিৰে সৰ্বাঙ্গসুন্দৰ নাটক হিচাবে লিখি উলিয়াবলৈ সক্ষম হৈছে। মহাভাৰতৰ বুকুৰপৰা নীৰস কাহিনী এভাগ বুটলি আনি, নাট্যশাস্ত্ৰৰ সংবিধান অনুসৰণ কৰি কালিদাসে বিশ্বসাহিত্যৰ মাজত জিলিকি থকা এখন পূৰ্ণাঙ্গ নাটক লিখি উলিয়াইছে। সমগ্ৰ বিদ্বৎ সমাজে স্বীকাৰ কৰে যে অভিজ্ঞানশকুন্তলম্ কালিদাসৰ শ্ৰেষ্ঠ নাটক।

**নাট্যবস্তু ঃ** মৃগয়া কৰাৰ উদ্দেশ্যে ওলাই অহা হস্তিনাপুৰৰ ৰজা দুষ্যন্তই হৰিণৰ পিছে পিছে আহি কণ্বমুনিৰ আশ্ৰমত উপস্থিত হয় আৰু আশ্ৰমৰ তপস্বীৰ আমন্ত্ৰণক্ৰমে আশ্ৰমৰ ভিতৰত প্ৰবেশ কৰে। তাতেই পৰিচয় ঘটে কণ্বমুনিৰ পালিতা কন্যা শকুন্তলা আৰু তেওঁৰ দুই সখী অনসূয়া আৰু প্ৰিয়ংবদাৰ লগত। দুইসখীয়েকৰ মুখৰপৰা শকুন্তলাৰ পৰিচয় জানিব পাৰি ৰজা শকুন্তলাৰ প্ৰতি আকৰ্ষিত হয়। শকুন্তলাৰো তদ্ৰূপ অৱস্থা। কণ্বমুনিৰ অনুপস্থিতিত শকুন্তলাৰ আতিথ্য গ্ৰহণ কৰি ৰজা আশ্ৰমত থাকোতেই যজ্ঞ উৎপীড়নকাৰী ৰাক্ষসসকলক নিধন কৰিবলৈ তপস্বীসকলে ৰজাক অনুৰোধ কৰে। তপস্বী সকলৰ অনুৰোধ ৰক্ষা কৰি কিছুদিন আশ্ৰমত থকাৰ পিছত দুই সখীৰ সহযোগত শকুন্তলাৰ লগত ৰজাৰ গন্ধৰ্ব প্ৰথামতে বিবাহ সম্পন্ন হয়। ৰাজকাৰ্যৰ আহ্বানত হস্তিনাপুৰলৈ প্ৰত্যাগমন কৰাৰ সময়ত ৰজাই শকুন্তলাক নিজ নামাঙ্কিত আঙুঠি এটা দি থৈ যায়। দুষ্যন্তৰ চিন্তাত নিমগ্ন হৈ থকা শকুন্তলাই আশ্ৰমলৈ ভিক্ষা বিচাৰি অহা দুৰ্বাসা মুনিৰ আগমনৰ কথাও গম নাপালে। উপযুক্ত সমাদৰ নাপায় মুণিয়ে শকুন্তলাক অভিশাপ দি গুচি যায়। প্ৰিয়ংবদাৰ অনুনয়ত দুৰ্বাসাই অভিজ্ঞান প্ৰদৰ্শন কৰিলে প্ৰেমাস্পদৰ শকুন্তলাৰ কথা মনত পৰিব বুলি কৈ আশ্ৰম ত্যাগ কৰে। ইতিমধ্যে কণ্বমুনি তীৰ্থভ্ৰমণৰ পৰা উভতি আহি সকলোবোৰ কথা জানিবপাৰি শকুন্তলাক পতিগৃহলৈ পঠাবলৈ আয়োজন কৰে। গৌতমী, শাৰ্ঙ্গৰৱ আৰু শাৰদ্বতৰ লগত দুষ্যন্তৰ ৰাজদৰবাৰত শকুন্তলা উপস্থিত হ'ল যদিও ৰজাই তেওঁক

চিনি নাপালে। ৰজাৰ নামাঙ্কিত আঙুঠিও হেৰাই থাকিল। শোকে দুঃখে ম্ৰিয়মান হৈ শকুন্তলা মূৰ্চ্ছা যোৱা অৱস্থাতে কোনো দৈৱশক্তিয়ে তেওঁক আকাশৰ পিনে উঠাই লৈ যায়। সময়ৰ সোঁতত এজন মাছমৰীয়াই ৰজাৰ নাম অংকিত আঙুঠি এটা পাই বেছিবলৈ আৰম্ভ কৰোঁতে ৰজাৰ চন্তৰীৰ হাতত ধৰা পৰে। চন্তৰীৰ জৰিয়তে আঙুঠি পাই ৰজাৰ শকুন্তলাৰ কথা মনত পৰে। ইতিমধ্যে ৰজাই কালনেমি দৈত্যক বধ কৰি প্ৰত্যাগমনৰ পথত মাৰীচ মুনিৰ আশ্ৰমত প্ৰবেশ কৰে। আশ্ৰমত পুত্ৰ ভৰত আৰু পত্নী শকুন্তলাৰ লগত সাক্ষাৎ হয়। মাৰীচৰ আৰ্শীবাদ লাভ কৰি পত্নী-পুত্ৰ সমন্বিতে ৰাজধানীলৈ উভতি আহে।

**সমীক্ষা ঃ** কালিদাসে নাটকখনৰ প্ৰতিটো চৰিত্ৰকে যথেষ্ট গুৰুত্বসহকাৰে উপস্থাপন কৰা দেখা যায়। ৰজাৰপৰা মাছমৰীয়ালৈকে সকলোবোৰ চৰিত্ৰৰে পৰিবেশন নাটকীয় প্ৰয়োজনতহে হৈছে। কতোৰেই অনাৱশ্যক পাত্ৰৰ পৰিবেশন হোৱা নাই। নায়ক দুষ্যন্ত হ'ল ধীৰোদাত্ত প্ৰকৃতিৰ লোক। তেওঁৰ ব্যক্তিত্বত একেধাৰে আদৰ্শৰজা, আদৰ্শ প্ৰেমিক, আদৰ্শ মানৱ-চৰিত্ৰৰ সমাবেশ ঘটিছে। তেওঁ শকুন্তলাৰ প্ৰেমত আকণ্ঠ নিমজ্জিত হলেও ৰাজকাৰ্যক কেতিয়াও অৱহেলা কৰা নাই। নাটকৰ শেষত পত্নী পুত্ৰৰ দায়িত্বও মুৰপাতি লৈছে।

নায়িকা শকুন্তলাক কালিদাসে এগৰাকী আদৰ্শ ভাৰতীয় মহিলা হিচাপে চিত্ৰিত কৰিছে। তেওঁৰ পিতৃভক্তি, সখীপ্ৰেম, জীৱ-জন্তুৰ প্ৰতি প্ৰেম, প্ৰকৃতি-প্ৰীতি, পতিপ্ৰেম, সহিষ্ণুতা আদিৰ তুলনা নাই। মহাকবি কালিদাসে কণ্বমুনিক এগৰাকী আদৰ্শ পিতৃ হিচাবে অংকন কৰিছে। গৌতমীৰ মাতৃবৎ ভূমিকাও প্ৰশংসনীয়। মুঠতে শকুন্তলা নাটক কালিদাসৰ অতুলনীয় প্ৰতিভাৰ উজ্জল চানেকী।

**আত্মমূল্যায়ন প্ৰশ্ন**

কালিদাসৰ নাটকসমূহৰ মূল কি? (৫০ টা শব্দৰ ভিতৰত লিখক)

.....................................................
.....................................................
.....................................................
.....................................................

## ১.৬ কালিদাসৰ নাটকৰ বৈশিষ্ট্য

নাট্যশাস্ত্ৰৰ নাটকীয় তত্ত্বসমূহ যথাযথভাৱে পালন কৰি নাটক ৰচনা কৰা বাবে কালিদাসৰ নাট্যসাহিত্যৰ এক সুকীয়া বৈশিষ্ট্য চকুত পৰে। ব্যক্তি এজনৰ ব্যক্তিত্ব তেওঁৰ লিখনিত পৰিস্ফুট হয়। কালিদাসৰ নাটক তিনিখন বিশ্লেষণ কৰিলেও দেখা যায় যে তেওঁ আছিল সংস্কৃতিবান, প্ৰত্যুৎপন্নমতি তথা আদৰ্শ ৰজা। তেওঁৰ আছিল বহুমুখী প্ৰতিভাসম্পন্ন লোক। তিনিওখন নাটকৰে নাট্যশৈলী, নাট্য সংবিধান, নায়ক-নায়িকা তথা প্ৰতিনায়িকাৰ উপস্থাপন আদিত কিছু ভিন্নতা পৰিলক্ষিত হলেও কিছুমান বিশেষ বৈশিষ্ট্য তেওঁৰ নাটসমূহৰ চকুত লগা ধৰণৰ। নাটককেইখন পঢ়িলেই অনুমান কৰিব পাৰি যে তেওঁ আছিল মানুহৰ আচাৰ-ব্যৱহাৰ, চাল-চলন, স্বভাৱ-চৰিত্ৰ আদিৰ নিখুঁত পৰ্যবেক্ষক। নাৰীকতেওঁ শ্ৰদ্ধা সহকাৰে, কেতিয়াবা মাতৃৰ ৰূপত, কেতিয়াবা প্ৰেমিকাৰ ৰূপত সুন্দৰকৈ উপস্থাপন কৰিছে। ৰজা এজনৰ ৰাজকাৰ্যৰ প্ৰতি থকা দায়িত্ববোধ তেওঁৰ লিখনিত স্পষ্ট হৈ পৰিছে।

আগতেই উল্লেখ কৰি অহা হৈছে যে মহাকবি কালিদাসে নাট্যশাস্ত্ৰৰ নাটকীয় তত্ত্বসমূহ অনুকৰণ কৰি তেওঁৰ নাটক সমূহ ৰচনা কৰিছিল। ইয়াৰে ভিতৰত কিছুমান সহজতে চকুত পৰা বৈশিষ্ট্য হৈছে—

ক) কালিদাসে প্ৰত্যেকখন নাটকৰ আৰম্ভণী কৰিছে তেওঁৰ ইষ্টদেৱতাৰ স্তুতিৰে অৰ্থাৎ নান্দীশ্লোকেৰে। তেওঁৰ ইষ্টদেৱতা হ'ল জগতৰ পিতা পৰমেশ্বৰ শিৱ। শিৱক তেওঁ পৰম ব্ৰহ্মৰে অভিন্ন তত্ত্ব হিচাবে প্ৰতিপাদন কৰিছে আৰু লগতে তেওঁ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ অভিন্নতা স্বীকাৰ কৰিছে। নান্দীশ্লোকৰ জৰিয়তে তেওঁ নাটকীয় কথাবস্তুৰ আভাস দিয়া দেখা যায়।

খ) তেওঁৰ তিনিওখন নাটকৰে বিষয়বস্তু হ'ল প্ৰেম। শকুন্তলা নাটকখনৰ বাহিৰে বাকী দুখন নাটকত নায়ক-নায়িকাৰ মাজৰ দৈহিক প্ৰেমৰ বৰ্ণনাই প্ৰাধান্য বিস্তাৰ কৰা দেখা যায়। দুয়োখন নাটকতে প্ৰতিনায়িকাই প্ৰাধান্য বিস্তাৰ কৰি নায়ক-নায়িকাৰ মিলনত বাধাৰ সৃষ্টি কৰিছে আৰু শেষত তেওঁলোকেই নায়ক-নায়িকাৰ মিলনত আগভাগ লৈছে। শকুন্তলা নাটকখন মহাকবি গৰাকীৰ পৈনত বয়সৰ ৰচনা। গতিকে কবিয়ে দেহজ প্ৰেমক অতীন্দ্ৰিয় প্ৰেমলৈ ৰূপান্তৰিত কৰি নাটকীয় কৌশল প্ৰয়োগ কৰাত কৃতকাৰ্যতা লাভ কৰিছে।

গ) তিনিওখন নাটকৰে বিষয়বস্তু প্ৰেম হোৱা বাবে শৃঙ্গাৰ ৰসৰ বৰ্ণনাই অধিক ঠাই দখল কৰি আছে।

ঘ) নাট্যশাস্ত্ৰৰ বিধান অনুসৰণ কৰি কবি গৰাকীয়ে প্ৰখ্যাত বংশৰ ৰজা এজনক নাটকখনৰ নায়ক হিচাবে চিত্ৰিত কৰিছে। লগতে তেওঁ নায়কৰ নিখুঁত চৰিত্ৰ অংকন কৰিবলৈ চেষ্টা কৰা দেখা যায়। অৱশ্যে এই ক্ষেত্ৰত শকুন্তলা নাটকৰ নায়কৰ ক্ষেত্ৰতহে তেওঁ সম্পূৰ্ণ সফল হোৱা দেখা যায়। প্ৰতিখন নাটকতে নায়কৰ সকলো ভাল-বেয়া কৰ্মৰে সাৰথি হিচাপে বিদূষকৰ চৰিত্ৰ কবিগৰাকীয়ে সুন্দৰভাৱে উপস্থাপন কৰিছে। বিদূষকৰ চৰিত্ৰ উপস্থাপনত কালিদাস পুৰামাত্ৰাই সফল হৈছে।

ঙ) প্ৰকৃতি চিত্ৰায়ণৰ ক্ষেত্ৰত মহাকবি গৰাকীয়ে ভাৰতীয় পৰম্পৰা অনুধাবন কৰা দেখা যায়। ভাৰতীয় পৰম্পৰামতে জগতত একো বস্তুৱেই অচেতন নহয়। উদ্ভিদেও মানুহৰ দৰে সুখ-দুখ অনুভৱ কৰিব পাৰে। এই পৰম্পৰাক বিশ্বাস কৰিয়ে প্ৰতিখন নাটকতে কালিদাসে গছ-লতিকাবোৰক মানুহৰ সুখ দুখৰ সমভাগী কৰি দেখুৱাইছে। মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্কও যে অতি নিবিড় হব পাৰে কালিদাসৰ নাট্যকৃতিৰ মাজেৰে তাক ভালদৰেই উপলব্ধি কৰিব পাৰি।

চ) কালিদাসৰ নাটকসমূহত তৎকালীন ভাৰতবৰ্ষৰ জন-জীৱনৰ অনুভূতি তথা জীৱনাদৰ্শ সুন্দৰভাৱে প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ শকুন্তলা নাটকত এই আদৰ্শৰ উৎকৃষ্ট প্ৰতিফলন ঘটিছে। ভাৰতীয় পৰম্পৰামতে অথবা নাট্যশাস্ত্ৰৰ বিধানমতে বিয়োগাত্মক নাটক নিষিদ্ধ। গতিকে ভাৰতীয় মনৰ আশাবাদী দৃষ্টিভঙ্গী কালিদাসৰ ৰচনাত স্পষ্টভাৱে প্ৰকাশ পাইছে। তেওঁৰ নাটকত নায়ক-নায়িকাই চৰম বিপত্তিৰ সন্মুখীন হৈয়ো পুনৰ্মিলনৰ আশা পৰিত্যাগ নকৰে।

উপৰোক্ত বৈশিষ্ট্য সমূহৰ বাবে কালিদাসৰ নাট্যসাহিত্যই বিশ্ব সাহিত্যত আজিও জিলিকি আছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

মহাকবি কালিদাসৰ নাটকসমূহৰ মূল বৈশিষ্ট্য কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ১.৭ সংস্কৃত নাট্যসাহিত্যত কালিদাসৰ স্থান

মহাকবি কালিদাস নাট সৃষ্টিত অদ্বিতীয়। নাটক ৰচনাৰ ক্ষেত্ৰত তেওঁ যি কৌশল অৱলম্বন কৰিছে তাত তেওঁৰ সুদক্ষ শিল্পী মনৰ পৰিচয় পোৱা যায়। কবি হিচাবে তেওঁ যেনেদৰে কালজয়ী বুলি বিদ্বান সমাজত সুপৰিচিত ঠিক তেনেদৰে নাট্যকাৰ হিচাবেও অকল ভাৰতবৰ্ষতে নহয় বিশ্বসাহিত্যৰ ক্ষেত্ৰতো সুপৰিচিত এখন উচ্চ আসন দখল কৰিবলৈ সক্ষম হৈছে।

মহাকবি কালিদাসৰ আগতে ভাসে ১৩ খন নাটক লিখি নাট্য সাহিত্যৰ ভৰাল চহকী কৰে। কালিদাসৰ লিখনিত ভাসকে আদি কৰি কেইবাগৰাকী নাট্যকাৰৰো নাম উল্লেখ কৰা দেখা যায়। কালিদাসৰ পূৰ্বৱৰ্তী অথবা পৰবৰ্তী কালৰ নাট্যকাৰ সকলৰ নাট্যকৃতি বিশ্লেষণ কৰিলে দেখা যায় যে কালিদাস শ্ৰেষ্ঠ ভাৰতীয় নাট্যকাৰসকলৰ অন্যতম। তিনিওখন নাটকতে তেওঁৰ নাট্য-নৈপুণ্যৰ পৰিচয় পোৱা যায়। প্ৰত্যেকখন নাটকতে গীত, নৃত্য, চিত্ৰাঙ্কণ আদিৰ সম্ভেদ পোৱা যায়। প্ৰেমকে মূল উপজীব্য বিষয় হিচাবে লৈ লিখা মহাকবি কালিদাসে নাটককেইখনত ভাৰতীয় নাৰীৰ আদৰ্শ সুন্দৰভাৱে অংকন কৰিছে। প্ৰকৃতি চিত্ৰণ তেওঁৰ নাটকৰ অন্যতম বৈশিষ্ট্য। তেওঁৰ নাটকৰ কাহিনী, কলাকৌশল আদিয়ে পৰবৰ্তী নাট্যকাৰ সকলক বিশেষভাবে আকৰ্ষিত কৰা দেখা যায়। কোনো কোনো নাট্যকাৰৰ নাটকত তেওঁৰ নাটকৰ প্ৰভাৱ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে কব পাৰি ভৱভূতিৰ মালতী-মাধৱ নাটকত কালিদাসৰ মালবিকাগ্নিমিত্ৰ আৰু বিক্ৰমোৰ্শীয়ম নাটকৰ প্ৰভাৱ দেখা যায়। আনহাতে উত্তৰ ৰামচৰিত নামৰ নাটকত অভিজ্ঞানশকুন্তলম্ নাটকৰ প্ৰভাৱ পৰিছে।

মহাকবি কালিদাসৰ নাটসমূহ কেৱল সুন্দৰ বা মনমোহা কাহিনীৰ বাবেই যে সংস্কৃত নাট্য সাহিত্যৰ জগতত জনপ্ৰিয় হৈ পৰিছে এনে নহয়, দৰাচলতে কালিদাসৰ নাটকত থকা বিভিন্ন বিষয়ৰ জ্ঞানে নাটকৰ সকলো শ্ৰেণীৰ দৰ্শককে সমানে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। নীৰস, পৌৰাণিক কাহিনী এটাকে গীতেৰে, সুৰেৰে, ৰসেৰে, প্ৰকৃতি বৰ্ণনাৰে সজাই পৰাই দৰ্শকৰ আগত দাঙি ধৰাত কালিদাস সিদ্ধহস্ত। বাকী দুখন নাটক বাদ দি কেৱলমাত্ৰ অভিজ্ঞানশকুন্তলম্ নাটকখন যদি বিশ্লেষণ কৰা হয় তেন্তে একে আষাৰে কব পাৰি শকুন্তলা বাদ দি সংস্কৃত নাট্য সাহিত্য সম্পূৰ্ণ নহয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

মহাকবি কালিদাসৰ নাটকসমূহৰ মূল উপজীব্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ১.৮ সাৰাংশ (Summing Up)

ভাৰতীয় পৰম্পৰাত ভৰত মুনিৰ নিৰ্দেশিত মঙ্গল ধ্বনিৰে নাট্য-সাহিত্যৰ যি শুভাৰম্ভ কৰা হৈছিল, পৰবৰ্তীকালত বিভিন্নজন নাট্যকাৰৰ প্ৰভাৱত এই ধাৰা অতি গৌৰৱান্বিত ভাৱে প্ৰবাহিত হৈ আহিছে। বৈদিক যুগোত্তৰ কালত খ্ৰীষ্টপূৰ্ব প্ৰথম, দ্বিতীয় অথবা তৃতীয় শতিকাত

ভৰতমুনিয়ে 'নাট্যশাস্ত্ৰ' গ্ৰন্থখন প্ৰণয়ন কৰি নাট্যশাস্ত্ৰৰ মহিমা প্ৰকাশ কৰিছিল। দেৱৰাজ ইন্দ্ৰ প্ৰমুখ্যে দেৱতাসকলৰ অভিলাষৰ বাবেই সৃষ্টিকৰ্তা ব্ৰহ্মাই চাৰিওখন বেদৰ পৰা নাট্যৰ অংগ সমূহ গ্ৰহণ কৰি 'পঞ্চম বেদ' খ্যাত নাট্যশাস্ত্ৰ সৃষ্টি কৰিছিল।

সংস্কৃত কাব্য সাহিত্যৰ ধাৰাত দৃশ্যকাব্যৰূপে নাটকসমূহে অতি জনপ্ৰিয় স্থান অধিকাৰ কৰি আহিছে। নাটকত গীত, নৃত্য, অভিনয়, সংলাপ, ৰস আদি সকলো দিশ সামৰি লোৱা বাবে নাটক পূৰ্ণাঙ্গ যৌগিক অথবা মিশ্ৰ কলা। এই নাট্যকলাৰ সাৰ্থকতা অভিনয়ত আৰু অভিনয়ৰ সাৰ্থকতা দৰ্শক-শ্ৰোতাৰ আনন্দ উপলব্ধিত। দক্ষ নাট্যকাৰে নাট ৰচনা কৰে, দক্ষ অভিনেতাই অভিনয় কৌশলেৰে অভিনয় কৰে। আনহাতে এই অভিনয়ৰ বাবে আৱশ্যক হয় এখন উপযোগী ৰঙ্গ মঞ্চ আৰু অভিনয় উপভোগৰ বাবে লাগে সহৃদয় দৰ্শক মণ্ডলী। তেনে সহৃদয় দৰ্শকে নাট্যকাৰ, অভিনেতা-অভিনেত্ৰীৰ হৃদয়ৰ সৈতে একৰূপতা লাভ কৰি কাব্য অথবা নাট্য-ৰস উপলব্ধি কৰে।

সংস্কৃত নাট্যকাৰ সকলৰ ভিতৰত মহাকবি কালিদাসে অন্যতম স্থান অধিকাৰ কৰি আহিছে। কালিদাস হৈছে অমৰ কবি আৰু কাব্যতেই তেওঁৰ প্ৰকৃত পৰিচয় ফুটি ওলাইছে। তেওঁৰ তিনিওখন নাটকৰ ভিতৰত 'অভিজ্ঞান শকুন্তলম্'য়েই হৈছে শ্ৰেষ্ঠ নাটক। এই নাটকখনত তেওঁ পাৰ্থিৱ প্ৰেমক স্বৰ্গীয় প্ৰেমৰ শাৰীলৈ ৰূপান্তৰ ঘটাইছে। কালিদাসৰ নাটক সমূহত শৃঙ্গাৰ ৰস আৰু উপমা অলংকাৰৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। নাৰীৰ প্ৰতি প্ৰদৰ্শন কৰা শ্ৰদ্ধা আৰু সন্মানো তেওঁৰ নাটকৰ প্ৰশংসনীয় দিশ।

## ১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সংস্কৃত নাট্যসাহিত্য সম্বন্ধে এটা প্ৰবন্ধ যুগুত কৰক।

২। সংস্কৃত নাটকৰ উৎপত্তিৰ মতবাদ সম্পৰ্কে আলোচনা কৰক।

৩। কালিদাসৰ নাট্য সাহিত্য সম্পৰ্কে আলোচনা কৰক।

৪। সংস্কৃত নাট্য সাহিত্যত কালিদাসৰ স্থান সম্বন্ধে আলোচনা কৰক।

## ১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


কামাখ্যা চৰণ ভাগৱতী ঃ *সংস্কৃত নাট্য সাহিত্য*

গদাধৰ দেৱ শৰ্মা ঃ *শ্ৰেষ্ঠ ৰূপকত্ৰয়*

মুকুন্দ মাধৱ শৰ্মা (সম্পা.) ঃ *ভৰতৰ নাট্যশাস্ত্ৰ*

যোগেশ্বৰ শৰ্মা ঃ *কালিদাসৰ প্ৰতিভা*

থানেশ্বৰ শৰ্মা ঃ *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*

হৰমোহন দেৱ গোস্বামী ঃ *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*

অম্বিকাপদ চৌধুৰী ঃ *কালিদাস*

A.B. Keith : *The Sanskrit Drama*

V.Raghavan : *Kalidasa*


* * *

## দ্বিতীয় বিভাগ
## অভিজ্ঞানশকুন্তলম্‌ৰ সাধাৰণ পৰিচয়

**বিভাগৰ গঠন**


২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ পৰিচয় (বিষয়বস্তু সামৰি)
২.৪ মূল আৰু মৌলিকতা
২.৫ নাট্যৰীতি
২.৬ সংস্কৃত নাট্যসাহিত্যত অভিজ্ঞানশকুন্তলম্‌ৰ স্থান
২.৭ সাৰাংশ (Summing Up)
২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Introduction)

বিশ্বসমাদৃত মহাকৱি কালিদাসৰ অন্যতম অনুপম ৰচনা হৈছে অভিজ্ঞানশকুন্তলম্। এই নাটকখন শৃঙ্গাৰ ৰসৰ শ্ৰেষ্ঠ নাটক আৰু কালিদাসৰ সৃজনী শক্তিৰ অপূৰ্ব পৰিচায়ক। সেইকাৰণে কোনোবা কবিয়ে কৈছে-

*"কালিদাসস্য সৰ্বস্বমভিজ্ঞানশকুন্তলম্ ।*
*তত্ৰৈৰাপি চতুৰ্থোঙ্কঃ যত্ৰ যাতি শকুন্তলা।।"*

এই প্ৰশংসা ভাৰতবৰ্ষত চিৰদিন প্ৰৱৰ্ত্তিত হৈ থাকিব। 'ধ্বন্যালোক' গ্ৰন্থৰ তৃতীয় উদ্যোতত আনন্দবৰ্দ্ধনে কৈছে যে, সংসাৰী মানুহৰ কাৰণে নিয়মিতভাৱে অনুভূতিৰ বিষয় হোৱা বাবে শৃংগাৰ ৰসেই বেছি ৰমণীয় আৰু সেয়েহে প্ৰধানতম- 'শৃংগাৰৰসোহি সংসাৰিণাং নিয়মেনানুভৱ বিষয়ত্বাৎ সৰ্বৰস্যেভ্যঃ কমনীয় তথা প্ৰধানভূতঃ'। সেইকাৰণে সৌন্দৰ্য্যপ্ৰিয় যুৱমানসক প্ৰেম-সমুদ্ভূত ঘটনাই সহজতে আকৰ্ষণ কৰে। অভিজ্ঞানশকুন্তলম্ শৃংগাৰ ৰস প্ৰধান নাটক হিচাপে সহজেই দৰ্শক-শ্ৰোতাক আকৰ্ষণ কৰিব পাৰিছে। বাস্তৱৰ আলমত ৰচিত এই নাটকখনে সহজেই দৰ্শকৰ হৃদয়ত আঁচ বহুৱাব পাৰিছে। শকুন্তলাৰ মাজেদি কালিদাসে প্ৰেমৰ প্ৰকৃত স্বৰূপ অংকন কৰিছে। শকুন্তলাৰ পতিগৃহলৈ যাত্ৰাৰ বৰ্ণনাই ভাৰতীয় সামাজিক জীৱনৰ প্ৰতিচ্ছৱি বাৰুকৈয়ে চিত্ৰিত কৰিছে। এইখিনিতেই কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ মন্তব্য উদ্ধৃত কৰিব পাৰি-

*" শকুন্তলা যখন তপোবন ত্যাগ কৰিয়া পতিগৃহে যাইতেছে*
*তখন পদে পদে তাহাৰ আকৰ্ষণ পদে পদে তাহাৰ বেদনা।*
*বনেৰ সহিত মানুষেৰ বিচ্ছেদ যে এমন মৰ্মান্তিক*
*সকৰুণ হইতে পাৰে তাহা জগতেৰ সমস্ত সাহিত্যেৰ মধ্যে,*
*কেৱল অভিজ্ঞান-শকুন্তলেৰ চতুৰ্থ অঙ্কে দেখা যায়।"*

নাটকখনৰ নায়ক দুষ্যন্ত এগৰাকী উত্তম শ্ৰেণীৰ নায়ক। তেওঁ হস্তিনাপুৰৰ ৰজা, ধৰ্মভীৰু, মনস্বী, বীৰ, ধীৰোদাত্ত আৰু সুদৰ্শন পুৰুষ। তেওঁৰ বিভিন্ন কাৰ্য্য, কাৰ্য্যৰ মাজতে মৃগয়া-বিহাৰ তেওঁৰ অৱসৰ বিনোদন। মৃগয়া কৰিবলৈ আহোতেই তেওঁ কণ্বৰ আশ্ৰমত সন্মানিত অতিথি ।

কুলপতি কণ্ব সেই সময়ত আশ্ৰমত অনুপস্থিত। কণ্ব-দুহিতা শকুন্তলা অতিথি-পৰায়ণা, সংসাৰৰ অনভিজ্ঞা, মধুৰ স্বভাৱশীলা, সৰলা, লাৱণ্যময়ী তপোবন-কুঁৱৰী, ৰূপহী শকুন্তলাক দেখি ৰজা মোহান্ধ হ'ল আৰু শকুন্তলাৰ লগত ৰজাৰ গন্ধৰ্ব বিবাহ সম্পাদিত হ'ল।

অভিজ্ঞানশকুন্তলম্ নাটকত মহাকৱি কালিদাসে অসাধাৰণ মনীষাৰ পৰিচয় দিছে। তেওঁৰ শাস্ত্ৰজ্ঞান, সমাজজ্ঞান আৰু আধ্যাত্মিক জ্ঞান অসাধাৰণ। অতীতৰ লগত বৰ্তমানৰ আৰু ইয়াৰে সৈতে ভৱিষ্যতৰ এটা সংগতিপূৰ্ণ সামঞ্জস্য ৰক্ষা কৰি সৌন্দৰ্য্যৰ মহিমাৰে বিষয়বস্তুক সমুজ্বল কৰি তোলা বাবে শকুন্তলা কাব্যই বিশ্ববিশ্ৰুত কাব্যৰূপে স্বীকৃতি লাভ কৰি আহিছে।

মহাকবি কালিদাসে স্বকীয় প্ৰতিভাৰে 'অভিজ্ঞানশকুন্তলম্' নাটকখন ৰচনা কৰিলেও, নাটকখনৰ মূল বিষয়বস্তু মহাভাৰত নতুবা পদ্মপুৰাণৰ পৰা সংগ্ৰহ কৰিছে। মূল কাহিনীটো কালিদাসে সংগ্ৰহ কৰিলেও স্বকীয় অসামান্য প্ৰতিভাৰে নাটকখনক তেওঁ অনুপম কৰি তুলিব পাৰিছে। উৎসৰ লগত বৰ্তমানৰ নাটকখনৰ বহুতো বৈসাদৃশ্য দেখিবলৈ পোৱা যায়। কালিদাসে বহুখিনি নাটকীয় উপাদান নাটখনিত সংযোজিত কৰিছে। কালিদাসে নাটকখনত দুৰ্বাসাৰ অভিশাপ সংযোজন কৰি ভাৰতীয় সংস্কৃতিত প্ৰেমক এক স্বৰ্গীয় মাত্ৰা দিবলৈ সক্ষম হৈছে। তেওঁ অসামান্য প্ৰতিভাৰে কেইবাটাও নতুন চৰিত্ৰৰ সৃষ্টি কৰাৰ লগতে অভিনৱ কলা-কুশলতাৰে নতুন ঘটনাৰ সংযোগ কৰি কল্পনাৰ ৰঙেৰে কাহিনীটোক সমুজ্জ্বল কৰি তুলিছে।

এই বিভাগটিত মহাকবি কালিদাসৰ অমৰ সৃষ্টি 'অভিজ্ঞানশকুন্তলম্'ৰ সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। ইয়াত নাটখনিৰ বিষয়বস্তুৰ আভাস দিয়াৰ লগতে নাটকখনৰ মূল উৎসৰ বিষয়েও ধাৰণা দিয়া হৈছে। মহাভাৰত আৰু পদ্মপুৰাণত বৰ্ণিত কাহিনীটোকে স্বকীয় নাটকীয় অভিব্যঞ্জনাৰে কালিদাসে অমৰ কৰি তুলিছে। নাটকখনৰ নাট্যৰীতিৰ লগতে সংস্কৃত নাট্যসাহিত্যসমূহৰ ভিতৰত যে এই নাটকখনে সৰ্বোত্তম স্থান লাভ কৰিছে, এই সম্বন্ধেও এই বিভাগটোত আলোচনা কৰা হৈছে।

## ২.২ উদ্দেশ্য (Objectives)

মহাকবি কালিদাসৰ 'অভিজ্ঞানশকুন্তলম'ৰ সাধাৰণ পৰিচয় শীৰ্ষক এই বিভাগটো অধ্যয়নৰ অন্তত আপুনি-

- অভিজ্ঞানশকুন্তলম্ নাটকখনৰ সৈতে পৰিচয় হ'ব পাৰিব,
- এই নাটকখনৰ মূল উৎসবোৰৰ বিষয়ে জানিব পাৰিব,
- মহাকৱি কালিদাসৰ দ্বাৰা নাটকখনত সংযোজিত নাটকীয় উপাদান সমূহৰ বিষয়ে অৱগত হ'ব পাৰিব,
- নাটকখনৰ নাট্যৰীতি সম্বন্ধে জানিব পাৰিব,
- সমগ্ৰ সংস্কৃত নাট্যসাহিত্যৰ ভিতৰত নাটকখনৰ স্থান সম্পৰ্কে জানিব পাৰিব।

## ২.৩ পৰিচয়

'অভিজ্ঞানশকুন্তলম্' মহাকবি কালিদাসৰ সাহিত্যিক প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন। মহাভাৰতৰ আদিপৰ্বত উপলব্ধ দুষ্যন্ত আৰু শকুন্তলাৰ কাহিনীৰ ওপৰত ভেটি কৰি কবিগৰাকীয়ে সাত অঙ্কবিশিষ্ট এই নাটকখন ৰচনা কৰি উলিয়ায়। অৱশ্যে দুষ্যন্ত শকুন্তলাৰ উপাখ্যান পদ্মপুৰাণৰ স্বৰ্গখণ্ডতো পোৱা যায়। মহাভাৰতৰ নীৰস কাহিনীভাগকে উপজীব্য কৰি নিজস্ব বুদ্ধিমত্তাৰে, ন ন চৰিত্ৰ তথা উপকাহিনী সংযোজন কৰি কবি গৰাকীয়ে লিখি উলিয়ালে এখন সৰ্বাংগসুন্দৰ

নাটক। আৰু এই  নাটকখন সমগ্ৰ বিশ্বৰ সাহিত্যজগতত আজিও অমৰ হৈ জিলিকি আছে। পণ্ডিত সকলেও একেমুখে স্বীকাৰ কৰিছে- "কালিদাসস্য সৰ্বস্বম্ অভিজ্ঞানশকুন্তলম্ "।

মহাকবি কালিদাসে সৰ্বমুঠ তিনিখন নাটক ৰচনা কৰে- মালৱিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্ৰ্শীয়ম্ আৰু অভিজ্ঞানশকুন্তলম্। এই তিনিওখন নাটকৰ ভিতৰত অভিজ্ঞানশকুন্তলম্ সৰ্বকালৰ শ্ৰেষ্ঠ নাটক। পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুবাদ কৰা এই নাটকখনৰ বাবেই সংস্কৃত নাট্যসাহিত্যত কবিগৰাকীৰ স্থান আজিও অদ্বিতীয়। কোৱা আছে- "কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যা শকুন্তলা।"

অভিজ্ঞানশকুন্তলম্ অধ্যয়ন কৰিলেই সহজে অনুমান কৰিব পাৰি নাট্যকাৰ কবি কালিদাস এগৰাকী সংস্কৃতিবান, প্ৰত্যুৎপন্নমতি তথা চিৰআনন্দমুখৰ লোক। সেই সময়ত প্ৰচলিত সকলো শাস্ত্ৰতে তেওঁৰ আছিল অগাধ পাণ্ডিত্য। ভাৰতবৰ্ষৰ সকলো পণ্ডিতে একেমুখে স্বীকাৰ কৰে যে কালিদাসৰ আৱিৰ্ভাৱ ভাৰতীয় সাহিত্য জগতত এটি বিশেষ ঘটনা। কিন্তু এনেকুৱা এগৰাকী মহান কবিৰ আৱিৰ্ভাৱ কাল সম্বন্ধে একো নিশ্চিত প্ৰমাণ পোৱা নাযায়। ভাৰতীয় পৰম্পৰা মতে  মহাকবি কালিদাস বিক্ৰমাদিত্য ৰজাৰ ৰাজসভাৰ 'নৱৰত্ন' বুলি খ্যাত নজন ৰত্নৰে এজন।

'অভিজ্ঞানশকুন্তলম্' কালিদাসৰ শেষ বয়সৰ ৰচনা। নাটকৰ সমস্তলক্ষণ এই নাটকত বিৰাজমান। হস্তিনাপুৰৰ ৰজা দুষ্যন্ত আৰু কণ্বমুনিৰ পালিতা কন্যা শকুন্তলাৰ মাজেৰে কবিগৰাকীয়ে প্ৰেমৰ প্ৰকৃত স্বৰূপ দাঙি ধৰিবলৈ সক্ষম হৈছে। দেহজ প্ৰেমক অনুতাপৰ জুইৰে পুৰি পৰিশুদ্ধ কৰি অতীন্দ্ৰিয় প্ৰেমলৈ ৰূপান্তৰ কৰাত কৃতকাৰ্যতা লাভ কৰিছে মহাকবিয়ে। তেনেদৰে নাটকৰ কথাবস্তুও ভোগৰ মাজেৰে আৰম্ভ হৈ ত্যাগৰ মাজেৰে সমাপ্ত হৈছে।

**নাটকীয় কথাবস্তু ঃ** হস্তিনাপুৰৰ ৰজা দুষ্যন্ত মৃগয়া কৰিবলৈ আহি হৰিণা এটিক অনুসৰণ কৰি আহি থাকোতে কাশ্যপ গোত্ৰীয় তপস্বী ব্ৰাহ্মণ কণ্ব মুনিৰ আশ্ৰমত উপস্থিত হয়। সেই সময়ত কণ্বমুনি আশ্ৰমত নাছিল। কণ্বমুনিৰ শিষ্য বৈখানসে ৰজাক আশ্ৰমলৈ আমন্ত্ৰণ জনায় আৰু ৰজায়ো সেই আমন্ত্ৰণ গ্ৰহণ কৰে। আশ্ৰমতে ৰজাৰ লগত পৰিচয় হয় কণ্বমুনিৰ পালিতা কন্যা শকুন্তলা আৰু তেওঁৰ দুই সখী অনসূয়া আৰু প্ৰিয়ম্বদাৰ লগত। পিতৃৰ অনুপস্থিতিত শকুন্তলাই যথাসাধ্যে অতিথি সৎকাৰ কৰাৰ ব্যৱস্থা কৰে। প্ৰথম দৰ্শনতে দুষ্যন্ত আৰু শকুন্তলা পৰস্পৰৰ প্ৰতি আকৰ্ষিত হয়। সখীয়েক দুজনীৰ মুখৰ পৰা ৰজাই শকুন্তলাৰ প্ৰকৃত পৰিচয় লাভ কৰে। কণ্বমুনিয়ে আশ্ৰমৰপৰা আতৰত থকা সময়ে ৰাক্ষসবিলাকে আশ্ৰমৰ যাগ-যজ্ঞ সম্পাদনাত যথেষ্ট বিঘিনি ঘটোৱাৰ বাবে ৰজাক আশ্ৰমৰ সুৰক্ষাৰ কাৰণে কণ্বমুনিৰ শিষ্যসকলে অনুৰোধ কৰে। ৰজাইও আনন্দমনেৰে সেই অনুৰোধ ৰক্ষা কৰে। সেই সময়ছোৱাত ৰাজধানীৰ পৰা ৰাজমাতৃয়ে ৰজা দুষ্যন্তক বিশেষ সকামত মাতি পঠিওৱাত ৰজাই বিদূষককে ৰাজধানীলৈ পঠিয়াই দিয়ে। আশ্ৰম ৰক্ষাৰ দায়িত্বত থকা সময়ছোৱাতে ৰজাই অনসূয়া আৰু প্ৰিয়ম্বদাৰ সহযোগত শকুন্তলাক গান্ধৰ্ব প্ৰথামতে বিয়া কৰায়। ইতিমধ্যে আশ্ৰমত অনুষ্ঠিত যাগ-যজ্ঞ সুকলমে শেষ হোৱাত ঋষিসকলে ৰজাক বিদায় দিয়ে। ৰজাই শকুন্তলাক নিজৰ নামাঙ্কিত আঙুঠি এটা দি অতি সোনকালে শকুন্তলাক ৰাজধানীলৈ লৈ যোৱাৰ প্ৰতিশ্ৰুতি দি বিদায় লয়। দুষ্যন্তৰ চিন্তাত শকুন্তলা তন্ময় হৈ থকা সময়তে আশ্ৰমত আহি উপস্থিত হয়হি মহামুনি দুৰ্বাসা। তেওঁ শকুন্তলাৰ পৰা কোনো ধৰণৰ আতিথ্য-সমাদৰ নাপায় শকুন্তলাক অভিশাপ দিয়ে যে 'যাৰ চিন্তাত তন্ময় হৈ শকুন্তলাই অতিথিক অপমান কৰিছে তেওঁৰেই সময়ত তেওঁক পাহৰি

যাব। কিন্তু সিমানতো শকুন্তলাৰ একো সঁহাৰি নাই কাৰণ দুষ্যন্তৰ চিন্তাত বিভোৰ শকুন্তলাৰ মন। সখীয়েক দুজনী এই অভিশাপ বাক্য শুনি লগে লগে ইয়াৰ পৰা মুক্তি পোৱাৰ বাবে প্ৰচেষ্টা চলায় আৰু অনসূয়াই দুৰ্বাসাৰ ভৰিত পৰি শকুন্তলাৰ হৈ ক্ষমা খুজে। অৱশেষত দুৰ্বাসাই 'মোৰ বাক্যৰ অন্যথা নহয় কিন্তু অভিজ্ঞান দেখুৱালে ৰজাই শকুন্তলাক চিনি পাব' বুলি কৈ গুচি যায়।

যথাসময়ত কণ্বমুনি আশ্ৰমলৈ উভতি আহি নিজৰ তপস্যাৰ বলত শকুন্তলা উপযুক্ত পাত্ৰৰ সৈতে বিয়া হৈ অন্তঃসত্ত্বা হোৱা কথা জানিব পাৰে। গৌতমী, কণ্বৰ শিষ্য শাৰ্ঙ্গৰৱ আৰু শাৰদ্বতৰে সৈতে শকুন্তলা পতিগৃহলৈ যাত্ৰা কৰে। কিন্তু দুৰ্বাসাৰ অভিশাপৰ ফলত ৰজাই শকুন্তলাক পাহৰি যায়। হাতৰ আঙুঠি দেখুৱাবলৈ গৈ শকুন্তলা বিপাঙত পৰে। কাৰণ শচীতীৰ্থত সেইটো শকুন্তলাৰ হাতৰ পৰা গঙ্গানদীত পৰি যায়। ৰজাৰ দ্বাৰা প্ৰত্যাখাত হৈ মূৰ্চা যোৱা শকুন্তলাক কোনো এক দৈৱ শক্তিয়ে আকাশৰ পিনে উঠাই লৈ যায়। ইতিমধ্যে মাছমৰীয়া এজন ৰজাৰ নামাঙ্কিত আঙুঠিটো নগৰত বেচিবলৈ অনাত সেইটো ৰজাৰ হাতত পৰে আৰু শকুন্তলাৰ স্মৃতি মনত ভাঁহি উঠে। শকুন্তলাৰ প্ৰতি কৰা অবিচাৰত ৰজাৰ মন অনুতাপেৰে দগ্ধ হয়। ৰজাই ৰাজ্যত অনুষ্ঠিত হবলগীয়া বসন্তোৎসৱ নিষিদ্ধ কৰি শোকত ম্ৰিয়মান হৈ থকা সময়তে স্বৰ্গৰ ৰজা ইন্দ্ৰই শত্ৰু নিধনৰ বাবে ৰজাক নিবলৈ মাতলিক পঠিয়াই দিয়ে। ইন্দ্ৰক সহায় কৰিবলৈ ৰজা স্বৰ্গৰাজ্য অভিমুখে যাত্ৰা কৰে। শত্ৰুদমন কৰি পৃথিৱীলৈ ওভতাৰ পথত দেৱলোকৰ জনক-জননী মাৰীচ আৰু অদিতিক দেখা কৰাৰ উদ্দেশ্যে আশ্ৰমত প্ৰবেশ কৰে। সেই আশ্ৰমতে শকুন্তলা আৰু পুত্ৰ সৰ্বদমনৰ লগত ৰজা দুষ্যন্তৰ পুৰ্নমিলন হয়। ঋষিয়ে দুৰ্বাসাৰ অভিশাপৰ কথা দুয়োকে বিবৰি কয়। ঋষিৰ আৰ্শীবাদ লৈ দুষ্যন্ত পুত্ৰ পৰিবাৰৰে সৈতে হস্তিনাপুৰলৈ যাত্ৰা কৰে আৰু ইয়াতেই নাটকৰো সমাপ্তি হয় ভৰতবাক্য পাঠেৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

অভিজ্ঞানশকুন্তলম্ নাটখনৰ কথাবস্তুৰ মূল লক্ষণ কি? (৪০ টা শব্দৰ ভিতৰত)

..................................................

..................................................

..................................................

..................................................

## ২.৪ মূল আৰু মৌলিকতা

প্ৰাচীন কবি আৰু নাট্যকাৰ সকলে ৰামায়ণ, মহাভাৰত আদি মহাকাব্যৰ মাজৰপৰা শ্ৰোতা আৰু দৰ্শকৰ মনঃপুত হ'ব পৰা বিভিন্ন ধৰণৰ কাহিনী বাচনি কৰি কাব্য-নাটক আদি ৰচনা কৰিছিল। মহাকবি কালিদাসে তেওঁৰ নাটক তিনিখনৰ কাহিনী তেওঁৰ সমসাময়িক ইতিহাস, মহাভাৰত, পুৰাকল্প আদিৰ পৰা সংগ্ৰহ কৰিছিল। কালিদাসে 'অভিজ্ঞানশকুন্তলম্' নাটকখনৰ কাহিনীভাগ মূলত মহাভাৰতৰ পৰা সংগ্ৰহ কৰিছিল। (অৱশ্যে এটা কথা অনস্বীকাৰ্য যে সংস্কৃত নাট্যকাৰসকলে পঢুৱৈ তথা দৰ্শকৰ আৱেগ-অনুভূতিৰ প্ৰতি দৃষ্টি ৰাখি ইতিহাস সমৃদ্ধ কাহিনীৰ মাজৰপৰা জনমানসৰ পৰিচিত কাহিনীহে বাচনি কৰি নাট্যৰূপে দিবলৈ চেষ্টা কৰিছিল।) মহাভাৰতৰ আদি পৰ্বত শকুন্তলা উপাখ্যান এনেদৰে পোৱা যায়- পুৰুবংশীয় ৰজা দুষ্যন্তই সৈন্যসামন্তসহিতে এবাৰ মৃগয়া কৰিবলৈ গৈ কণ্বমুনিৰ আশ্ৰমৰ সমীপত উপস্থিত হয়। কণ্বমুনিক দৰ্শন কৰাৰ উদ্দেশ্যে ৰজাই ৰাজচিহ্ন পৰিত্যাগ কৰি তপোবনত প্ৰবেশ কৰে। সেই সময়ত

কণ্বমুনি ফলমূল আহৰণ কৰিবলৈ ওলাই গৈছিল। গতিকে মুনিৰ অনুপস্থিতিত কণ্বদুহিতা শকুন্তলাই ৰজাক অভ্যৰ্থনা জনায়। শকুন্তলাৰ অসামান্য ৰূপ লাৱণ্যত মোহিত হৈ ৰজাই শকুন্তলাক সুধিলে যে চিৰকুমাৰ কণ্বমুনিৰ কেনেকৈ তেওঁ জীয়েক হবলৈ পালে? শকুন্তলাই তেতিয়া আগতে আন এজন মুনিয়ে কৰা প্ৰশ্নৰ উত্তৰত পিতৃ কাশ্যপে কোৱা শকুন্তলাৰ জন্মবৃত্তান্ত ৰজাক কৈ শুনালে। শকুন্তলা প্ৰকৃততে মহাশক্তি সম্পন্ন ঋষি বিশ্বামিত্ৰ আৰু স্বৰ্গৰ অপ্সৰা মেনকাৰ জীয়ৰী। জন্মৰ পিছতে কন্যাটিক বনৰ মাজত এৰি থৈ যোৱাত কণ্বমুনিয়ে লৈ আনি আশ্ৰমত ডাঙৰ দীঘল কৰে। শকুন্তলাৰ জন্মবৃত্তান্ত শুনি ৰজাই শকুন্তলাক গান্ধৰ্ব প্ৰথামতে বিয়া কৰাবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। শকুন্তলাই কণ্বমুনি উভতি অহালৈ অপেক্ষা কৰিবলৈ কলে যদিও ৰজাই ঋষি অহাৰ আগতেই শকুন্তলাক বিয়া কৰাবলৈ ইচ্ছা প্ৰকাশ কৰে। শকুন্তলাই বিয়াত সন্মতি জনালে যদিও ৰজাৰ সন্মুখত এটি চৰ্ত্ত ৰাখে। সেই চৰ্ত্তটো হ'ল ভৱিষ্যতে শকুন্তলাৰ পুত্ৰক ৰাজসিংহাসনৰ অধিকাৰী কৰিব লাগিব। ৰজাই শকুন্তলাৰ চৰ্ত্ত স্বীকাৰ কৰিলে আৰু শকুন্তলাক বিয়া কৰায়। শকুন্তলাক নিবলৈ অতি সোনকালেই সৈন্য সামন্ত পঠিয়াব বুলি শকুন্তলাক প্ৰতিশ্ৰুতি দি ৰজা ঋষি কণ্ব আশ্ৰমলৈ উভতি অহাৰ আগতেই লৰালৰিকৈ ৰাজধানীলৈ প্ৰত্যাবৰ্তন কৰে।

কিছুসময়ৰ পিছত মুনি আশ্ৰমলৈ উভতি আহি দিব্যজ্ঞানেৰে সকলো কথা জানিব পাৰি শকুন্তলাকআশ্বাস দিয়ে। যথাসময়ত শকুন্তলাৰ পুত্ৰসন্তান উপজিল। লৰাটি ডাঙৰ হোৱাত মুনিয়ে জাতকৰ্ম সংস্কাৰ আদি কৰিলে। কিন্তু প্ৰতিশ্ৰুতিমতে দুষ্যন্তৰ কোনো খবৰ নাই। লৰাটিৰ দুবছৰ বয়স হোৱাত মুনিয়ে শকুন্তলাকপুত্ৰৰ সৈতে পতিগৃহলৈ পঠিয়াবলৈ সিদ্ধান্ত ললে। সেইমতে শকুন্তলা পুত্ৰ সৰ্বদমনৰে সৈতে দুষ্যন্তৰ ৰাজসভাত উপস্থিত হৈ ৰজাক পুত্ৰ পৰিচয় দি আগতে দি থোৱা প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ আহ্বান জনালে। ৰজা দুষ্যন্তই শকুন্তলাক চিনি পালে যদিও লোক অপবাদৰ ভয়ত তেওঁক চিনি নোপোৱাৰ ভাও ধৰে আৰু শকুন্তলা আৰু পুত্ৰ সৰ্বদমনক স্বীকাৰ কৰিবলৈ সৈমান নহ'ল। ৰজাৰ দ্বাৰা অনাদৃতা হৈ শকুন্তলাই চৰম অপমানৰ সন্মুখীন হ'ল যদিও শকুন্তলাই ৰজাক ভালদৰে বুজাই পত্নী পুত্ৰক স্বীকাৰ কৰিবলৈ অনুৰোধ জনালে। কিন্তু ৰজাই আকৌ শকুন্তলাক তিৰস্কাৰ কৰাত শকুন্তলা আশ্ৰমলৈ উভতি যাবলৈ সাজু হ'ল। ঠিক সেই সময়তে এক আকাশবাণী হয়। সেই আকাশবাণীয়ে শকুন্তলা যে দুষ্যন্তৰ বৈধ পত্নী আৰু সৰ্বদমন যে ৰজাৰ ঔৰসজাত সন্তান তাকে ঘোষণা কৰি তেওঁলোকক আদৰি লবলৈ ৰজাক নিৰ্দেশ দিলে। লগে লগে আকাশৰ পৰা পুষ্পবৃষ্টি হয়। আকাশবাণী অনুসৰি ৰজাই পত্নী-পুত্ৰক আনন্দেৰে গ্ৰহণ কৰে। পিছত ৰজাই শকুন্তলাক ৰাজমহিষীৰ পদত অধিষ্ঠিত কৰে আৰু সৰ্বদমনক যুৱৰাজৰ আসনত বহুৱায়।

উপৰোক্ত কাহিনীভাগ মহাভাৰতৰ আদিপৰ্বত প্ৰায় ৩০০ মান শ্লোকত বৰ্ণনা কৰা হৈছে। কাহিনীটো ভালদৰে পঢ়িলেই বুজিব পাৰি যে ই তেনেই নীৰস, অৰোমাঞ্চকৰ তথা বৈচিত্ৰ্যবিহীন। মহাকবি কালিদাসে এনেকুৱা এটা কাহিনীৰ মাজতে নাটকীয় ৰূপ দিবলৈ যাওঁতে কৰি গৰাকীয়ে মূল কাহিনীৰ যথেষ্ট পৰিবৰ্ত্তন কৰিবলগীয়া হৈছিল। তেওঁ স্বকীয় প্ৰতিভাৰে কেইবাটাও নতুন চৰিত্ৰৰ তথা নতুন ঘটনাৰ সংযোগ কৰি এখনি সৰ্বাংগসুন্দৰ নাটক সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

শকুন্তলা নাটকৰ মূল উৎসৰ লগত মহাকবি গৰাকীৰ নাটকৰ কাহিনীৰ তুলনা কৰিলে কাহিনীৰ নতুনত্ব খিনি সহজেই চকুত পৰে। কণ্বমুনিৰ তীৰ্থযাত্ৰা, দুৰ্বাসাৰ অভিশাপ, যজ্ঞকৰ্ম, মৎস্যজীৱীৰ আখ্যান, 'অভিজ্ঞান' ৰূপ আঙুঠিৰ বৃত্তান্ত, সাউদৰ কাহিনী, মাতলিৰ আখ্যান, মাৰীচৰ আশ্ৰম আদিৰ বৰ্ণনা কবিয়ে নতুনকৈ সংযোজন কৰিছে।

মহাকবি কালিদাসে কণ্বমুনিক এক দীঘলীয়া সময়ৰ বাবে আশ্ৰমৰপৰা আতৰত ৰাখিছে যাতে নাটকৰ নায়ক-নায়িকাৰ প্ৰেম পৰিণয়ত পৰিণত হবলৈ সুবিধা হয়। আনহাতে নায়ক অৰ্থাৎ ৰজা দুষ্যন্তকো আশ্ৰমত দীঘলীয়া সময়ৰ কাৰণে ৰখা হৈছে আশ্ৰমত অনুষ্ঠিত যাগ-যজ্ঞ সুকলমে সমাপ্ত হবৰ বাবেহে , শকুন্তলাৰ আকৰ্ষণৰ বাবে নহয়। নায়কৰ সখা বিদূষককো হস্তিনাপুৰৰ ৰাজমাতৃৰ আহ্বানত ৰাজধানীলৈ পঠিয়াই দিয়া হৈছে। নাটকখনত শকুন্তলাৰ জন্ম বৃত্তান্ত নাট্যকাৰে শকুন্তলাৰ দুই সখী অনসূয়া আৰু প্ৰিয়ম্বদাৰ জৰিয়তে ৰজা দুষ্যন্তৰ আগত বৰ্ণনা কৰাইছে।

নাটকখনত নাট্যকাৰৰ এক উল্লেখনীয় সংযোজন হ'ল দুৰ্বাসাৰ অভিশাপ তথা আঙুঠিৰ বৃত্তান্ত। এই সংযোজনত অৱশ্যে কবিৰ গভীৰ দৃষ্টিভংগী নিহিত হৈ আছে। পবিত্ৰ তপোবনত থাকিও দুষ্যন্তই নিজৰ কামনা বাসনা আতৰ কৰিব পৰা নাই। তেওঁ কেৱল যৌৱনৰ আহ্বানহে শুনিলে। গতিকে পবিত্ৰ আশ্ৰম ৰতিভাৱাপন্ন ভোগভূমিত পৰিণত কৰাৰ বাবে দুষ্যন্তই পিছত প্ৰায়শ্চিত্ত কৰিবলগীয়া হৈছে। আনহাতে শকুন্তলাইও পিতৃয়ে দিয়া অতিথি সৎকাৰৰ দায়িত্ব ঠিকমতে পালন নকৰাৰ ফলত প্ৰায়শ্চিত্তৰ সন্মুখীন হবলগীয়া হৈছে। কিন্তু অজানিতে কৰা অপৰাধ ক্ষমাৰ যোগ্য। সেয়েহে নাট্যকাৰে সংযোজন কৰিবলগীয়া হ'ল আঙুঠি ৰূপ অভিজ্ঞানৰ। দুৰ্বাসাৰ অভিশাপ মোচনৰ বাবে উপায় দিলে অভিজ্ঞান প্ৰদৰ্শনৰ। আশ্ৰমৰপৰা শকুন্তলা পতিগৃহলৈ যাত্ৰা কৰাৰ সময়ত দুই সখীয়ে শকুন্তলাক মনত কৰি দিছে যে যদি দুষ্যন্তই পাহৰে তেন্তে আঙুঠিটো যেন শকুন্তলাই দেখুৱায়। কিন্তু নায়ক-নায়িকাৰ চৰিত্ৰ সম্পূৰ্ণৰূপে সংশোধন কৰি এক আদৰ্শ নায়ক-নায়িকা হিচাবে প্ৰতিষ্ঠিত কৰিবলৈ নতুনকৈ সংযোজন কৰিলে মহাকবিয়ে আঙুঠি হেৰুৱাৰ বৃত্তান্ত। যাত্ৰাকালত শকুন্তলাৰ হাতৰ পৰা আঙুঠি পানীত পৰি যায়। সময়ত অভিজ্ঞান প্ৰদৰ্শন কৰিব নোৱাৰাত শকুন্তলা দুষ্যন্তৰ দ্বাৰা প্ৰত্যাখাত হৈ দৈৱশক্তিৰ সহায়ত মাৰীচৰ আশ্ৰমত আশ্ৰয় গ্ৰহণ কৰে আৰু তাতেই জন্ম হয় পুত্ৰ সৰ্বদমনৰ। আনফালে আঙুঠি উদ্ধাৰ হয় মাছমৰীয়াৰ হাতত। মাছমৰীয়াই আঙুঠি বিক্ৰী কৰিবলৈ নগৰলৈ অহাত সদাগৰ এজনে মাছমৰীয়া জনক ৰজাৰ ওচৰলৈ লৈ যায়। আঙুঠিটো ৰজাৰ হাতত পৰাৰ লগে লগে ৰজাৰ মনত শকুন্তলাৰ স্মৃতি জাগ্ৰত হয়। নাট্যকাৰে নায়ক-নায়িকাৰ পুনৰ্মিলনৰ বাবে কাহিনীত দৈৱশক্তিৰ সহযোগ ঘটায়। সেই সময়ত কালনেমি নামৰ দৈত্য এজনে ইন্দ্ৰৰ ৰাজ্যত আক্ৰমণ কৰিছিল। কালনেমিক দমন কৰিবলৈ ইন্দ্ৰই দুষ্যন্তৰ সহায় বিচাৰে আৰু তেওঁক নিবলৈ মাতলিক পঠিয়ায়। কালনেমিক দমন কৰি নিজ ৰাজ্যলৈ উভটি আহোঁতে বাটতে মাৰীচৰ আশ্ৰমত দুষ্যন্ত প্ৰৱেশ কৰে। তাতেই তেওঁ পত্নী-পুত্ৰক লগ পায়। মাৰীচ মুনিয়ে দুষ্যন্ত শকুন্তলাক তেতিয়া দুৰ্বাসাৰ অভিশাপৰ কথা বৰ্ণনা কৰে। সকলোবোৰ কথা জানিব পাৰি দুয়োৰো অন্তৰ নিৰ্মল আনন্দেৰে ভৰি পৰে আৰু তিনিও হস্তিনাপুৰলৈ যাত্ৰা কৰে।

মূল ঘটনাত ন ন কাহিনী নাট্যকাৰে সংযোজন কৰাৰ উপৰিও ন ন চৰিত্ৰৰো সমাবেশ ঘটাইছে নাটকত। মাছমৰীয়া, বিদূষক, সদাগৰ, মাৰীচৰ আশ্ৰম তথা আশ্ৰমৰ বাসিন্দাসকল, ৰথৰ সাৰথি, সেনাধ্যক্ষ, দূত, প্ৰতিহাৰী, কঞ্চুকী, পুৰোহিত, আৰক্ষী, পৰিচাৰিকা আদি ভালেমান চৰিত্ৰৰ সমাবেশ ঘটিছে। কিন্তু সকলো চৰিত্ৰৰে পৰিবেশন নাট্যপ্ৰয়োজনতহে হৈছে। কাহিনীৰ সংযোজনো নাটকীয় উদ্দেশ্য সাধনৰ বাবেহে হৈছে। দুষ্যন্ত আৰু শকুন্তলাৰ মাজত হোৱা দেহজ প্ৰেমক আধ্যাত্মিক স্তৰলৈ নিবলৈ নাট্যকাৰৰ কাহিনীসংযোজন অতিমাত্ৰাই প্ৰাসঙ্গিক। নায়ক নায়িকাইও ভালদৰে উপলদ্ধি কৰিলে যে ইন্দ্ৰিয়জ সুখক আকোৱালি লোৱা বাবেই তেওঁলোকে বহুতো অথন্তৰৰ সন্মুখীন হবলগীয়া হ'ল।

মহাভাৰতৰ উপৰিও পদ্মপুৰাণ আৰু জাতকত শকুন্তলাৰ কাহিনী পোৱা যায়। কোনো কোনো পণ্ডিতে কালিদাসে পদ্মপুৰাণ অথবা জাতকৰপৰা অভিজ্ঞানশকুন্তলমৰ কাহিনী লোৱা বুলি কয় যদিও পাশ্চাত্য পণ্ডিত মিৰাশীয়ে ইয়াৰ সম্ভাৱনীয়তা নুই  কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অভিজ্ঞানশকুন্তলম্ নাটকখনৰ মূল উৎসৰ সৈতে কালিদাসৰ অভিযোজনা কি? (৫০ টা শব্দৰ ভিতৰত)

.....................................................................

.....................................................................

.....................................................................

.....................................................................

## ২.৫ নাট্যৰীতি

বিশ্বনাথ কবিৰাজে 'সাহিত্য-দৰ্পন' গ্ৰন্থৰ ষষ্ঠ পৰিচ্ছেদত (অথবা ভৰতমুনিয়ে নাট্যশাস্ত্ৰত) উল্লেখ কৰা মতে এখন নাটকত থাকিবলগীয়া আটাইবোৰ নাটকীয় ৰীতি-নীতি শকুন্তলা নাটকত বিদ্যমান। নাটকৰ মূল কাহিনীভাগ সুচাৰু ৰূপে আগবঢ়াই নিবলৈ কালিদাসে বিভিন্ন কাহিনী, উপকাহিনীৰ সংযোজন ঘটাইছে যদিও তেনেবোৰ কাহিনী নাটকীয় কলা কৌশলৰ অন্তৰায় হোৱা নাই বৰঞ্চ সহায়কহে হৈছে। সাহিত্য দৰ্পনৰ মতে নাটকৰ লক্ষণসমূহ হ'ল- বিষয়বস্তু ইতিহাস পুৰাণ প্ৰসিদ্ধ, পঞ্চসন্ধিযুক্ত, বিলাস আৰু অভ্যুদয় আদি গুণবিশিষ্ট, নানাবিভূতিযুক্ত, সুখ-দুখৰ অনুভূতিযুক্ত, নানাৰসাশ্ৰিত, পাঁচৰ পৰা দহটা অঙ্কবিশিষ্ট হব লাগে। নাটকৰ নায়ক হব লাগে প্ৰখ্যাত বংশযুক্ত, ধীৰোদাত্ত, প্ৰতাপশালী, গুণবান, ৰাজৰ্ষি, দেৱগুণসম্পন্ন। বীৰ বা শৃঙ্গাৰ ৰস মুখ্য আৰু অন্যান্য সকলো ৰস মুখ্যৰসৰ সহায়কাৰী হৈ থাকিব লাগে। নাটকীয় কাহিনীত মুখ্যভাৱে চাৰি বা পাঁচজন পুৰুষৰ চৰিত্ৰ বৰ্ণনা থাকিব। ৰচনাৰ আকাৰ গৰুৰ নেজৰ আগৰ দৰে হব লাগে।

আগতেই উল্লেখ কৰা হৈছে যে শকুন্তলা নাটকৰ কাহিনীভাগ নাট্যকাৰে মহাভাৰতৰ পৰা লৈছে। মহাভাৰতত উল্লেখ থকা দুষ্যন্ত-শকুন্তলাৰ প্ৰেম কাহিনীক উপজীৱ্য হিচাবে লৈ এখনি সৰ্বাঙ্গসুন্দৰ নাটকৰ সৃষ্টি কৰিছে। নাটকৰ আৰম্ভণীতে পূৰ্বৰঙ্গৰ অঙ্গস্বৰূপ নান্দীশ্লোকেৰে সামাজিকৰ প্ৰতি আৰ্শীৰ্বচনৰ সূচনা কৰিছে। প্ৰস্তাৱনাৰ জৰিয়তে সূত্ৰধাৰে নাটকীয় ঘটনাৰ আভাস দিয়া পৰিলক্ষিত হয়। তাৰ পিছতেই আৰম্ভ হৈছে নাটকৰ প্ৰথম অঙ্ক।

শকুন্তলা নাটকত পাচ প্ৰকাৰৰ অৰ্থ প্ৰকৃতি তথা পঞ্চসন্ধিৰ সম্পূৰ্ণৰূপে উপস্থাপন কৰা হৈছে।  পাঁচ প্ৰকাৰৰ অৰ্থ প্ৰকৃতি হ'ল- বীজ, বিন্দু, পতাকা, প্ৰকৰী আৰু কাৰ্য; আৰু পঞ্চসন্ধি হ'ল- মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ আৰু নিৰ্বহন। অৰ্থপ্ৰকৃতিৰ লগত পঞ্চসন্ধিৰ সংযোগ আছে। সন্ধিৰ অৰ্থ হ'ল সংযোগ। নাটকীয় ঘটনাসমূহ যাতে সংযোগবিহীন নহয় আৰু নাটকৰ লক্ষ্য যাতে একমুখী হয় তাৰবাবে সন্ধিৰ প্ৰয়োজন। নাটকৰ অভীষ্ট লক্ষ্যৰ বিন্যাস, ঘটনাৰ বিস্তৃতি, গোপনীয় বস্তুক গোপনকৈ ৰখা, প্ৰকাশ্য বস্তুক প্ৰকাশ কৰা, দৰ্শকৰ অনুৰাগক উদ্দীপিত কৰা আদি বিভিন্ন কাৰ্যক সুসংবদ্ধভাৱে উপস্থাপন কৰিবলৈ পঞ্চসন্ধি তথা পাঁচ প্ৰকাৰৰ অৰ্থপ্ৰকৃতিৰ প্ৰয়োগ খুবেই প্ৰয়োজন।

নাটকৰ যি অংশত কাৰ্যৰ আৰম্ভণী বৰ্ণনা কৰা হয়, বীজৰ যোজনা থাকে সেয়ে মুখসন্ধি। অভিজ্ঞানমশকুন্তলম্ নাটকৰ প্ৰথম অংকৰ 'উভৌ পৰিক্ৰম্য উপবিষ্টৌ' এই নাটকীয় নিৰ্দেশলৈকে মুখসন্ধি। দুষ্যন্তই কণ্বমুনিৰ আশ্ৰমত প্ৰবেশ কৰাৰ পিছত ঋষি এগৰাকীয়ে ৰজাক শক্তিশালী, ৰাজচক্ৰৱৰ্তী পুত্ৰ লাভ কৰিবলৈ দিয়া অমোঘ আৰ্শীবাদতে নাটকীয় বীজৰ সূচনা হৈছে। এই বীজেই হৈছে মুখসন্ধিৰ সূচনা। দুষ্যন্ত- শকুন্তলাৰ মনত অনুৰাগৰ সঞ্চাৰ আৰু উভয়ৰে মিলনৰ আকাংখাতে মুখসন্ধিৰ সমাপ্তি ঘটিছে। নাটকৰ ২য় অংকত য'ত মুখসন্ধি শেষ হৈছে তাৰ পিছৰ পৰাই প্ৰতিমুখসন্ধি আৰম্ভ হৈছে আৰু ই ৩ য় অংকৰ শেষলৈকে অব্যাহত আছে। প্ৰতিমুখ সন্ধিত মুখ সন্ধিত নিক্ষিপ্ত বীজৰ গঁজালি মেল খায় অথচ বৰকৈ চকুত নপৰে। ৰজা দুষ্যন্তক দুজন ঋষিকুমাৰে আশ্ৰমৰ যজ্ঞৰক্ষাত সহায় কৰিবলৈ অনুৰোধ কৰাত তেওঁ আনন্দেৰে সন্মতি দিয়ে একমাত্ৰ শকুন্তলাৰ পুনৰ্দৰ্শন পাবৰ বাবেই। ৰাজধানীৰ পৰা ৰাজমাতৃয়ে দুষ্যন্তক মাতি পঠিওৱাত তেওঁ বিদূষককে পঠিয়াই দিয়ে আৰু শকুন্তলাৰ কথাটো কেৱল 'পৰিহাসবিজল্পিত' বুলি কয়। গোপনীয় কথা গোপন ৰাখিবলৈ তেওঁ বিশ্বস্ত বন্ধুৰ লগতো শঠতাৰ আশ্ৰয় লয়।

নাটকৰ চতুৰ্থ অংকৰ আৰম্ভণিৰে পৰা পঞ্চম অংকত গৌতমীৰ এটা নিৰ্দেশলৈকে (ইতি তথা কৰোতি) গৰ্ভসন্ধি। প্ৰতিমুখ সন্ধিত অধিকাংশ অংকুৰিত হোৱা বীজৰ য'ত বাৰে বাৰে হ্ৰাস বৃদ্ধি হয় সেয়ে নাটকৰ গৰ্ভসন্ধি। শকুন্তলা নাটকত দুৰ্বাসাৰ অভিশাপ, বিদূষক আৰু আঙুঠিৰ উপাখ্যানকে গৰ্ভসন্ধি হিচাবে স্বীকাৰ কৰা হয়। দুষ্যন্ত আৰু শকুন্তলাৰ গান্ধৰ্ব বিবাহ হোৱাৰ পিছতো মিলনত বাধা আহি পৰে। দুৰ্বাসাৰ অভিশাপেই বাধাৰ প্ৰাচীৰ হিচাবে চিহ্নিত হৈছে আনহাতে আঙুঠিৰ আখ্যান সাঙুৰি পুনৰ মিলনৰ বাট মুকলি কৰা হৈছে।

চতুৰ্থ অংকত উপস্থাপন কৰা দুৰ্ব্বাসাৰ অভিশাপৰ পিচতে আৰম্ভ হৈছে বিমৰ্শ সন্ধি আৰু ষষ্ঠ অংকৰ শেষলৈকে এই সন্ধিৰ বিস্তৃতি আছে। গৰ্ভ সন্ধিত গজালি মেলা বীজ য'ত অধিক পৰিমাণে প্ৰস্ফুটিত হয়, অথচ উপৰুৱা ঘটনা বা কাৰণৰ দ্বাৰা বাধা প্ৰাপ্ত হয় অথবা ফলাগম নহয় তাকেই বিমৰ্শ সন্ধি বোলে। শকুন্তলা আৰু দুষ্যন্তৰ মাজত গান্ধৰ্ব বিবাহ সম্পন্ন হোৱাৰ পিছত কণ্বমুনিৰ আদেশমৰ্মে ৰাজসভাত শকুন্তলা উপস্থিত হয়। কিন্তু দুৰ্ব্বাসাৰ অভিশাপৰ ফলস্বৰূপে ৰজাই শকুন্তলাক পাহৰি যায়। এইখিনিয়েই উক্ত নাটকৰ বিমৰ্শ সন্ধি।

নাটকৰ সপ্তম অংকৰ আৰম্ভণিৰপৰা শেষলৈকে নিৰ্বহন সন্ধি। মুখসন্ধিকে আদি কৰি আন আন সন্ধিত বীজৰ ক্ৰমবিকাশক, প্ৰকাশকৰূপে যথানিয়মে অথচ বিচ্ছিন্নভাৱে উপস্থাপিত বীজাদিৰূপ ইতিবৃত্তাংশক একমাত্ৰ প্ৰধান ফলৰ উপযোগী কৰি য'ত দেখুৱা হয়, সেয়ে নিৰ্বহণ সন্ধি। মাৰীচৰ আশ্ৰমত শকুন্তলাৰ সৈতে দুষ্যন্তৰ মিলনৰ ঘটনাই হ'ল নিৰ্বহণ সন্ধি।

অভিজ্ঞানশকুন্তলম্ নাটকখন শৃংগাৰ ৰস প্ৰধান নাটক। নাট্যকাৰে লগতে আনবিলাক ৰসকো যথাযথভাৱে উপস্থাপন কৰিছে। নায়ক দুষ্যন্ত ধীৰোদাত্ত শ্ৰেণীৰ নায়ক। মহাকবিয়ে ধীৰোদাত্ত শ্ৰেণীৰ নায়কৰ থাকিব লগীয়া সকলোখিনি গুণেৰে বিভূষিত কৰি নায়ক দুষ্যন্তক উপস্থাপন কৰিছে।

নাট্যৰীতি অনুসৰি সংস্কৃত নাটক মিলনান্তক হব লাগে। কালিদাসে অভিজ্ঞানশকুন্তলম্ নাটকখনত বিভিন্ন কাহিনী সংযোজন কৰি এখনি সৰ্বাংগ সুন্দৰ মিলনান্তক নাটক সৃষ্টি কৰিছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

অভিজ্ঞানশকুন্তলম্ নাটকখনত কি কি ৰসৰ প্ৰাবল্য দেখা যায়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

..................................................................

..................................................................

..................................................................

..................................................................

## ২.৬ সংস্কৃত নাট্যসাহিত্যত অভিজ্ঞানশকুন্তলমৰ স্থান

অভিজ্ঞানশকুন্তলম্ নাটকখন মহাকবি কালিদাসৰ অনুপম কৃতি। কোনো অজ্ঞাত কবিয়ে ৰচনা কৰা শ্লোক এটিয়েই এই কথাৰ স্বাক্ষৰ বহন কৰে ঃ 'কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যা শকুন্তলা'। এই নাটকৰ প্ৰশংসা ভাৰতবৰ্ষৰ চাৰিসীমাতে আবদ্ধ হৈ থকা নাই। সমগ্ৰ বিশ্বতে এই নাটকে সমাদৰ লাভ কৰিছে। ভাৰতবৰ্ষৰ সকলো ভাষাতে ইয়াৰ চিন্তা-চৰ্চা হৈছে। দেশ-বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ বাবে এই নাটক পাঠ্যৰূপে পৰিগণিত হৈ আহিছে। আনকি সাধাৰণ পাঠক সমাজৰ বাবেও এই নাটক সমানে আকৰ্ষণীয়।

অভিজ্ঞানশকুন্তলম্ নাটকখন ভালদৰে বিশ্লেষণ কৰিলে সহজেই হৃদয়ংগম কৰিব পাৰি যে নাট্যকাৰে আছিল বহুমুখী শাস্ত্ৰজ্ঞানসম্পন্ন লোক। ভাৰতীয় ধৰ্ম-দৰ্শন-সাহিত্য-সংস্কৃতি-সংগীত-চিত্ৰকলা-সুকুমাৰ কলা আদি সকলো বিষয়তে কালিদাস অভিজ্ঞ আছিল। তেওঁ তেওঁৰ পূৰ্ববৰ্তী নাট্যকাৰসকলৰ নাট্য-কাব্যসমূহ যথাযথভাৱে অধ্যয়ন কৰিহে নিজৰ ৰচনা আৰম্ভ কৰিছিল। নাট্যশাস্ত্ৰৰ সকলো ৰীতি-নীতি, নাটকীয় কৌশল অনুসৰণ কৰি মহাকবি কালিদাসে ৰচনা কৰিছিল এই নাটকখন। আনহাতে নাটকীয় উপাদানখিনি বাদ দি এখনি কাব্য হিচাবেও যদি এই নাটকখনৰ মান বিচাৰ কৰা হয় তথাপিও ইয়াৰ সৌন্দৰ্যৰ অকণমানো দীন-দেঢ়ি নহয়।

অভিজ্ঞানশকুন্তলম্ নাটখন মহাকবি কালিদাসৰ অসামান্য নৈসৰ্গিক প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন। সেইকাৰণে কোৱা হৈছে যে-

*" কালিদাসস্য সৰ্বস্বমভিজ্ঞানশকুন্তলম্।*
*তত্ৰৈৰাপি চতুৰ্থোঽঙ্কঃ যত্ৰ যাতি শকুন্তলা।।"*

মহাভাৰত তথা পদ্মপুৰাণত থকা উকা কাহিনীটোকে মহান শিল্পী কালিদাসে অভিনৱ পৰিকল্পনাৰে, সুমধুৰ বৈচিত্ৰ্যৰে সম্পাদনা কৰিছে। সমগ্ৰ সংস্কৃত নাট্য সাহিত্যত এই নাটকখনে এক যুগমীয়া স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে। সংস্কৃত নাট্য সাহিত্য বুলি ক'লেই পোন প্ৰথমতে 'অভিজ্ঞানশকুন্তলম্'ৰ কথাই পাঠকৰ মনলৈ আহে।

নায়ক দুষ্যন্ত আৰু নায়িকা শকুন্তলাৰ প্ৰণয় কাহিনী নাটখনৰ মূল উপজীব্য। কালিদাস সৌন্দৰ্য্যৰ উপাসক, আনন্দলোকৰ স্ৰষ্টা। তেওঁৰ ৰচনাত প্ৰতিটো চৰিত্ৰই নতুনকৈ প্ৰাণ-প্ৰাচুৰ্য লাভ কৰি আটকধুনীয়াকৈ প্ৰস্ফুটিত হৈছে। নিজৰ অপূৰ্ব প্ৰতিভাৰে মহাকবি জনে মনস্বিনী অনসূয়া আৰু ৰাংধালী প্ৰিয়ম্বদাৰ দৰে দুজনী সুমুখী সখী, মাধব্যৰ দৰে ৰসিক বিদূষক, দুৰ্বাসাৰ দৰে ক্ৰোধী ঋষি, সানুমতীৰ দৰে সহৃদয় অপেস্বৰী সখী, দেৱগুৰু মাৰীচ, দেৱজননী অদিতি আদি চৰিত্ৰ অংকন কৰিছে। নায়ক দুষ্যন্ত অতি সুন্দৰ, তেওঁ প্ৰণয়ী, প্ৰিয়ভাষী আৰু সততে কতৰ্ব্যপৰায়ণ। আনহাতে স্বভাৱ সুন্দৰী শকুন্তলা আপোনভোলা স্বীয়া মুগ্ধা নায়িকা।

কালিদাসৰ ‘অভিজ্ঞানশকুন্তলম্’ স্বৰ্গ আৰু মৰ্ত্যৰ মিলন ক্ষেত্ৰ। জাৰ্মান কবি গ্যেটেৰ ভাষাত ‘কোনোবাই যদি বসন্তৰ ফুল আৰু শৰতৰ ফল, কোনোবাই যদি সৰগ-মৰত একেলগে চাব খোজে, তেনেহ’লে শকুন্তলা নাটকতে পাব’। কালিদাসে দুষ্যন্ত আৰু শকুন্তলাৰ জীৱনত দুৰ্বাসাৰ অভিশাপ ৰূপ একুৰা খাণ্ডৱদাহী দাবালন জ্বলাই, বিৰহৰ জুইত কামনাৰ পঙ্কিলতা পুৰি ছাই কৰি, পাৰ্থিৱ প্ৰেমক সুন্দৰ, সত্য আৰু শাশ্বত স্তৰলৈ ৰূপান্তৰিত কৰিলে। শকুন্তলা নাটকখনত এই বিৰহ নাথাকিলে ৰস সৃষ্টিও অসম্পূৰ্ণ হৈ পৰিলেহে’তেন। নাটকখনত যৌৱন মতলীয়া দেহজ প্ৰেমৰ সলনি ক্ৰিয়া কৰিছে আত্মাৰ প্ৰেমে।

নাটকখনত কালিদাসে পৰিৱেশ সৃষ্টি কৰাত বেছি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। গতানুগতিক প্ৰেমৰ পৰিবৰ্তে কবিয়ে তপোবনৰ যুৱতী শকুন্তলাৰ প্ৰেমৰ কাহিনী অংকন কৰিছে। তেওঁৰ নাটখন আৰম্ভ হৈছে তপোবনত আৰু শেষো হৈছে তপোবনতে। প্ৰকৃতিৰ বৰ্ণনাও কবিৰ অনুপম। কোনো কবিয়েই কালিদাসৰ দৰে প্ৰকৃতিক ইমান প্ৰাণৱন্ত কৰি তুলিব পৰা নাই। তপোবনৰ প্ৰকৃতিৰ প্ৰত্যেকটো উপাদানেই সজীৱ আৰু শকুন্তলাৰ লগত একেডাল সূতাৰে বান্ধ খোৱা। প্ৰকৃতিক বাদ দি শকুন্তলাৰ কল্পনাই অসম্ভৱ।

ভাষাৰ প্ৰয়োগ আৰু দৃশ্যসজ্জাৰ ক্ষেত্ৰত ‘অভিজ্ঞানশকুন্তলম্’ অতুলনীয়। নাটকখনত সংস্কৃত, উচ্চস্তৰৰ প্ৰাকৃত আৰু নিম্নস্তৰৰ প্ৰাকৃত এই তিনি প্ৰকাৰৰ ভাষা প্ৰয়োগ কৰা হৈছে। দৃশ্য-সজ্জাৰ ক্ষেত্ৰতো কালিদাসে উচ্চস্তৰৰ কৌশল প্ৰয়োগ কৰিছে। নাটকখনত এনেকুৱা এটা দৃশ্য নাই যিটোত আকৰ্ষণ আৰু মনোৰঞ্জনৰ অভাৱ আছে। শকুন্তলা নাটকৰ প্ৰত্যকটো দৃশ্যই আকৰ্ষণীয় আৰু হৃদয়স্পৰ্শী।

কালিদাসে সমাজৰ কোনো গম্ভীৰ সমস্যা বা জীৱনৰ সমস্যা আলোচনা কৰা নাই, বৰঞ্চ প্ৰেমৰ পবিত্ৰতাৰ কথাহে আলোচনা কৰিছে। ‘অভিজ্ঞানশকুন্তলম্’ নাটকৰ প্ৰধান উদ্দেশ্য হৈছে ভাৰতীয় নাৰীৰ আদৰ্শ অংকন কৰা। কালিদাস কলাবিদ, তেওঁৰ প্ৰত্যেক নাটকতে গীত, নৃত্য তথা চিত্ৰাঙ্কন আদিৰ সম্ভেদ পোৱা যায়। আজিও মহাকবি কালিদাসে বিশ্ব সাহিত্যত এখন মহান স্থান অধিকাৰ কৰি আহে। ভৱভূতিৰ ‘উত্তৰৰামচৰিত’ নাটকত কৰুণ ৰসৰ প্ৰয়োগেৰে তথা নাট্যকাৰ শূদ্ৰকে ‘মৃচ্ছকটিকম্’ নাটকত অগতানুগতিক বাস্তৱ পটভূমি প্ৰয়োগেৰে জনপ্ৰিয়তা অৰ্জন কৰিলেও, কাসিদাসৰ ‘অভিজ্ঞানশকুন্তলমে জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰিবলৈ সক্ষম হৈছে। সেইকাৰণে কোৱা হৈছে যে, কালিদাসতকৈ আৰু শ্ৰেষ্ঠ কবি নাই (ন কালিদাসাদ্ অপৰ কবীন্দ্ৰ)

**আত্মমূল্যায়নৰ প্ৰশ্ন**

সংস্কৃত নাট্যসাহিত্যত অভিজ্ঞানশকুন্তলম্ নাটকখনে কি কি দিশত প্ৰভাৱ পেলাইছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................................

.................................................................

.................................................................

.................................................................

## ২.৭ সাৰাংশ (Summing Up)

মহাকবি কালিদাসৰ ‘অভিজ্ঞানশকুন্তলম্’ এখন অনন্য সৃষ্টি। স্বকীয় নাট্য অভিব্যঞ্জনাৰে কালিদাসে এই নাটখনক বিশ্বসাহিত্যত অন্যতম স্থানত উপনীত কৰাইছে। সপ্ত অংক বিশিষ্ট এই নাটখনত ৰজা দুষ্যন্তক এগৰাকী আদৰ্শ নায়কৰূপে উপস্থাপন কৰাৰ লগতে কণ্বৰ দুহিতা শকুন্তলাক এগৰাকী লাৱণ্যময়ী, চপল ৰমণীয়া নায়িকা ৰূপে কালিদাসে অংকিত কৰিছে। শকুন্তলা, অমিত প্ৰভাৱ বিশ্বামিত্ৰ আৰু অনিন্দ্যাসুন্দৰী স্বৰ্গ গণিকা মেনকাৰ মধুৰ মিলনত উদ্ভৱ। স্বৰ্গ আৰু মৰ্ত্যৰ অপূৰ্ব সমন্বয়ৰ অভিনৱ ফল শকুন্তলা। সেইদেখি, শকুন্তলাৰ ৰূপ লাৱণ্যত অভিভূত হৈ জাৰ্মান কবি গ্যেটেই এনেদৰে মন্তব্য কৰিছে-

*"Wouldst thou the young years' blossom*
*and the fruits of its decline,*
*and all by which the soul is charmed, enraptured*
*feasted and fed?*
*Wouldst thou the earth and heaven*
*itself in one sole name combine,*
*I name thee, O Sukuntala! and all at once is said".*

কালিদাসে নাটকখনত দুৰ্বাসাৰ অভিশাপৰ জৰিয়তে সংঘাত সৃষ্টি কৰি নাটখনক অমৰত্ব প্ৰদান কৰিছে। শকুন্তলা আদৰ্শ নাৰী, কিন্তু আদৰ্শ তাপসী নহয়। গতিকে সাধাৰণ নাৰী হিচাপে তেওঁৰ মনত উদয় হোৱা প্ৰেমক কালিদাসে স্বৰ্গীয় প্ৰেমলৈ ৰূপান্তৰিত কৰিছে। নাটকখনৰ নাট্যৰীতি অসাধাৰণ। নান্দীৰে আৰম্ভ কৰি ভৰতবাক্যৰে নাটখনৰ সামৰণি ঘটোৱা হৈছে। সমগ্ৰ সংস্কৃত নাট্যসাহিত্যত এই নাটখনক শ্ৰেষ্ঠ হিচাপে ঘোষণা কৰা হৈছে। ‘অভিজ্ঞানশকুন্তলম্’ নাটখন ভাৰতৰ বিভিন্ন ভাষাকে আদি কৰি বিভিন্ন পাশ্চাত্য ভাষাতো অনূদিত হৈছে।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) কালিদাসৰ নাট্য প্ৰতিভাৰ যথাযথ পৰিচয় দিয়ক।
২) ‘অভিজ্ঞানশকুন্তলম্’ নাটখনৰ বিষয়বস্তুৰ বিষয়ে সংক্ষেপে আলোচনা কৰক।
৩) ‘অভিজ্ঞানশকুন্তলম্’ নাটখনৰ মূল উৎস কি? এইক্ষেত্ৰত কালিদাসৰ স্বকীয় অভিযোজনা সম্পৰ্কে আলোচনা কৰক।
৪) ‘সংস্কৃত নাট্য সাহিত্যত অভিজ্ঞানশকুন্তলমে শ্ৰেষ্ঠ স্থান অধিকাৰ কৰিছে’- যুক্তি সহকাৰে আলোচনা কৰক।

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


থানেশ্বৰ শৰ্মা ঃ *অভিজ্ঞানশকুন্তলম্- এক সমীক্ষা*
গদাধৰ দেৱ শৰ্মা ঃ *শ্ৰেষ্ঠ ৰূপকত্ৰয়*
কামাখ্যা চৰণ ভাগৱতী ঃ *সংস্কৃত নাট্য সাহিত্য*
দেবেন্দ্ৰনাথ বসু ঃ *শকুন্তলায় নাট্যকলা*
অতুলচন্দ্ৰ হাজৰিকা (অনু.) ঃ *অভিজ্ঞানশকুন্তলম্*
লম্বোদৰ বৰা (অনু.) ঃ *অভিজ্ঞানশকুন্তলম্*
মুকুন্দ মাধৱ শৰ্মা ঃ *উপমা কালিদাসস্য*
R.M. Bose (ed.) : *Abhijnana Sukuntalam*


* * *

## তৃতীয় বিভাগ
# অভিজ্ঞানশকুন্তলমৰ পাঠগত পৰ্যালোচনা

**বিভাগৰ গঠন**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ সাৰাংশ (অংক অনুসৰি)
৩.৪ নৈসৰ্গিক বৰ্ণনা
৩.৫ চৰিত্ৰ চিত্ৰণ
৩.৬ সাহিত্যিক সমীক্ষা
৩.৭ চতুৰ্থ অংকৰ বৈশিষ্ট্য
৩.৮ সাৰাংশ (Summing Up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ৩.১ ভূমিকা (Introduction)

মহাকবি কালিদাসৰ অমৰ সৃষ্টি 'অভিজ্ঞানশকুন্তলম্'। মহাভাৰতৰ সুবিখ্যাত দুষ্যন্ত আৰু শকুন্তলাৰ আখ্যানক উৎস হিচাপে লৈ কালিদাসে সপ্ত অংক বিশিষ্ট 'অভিজ্ঞানশকুন্তলম্' নাটকখন ৰচনা কৰে। নাটকখনৰ প্ৰথম চাৰিটা অংক সম্পাদন হয় মালিনী নদীৰ পাৰত অৱস্থিত কাশ্যপ গোত্ৰীয় কণ্ব মুনিৰ আশ্ৰমত, পিছৰ দুটা অংকৰ পটভূমি হৈছে হস্তিনাপুৰ আৰু শেষৰ অংকটো সম্পাদন হৈছে হেমকূট পৰ্বতত থকা মাৰীচৰ আশ্ৰমত। তপোবনত আৰম্ভ হোৱা নাটকীয় কাহিনী তপোবনতে সমাপ্ত হৈছে।

নাটকখনৰ প্ৰথম অংকত নান্দীশ্লোক গোৱাৰ পিছতে সূত্ৰধাৰে গ্ৰীষ্মকালৰ বিষয়ে এটি গীত গাই দৰ্শক সকলৰ মনত আনন্দ যোগাবলৈ নটীক নিৰ্দেশ দিয়ে। সূত্ৰধাৰে নাটকৰ নাম আৰু নাট্যকাৰৰ নাম ঘোষণা কৰে। তাৰ পাছতে মৃগানুসাৰী দুষ্যন্তক মঞ্চত প্ৰৱেশ কৰোৱাই সূত্ৰধাৰে ৰঙ্গমঞ্চ ত্যাগ কৰে। এনেদৰে প্ৰস্তাৱনা শেষ হোৱাৰ পিছতে ৰজা দুষ্যন্ত বাণযুক্ত ধনু হাততলৈ মৃগ এটি লক্ষ্য কৰি বাণ নিক্ষেপ কৰিবলৈ লওতে আশ্ৰমবাসী মুণিকণ্বৰ শিষ্য এজনে বাধা প্ৰদান কৰে। তাৰ পিচতে এই অংকটোত শকুন্তলা সহিতে তিনিগৰাকী তাপস কন্যাৰ প্ৰৱেশ ঘটে। দ্বিতীয় অংকত ৰজাই বিদূষকৰ লগত শকুন্তলা সম্বন্ধে কথা পাতে। মহৰ্ষি কণ্বৰ অনুপস্থিতিত আশ্ৰমত যজ্ঞ সুন্দৰ ৰূপে সম্পন্ন হোৱাত সহায় কৰিবলৈ ঋষিকুমাৰ সকলে ৰজাক অনুৰোধ কৰে। এইফালে ৰাজমাতাইও ৰজা দুষ্যন্তক নিজৰ ৰাজ্যলৈ মাতি পঠিয়াইছে। ৰজাই প্ৰত্যুতপন্নমতিৰে বিদূষকক ৰাজ্যলৈ পঠিয়াই দি নিজে আশ্ৰমতে থাকিল। তৃতীয় অংকত শকুন্তলাৰ প্ৰতি ৰজা আসক্ত হৈ পৰে আৰু গান্ধৰ্ব বিবাহৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। চতুৰ্থ অংকত শকুন্তলা আৰু দুষ্যন্তৰ গান্ধৰ্ব বিবাহৰ বিষয়ে জানিব পৰা যায়। দুৰ্বাসাৰ অভিশাপো এই অংকটোৰ এক উল্লেখযোগ্য সংযোজন। শকুন্তলাৰ পতিগৃহৰ যাত্ৰাৰ বৰ্ণনাও এই অংকটোৰ অন্যতম বৈশিষ্ট্য। পঞ্চম অংকৰ ঘটনাৰ পটভূমি হস্তিনাপুৰ। শকুন্তলা ৰাজসভাত উপস্থিত হয় আৰু গৌতমীয়ে গান্ধৰ্ব প্ৰথামতে বিবাহ কৰোৱা শকুন্তলাক গ্ৰহণ কৰিবলৈ ৰজাক অনুৰোধ জনায়। দুৰ্বাসাৰ অভিশাপৰ কাৰণে ৰজাই শকুন্তলাক চিনিব নোৱাৰি প্ৰত্যাখান কৰে। এনেকুৱা দুখৰ

অৱস্থাত শকুন্তলাক এক স্বৰ্গীয় জ্যোতিয়ে তুলি লৈ শূণ্যত বিলীন হৈ পৰে। ষষ্ঠ অংকত শকুন্তলাক দিয়া দুষ্যন্তৰ নামাংকিত আঙঠিটো মাছমৰীয়াৰ পৰা ৰজাৰ হাতত পৰিলহি। আঙঠিটোৰ জৰিয়তে শকুন্তলাক স্মৰণ হোৱাৰ পিছত ৰজা শোকত কাতৰ হৈ পৰে। গৰ্ভৱতী শকুন্তলাক প্ৰত্যাখান কৰা বাবে তেওঁৰ অন্তৰ শোক সাগৰত বুৰ যায়। সপ্তম অংকত দুষ্যন্তৰ স্বৰ্গ অভিযানৰ বিষয়ে জনা যায়। মাতলিয়ে পৰিচালনা কৰা ইন্দ্ৰৰ ৰথত উঠি তেওঁ মৰ্তলৈ যাত্ৰা কৰে। তেওঁ মাৰীচৰ আশ্ৰমত উপস্থিত হয় আৰু বালক এজনৰ গাত চক্ৰৱৰ্তী ৰজাৰ বত্ৰিশটা লক্ষণ দেখিবলৈ পায়। শেষত পুত্ৰৰ পৰিচয় পাই শকুন্তলাৰ সৈতে পুনৰ্মিলন হয়।

নাটকখনৰ নৈসৰ্গিক বৰ্ণনা অতি মনোৰম। প্ৰকৃতিক মানবীয় ৰূপত কালিদাসে ইয়াত উপস্থাপন কৰিছে। প্ৰকৃতিৰ সৈতে মানুহৰ জীৱন অভিন্ন। নাটকখনত প্ৰকৃতিক এক সাৱলীল উপাদান হিচাপে প্ৰয়োগ কৰা হৈছে। চতুৰ্থ অংকত শকুন্তলাৰ বিদায় ক্ষণত, তেওঁৰ দ্বাৰা পালিত হোৱা হৰিণৰ পোৱালিটোৰ দুঃখাৰ্ত পৰিবেশেও দৰ্শকৰ অন্তৰ আন্দোলিত কৰি তোলে। নাটকখনৰ চৰিত্ৰসমূহৰ চিত্ৰণ অতি মনোমোহা। নায়ক দুষ্যন্ত ধীৰোদাও, ওজস্বী; আনহাতে নায়িকা শকুন্তলা অতি লাজুকী, স্বভাৱ-কোমলা। বিদূষককে আদি কৰি অন্যান্য চৰিত্ৰ সমূহৰ অংকনো কালিদাসে যথাযথ ভাৱে কৰিছে।

উপমা অলংকাৰৰ প্ৰয়োগত কালিদাস সিদ্ধহস্ত। তেওঁৰ 'অভিজ্ঞানশকুন্তলম্' নাটখনত উপমা অলংকাৰৰ উপৰিও অন্যান্য অলংকাৰ সমূহেও যথাযোগ্য স্থান লাভ কৰিছে। বিভিন্ন ছন্দৰ প্ৰয়োগেৰে নাট সুন্দৰ ভাৱে উপভোগ্য হৈছে। শৃংগাৰ ৰস প্ৰধান নাটকখনে দৰ্শকৰ মন অতিশয়ভাৱে আনন্দিত কৰিব পাৰিছে। নান্দী, ভৰতবাক্য আদিৰ প্ৰয়োগ কৰাৰ উপৰিও পঞ্চসন্ধিৰ সফল প্ৰয়োগ নাটকখনত দেখিবলৈ পোৱা যায়। অতি প্ৰাকৃতিক উপাদান সমূহেও নাটখনত সোণতে সুৱগা চৰাইছে। নাটখনৰ চতুৰ্থ অংকক শ্ৰেষ্ঠ অংক হিচাপে সমালোচক সকলে ঘোষণা কৰিছে। এই অংকটোত পতিগৃহলৈ যাবলৈ ওলোৱা শকুন্তলাৰ প্ৰতি কণ্বই দিয়া উপদেশাৱলী ভাৰতীয় সমাজত প্ৰচলিত জীৱনধাৰাৰ উল্লেখযোগ্য প্ৰতিচ্ছৱি।

## ৩.২ উদ্দেশ্য (Objectives)

'অভিজ্ঞানশকুন্তলম্' নাটখনৰ পাঠগত পৰ্যালোচনা নামৰ বিভাগটো অধ্যয়ন কৰি আপুনি-

- নাটকখনৰ অংকসমূহৰ সাৰাংশ জানিব পাৰিব
- নাটকখনৰ নৈসৰ্গিক বৰ্ণনাৰ বিষয়ে অৱগত হ'ব পাৰিব
- চৰিত্ৰসমূহৰ বৈশিষ্ট্য সমূহৰ বিষয়ে জ্ঞান লাভ কৰিব
- নাটকখনত প্ৰয়োগ হোৱা ছন্দ, অলংকাৰ, ৰস আদিৰ বিষয়ে জানিব পাৰিব
- নাটকখনৰ চতুৰ্থ অংকটোৰ শ্ৰেষ্ঠতাৰ বিষয়ে অবগত হ'ব পাৰিব।

## ৩.৩ সাৰাংশ (অংক অনুসৰি)

**প্ৰথম অংক ঃ** নান্দী শ্লোকত অষ্টমূৰ্তি শিৱৰ স্তুতি কৰাৰ পিছতে প্ৰস্তাৱনা আৰম্ভ হয়। শ্ৰোতা-দৰ্শকসকলৰ জ্ঞাতাৰ্থে সূত্ৰধাৰে নাটক আৰু নাট্যকাৰৰ নাম ঘোষণা কৰে। তাৰ পিছত কৌশলেৰে হৰিণা এটি অনুসৰণ কৰি অহা ৰথাৰোহী ৰজা দুষ্যন্তক দৰ্শকৰ আগত পৰিচয় কৰাই সূত্ৰধাৰে মঞ্চ পৰিত্যাগ কৰে। প্ৰস্তাৱনা অন্ত পৰাৰ পিছতেই মূল অংক আৰম্ভ হয়। প্ৰথম অংকত মৃগয়াৰ্থী ৰজা দুষ্যন্ত কণ্ব মুনিৰ আশ্ৰমত প্ৰৱেশ কৰে আৰু প্ৰথমে মুখামুখি হয় আশ্ৰমৰ

তপস্বী বৈখানসৰ লগত। তেওঁ ৰজাক আশ্ৰমদৰ্শনাৰ্থে আমন্ত্ৰণ জনায়। আশ্ৰমৰ উদ্যানত ৰজাই ফুলত পানী দি থকা অৱস্থাত অনসূয়া, প্ৰিয়ম্বদা আৰু শকুন্তলাক দেখা পায়। গছৰ আঁৰৰ পৰা ৰজাই তিনিওগৰাকীৰ কথা-বতৰাৰ প্ৰতি কাণ দিয়ে। হঠাতে ভোমোৰা এটা আহি শকুন্তলাক ত্ৰাসিত কৰাত ৰজাই তেওঁক ৰক্ষা কৰাৰ অজুহাততে গছৰ আঁৰৰ পৰা ওলাই আহে। তেওঁলোকৰ লগত কথা পাতি ৰজাই শকুন্তলাৰ বিষয়ে যথোচিত তথ্য লাভ কৰে। হঠাতে আশ্ৰমত মতলীয়া হাতী এটা ওলোৱা সংবাদ প্ৰচাৰ হোৱাত আশ্ৰম কন্যাসকল কুটীৰলৈ যায়। ৰজাইও বিষাদমনেৰে সেই ঠাই পৰিত্যাগ কৰি নিজৰ বাহৰলৈ যায়।

**দ্বিতীয় অংক ঃ** দ্বিতীয় অংকত বিদূষকে স্বগতোক্তিৰ জৰিয়তে ৰজা দুষ্যন্তৰ আগদিনাখনৰ মৃগয়াৰ বৰ্ণনা দাঙি ধৰে লগতে নিজৰ শাৰীৰিক অসুস্থতাৰ কথাও কয়। তেওঁ ৰজাক মৃগয়াৰ পৰা এদিনলৈ হলেও বিৰত থাকিবলৈ অনুৰোধ কৰে। ৰজাইয়ো তাকে বিচাৰিছিল। মৃগয়া বন্ধ কৰি ৰজাই বিদূষকক শকুন্তলাৰ প্ৰতি ওপজা প্ৰেমানুৰাগৰ কথা বৰ্ণনা কৰে আৰু আশ্ৰমলৈ পুনৰ যোৱাৰ ইচ্ছা প্ৰকাশ কৰে। ঠিক সেই সময়তে আশ্ৰমৰ তপস্বীসকলে ৰজাক আশ্ৰমত কিছুদিন থাকি যজ্ঞ বিঘ্নিত কৰিব খোজা ৰাক্ষস সকলক নিধন কৰিবলৈ আমন্ত্ৰণ কৰে। ৰজাই সেই আমন্ত্ৰণ গ্ৰহণ কৰে। কিন্তু সেই একে সময়তে ৰাজধানীৰ পৰা ৰাজমাতাই ব্ৰতোপবাসৰ পাৰণ পৰ্বত ৰজাক উপস্থিত থাকিবলৈ দূতমুখে খবৰ পঠিয়ায়। ৰজা নিজে ৰাজধানীলৈ নগৈ বিদূষককে ৰাজমাতাৰ ওচৰলৈ পঠিয়াই দিয়ে। বিদূষকে যাতে ৰাণী বসুমতীৰ আগত শকুন্তলাৰ কথা নকয় তাৰ বাবে ৰজাই বিদূষকক প্ৰেমৰ কাহিনীটো ধেমালিতে কোৱা বুলি কয়।

**তৃতীয় অংক ঃ** তৃতীয় অংকৰ আৰম্ভণিতে থকা বিষ্কম্ভকৰ পৰা গম পোৱা যায় যে শকুন্তলা দুষ্যন্তৰ প্ৰেমত আসক্তা হৈছে আৰু তাৰ ফলত তেওঁৰ মনত আৰু শৰীৰত বিকাৰ ঘটিছে। মূল অংকত ৰজাই শকুন্তলাক উদ্যানত বিচাৰি ফুৰা দেখা যায়। অৱশেষত এক লতাকুঞ্জত অনসূয়া আৰু প্ৰিয়ম্বদাৰ সৈতে শকুন্তলাক দেখা পায় আৰু গছলতিকাৰ আৰৰ পৰা তেওঁলোকৰ কথা বতৰা শুনে। শকুন্তলাৰ মনৰ বতৰা পোৱাৰ পিছত দুষ্যন্তই আত্মপ্ৰকাশ কৰে। দুষ্যন্ত আৰু শকুন্তলাৰ মাজত মিলনৰ সুবিধা দি দুই সখী তাৰ পৰা আঁতৰি যায়। ৰজাই শকুন্তলাক গান্ধৰ্ব বিবাহৰ প্ৰস্তাৱ দিয়ে। শকুন্তলাই নিজকে পৰাধীন বুলি কৈ ফালৰি কাটে। এই সময়তে গৌতমী আহি পোৱাত শকুন্তলাই ৰজাৰ ওচৰৰ পৰা বিদায় মাগে।

**চতুৰ্থ অংক ঃ** চতুৰ্থ অংকৰ আৰম্ভণীতে বিষ্কম্ভকৰ জৰিয়তে গম পোৱা যায় যে দুষ্যন্ত আৰু শকুন্তলাৰ ইতিমধ্যে গান্ধৰ্ব প্ৰথামতে বিবাহ সম্পন্ন হৈ গৈছে। আনহাতে আশ্ৰমত ইষ্টিযজ্ঞ সুকলমে সম্পাদন হোৱাৰ পিছত তপস্বীসকলে ৰজাক বিদায় দিছে। কেইদিনমানৰ পিছতে শকুন্তলাক নিবলৈ ৰাজধানীৰপৰা মানুহ আহিব বুলি কৈ ৰজাই শকুন্তলাৰ পৰা বিদায় মাগে। এনেতে এদিন আশ্ৰমলৈ দুৰ্ব্বাসা মুনিৰ আগমন হয়। দুষ্যন্তৰ চিন্তাত নিমগ্ন হৈ থকা শকুন্তলাই দুৰ্ব্বাসা মুনি অহাৰ কথা গমকে নাপালে। শকুন্তলাৰ পৰা আতিথ্য সমাদৰ নোপোৱাত দুৰ্বাসাই এনেদৰে অভিশাপ দিলে যে "যাৰ চিন্তাত তন্ময় হৈ তই অতিথিক অপমান কৰিছ, উচিত সময়ত তেওঁ তোক পাহৰি যাব।" অনসূয়াই ঋষিক শকুন্তলাৰ দোষ ক্ষমা কৰিবলৈ কাকুতি-মিনতি কৰাত ঋষিয়ে অভিজ্ঞান প্ৰদৰ্শন কৰিলে পাপমোচন হব বুলি কৈ আশ্ৰম ত্যাগ কৰে। দুয়োজনীয়ে দুৰ্বাসাৰ অভিশাপৰ কথা শকুন্তলাক নজনালে। ইতিমধ্যে কণ্বমুনি সোমতীৰ্থৰ পৰা আশ্ৰমলৈ উভটি আহে। যোগবলেৰে শকুন্তলা উপযুক্ত পাত্ৰৰে সৈতে বিয়া হৈ অন্তঃসত্ত্বা হোৱা কথা জানিব পাৰি কণ্বমুনিয়ে শকুন্তলাক পতিগৃহলৈ পঠিয়াবলৈ আয়োজন কৰে। সখীসৰেও শকুন্তলাক সজাই পৰাই উলিয়াই পঠিয়ায়। লগতে শকুন্তলাক ৰজাই চিনি নাপালে

আঙুঠিটো দেখুৱাবলৈ কয়। শাঙ্গৰ্ৰৱ, শাৰদ্বত আৰু গৌতমীৰে সৈতে শকুন্তলা হস্তিনাপুৰলৈ যাত্ৰা কৰে।

**পঞ্চম অংক ঃ** পঞ্চম অংকত শকুন্তলাৰ সৈতে আশ্ৰমবাসী তপস্বী সকলে হস্তিনাপুৰৰ ৰাজদৰবাৰত উপস্থিত হয়। ৰজা দুষ্যন্তই ৰাজ পুৰোহিতৰ সৈতে উপস্থিত হয়। ৰজা দুষ্যন্তই ৰাজ পুৰোহিতৰ সৈতে আশ্ৰমবাসীসকলক সাক্ষাৎ কৰে। তপস্বীসকলে ৰজাক শকুন্তলাক গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে। কিন্তু দুৰ্বাসাৰ অভিশাপৰ ফলত ৰজাই শকুন্তলাৰ কথা মনত পেলাব নোৱাৰিলে। সখীয়েকহতে সঁকিয়াই দিয়া কথা মনত পেলাই শকুন্তলাই ৰজাক আঙুঠি প্ৰদৰ্শন কৰিব বিচাৰিলে যদিও সময়ৰ মুৰকত আঙুঠি বিচাৰি নাপালে। কাৰণ আশ্ৰমৰপৰা আহোতে সেইটো গঙ্গাত পৰি যায়। ৰজা আৰু আশ্ৰমবাসীৰ মাজত যথেষ্ট বাক-বিতণ্ডা হোৱাৰ পিছত শকুন্তলাক ৰাজদৰবাৰতে এৰি থৈ গৌতমী আৰু তপস্বীসকল গুচি যায়। ৰাজপুৰোহিতে শকুন্তলাক নিজৰ ঘৰতে ৰাখিম বুলি লৈ যোৱাৰ সময়তে অলৌকিক ভাৱে এক অপূৰ্ব জ্যোতিয়ে শকুন্তলাক ওপৰলৈ তুলি লৈ যায়।

**ষষ্ঠ অংক ঃ** ষষ্ঠ অংকৰ আৰম্ভণীতে প্ৰৱেশকৰ পৰা গম পোৱা যায় যে মাছমৰীয়া এজনে ৰজাৰ নামাঙ্কিত আঙুঠি নগৰত বেছিবলৈ অনাত সেই আঙুঠি ৰজাৰ হাতত পৰে। সেই আঙুঠিয়ে ৰজাৰ মনত শকুন্তলাৰ স্মৃতি জাগৰিত কৰে। মূল অংকত শকুন্তলাৰ বিৰহত ৰজাক প্ৰায় উন্মাদপ্ৰায় অৱস্থাত দেখা যায়। ৰাজ্যত হবলগীয়া বসন্তোৎসৱ বন্ধ কৰি দুখত ম্ৰিয়মাণ হৈ থকা অৱস্থাত ইন্দ্ৰৰ সাৰথি মাতলিয়ে ইন্দ্ৰৰ শত্ৰু নিধনৰ বাবে ৰজাক নিবলৈ আহে। দুষ্যন্তইও মাতলিৰ ৰথত উঠি ইন্দ্ৰৰ সাহায্যাৰ্থে স্বৰ্গ অভিমুখে যাত্ৰা কৰে। সানুমতীৰ বৃত্তান্ত এই অংকতেই সংযুক্ত হৈছে।

**সপ্তম অংক ঃ** সপ্তম অংকত ৰজাই স্বৰ্গ অভিযান সাফল্যমণ্ডিত কৰি মাতলিৰ ৰথত উঠি পৃথিৱী অভিমুখে যাত্ৰা কৰে। বাটতে হেমকূট পৰ্বতত নামি মাৰীচ আৰু অদিতিৰ আশ্ৰমত উপস্থিত হয়। আশ্ৰমত সোমাইয়ে ৰজাই প্ৰথমতে খেলি থকা অৱস্থাত পুত্ৰ সৰ্বদমনক লগ পায়। সৰ্বদমনৰ লগত থকা পৰিচাৰিকা গৰাকীৰ পৰা সৰ্বদমনক পুৰুবংশৰ ল'ৰা বুলি গম পায়। তেনেতে শকুন্তলা আহি উপস্থিত হয়। ৰজাই বিনীতভাৱে শকুন্তলাৰ ওচৰত নিজৰ ভুলৰ বাবে ক্ষমা বিচাৰে। মাতলিয়ে পত্নী-পুত্ৰৰ সৈতে ৰজাক মাৰীচ আৰু অদিতিৰ ওচৰলৈ লৈ যায়। মাৰীচে ৰজাক দুৰ্বাসাৰ অভিশাপৰ ৰহস্য ভেদ কৰে। মাৰীচ আৰু অদিতিৰ আৰ্শীবাদ লৈ ৰজা দুষ্যন্তই পুত্ৰ পৰিবাৰৰে সৈতে মাতলিৰ ৰথত উঠি হস্তিনাপুৰলৈ যাত্ৰা কৰে। মাৰীচে দুষ্যন্ত আৰু শকুন্তলাৰ পুনৰ্মিলনৰ বতৰা দিবলৈ কণ্বমুনিৰ ওচৰলৈ দূত পঠিয়ায়। ভৰতবাক্য গোৱাৰ পিছত নাটকৰ সমাপ্তি ঘটে।

**আত্মমূল্যায়ন প্ৰশ্ন**

'অভিজ্ঞানশকুন্তলম্' নাটকৰ কথাবস্তু কি? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....................................................................

.....................................................................

.....................................................................

.....................................................................

## ৩.৪ নৈসৰ্গিক বৰ্ণনা

মহাকবি কালিদাসৰ সকলোবোৰ ৰচনাতে নৈসৰ্গিক শোভা বিৰাজমান। তেওঁৰ ৰচনাৰাজি অধ্যয়ন কৰিলে প্ৰকৃতিৰ চিত্ৰ-বিচিত্ৰ ৰূপ পঢ়ুৱৈৰ মানসপটত জিলিকি উঠে। 'অভিজ্ঞানশকুন্তলম্' নাটকতো প্ৰকৃতিৰ প্ৰাণৱন্ত ৰূপ উজলি উঠিছে। নাটকখনৰ ৫ ম অংকৰ বাহিৰে বাকী ৬ টা অংকৰে পটভূমি হ'ল প্ৰকৃতিৰ কোলা। প্ৰকৃতিৰ বুকুতে জন্ম হৈ তাতেই ডাঙৰ-দীঘল হৈ জীৱন যৌৱন পাৰ কৰিছে নাটকৰ নায়িকা শকুন্তলাই। মানুহ আৰু প্ৰকৃতিৰ সহাৱস্থানৰ উদাহৰণ নাটকখনৰ প্ৰথম অংকৰে পৰা পোৱা যায়। প্ৰথম অংকত শকুন্তলা, অনসূয়া আৰু প্ৰিয়ম্বদাৰ কথোপকথন শুনিলে বুজা যায় তেওঁলোকৰ অপৰিসীম প্ৰকৃতি প্ৰীতিৰ কথা। নিজৰ ভাই-ভনীক মৰম কৰাৰ দৰে তেওঁলোকে গছ-গছনিবোৰৰো আদৰ-আপ্যায়ন কৰিছিল। শকুন্তলাৰ কথা শুনিলে এনে ভাৱ হয় যেন তেওঁ গছ-গছনিৰ ভাষা বুজিহে পায়। আনহাতে গছ-গছনিবোৰো যেন চৈতন্যযুক্ত প্ৰাণীহে।

দ্বিতীয় অংক আৰম্ভ হৈছে মালিনী নৈৰ পাৰত। বনৰীয়া জন্তুবোৰক নদীৰ পানী বোকাৰ লগত খেলিবলৈ সুবিধা দি ৰজা দুষ্যন্তই মৃগয়াৰপৰা নিজকে বিৰত ৰাখিছে। প্ৰকৃতিৰ বুকুত থাকিবলৈ হলে প্ৰকৃতি বিনষ্ট কৰি নহয় প্ৰকৃতি সংৰক্ষণ কৰিহে থাকিব পাৰি, সেই কথা নাট্যকাৰে সুন্দৰকৈ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। ৩ য় অংকতো পৰিস্ফুট হৈছে কালিদাসৰ সুনিপুণ হাতৰ কলা কৌশল। শকুন্তলাৰ বিৰহাগ্নি-তাপিত দেহৰ চিকিৎসা চলিছে প্ৰকৃতিদত্ত সামগ্ৰীৰেই। প্ৰেম পত্ৰও লিখিছে প্ৰকৃতিদত্ত সামগ্ৰীৰ দ্বাৰাই। সঁচাকৈয়ে কালিদাসে সুন্দৰভাৱে চিত্ৰণ কৰিছে মানুহ আৰু প্ৰকৃতিৰ অভিন্ন সম্বন্ধ।

চতুৰ্থ অংক কালিদাসৰ সৰ্বোৎকৃষ্ট সৃষ্টি বুলি সকলোৱে একেমুখে স্বীকাৰ কৰে। কণ্বমুনিৰ আশ্ৰমখনত আচলতে প্ৰকৃতিৰ সংসাৰহে বিৰাজ কৰিছে। প্ৰকৃতিক বাদ দি মানুহৰ অৱস্থিতি অভাৱনীয়। শকুন্তলাৰ বিদায় ক্ষণত অৰণ্যৰ তৰু-তৃণ, পশু-পক্ষী সকলোৱে মনত অপৰিসীম ব্যথা অনুভৱ কৰিছে। সকলোৱে বিভিন্ন সামগ্ৰীৰে শকুন্তলাক বিভূষিত কৰিছে। যেন তেওঁলোকৰ নিজৰ সন্তানকহে বিদায় দিব ওলাইছে। আনহাতে শকুন্তলাৰো অৱস্থা তথৈবচ। আশ্ৰমবাসীসকলৰ কথাতো বাদেই অৰণ্যৰ তৰু-তৃণ, পশু-পক্ষী সৰক এৰি যাবলগীয়া হোৱাত মন কান্দি উঠিছে। মানুহ আৰু প্ৰকৃতিৰ পাৰস্পৰিক সহানুভূতিৰ সমন্বয় বৰ্ণনা থকা এনেকুৱা ৰচনা বিশ্বসাহিত্যত বিৰল।

ষষ্ঠ অংক আৰু সপ্তম অংকতো নাটকৰ চৰিত্ৰসমূহ প্ৰাকৃতিক পৰিবেশৰ মাজতে একাত্ম হৈ আছে। সিংহশাৱকৰ সৈতে শকুন্তলাৰ পুত্ৰ সৰ্বদমনৰ ধেমালিও মানুহ আৰু প্ৰকৃতিৰ পাৰস্পৰিক সহবাসৰ এক সুন্দৰ উদাহৰণ। হস্তিনাপুৰৰ ৰজা দুষ্যন্তই অনিন্দ্যসুন্দৰ প্ৰাকৃতিক পৰিবেশৰ মাজতে লাভ কৰিছে নিজৰ পুত্ৰ পৰিবাৰক।

অভিজ্ঞানশকুন্তলম্ নাটকখনত মহাকবি কালিদাসে মানৱীয় চৰিত্ৰসমূহ যেনেদৰে উপস্থাপন কৰিছে তেনেদৰে মূক প্ৰকৃতিকো উপস্থাপন কৰিছে। মূক প্ৰকৃতিও যেন নাটকৰ একো একোটা চৰিত্ৰ। এইখিনি কৰোতে কিন্তু প্ৰকৃতিৰ প্ৰকৃত স্থানত কতো বিচ্যুতি ঘটা নাই। প্ৰকৃতি একেদৰে সজীৱ হৈ আছে। প্ৰকৃতিৰ মাজত মানৱীয় অনুভূতি আৰোপ কৰি সিহঁতৰ মুখত বাক্যালাপ সন্নিবিষ্ট কৰি এখনি সৰ্বাঙ্গসুন্দৰ নাটক সৃষ্টি কৰিব পৰাটো নাট্যকাৰৰ এক অভিনৱ কৃতিত্ব।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

'শকুন্তলা' নাটকখনৰ প্ৰকৃতি বৰ্ণনৰ বিষয়ে চমুকৈ লিখক (৪০ টা শব্দৰ ভিতৰত)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ৩.৫ চৰিত্ৰ চিত্ৰণ

মহাকৱি কালিদাসে 'অভিজ্ঞানশকুন্তলম্' নাটকখনত প্ৰতিটো চৰিত্ৰ নাটকীয় প্ৰয়োজনতে উপস্থাপন কৰিছে। ক'তো অনাৱশ্যক চৰিত্ৰৰ উপস্থাপন হোৱা নাই। দুষ্যন্ত, শকুন্তলা, কণ্বমুনি, অনসূয়া আৰু প্ৰিয়ম্বদা নাটকখনৰ মুখ্য চৰিত্ৰ। ভৰত, বিদূষক, শাৰ্ঙ্গৰৱ, শাৰদ্বত, গৌতমী আদি গৌণ চৰিত্ৰ।

**দুষ্যন্ত ঃ**

ৰজা দুষ্যন্ত 'অভিজ্ঞানশকুন্তলম্' নাটকখনৰ নায়ক। তেওঁ ধীৰোদাত্ত শ্ৰেণীৰ নায়ক। তেওঁৰ ব্যক্তিত্বত একাধাৰে আদৰ্শ ৰজা, আদৰ্শ প্ৰেমিক আৰু আদৰ্শ মানৱ চৰিত্ৰৰ সমাৱেশ ঘটিছে।

দুষ্যন্ত বীৰপুৰুষ। তেওঁৰ শৌৰ্য-বীৰ্য দেৱতাৰো প্ৰশংসনীয়। সেয়েহে দৈত্যকূল দমনৰ বাবে স্বয়ং দেৱৰাজ ইন্দ্ৰইও তেওঁৰ সহায় বিচাৰে। আশ্ৰমৰ ঋষি-মুনিসকলে তেওঁৰ ধনু-শৰৰ ওপৰত সম্পূৰ্ণৰূপে আস্থা ৰাখি নিৰ্বিঘ্নে যজ্ঞ সমাপন কৰে। মৃগয়া তেওঁৰ ব্যসন নহয়। অনাৱশ্যকভাৱে তেওঁ ক'তো জীৱ বধ কৰা নাই। মৃগ এটিক বধ কৰিবলৈ উদ্যত হৈও বৈখানসৰ পৰা বাধা পায় তেওঁ সেই কাৰ্যৰ পৰা বিৰত আছে।

ৰজা অতি বিনয়ী। আশ্ৰমত প্ৰবেশ কৰোতে তেওঁ ৰাজ আভৰণ সোলোকাই ৰথৰ পৰা নামি পদব্ৰজে গৈছে। ঋষিমুনি সকলৰ প্ৰতিও যথোচিত শ্ৰদ্ধা ভক্তি প্ৰদৰ্শন কৰিছে। ৰাজমহলত বহুতো ৰমণী থকা সত্বেও শকুন্তলাৰ প্ৰতি আসক্ত হোৱা ৰজা দুষ্যন্তক নৈতিকতাহীন নষ্ট চৰিত্ৰৰ লোক বুলি অভিহিত কৰিব নোৱাৰি। শকুন্তলাৰ বিষয়ে সম্পূৰ্ণৰূপে জানি লৈহে তেওঁৰ প্ৰতি প্ৰণয়ভাৱ পোষণ কৰিছে। শকুন্তলাক গান্ধৰ্বপ্ৰথামতে বিয়া কৰোৱাৰ পিছতো তেওঁ পূৰ্বপত্নীসকলক অনাদৰ কৰা নাই। সকলোৰে প্ৰতি কৰ্ত্তব্য যথোচিতভাৱে পালন কৰিছে। শকুন্তলাক প্ৰত্যাখান কৰাটো তেওঁৰ দোষ নহয়, দুৰ্বাসাৰ অভিশাপৰহে ফলশ্ৰুতি। নাটকৰ শেষ দৃশ্যত পুত্ৰ ভৰতৰ প্ৰতি তেওঁৰ স্নেহ স্বাভাৱিক ভাৱে প্ৰকাশ পাইছে। একে সময়তে শকুন্তলাৰ প্ৰতি পূৰ্বতে কৰা ব্যৱহাৰৰ বাবে তেওঁ অনুতপ্ত হৈছে। এনেদৰে দুষ্যন্তৰ চৰিত্ৰ অসামান্য ৰূপত উপস্থাপিত হৈছে।

**শকুন্তলা ঃ**

শকুন্তলা হ'ল নাটকখনৰ নায়িকা। প্ৰকৃতিৰ বুকুতে জন্ম লাভ কৰা, প্ৰকৃতিৰ মাজতে ডাঙৰ দীঘল হোৱা শকুন্তলাক নাট্যকাৰে ৰূপে গুণে অতুলনীয় কৰি উপস্থাপন কৰিছে। শকুন্তলাৰ চৰিত্ৰ চিত্ৰণ কৰোতে কবিয়ে গভীৰ ৰসবোধ তথা কঠোৰ কৰ্ত্তব্যবোধ দুয়োটাৰে ওপৰত সমানে গুৰুত্ব আৰোপ কৰিছে।

শকুন্তলা হ'ল এগৰাকী আদৰ্শ ভাৰতীয় নাৰীৰ মূৰ্ত প্ৰতীক। এহাতে তেওঁ সুন্দৰ ৰূপ যৌৱনেৰে হস্তিনাপুৰৰ ৰজাৰ প্ৰণয়িনী হবলৈ সক্ষম হৈছে আনহাতে সেই একে গৰাকী ব্যক্তিৰ হাতত তেওঁ প্ৰত্যাখ্যাত হবলগীয়া হৈছে। তথাপিও শকুন্তলাই প্ৰতিবাদ কৰা নাই। নিজৰ ভাগ্যকহে দোষ দিছে। পিতৃগৃহলৈ উভতি নগৈ মাৰীচৰ আশ্ৰমত একাকী জীৱন কটাইছে।

শকুন্তলাৰ পিতৃভক্তি, সখীপ্ৰেম, জীৱ-জন্তু, গছ-লতিকাৰ প্ৰতি থকা অপৰিসীম চেনেহ, সহিষ্ণুতা আদিৰ কোনো তুলনা নাই। তেওঁৰ গছ-গছনি, জীৱ-জন্তুৰ প্ৰতি থকা সহোদৰ স্বৰূপ ব্যৱহাৰ দেখি এনে ভাব হয় যেন তেওঁ সিহঁতৰ ভাষা বুজিহে পায়।

শকুন্তলাক নাট্যকাৰে পবিত্ৰ তথা নিৰ্দোষ নাৰী চৰিত্ৰ হিচাবে অংকন কৰিবলৈ সক্ষম হৈছে। কিবা যদি দোষ কৰিছিলেও দুৰ্বাসাৰ অভিশাপে সকলো পুৰি নিকা কৰি দিছে। কণ্ব আৰু মাৰীচৰ আৰ্শীবাদ লৈ দেহ-মন পবিত্ৰ কৰি চিৰকালৰ বাবে ৰাজৰাণী হোৱাৰ অধিকাৰ লাভ কৰে। মুঠতে কালিদাসৰ এই নাটকখনত শকুন্তলাৰ চৰিত্ৰ সবাতোকৈ মনোমোহা ৰূপত প্ৰকাশ পাইছে।

**মহৰ্ষি কণ্ব ঃ**

কণ্বমুনিক নায়িকা শকুন্তলাৰ পালিত পিতৃ হিচাপে উপস্থাপন কৰা হৈছে। পিতৃ-মাতৃয়ে ত্যাগ কৰা শকুন্তলাক তেওঁৱেই অন্তৰৰ সমস্ত মৰম আৱেগ ঢালি ডাঙৰ-দীঘল কৰে। তপস্বী হলেও এগৰাকী গৃহস্থৰ দৰে শকুন্তলাৰ সুভৱিষ্যতৰ বাবে সততে চিন্তা কৰাটো চকুত পৰে। শকুন্তলাৰ সৌভাগ্যদেৱতাক পূজা কৰিবলৈকে তেওঁ সোমতীৰ্থলৈ যায়। দুষ্যন্ত আৰু শকুন্তলাৰ গন্ধৰ্ববিবাহৰ বাৰ্তা অশৰীৰী বাণীৰদ্বাৰা গম পাই এগৰাকী আদৰ্শ পিতৃ হিচাবে শকুন্তলাক পতিগৃহলৈ পঠিয়াবলৈ তৎপৰ হয়। ইয়াতেই তেওঁ যে এগৰাকী মহান তপস্বী তাৰ উমান পোৱা যায়। তপোবনৰ প্ৰভাৱত তেওঁ কন্যাৰ উপযোগী আভৰণসমূহ বনদেৱতাসকলৰ পৰা লাভ কৰে।

মহৰ্ষি কণ্ব হ'ল গৃহমুনি। তপস্বী হৈও শকুন্তলাৰ বিদায়বেলাত শকুন্তলাক উদ্দেশ্যি যিবোৰ উক্তি প্ৰয়োগ কৰিছে সেই উক্তিসমূহৰ দ্বাৰা নাটকখন এখন শ্ৰেষ্ঠ কৃতি হিচাবে পৰিগণিত হৈছে। এই উক্তিসমূহত মহৰ্ষি কণ্বৰ ব্যৱহাৰিক জ্ঞানৰ যথাৰ্থতা বিদ্যমান। দুষ্যন্তৰ ৰাজদৰবাৰলৈ তেওঁ শকুন্তলাৰ লগত গৌতমী, শাৰ্ঙ্গৰৱ আৰু শাৰদ্বতক পঠাইছে। প্ৰিয়সখী দুগৰাকীক পঠিওৱা নাই। কাৰণ দুয়োগৰাকী বিবাহোপযোগী কন্যা। গতিকে তেওঁ তেওঁলোক তেনেকৈ পঠোৱাৰ যোগ্য নহয় বুলি তেওঁ বিবেচনা কৰিছে। এইয়া তেওঁৰ দূৰদৰ্শীতাৰ চিন। এনেদৰে নাট্যকাৰে মহৰ্ষি কণ্বক অতুলনীয় ৰূপত উপস্থাপন কৰিছে।

**অন্যান্য চৰিত্ৰসমূহ ঃ**

অন্যান্য চৰিত্ৰৰ ক্ষেত্ৰতে শকুন্তলাৰ দুই সখী অনসূয়া আৰু প্ৰিয়ম্বদাই গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। দুয়োগৰাকীৰে সখীয়েকৰ প্ৰতি অগাধ মৰম। শকুন্তলাৰ সুখ দুখৰ প্ৰতি তেওঁলোক সৰ্বদা সচেতন। দুয়োগৰাকী সমবয়সীয়া হলেও স্বভাৱ তেওঁলোকৰ ভিন্ন প্ৰকৃতিৰ। অনসূয়া গম্ভীৰ প্ৰকৃতিৰ আৰু কৰ্মদক্ষা। আনহাতে প্ৰিয়ম্বদা ৰসিক আৰু সাহসী। প্ৰিয়ম্বদাই যিকোনো কথা সহজে বিশ্বাস কৰে, কিন্তু অনসূয়াই সকলো দিশ চালি জাৰি চাইয়ে পতিয়ন যায়।

মহৰ্ষি কণ্বৰ আশ্ৰমত বহুতো ঋষি মুনি থাকিলেও নাটকখনত বৈখানস, শাৰ্ঙ্গৰৱ, শাৰদ্বত আদিৰহে নাম উল্লেখ আছে। তেওঁলোকৰ ব্ৰহ্মচাৰীজনিত কৰ্তব্যনিষ্ঠা, গুৰুভক্তি নাট্যকাৰে

যথাযথভাৱে চিত্ৰিত কৰিছে। কণ্বৰ অনুপস্থিতিত বৈখানসে সুচাৰুৰূপে নিজ কতৰ্ব্য সম্পাদন কৰিছে। মহৰ্ষিৰ আদেশমতে শাৰ্ঙ্গৰৱ আৰু শাৰদ্বতে শকুন্তলাৰ লগত হস্তিনাপুৰলৈ যাত্ৰা কৰিছে। সেই সময়ত ৰজা দুষ্যন্তৰ লগত হোৱা কথা-বতৰাৰ পৰা দুয়োৰে চৰিত্ৰ অনুমান কৰিব পাৰি। শাৰ্ঙ্গৰৱ গুৰুৰ আদেশৰ প্ৰতি সচেতন। তেওঁ খঙাল, অপ্ৰিয় সত্যবাদী। আনহাতে শাৰদ্বতে বাক্য-বিগ্ৰহ ভাল নাপায়। বাৰে বাৰে শাৰ্ঙ্গৰৱক শান্ত কৰিবলৈ চেষ্টা কৰা দেখা যায়। ৰজাৰ ব্যৱহাৰত ক্ৰুদ্ধ হৈ শকুন্তলাক ৰাজদৰবাৰতে এৰি থৈ যোৱা কাৰ্যই তেওঁলোকৰ নাৰী স্বাতন্ত্ৰ্যৰ প্ৰতি বিশ্বাস নথকাৰ কথা সূচায়। পিতৃগৃহলৈ যোৱাতকৈ পতিগৃহত দাসীবৃত্তি কৰাও ভাল বুলি তেওঁলোকে ভাবে।

নাৰী তাপসী সকলৰ ভিতৰত গৌতমী অন্যতমা। শকুন্তলা তথা সখী দুগৰাকীৰ কথা বতৰাৰ পৰা অনুমান কৰিব পাৰি গৌতমীৰ প্ৰতি সকলোৰে শ্ৰদ্ধা অসীম। ৰজাই শকুন্তলাক প্ৰত্যাখান কৰাৰ সময়ত গৌতমী আছিল যদিও নাট্যকাৰে গৌতমীৰ মনোভাৱ গোপনে ৰাখিছে।

নাটকখনত বিদূষকৰ চৰিত্ৰ উপস্থাপন কৰা হৈছে যদিও তেওঁৰ চৰিত্ৰ বিকাশত নাট্যকাৰে সুবিধা প্ৰদান কৰা নাই। ৰজাৰ কথা মানি লোৱাই যেন তেওঁৰ কাম। ৰজাৰ ভুল হৈছে বুলি জানিও শকুন্তলাৰ বিপদৰ সময়ত তেওঁ শকুন্তলাৰ হকে মাত মাতিব পৰা নাই।

নাটকৰ শেষ অঙ্কত চিত্ৰণ কৰা হৈছে মাৰীচমুনি, অদিতি আৰু সৰ্বদমনৰ চৰিত্ৰ। সৰ্বদমনৰ চৰিত্ৰ চিত্ৰণত নাট্যকাৰে অকণো কৃপণালি কৰা নাই। নিৰ্ভীক বালক হিচাবে সৰ্বদমনৰ চৰিত্ৰ অংকন কৰা হৈছে। তথাপি আন আন শিশুৰ দৰে খেলৰ সামগ্ৰীৰ প্ৰতি তাৰো প্ৰচণ্ড ধাউতি দেখা যায়। মাতৃ প্ৰীতিও সৰ্বদমনৰ অপৰিসীম। আনহাতে সাহসী হ'লেও অচিনাকী ৰজা দুষ্যন্তৰ প্ৰতি সৰ্বদমনৰ বালকোচিত সঙ্কোচভাৱ দেখা যায়। মাৰীচে এনেকুৱা বালক পিতৃ মাতৃৰ বিত্ত স্বৰূপ বুলি লোক সমাজত ঘোষণা কৰাৰ সাৰ্থকতা বিদ্যমান।

মাৰীচ আৰু অদিতিৰ শকুন্তলাৰ প্ৰতি চেনেহ অসীম। ৰজা দুষ্যন্তৰ লগত মিলনৰ মুহূৰ্ত্তত দুৰ্বাসাৰ অভিশাপৰ ৰহস্য মাৰীচমুণিয়ে দাঙি ধৰিছে। ইয়েই দুষ্যন্ত-শকুন্তলাৰ মনৰপৰা পাৰস্পৰিক সন্দেহ নিৰসন কৰিছে। দুষ্যন্ত শকুন্তলাৰ মিলনৰ বাৰ্তা মহৰ্ষি কণ্বলৈ পঠিয়াই দুয়ো মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে।

উপৰোক্ত চৰিত্ৰসমূহৰ উপৰিও দুৰ্বাসামুনি, ৰাজপুৰোহিত, সোমৰাত, কঞ্চুকী, সূত, মাতলি, ধীৱৰ, সানুমতী আদি চৰিত্ৰসমূহ নাটকীয় কাৰ্যৰ প্ৰয়োজনত নাট্যকাৰে যথোচিত মানৱীয় গুণেৰে উপস্থাপন কৰা দেখা যায়।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

নাটখনিৰ উল্লেখযোগ্য চৰিত্ৰ কেইটা কি কি?

..................................................

..................................................

..................................................

..................................................

## ৩.৬ সাহিত্যিক সমীক্ষা

মহাকবি কালিদাসৰ অমৰ সৃষ্টি হৈছে 'অভিজ্ঞানশকুন্তলম্'। 'অভিজ্ঞায়তে অনেন ইতি অভিজ্ঞানম্' অৰ্থাৎ যাৰ দ্বাৰা কাৰোবাক স্মৰণ কৰা হয়, তাকেই 'অভিজ্ঞান' বোলে। এই নাটকখনত

ৰজা দুষ্যন্তৰ নামাংকিত আঙঠিটোকে 'অভিজ্ঞান' শব্দই নির্দেশ কৰিছে। 'শকুন্তলাম্ অধিকৃত্য কৃতং নাটকং শকুন্তলম্' অর্থাৎ শকুন্তলা নামৰ নায়িকাক উপজীব্য কৰি লিখা নাটকেই শকুন্তলম্। যি নাটক শকুন্তলা নামে নায়িকাক উপজীব্য বিষয় কৰি আৰু আঙুঠিৰূপ অভিজ্ঞানক প্ৰধানভাবে লৈ ৰচনা কৰা হৈছে, সেই নাটকখনেই হৈছে 'অভিজ্ঞানশকুন্তলম্'।

**নান্দী ঃ** সংস্কৃত নাট্যকাৰ সকলে আৰ্শীবচনেৰে তেওঁলোকৰ নাট্যগ্ৰন্থ আৰম্ভ কৰিছিল। যিটো শ্লোকে মঙ্গলকামনা কৰাৰ লগতে পৰৱৰ্তী কথাবস্তুৰো নিৰ্দেশনা দিয়ে, তাকেই নান্দী বোলে। নান্দী হ'ল সংস্কৃত নাটকৰ এক অপৰিহাৰ্য্য উপাদান। কালিদাসেও নান্দীৰেই তেওঁৰ 'অভিজ্ঞানশকুন্তলম্' নামৰ নাটখনি আৰম্ভ কৰিছে। 'স্ৰগ্ধৰা' নামৰ ছন্দত ৰচনা কৰা এই নান্দী শ্লোকটোত শিৱৰ অষ্টমূৰ্তিৰ স্তুতি কৰা হৈছে। লগতে এই নান্দীটোৱে ভৱিষ্যত বিষয়বস্তুৰো সংকেত দিছে।

**ৰস ঃ** সংস্কৃত কবি আৰু নাট্যকাৰসকলৰ কাব্য ৰচনাৰ প্ৰধান উদ্দেশ্যই হৈছে ৰস সৃষ্টি। ৰসেই হৈছে কাব্যৰ প্ৰাণ। আলংকাৰিক সকলে নিৰ্দ্ধাৰণ কৰি দিয়া নটা ৰসৰ ভিতৰত শৃঙ্গাৰেই হৈছে অন্যতম তথা প্ৰধান ৰস। এই শৃংগাৰ ৰসেই মানুহক উৎকৰ্ষৰ চৰম সীমাত উপনীত কৰায়। অলংকাৰ শাস্ত্ৰৰ মতে নাটকত মুখ্যভাৱে এটা ৰস থাকিব লাগে আৰু সেই ৰসটো শৃঙ্গাৰ অথবা বীৰ ৰস হ'ব লাগে (একমেব ভবেদ্অংগী শৃঙ্গাৰঃ বীৰ এব বা)।

'অভিজ্ঞানশকুন্তলম্' নাটকত মহাকবি কালিদাসে অন্যান্য ৰসৰ সমাৱেশ ঘটালেও শৃঙ্গাৰ ৰসেই হৈছে নাটকখনৰ মূল ৰস। আন ৰসসমূহ ইয়াত অপ্ৰধান হিচাপে প্ৰয়োগ কৰা হৈছে। শৃঙ্গাৰ ৰস দুই প্ৰকাৰৰ- সম্ভোগ শৃঙ্গাৰ আৰু বিপ্ৰলম্ভ শৃঙ্গাৰ। অভিজ্ঞানশকুন্তলম্ নাটকখনত সম্ভোগ আৰু বিপ্ৰলম্ভ- দুয়োবিধ শৃঙ্গাৰ ৰসৰেই উপস্থিতি আস্বাদিত হয়। দুষ্যন্ত আৰু শকুন্তলাৰ মিলন কালত সম্ভোগ শৃঙ্গাৰৰ আৰু দুজনৰ বিৰহকালত বিপ্ৰলম্ভ শৃঙ্গাৰৰ উপস্থাপন কৰা হৈছে।

**অলংকাৰ ঃ** 'অভিজ্ঞানশকুন্তলম্' নাটকত বিভিন্ন অলংকাৰৰ সমাৱেশ ঘটিছে। ইয়াৰ ভিতৰত উপমা অলংকাৰৰ প্ৰয়োগেই সৰ্বাধিক। কালিদাস হৈছে উপমাৰ কবি (উপমা কালিদাসস্য)। উপমাই হৈছে সকলো অৰ্থালংকাৰৰ ভিতৰত প্ৰধান। শৃংগাৰ ৰসক তীব্ৰভাৱে ফুটাই তোলাৰ বিষয়ত উপমা অলংকাৰৰ সহযোগিতা অধিক । উপমা অলংকাৰত উপমানৰ লগত উপমেয়ৰ তুলনা কৰা হয়। তাৰ ফলত সেই উপমেয়টো অধিক মনোগ্ৰাহী অথবা স্পষ্ট ৰূপত প্ৰকাশ পায়। উপমা অলংকাৰৰ জৰিয়তে উক্ত নাটকখনত নায়িকা গৰাকীৰ সৌন্দৰ্য্যক অধিক হৃদয়গ্ৰাহী ৰূপত ফুটাই তুলিব অক্ষম হৈছে কালিদাসে। 'অধৰঃ কিসলয়ৰাগঃ' এই শ্লোকটোত অধৰক কুঁহিপাতৰ লগত তুলনা কৰা হৈছে; বাহু দুটাক কোমল গছৰ ঠালৰ লগত তুলনা কৰা হৈছে। এই উপমাৰ জৰিয়তে কবিয়ে শকুন্তলাক কণ্ব মুনিৰ আশ্ৰমত বিৰাজিত এজোপা ডাল ভৰি থকা ফুলা গছৰ লগত তুলনা কৰিছে। উপমা অলংকাৰৰ উপৰিও মহাকবি কালিদাসে নাটকখনত ৰূপক, অপ্ৰস্তুত প্ৰশংসা, নিদৰ্শনা, অৰ্থান্তৰন্যাস আদি অলংকাৰ সমূহৰ সফল প্ৰয়োগ ঘটাইছে।

**ছন্দ ঃ** মহাকবি কালিদাসে 'অভিজ্ঞানশকুন্তলম্' নাটকখনত ব্যৱহাৰ কৰা শ্লোক সমূহত বিভিন্ন ছন্দৰ সমাৱেশ ঘটাইছে। ইয়াৰ ভিতৰত ইন্দ্ৰবজ্ৰা, উপজাতি, শালিনী, মন্দাক্ৰান্তা, স্ৰগ্ধৰা, বসন্ততিলক, পুষ্পিতাগ্ৰা, বংশস্থবিল আদিয়েই প্ৰধান। বিভিন্ন ছন্দৰ সমাৱেশেও নাটকখন অতি মনোগ্ৰাহী ৰূপত প্ৰকাশ কৰিছে।

**পঞ্চসন্ধি ঃ** নাটকৰ সংজ্ঞাত পঞ্চসন্ধিৰ বিষয়ে আলংকাৰিক সকলে আলোচনা কৰিছে। ('নাটকং খ্যাতবৃত্তং স্যাৎ পঞ্চসন্ধি সমন্বিতম্')। এই পাঁচটা সন্ধি হৈছে- মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ বা অৱমৰ্শ আৰু নিৰ্বহন। নাটকৰ যি অংশত কাৰ্য্যৰ আৰম্ভ অৱস্থা কথিত হয়, তাকে সংক্ষেপতে মুখ সন্ধি বোলে। শকুন্তলা নাটকৰ প্ৰথম অংকৰ পৰা দ্বিতীয় অংকৰ মাজভাগলৈ মুখ সন্ধিয়ে ক্ৰিয়া কৰি আছে। মুখ সন্ধিত সিচাঁ ফলৰ প্ৰধান উপায়স্বৰূপ বীজৰ গজালি মেল খায় অথচ সেই গজালি বৰকৈ চকুত পৰাকৈ ডাঙৰো নহয়, তাকেই প্ৰতিমুখ সন্ধি বোলে। শকুন্তলা নাটকখনৰ দ্বিতীয় অংকৰ মাজভাগৰ পৰা তৃতীয় অংকৰ শেষলৈকে প্ৰতিমুখ সন্ধিয়ে ক্ৰিয়া কৰি আছে। য'ত (মুখসন্ধিত সিঁচি দিয়া আৰু প্ৰতিমুখ সন্ধিত) কিছু পৰিমাণে গঁজালি মেলা ফলৰ প্ৰধান উপায় স্বৰূপ বীজৰ অধিকাংশ অঙ্কুৰিত হৈ দেখা দিয়ে আৰু যিটো অৱস্থাত সেই অংকুৰিত হোৱা বীজৰ বাৰে বাৰে হ্ৰাস আৰু বৃদ্ধি হয়, সেয়ে নাটকৰ গৰ্ভসন্ধি। নাটকখনত চতুৰ্থ অংকৰ আৰম্ভণিৰ পৰা পঞ্চম অংকৰ মাজভাগকৈ গৰ্ভ সন্ধিয়ে ক্ৰিয়া কৰি আছে। গৰ্ভসন্ধিত গঁজালি মেলা ফলৰ প্ৰধান উপায় স্বৰূপ বীজটি য'ত আৰু অধিক পৰিমাণে উদ্ভিন্ন হৈ উঠে, অথচ অভিশাপ আদি উপৰুৱা বা বহিঃ কাৰণৰ দ্বাৰা বাধা প্ৰাপ্ত হয়, নাটকৰ সেই কথাংশক বিমৰ্শ বা অৱমৰ্শ সন্ধি বোলে। শকুন্তলা নাটকখনত পঞ্চম অংকৰ মাজভাগৰ পৰা ষষ্ঠ অংকৰ সমাপ্তি পৰ্য্যন্ত অৱমৰ্শ সন্ধিয়ে ক্ৰিয়া কৰি আছে। আনহাতে, অন্যান্য সন্ধিত বীজৰ ক্ৰমবিকাশ, প্ৰকাশকৰূপে নিয়মমতে অথচ বিচ্চিন্নভাৱে উপস্থাপিত বীজাদিৰূপ ইতিবৃত্তাংশক একমাত্ৰ প্ৰধানফলৰ উপযোগী কৰি য'ত দেখুওৱা হয়, তাকে নিৰ্বহণ অথবা উপসংহৃতি সন্ধি বুলি কোৱা হয়। অভিজ্ঞানশকুন্তলম্ নাটকত সপ্তম অংকৰ আৰম্ভৰ পৰা শেষলৈকে নিৰ্বহণ সন্ধিয়ে ক্ৰিয়া কৰি আছে।

**অতিপ্ৰাকৃতিক উপাদান ঃ** সংস্কৃত নাটকত বহুল পৰিমাণে অতি প্ৰাকৃতিক উপাদানৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। যিবিলাক ঘটনা অলৌকিক অথবা বাস্তৱ সন্মত নহয়, নতুবা যিবোৰ অলৌকিক উপাদানে নাটকীয় কথাবস্তুত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে, তাকেই অতিপ্ৰাকৃত উপাদান বুলি কোৱা হয়। 'অভিজ্ঞানশকুন্তলম্' নাটকত বহুলভাৱে অতিপ্ৰাকৃতিক উপাদানৰ প্ৰভাৱ বিৰাজ কৰিছে। নাটকখনৰ প্ৰথম অংকত শকুন্তলাৰ জন্ম-বৃত্তান্তৰ কথা শুনা যায়। বিশ্বামিত্ৰৰ ঔৰসত তথা মেনকাৰ গৰ্ভজাত সন্তান শকুন্তলাক কিদৰে পিতৃ মাতৃয়ে পৰিত্যাগ কৰি গ'ল তাৰ কাহিনী বৰ্ণিত হৈছে। দ্বিতীয় অংকত ৰাক্ষস সকলে ইষ্টি সম্পাদনাত বিঘিনি ঘটোৱা কথা পোৱা যায়। তৃতীয় অংকত গৌতমীয়ে শকুন্তলাৰ শাৰিৰীক অসুস্থতা নিবাৰণ কৰিবলৈ গৰ্ভোদকৰ ব্যৱস্থা কৰিছে। চতুৰ্থ অংকত ব্যৱহাৰ কৰা দুৰ্বাসাৰ অভিশাপক এক গুৰুত্বপূৰ্ণ অতিপ্ৰাকৃত ঘটনা বুলি ক'ব পাৰি। এই অংকতে পোৱা যায় যে প্ৰৱাসৰ পৰা উভতি আহি কণ্বই অগ্নিশৰণ গৃহত প্ৰৱেশ কৰি অশৰীৰী ছন্দোময় বাণী শুনিবলৈ পাইছে। বনদেৱতা সকলৰ শকুন্তলালৈ দিয়া উপহাৰো এই ক্ষেত্ৰত উল্লেখনীয়। পঞ্চম অংকত ৰজাৰ দ্বাৰা প্ৰত্যাখ্যাতা হোৱা শকুন্তলাক পুৰোহিত সোমৰাতে নিজ ঘৰলৈ আগবঢ়াই নিওতে ক্ৰন্দনতা জীয়ৰীক মেনকাই হেমকূট পৰ্বতলৈ লৈ যোৱা ঘটনাটোও এক অতিপ্ৰাকৃচিক ঘটনাৰ উদাহৰণ। ষষ্ঠ অংকত দুষ্যন্তৰ উপৰনত সানুমতীৰ অৱৰোহণ; সানুমতীৰ প্ৰণিধান আৰু তিৰস্কৰণী বিদ্যাৰ জ্ঞান আদি উল্লেখযোগ্য অতিপ্ৰাকৃতিক ঘটনা। এই অংকত স্বৰ্গৰ পৰা মৰ্ত্যলৈ মাতলিৰ আগমনো অতি আচৰিত ঘটনা। সপ্তম অংকত মাতলিৰ সৈতে ৰজা দুষ্যন্ত অন্তৰীক্ষত অৱস্থিত হেমকূটত উপস্থিত হৈছে। সৰ্বদমনৰ হাতত বান্ধি থোৱা কৰন্দিকা আৰু অপৰাজিতা নামে ঔষধৰ মাহাত্ম্য শ্ৰৱণো অতি প্ৰাকৃতিক ঘটনাৰ অন্তৰ্গত। নাট্যকাৰে নাটকখনত ইমানবোৰ অতিপ্ৰাকৃতিক ঘটনা পৰিবেশন কৰাৰ অন্তৰালত ভাৰতীয় জনমানসত দৃঢ়ভাৱে প্ৰতিষ্ঠিত হৈ থকা দৈববাদ বা ভাগ্যবাদৰ প্ৰভাৱক স্বীকাৰ কৰিব লাগব।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

শকুন্তলা নাটকত কি কি অতিপ্ৰাকৃত উপাদান পোৱা যায়? (৪০ টা শব্দৰ ভিতৰত)

..................................................

..................................................

..................................................

..................................................

### ৩.৭ চতুৰ্থ অংকৰ বৈশিষ্ট্য

কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যা শকুন্তলা।
তত্ৰাপি চ চতুৰ্থোঽঙ্কস্তত্ৰ শ্লোকচতুষ্টয়ম্।।

অৰ্থাৎ, সকলো প্ৰকাৰৰ কাব্যৰ ভিতৰত নাটকেই ৰমণীয়। নাটকসমূহৰ ভিতৰত শকুন্তলা আটাইতকৈ হৃদয়গ্ৰাহী। তাৰ ভিতৰত চতুৰ্থ অঙ্ক আটাইতকৈ হৃদয়গ্ৰাহী আৰু চতুৰ্থ অংকৰ ভিতৰতো চাৰিটা শ্লোক আটাইতকৈ মনোৰম। কোনো কোনোৱে আকৌ চতুৰ্থ শাৰীটো 'যত্ৰ যাতি শকুন্তলা' বুলি পঢ়ে।

'অভিজ্ঞানশকুন্তলম্' নাটকখনৰ চতুৰ্থ অংকটো আটাইতকৈ মনোৰম আৰু উত্তম বুলি সকলো পণ্ডিতে একেমুখে স্বীকাৰ কৰে। এই অংকৰ মাজত অনেক তথ্য সম্বলিত হৈ আছে। এই তথ্যবোৰে ভাৰতীয় সভ্যতা সংস্কৃতি, সমাজ, ব্যক্তি সকলোকে স্পৰ্শ কৰিছে। তদুপৰি নাটকীয় ভাবানুভূতি, ৰস, কলা-কুশলতা, প্ৰাকৃতিক পৰিবেশ, মানুহ আৰু প্ৰকৃতিৰ একাত্মবোধ এই সকলোবোৰে সকলো পাঠকৰে হৃদয় আলোড়িত কৰিবলৈ সক্ষম হৈছে।

কাব্যিক দৃষ্টিভঙ্গীৰেই চোৱা হওক অথবা সাংস্কৃতিক, সামাজিক, লৌকিক ব্যৱহাৰ আদিৰ বিচাৰ বুদ্ধিৰে চোৱা যাওক সকলোফালৰপৰাই চতুৰ্থ অঙ্কৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হয়। মহাকবি কালিদাসে চতুৰ্থ অঙ্কৰ মাজতে লৌকিক আৰু আধ্যাত্মিক জীৱনৰ মাজৰ বৈষম্য দূৰ কৰি সমন্বয় সাধনৰ চেষ্টা কৰিছে। এইটো অঙ্ক পঢ়িলে সাধাৰণ পাঠকৰো মনত এটা কথা স্পষ্ট হৈ পৰে যে আধ্যাত্মিক জীৱন মানৱীয় আৱেগ অনুভূতি বিবৰ্জিত নহয়। আধ্যাত্মিক জীৱনৰ কৰুণা লৌকিক জীৱনৰ কৰুণাতকৈও অধিক যেন লাগে।

চতুৰ্থ অঙ্কৰ মাজত মিলনৰ অপূৰ্ণ আশা আৰু বিচ্ছেদৰ শোকৰ দুই বিপৰীতমুখী ভাৱধাৰাৰ সংযোগ ঘটিছে। এফালে শকুন্তলাৰ স্বামী দুষ্যন্তৰ লগত মিলনৰ আশা আৰু আনফালে আশ্ৰমবাসীৰ লগত বিচ্ছেদ। গতিকে মানসিক অন্তৰ্দ্বন্দ্বই শকুন্তলাক ক্ষত-বিক্ষত কৰিছে। কণ্বমুনিৰ মানসিক অন্তৰ্দ্বন্দ্বও কোনোগুণে কম নহয়। কণ্বমুনি তপস্বী হলেও তেওঁ শকুন্তলাৰ পালক পিতৃ। ভাৰতীয় পিতৃ এগৰাকীয়ে কন্যাদানক এক মহান কৰ্ত্তব্য হিচাবে জ্ঞান কৰে। কণ্বমুনি সোমতীৰ্থৰ পৰা উভটি আহি অশৰীৰী বাৰ্তাৰ জৰিয়তে দুষ্যন্তৰ লগত গান্ধৰ্ব বিৱাহৰ কথা জানিব পাৰি জীয়েকক অভিনন্দন জ্ঞাপন কৰিছে আৰু লগে লগেই স্বামীৰ ওচৰলৈ পঠিয়াবলৈ আয়োজন কৰিছে। কতৰ্ব্যপৰায়ণ হলেও কণ্বমুনি নিষ্ঠুৰ নহয়। শকুন্তলাৰ বিদায় পৰত তেওঁৰ হৃদয় কাতৰ হৈছে, কণ্ঠ ৰুদ্ধ হৈছে। আশ্ৰমৰ গছ-বন, জীৱ জন্তুৰ লগত ভাতৃ-ভগ্নীতুল্য সম্বন্ধ থকা শকুন্তলাৰ আসন্ন বিদায় সহিবলৈ শকুন্তলা আৰু পিতৃ কণ্ব দুয়ো অসমৰ্থ হৈছে। সকলো স্তব্ধ হৈ পৰিছে। প্ৰিয় সখী দুগৰাকী ব্যাকুল হৈ পৰিছে। এনেকুৱা এক শোকাকুল পৰিবেশতো

কণ্বমুনিয়ে নিজ কৰ্ত্তব্য পালনত ত্ৰুটি ৰখা  নাই। শাৰ্ঙ্গৰৱৰ জৰিয়তে দুষ্যন্তলৈ অমূল্য  বাণী প্ৰেৰণ কৰিছে, স্বামী গৃহৰ পৰিয়ালবৰ্গক কেনেদৰে সেৱা শুশ্ৰূষা কৰিব লাগে তাৰ বাবে শকুন্তলাক উপদেশ দিছে। শেষত গৌতমী, শাৰ্ঙ্গৰৱ আৰু শাৰদ্বতৰ লগত শকুন্তলাক পতিগৃহলৈ পঠিয়াই স্বস্তিৰ নিশ্বাস এৰিছে।

কণ্বমুনিৰ মানসিক অন্তৰ্দ্বন্দ্বৰ সমানে সমানে নাট্যকাৰে শকুন্তলাৰ মানসিক দ্বন্দ্বও সুন্দৰকৈ ফুটাই তুলিছে। এফালে স্বামীক লগ পোৱাৰ আশা আনহাতে সৰুৰেপৰা ডাঙৰ দীঘল হোৱা আশ্ৰমৰ বাসিন্দাসৱক এৰি থৈ যোৱাৰ দুখ। মিলন আৰু বিচ্ছেদৰ ক্ৰিয়াই শকুন্তলাক ভাৱাক্ৰান্ত কৰি তুলিছে। চিৰ পৰিচিত পশু-পক্ষী, তৰু-তৃণ আৰু প্ৰিয়জনক এৰি থৈ  যাবলৈ শকুন্তলাই টান পাইছে।

চতুৰ্থ অংক আকৰ্ষণীয় হোৱাৰ আন এটা উল্লেখযোগ্য ঘটনা হ'ল দুৰ্বাসাৰ অভিশাপ। দুৰ্বাসাৰ অভিশাপে নাটকীয় ঘটনাৰ গতিকেই সলনি কৰি দিয়ে। দুষ্যন্ত আৰু শকুন্তলাৰ মিলনৰ মূহুৰ্ত্তলৈ পৰম আশা তথা উৎকণ্ঠাৰে অপেক্ষা কৰি থকা পাঠকসমাজক অভিশাপৰ ফলশ্ৰুতিয়ে হতাশ কৰি তোলে। অভিশাপৰ ফলত দুষ্যন্তই শকুন্তলাক পাহৰি যায়। অভিশাপৰ মোচনৰ বাবে শকুন্তলাই আঙুঠি বিচাৰি দেখে যে সেইটোও কৰবাত হেৰাই গৈছে। অপমানিত শকুন্তলাক সেই যাত্ৰাত দৈৱশক্তিয়ে উদ্ধাৰ কৰে। দুৰ্বাসাৰ অভিশাপ যদি চতুৰ্থ অংকত সংযোজন নহ'লহেতেন তেন্তে নাটকৰ কাহিনীভাগ চতুৰ্থ অংকতেই যতি পৰিলেহেঁতেন।

এনেকুৱা মৰ্মন্তুদ ঘটনাই পাঠক সমাজৰ হৃদয় আলোড়িত কৰি তোলে। লগতে পাঠকসকলে কাহিনীৰ পৰিণতিলৈ অপেক্ষা কৰিবলগীয়া হৈছে। সোণত সুৱগা চৰোৱাৰ দৰে নাট্যকাৰে তদানীন্তন ভাৰতীয় সামাজিক, আধ্যাত্মিক জীৱনৰ প্ৰতিচ্ছবিৰ মাজতে দুৰ্বাসাৰ অভিশাপ সংযোজন কৰি চতুৰ্থ অংকটো বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিবলৈ সক্ষম হৈছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন**

শকুন্তলা নাটকৰ চতুৰ্থ অংকটোৰ মহত্ত্ব কি? (৪০ টা শব্দৰ ভিতৰত  উত্তৰ লিখক।)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

### ৩.৮ সাৰাংশ (Summing Up)

মহাকবি কালিদাসৰ অনন্য কীৰ্তি 'অভিজ্ঞানশকুন্তলম্' নাটক৷ সাতটা অংক বিশিষ্ট নাটখনত নাট্যকাৰে স্বকীয় কাব্যসুষমাৰে বিভিন্ন নাটকীয় কলাৰ কৌশলৰ সমাৱেশ ঘটাইছে। প্ৰথম অংকত নায়ক দুষ্যন্ত আৰু নায়িকা শকুন্তলাৰ গান্ধৰ্ব বিবাহেৰে আৰম্ভ কৰি, পঞ্চম অংকত দুয়োজনৰ বিচ্ছেদ আৰু শেষত দুয়োগৰাকীয়ে পুনৰ্মিলন ঘটাইছে। কালিদাসৰ উপস্থাপন পদ্ধতি অতি সুন্দৰ। বিভিন্ন অংকত তেওঁ প্ৰকৃতিৰ অপূৰ্ব শোভা উপস্থাপন কৰিছে। প্ৰকৃতিৰ উপাদান সমূহক মানৱীকৰণৰ জৰিয়তে নাটকখনৰ এক সৰ্বাঙ্গসুন্দৰ স্থান দিবলৈ সক্ষম হৈছে। বিভিন্ন চৰিত্ৰসমূহৰ চিত্ৰণো অতি চমৎকাৰী। এফালে ক্ৰোধী ঋষি দুৰ্বাসাৰ উপস্থাপন কৰিছে, আনহাতে

অতি বিনয়ী কণ্ব আৰু মাৰীচৰ চৰিত্ৰ চিত্ৰণ কৰিছে। নায়ক দুষ্যন্ত আৰু নায়িকা শকুন্তলাৰ চৰিত্ৰ অতি সাবলীল ভাৱে কালিদাসে চিত্ৰণ কৰিছে।

নাটখনৰ সাহিত্যিক উপাদান সমূহৰ প্ৰয়োগো মনকৰিবলগীয়া। শৃঙ্গাৰ ৰসৰ প্ৰয়োগেৰে কালিদাসে স্বকীয় কবিত্ব প্ৰতিভাৰ পৰিচয় বহন কৰিছে। ছন্দ আৰু অলংকাৰৰ প্ৰয়োগ যথাযথ। অতি প্ৰাকৃতিক উপাদান সমূহেও নাটকখনক আন এটা স্বকীয় ৰূপ প্ৰদান কৰিছে। মুখ সন্ধিকে আদি কৰি অন্যান্য সন্ধি সমূহৰ প্ৰয়োগে মন কৰিবলগীয়া। নাটকখনৰ শ্ৰেষ্ঠ অংক হিচাপে সমালোচক সকলৰ দ্বাৰা নিৰূপিত চতুৰ্থ অংকৰ প্ৰয়োগশৈলীও অতি মনোমুগ্ধকৰ। এই অংকটোত পতিগৃহলৈ গমনশীলা শকুন্তলাৰ প্ৰতি মহামুনি কণ্বৰ উপদেশসমূহ আজিৰ ভাৰতীয় সমাজতো উপাদেয়।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অভিজ্ঞানশকুন্তলা নাটকৰ প্ৰকৃতিৰ ভূমিকা সম্বন্ধে এটি তথ্যপূৰ্ণ প্ৰৱন্ধ যুগুত কৰক।

২) নায়ক দুষ্যন্ত আৰু নায়িকা শকুন্তলাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰক।

৩) 'শকুন্তলা' নাটকখনৰ চতুৰ্থ অংকটোক কিয় শ্ৰেষ্ঠ বুলি কোৱা হয়, যুক্তিসহকাৰে আলোচনা কৰক।

৪) নাটকত অতি প্ৰাকৃতিক উপাদানৰ ভূমিকা কি ? 'শকুন্তলা' নাটকৰ অতি প্ৰাকৃতিক উপাদান সম্পৰ্কে এটি পৰ্য্যালোচনা আগবঢ়াওক।

## ৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


থানেশ্বৰ শৰ্মা ঃ *অভিজ্ঞানশকুন্তলম্- এক সমীক্ষা*

গদাধৰ দেৱ শৰ্মা ঃ *শ্ৰেষ্ঠ ৰূপকত্ৰয়*

অতুলচন্দ্ৰ হাজৰিকা (অনু.) ঃ *অভিজ্ঞানশকুন্তলম্*

কামাখ্যা চৰণ ভাগৱতী ঃ *সংস্কৃত নাট্য সাহিত্য*

দেবেন্দ্ৰনাথ বসু ঃ *শকুন্তলায় নাট্যকলা*

মুকুন্দ মাধৱ শৰ্মা ঃ *উপমা কালিদাসস্য*

R.M. Bose (ed.) : *Abhijnana Sukuntalam*


* * *

## তৃতীয় খণ্ড

# শূদ্ৰকৰ 'মৃচ্ছকটিকম্'

আগৰ খণ্ডটিত কালিদাসৰ 'অভিজ্ঞানশকুন্তলম্'- ৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে। এই খণ্ডটিত শূদ্ৰকৰ 'মৃচ্ছকটিকম্' নামৰ প্ৰকৰণখনৰ বিষয়ে পৰ্যালোচনা আগবঢ়োৱা হ'ব। সংস্কৃত সাহিত্যত বিশেষ স্থান লাভ কৰা প্ৰকৰণখনিয়েই হ'ল 'মৃচ্ছকটিকম্'। ই এখন বাস্তৱধৰ্মী সামাজিক প্ৰকৰণ। এই খণ্ডটিত শূদ্ৰকৰ পৰিচয়, প্ৰকৰণখনিৰ মূল আৰু মৌলিকতা, নাট্যকৌশল, সাহিত্যিক সমীক্ষা, চৰিত্ৰ-চিত্ৰণ আদি দিশৰ বিষয়ে বিশ্লেষণ কৰাৰ লগতে ক্ৰম অনুসৰি আটাইকেইটা অঙ্কৰে পাঠগত পৰ্যালোচনা আগবঢ়োৱা হ'ব। সমগ্ৰ খণ্ডটিক তিনিটা বিভাগত বিভক্ত কৰি আলোচনা কৰা হৈছে।

**প্ৰথম বিভাগ ঃ 'মৃচ্ছকটিকম্'-ৰ সাধাৰণ পৰিচয়**
**দ্বিতীয় বিভাগ ঃ 'মৃচ্ছকটিকম্'-ৰ ১ম - ৫ম অংকৰ পাঠগত পৰ্যালোচনা**
**তৃতীয় বিভাগ ঃ 'মৃচ্ছকটিকম্'-ৰ ৬ষ্ঠ - ১০ম অংকৰ পাঠগত পৰ্যালোচনা**

প্ৰথম বিভাগটিত মৃচ্ছকটিকম্-ৰ সাধাৰণ পৰিচয় জ্ঞাপন কৰা হ'ব। তাৰ লগতে নাট্যকাৰৰ পৰিচয়, মূল আৰু মৌলিকতা, বিষয়বস্তু, বৈশিষ্ট্য, নামকৰণৰ তাৎপৰ্য আদি দিশবোৰো দাঙি ধৰা হ'ব।

দ্বিতীয় বিভাগটিৰ বিষয়বস্তু হ'ল মৃচ্ছকটিকম্-ৰ ১ম-৫ম অঙ্কৰ পাঠগত পৰ্যালোচনা। আলোচনা প্ৰসঙ্গত বিভাগটোৰ আৰম্ভনিতে সমগ্ৰ নাটখনিৰ কথাবস্তুৰ এটা সামগ্ৰিক ধাৰণা দাঙি ধৰা হৈছে। তাৰ লগতে প্ৰতিটো অঙ্কৰে সাৰাংশ আলোচনা কৰি এই অঙ্ককেইটাৰ সাধাৰণ বৈশিষ্ট্যবোৰ বিশ্লেষণ কৰা হৈছে।

তৃতীয় বিভাগত মৃচ্ছকটিকম্-ৰ ৬ষ্ঠ-১০ম অঙ্কৰ পাঠগত পৰ্যালোচনাই স্থান পাইছে। এই অঙ্ককেইটাৰ সাৰাংশ, সাহিত্যিক সমীক্ষা, বৈশিষ্ট্য আদি দিশবোৰৰ ওপৰত আলোকপাত কৰাৰ লগতে বিভাগটিৰ শেষত প্ৰকৰণখনিৰ চৰিত্ৰসমূহৰ বিশ্লেষণ দাঙি ধৰা হৈছে।

## প্ৰথম বিভাগ

# 'মৃচ্ছকটিকম্'-ৰ সাধাৰণ পৰিচয়

**বিভাগৰ গঠন**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ শূদ্ৰকৰ পৰিচয়
১.৪ মৃচ্ছকটিকম্-ৰ উৎস
১.৫ মৃচ্ছকটিকম্-ৰ প্ৰকৰণত্ব
১.৬ মৃচ্ছকটিকম্-ৰ সাৰাংশ
১.৭ মৃচ্ছকটিকম্-ৰ বৈশিষ্ট্য
১.৮ মৃচ্ছকটিকম্-ৰ নামকৰণ
১.৯ সাৰাংশ (Summing Up)
১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

সংস্কৃত সাহিত্যত নাট্য সাহিত্যই এক বিশেষ স্থান দখল কৰি আছে। মহাকবি ভাস, কালিদাস, শূদ্ৰক, ভৱভূতি, শ্ৰীহৰ্য, ভট্টনাৰায়ণ প্ৰভৃতি নাট্যকাৰে সংস্কৃত নাট্যসাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়াই থৈ গৈছে। এইসকল নাট্যকাৰৰ ভিতৰত মহাকবি শূদ্ৰক অন্যতম। তেওঁৰ 'মৃচ্ছকটিকম্' সংস্কৃত নাট্যসাহিত্যৰ এক অনুপম সম্পদ। এই বিভাগটিত 'মৃচ্ছকটিকম্-ৰ বিষয়ে আলোচনা কৰা হ'ব। বিভাগটিৰ আৰম্ভনিতে শূদ্ৰকৰ পৰিচয় দাঙি ধৰা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- সংস্কৃত নাট্যকাৰ শূদ্ৰকৰ পৰিচয় লাভ কৰিব পাৰিব,
- মৃচ্ছকটিকম্ নাটখনিৰ উৎস সম্পৰ্কে জ্ঞাত হ'ব পাৰিব,
- নাটখনিৰ নামকৰণৰ তাৎপৰ্য্য উপলব্ধি কৰিব পাৰিব,
- নাটখনৰ বৈশিষ্ট্যসমূহ বুজিবলৈ সমৰ্থবান হ'ব।

## ১.৩ শূদ্ৰকৰ পৰিচয়

ভাৰতীয় প্ৰাচীন নাট্যকাৰসকলৰ ভিতৰত শূদ্ৰকৰ স্থান আগশাৰীত। শূদ্ৰকৰ ৰচিত 'মৃচ্ছকটিকম্' প্ৰকৰণৰ পৰা তেওঁৰ জীৱন সম্বন্ধে কিছু জনা যায়। সংস্কৃত দৃশ্যকাব্যত প্ৰস্তাৱনাতে কাব্য আৰু কাব্য প্ৰণেতাৰ পৰিচয় দাঙি ধৰা হয়। সেই ৰীতি অনুযায়ী মৃচ্ছকটিকম্-ৰ প্ৰস্তাৱনাতে শূদ্ৰকৰ পৰিচয় দি থোৱা হৈছে। নান্দীৰ পিছত দৰ্শকমণ্ডলীক সম্বোধন কৰি সূত্ৰধাৰে কৈছে-

*দ্বিৰদেন্দ্ৰ গতিশ্চকোৰনেত্ৰ ঃ পৰিপূৰ্ণেন্দুমুখ ঃ সুবিগ্ৰহশ্চ।*
*দ্বিজমুখ্যতমঃ কবিৰ্বভূৱ প্ৰথিতঃ শূদ্ৰক ইত্যগাধসত্বঃ।। (মৃচ্ছকটিকম্ (১/৩)*

অৰ্থাৎ- “ক্ষত্ৰিয় শ্ৰেষ্ঠ শূদ্ৰক প্ৰথিতযশা কবি, অগাধ জ্ঞানী আছিল, তেওঁ আছিল সুগঠিত শৰীৰৰ, যাৰ গমন গজৰাজৰ দৰে ধীৰ, চকোৰ চৰাইদৰে নেত্ৰযুগল, মুখ পূৰ্ণচন্দ্ৰৰ দৰে।

তেওঁ ঋগ্বেদ, সামবেদ, অঙ্কশাস্ত্ৰ, হস্তীশিক্ষা আদি সৰ্বকলাবিদ আছিল। মহাদেৱৰ আশীৰ্বাদত তেওঁ অজ্ঞান অন্ধকাৰ দূৰত থৈ জ্ঞানচকু লাভ কৰিছিল। অশ্বমেধ যজ্ঞ সমাধা কৰি নিজপুত্ৰক ৰজা হোৱা চাই, এশ দহদিন আয়ুস লাভ কৰি শূদ্ৰকে অগ্নিত প্ৰবেশ কৰিছিল।

*ঋগ্বেদং সামবেদং গণিতমথ কলা বৈশিকী হস্তীশিক্ষাং*
*জ্ঞাতা শৰ্বপ্ৰসাত্‌ব্যপগত তিমিৰে চক্ষুষী চোপলভ্য।*
*ৰাজনং বীক্ষ্য পুত্ৰং পৰমসমুদ্ৰয়েনশ্বিমেধেন চেষ্টা*
*লব্ধা চায়ুঃ শতাব্দং দশদিনসহিতং শূদ্ৰকোহগ্নিঃ প্ৰবিষ্টঃ।। (মৃচ্ছ. ১/৪)*

শূদ্ৰক আছিল যুদ্ধপ্ৰিয়, প্ৰমাদৰহিত, তপোধন বিদ্যাবেত্তা সকলৰ শ্ৰেষ্ঠ, প্ৰধান শত্ৰুবিলাকৰ লগত বাহুবলেৰে যদ্ধাকাঙক্ষী।

প্ৰকৰণখনিৰ প্ৰস্তাৱনাত দিয়া শূদ্ৰকৰ উক্ত পৰিচয়ত তেওঁৰ গুণাৱলীসমূহ বৰ্ণনা কৰা হৈছে। কিন্তু তেওঁৰ স্থান আৰু কাল সম্বন্ধে কোনো তথ্য দিয়া হোৱা নাই। কেৱল শূদ্ৰক যে এজন বহুগুণযুক্ত ৰজা আছিল সেইকথা বৰে বাৰে কোৱা হৈছে। কিয়নো, উক্তকথাখিনি কোনো তৃতীয় ব্যক্তিয়ে অতীতকালত বৰ্ণনা কৰিছে। প্ৰস্তাৱনাত উল্লেখকৰাৰ দৰে লেখকে নিজৰ মৃত্যুৰ দিনটো আগতীয়াকৈ আৰু ইমান স্পষ্টকৈ জনাটো সম্ভৱ নহয়। এই সকলোবোৰ উক্তিৰ পৰা এইটো স্পষ্ট যে প্ৰস্তাৱনাটো নাট্যকাৰে নিজে লিখা নহয়। পিছত কোনোবা গুণগ্ৰাহী ব্যক্তিয়ে সংযোগ কৰা, যিজনতকৈ শূদ্ৰক বহুকালৰ আগৰ। গতিকে, নাটকখনৰ লগত প্ৰস্তাৱনাটোৰ সম্বন্ধে কিছুমান প্ৰশ্ন জাগে। যেনে ঃ- (১) শূদ্ৰকেই প্ৰকৰণখনিৰ প্ৰকৃত লিখকনে? (২) নে আনকোনোবাই শূদ্ৰকৰ নামত প্ৰকৰণ খনি ৰচনা কৰিছিল? (৩) পিছত কালত কোনোবা গুণগ্ৰাহীয়ে শূদ্ৰকৰ নামৰ লগত কাব্যখনৰ সংযোগ স্থাপন কৰিলে নেকি?

কিন্তু বহু শতাব্দী ধৰি সমগ্ৰ ভাৰতবৰ্ষতে মৃচ্ছকটিকম্-ৰ ৰচক হিচাপে শূদ্ৰকৰ নামটো জড়িত হৈ আছে। প্ৰাচীন ভাৰতীয় সাহিত্যই ৰজা শূদ্ৰক সম্বন্ধে বিভিন্ন তথ্য আগবঢ়াইছে। মহাকবি কালিদাসে তেওঁৰ পূৰ্বৱৰ্তী কিছুমান কবিৰ নাম উল্লেখ কৰিছে যদিও শূদ্ৰক সম্বন্ধে কালিদাসৰ গ্ৰন্থ নিমাত। আলঙ্কাৰিক বামনে তেওঁৰ ‘কাব্যালঙ্কাৰসূত্ৰবৃত্তি’ নামৰ গ্ৰন্থত মৃচ্ছকটিকম্-ৰ পৰা দুটা শ্লোক উদাহৰণৰ বাবে গ্ৰহণ কৰিছে আৰু এই প্ৰসঙ্গত মন্তব্য কৰি- বামনে শূদ্ৰকক সাহিত্যক ৰূপে স্বীকৃতি দিছে। তেওঁ শূদ্ৰকৰ ৰচনাৰ বৈশিষ্ট্য সম্বন্ধে মন্তব্য দি কৈছে- “শূদ্ৰকাদিৰচিতেযু প্ৰৱন্ধেস্বস্য ভূয়ান্ প্ৰপঞ্চো দৃশ্যতে।” বামনৰ এই উক্তিৰ পৰা মানি ল’ব পাৰি যে বামনৰ দিনলৈ অৰ্থাৎ অষ্টম শতিকাৰ উত্তৰাৰ্দ্ধত শূদ্ৰক মৃচ্ছকটিকম্-ৰ প্ৰণেতাৰূপে প্ৰখ্যাত হৈ পৰিছিল।

**শূদ্ৰকৰ সময় ঃ** ঐতিহাসিক কাব্য ‘ৰাজতৰঙ্গিনী’ৰ গ্ৰন্থকাৰ কল্হনে শূদ্ৰকক বিক্ৰমাদিত্যৰ সমতুল্য বুলি উচ্চ প্ৰশংসা কৰিছে। (ৰাজতৰঙ্গিনী- ৩/৩৬৩)। স্কন্দপুৰাণত শূদ্ৰকক অন্ধ্ৰভৃত্য বংশৰ প্ৰতিষ্ঠাতা বুলি পৰিচয় দিছে। (কুমাৰিকাখণ্ড- ৫/২৪) “বেতালপঞ্চবিংশতি” গ্ৰন্থত শূদ্ৰকৰ ৰাজধানী বৰ্দ্ধমান বা শোভাৱতী বুলি উল্লেখ কৰিছে। ‘কাদম্বৰী’ত বাণে শূদ্ৰকক বিদিশাৰ ৰজা বুলি উল্লেখ কৰিছে। (কাদম্বৰী- পৃ. ৩২২) ‘হৰ্ষচৰিত’ত শূদ্ৰকৰ নিপুন সামৰিক কলাৰ উল্লেখ আছে। ‘অমৰকোষ’ গ্ৰন্থৰ ব্যাখ্যাকাৰ ক্ষীৰস্বামীয়ে নিজৰ ব্যাখ্যাত চক্ৰৱৰ্তী ৰজাসমূহৰ নামৰ যি তালিকা দিছে তাত শূদ্ৰকৰ নামে স্থান পাইছে। (অমৰকোষ- ২.৮.২)। ভৰ্ত্তৃহৰিৰ

'বাক্যপদীয়'ৰ টীকাত শূদ্রকৰ নাম উল্লেখ আছে। আলঙ্কাৰিক ধনিকে ধনঞ্জয়ৰ 'দশৰূপকাৱলোক' গ্রন্থৰ টীকাত মৃচ্ছকটিকম্-ৰ পৰা উদ্ধৃতি দিছে। ধনিক মালৱদেশৰ পৰমাৰবংশীয় ৰজাসকলৰ সভাকবি আছিল। গতিকে, তেওঁ দশম শতিকাৰ লোক। সেই হিচাবে শূদ্রকৰ সময়ৰ শেষসীমা দশম শতিকাৰ আগভাগ বুলিব পাৰি। এই সকলোবোৰৰ উপৰিত্ত ৰোমিল্ল আৰু সোমিল্ল নামৰ দুজন কবিয়ে "শূদ্রক কথা" নামে শূদ্রকৰ জীৱনী এখন ৰচনা কৰিছিল বুলি জনা যায়। ড° কীথৰ মতে শূদ্রক সাতবাহন বা শালিবাহন বংশীয় ৰজাসকলৰ মন্ত্রী আছিল আৰু প্রতিষ্ঠানকে ধৰি অর্ধৰাজ্য তেওঁৰ প্রতিপালক ৰজাৰ পৰা লাভ কৰিছিল।

বিভিন্ন যুক্তি দেখুৱাই পণ্ডিতসকলে শূদ্রকৰ কাল সম্বন্ধে বিভিন্ন মতবাদ দাঙি ধৰিছে। তাৰ ভিতৰত পিটাৰচনে দণ্ডীৰ কাল নিৰূপন কৰিবলৈ গৈ 'কাব্যদর্শ'ত পোৱা 'মৃচ্ছকটিকম্'-ৰ শ্লোকটি বিশ্লেষণ কৰি মন্তব্য দিছে যে সংস্কৃত ভাষাৰ অৱসাদৰ কালতহে মৃচ্ছকটিকম্ ৰচিত হৈছিল।

ওপৰত উল্লেখ কৰা তথ্যখিনিৰ পৰা বিশ্লেষণাত্মক অধ্যয়নৰ পিছত অনুমান কৰিব পাৰি যে বাণভট্টৰ দিনত অর্থাৎ ৭ম শতিকাৰ আগভাগত শূদ্রকে কবিৰূপে প্রসিদ্ধি লাভ কৰিছিল। বহুতো পণ্ডিতৰ উক্তিৰ ওপৰত নির্ভৰ কৰি শূদ্রকক এটি ঐতিহাসিক চৰিত্র বুলি স্বীকৃতি দিব পাৰি। মৃচ্ছকটিকম্-ৰ বিষয়বস্তু আৰু তাৰ উপস্থাপন পদ্ধতি অধ্যয়ন কৰি মৃচ্ছকটিকম্-মৰ প্রণেতাজন শূদ্রক নামে এজন ৰজাই আছিল বুলি অনুমান কৰিব পাৰি।

**শূদ্রকৰ প্রশংসা ঃ** ভাৰতীয় সাহিত্যলৈ শূদ্রকৰ মৃচ্ছকটিকম্- এক অভিনৱ অৱদান। বহুতো কাৰণত 'মৃচ্ছকটিকম্' ভাৰতীয় নাট্য পৰম্পৰাত এক ব্যতিক্রমৰূপে স্বীকৃত হৈছে আৰু ভাৰতীয় নাট্যসাহিত্যত নতুন ধাৰাৰ সৃষ্টি কৰিছে। কাল্পনিক বা বাস্তৱ কাহিনীক আধাৰ কৰি ৰচনা কৰা সংস্কৃত বা প্রাকৃত নাটকৰ সংখ্যা নিচেই কম। শূদ্রকেই পোন প্রথমবাৰৰ বাবে এখন সম্পূর্ণ বাস্তৱধর্মী নাটক সংস্কৃতত লিখি উলিয়ালে। সদায় গতানুগতিক কাহিনীৰ আধাৰত ৰচিত পৌৰাণিক বা ঐতিহাসিক নাটক চাই থকা ভাৰতীয় দর্শকে মৃচ্ছকটিকম্-ত এক বিভিন্ন নাট্য স্বাদ অনুভৱ কৰিলে আৰু প্রকৰণক আন্তৰিকতাৰে গ্রহণ কৰিলে। আজিলৈকে জনপ্রিয়তাৰ উচ্চ আসন গ্রহণ কৰি আহিছে।

**আত্ম-মূল্যায়ন প্রশ্ন**

কিহৰ ভিত্তিত শূদ্রকৰ সময় নিৰূপন কৰিব পাৰি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................................

.............................................................................................

.............................................................................................

.............................................................................................

## ১.৪ মৃচ্ছকটিকম্-ৰ উৎস

প্রাচীন ভাৰতীয় সমালোচকসকলে সকলো সৃষ্টিধর্মী ৰচনাকে 'কাব্য' বুলি কৈছে। আলঙ্কাৰিক বিশ্বনাথ কবিৰাজৰ সংজ্ঞা অনুযায়ী "বাক্যং ৰসাত্মকং কাব্যম্" অর্থাৎ ৰসাত্মক বাক্যকে 'কাব্য' বোলা হয়। দৃশ্য আৰু শ্রব্যভেদে কাব্য দুই প্রকাৰৰ। দৃশ্যকাব্য অভিনয়ৰ যোগ্যতাৰ বিপৰীতে শ্রব্যকাব্য হৈছে শ্রতিগোচৰ যোগ্য।

দৃশ্যকাব্যক ৰূপক নামে জনা যায়- ‘‘তদ্‌ৰূপাৰো পাত্তুৰূপকম্‌- (সাহিত্য দৰ্পন ৬।৩১৩)। অৰ্থাৎ যি ৰূপ আনৰ ওপৰত আৰোপ কৰা হয় তাকে ৰূপক বোলে। আকৌ ৰূপকক দুই ভাগত ভগোৱা হৈছে ১। ৰূপক আৰু ২। উপৰূপক। ৰূপক দহপ্ৰকাৰৰ, উপৰূপক ওঠৰ প্ৰকাৰৰ। নাটক, প্ৰকৰণ, ভান, ব্যায়োগ, সমৱকাৰ, ডিম, ইহামৃগ, অঙ্কঁ, বীথী আৰু প্ৰহসন - এই দহবিধ ৰূপক।

*প্ৰকাৰনং নাটকম্‌ প্ৰকৰণং ভান ব্যায়োগ সমৱক্যাৰডিমা ঃ*
*ইহামৃগাঙ্কঁবীথ্য ঃ প্ৰহসনমিতি ৰূপকাণি দশ। (সাহিত্য দৰ্পণ ৬/৩)*

সেইদৰে উপৰূপক ওঠৰ প্ৰকাৰৰ- নাটিকা, ত্ৰোটক, গোষ্ঠী, স ট্ৰক, নাট্যৰাসক, প্ৰস্থান, উল্লাপ্য, কাব্য, প্ৰেঙ্খন, ৰাসক, সংলাপক, শ্ৰীগদিত, শিল্পক, বিলাসিকা, দুৰ্মলিকা প্ৰকৰণী হল্লীশ আৰু ভাণিকা।

শূদ্ৰকৰ মৃচ্ছকটিকম্‌ দ্বিতীয় ভাগৰ অৰ্থাৎ, প্ৰকৰণ শ্ৰেণীৰ ৰূপক। ই এখন সামাজিক বাস্তৱধৰ্মী নাটক। বাস্তৱজীৱনৰ লগত সঙ্গতি ৰাখি বিষয়বস্তু, চৰিত্ৰ সংলাপ আদি সজাই তোলা হয়। মৃচ্ছকটিকম্‌-ত দুটা প্ৰধান ঘটনাৰ লগতে জুৱাৰীদলৰ কাজিয়া, নগৰৰক্ষীৰ কাজিয়া যিবোৰ বাস্তৱসমাজত দেখা যায় তেনেবোৰ ঘটনা চিত্ৰিত হৈছে।

একাধিক কাৰণত মৃচ্ছকটিকম্‌ প্ৰাচীন ভাৰতীয় নাট্য পৰম্পৰাত এক ব্যতিক্ৰমৰূপে স্বীকৃত হৈছে আৰু ই ভাৰতীয় নাট্যসাহিত্যৰ ইতিহাসত এক নতুন ধাৰাৰ সৃষ্টি কৰিছে। ঘটনাবহুল মৃচ্ছকটিকম্‌-ৰ নিটোল কাহিনী, নিখুট উপস্থাপন পদ্ধতি আদিলৈ চাই ভাসৰ ‘চাৰুদত্তৰ’ সংক্ষিপ্ত সংস্কৰণ বুলি বহুকেইজন সমালোচকে ক’ব খোজে। মৃচ্ছকটিকম্‌ প্ৰকৰণখনিৰ কথাবস্তুৰ মাজত দুটা ভাগ পৰিস্কাৰ ৰূপে চকুত পৰে। তাৰে প্ৰথম ভাগত (প্ৰথম অঙ্কৰ পৰা চতুৰ্থ অঙ্কলৈ বৰ্ণিত) চাৰুদত্ত আৰু বসন্ত সেনাৰ প্ৰেমকথা আৰু ২য় ভাগত (পঞ্চমৰ পৰা দশমলৈ) আৰ্যকৰ ৰাজ্যলাভ। মহাকবি ভাসৰ চাৰুদত্ত নাটক উদ্ধাৰ হোৱাৰ পাছত এচাম পণ্ডিতে প্ৰমাণ কৰিবলৈ বিচাৰিছে যে মৃচ্ছকটিকম্‌-ৰ প্ৰথমাংশ প্ৰথম চাৰি অঙ্কৰ বৰ্ণনীয় বিষয়বস্তু ভাসৰ চাৰুদত্তৰ ঘটনাৰ ওপৰতে আধাৰিত হৈছে। মৃচ্ছকটিকম্‌ আৰু চাৰুদত্তৰ প্ৰথম কথাংশৰ মাজত সাদৃশ্য দেখা যায়। ভাসৰ ‘চাৰুদত্তম্‌’ নাটকতো দেখা যায় যে চাৰুদত্ত, বিদূষক, শকাৰ, বিট, সংবাহক, চেট (মৃচ্ছকটিকম্‌-ৰ কৰ্ণপূৰক) আৰু সজ্জলক (মৃচ্ছকটিকম্‌-ৰ শাৰ্বিলক) এই সকল পুৰুষ পাত্ৰ। ব্ৰাহ্মণী, ধূতা, বসন্তসেনা, ৰদনিকা (চাৰুদত্তৰ ঘৰৰ চেটী) আৰু মদনিকা (বসন্তসেনাৰ ঘৰুৱা চেটি) এইসকল স্ত্ৰী পাত্ৰ। নাটকৰ অন্তিম অঙ্কত বসন্তসেনাই চেটী মদনিকাক সজ্জলকৰে সৈতে বিদায় দি নিজে প্ৰসাধন আদি কৰি চাৰুদত্তৰে সৈতে অভিসাৰ কৰিবলৈ প্ৰতিকুল বতৰতে যাত্ৰা কৰে। ইমানতে ‘চাৰুদত্ত’ নাটকৰ সমাপ্ত হয়।

শূদ্ৰকৰ মৃচ্ছকটিকম্‌ প্ৰকৰণ খনিটো প্ৰথম চাৰিটা অঙ্কত একেখিনি কথাকে পোৱা যায়। সেইকাৰণে মৃচ্ছকটিকম্‌-ৰ প্ৰথম চাৰিটা অঙ্ক ভাসৰ ‘চাৰুদত্ত’ ৰ ৰূপান্তৰ বুলি ক’ব পাৰি। পাৰ্থক্য কেৱল ইমানেই যে ভাসৰ চাৰুদত্তত ঘটনাৰাজি সহজ-সৰল আৰু কিছু চমুকৈ বৰ্ণনা কৰা হৈছে তাকে মৃচ্ছকটিকম্‌-ত অধিক অলঙ্কৃত আৰু বিস্তাৰিত শৈলীত বৰ্ণনা কৰা হৈছে। তাৰ সৈতে ‘বৃহৎকথা’ৰ পৰা লোৱা ৰাষ্ট্ৰবিপ্লৱ আৰু ৰাজনৈতিক পৰিবৰ্ত্তনৰ কথা সংযোগ কৰা হৈছে।

ভাসৰ চাৰুদত্ত আৰু মৃচ্ছকটিকম্‌-ৰ তুলনামূলক আলোচনাৰ পৰা জনা যায় যে ‘চাৰুদত্ত’ নাটকত নান্দী আৰু নাট্যকাৰৰ পৰিচয় আদি নাই। সূত্ৰধাৰৰ প্ৰবেশেৰে নাটকৰ প্ৰথম অঙ্ক

আৰম্ভ কৰা হৈছে। সূত্ৰধাৰ আৰু নটীৰ কথোপকথনৰ আঁত ধৰি চাৰুদত্তৰ গৃহাভিমুখে যোৱা বিদূষক মঞ্চলৈ সোমাই আহে। চাৰুদত্তৰ সৈতে হোৱা কথা- বতৰাত বিদূষকে দৰিদ্ৰতাৰ কুফল বিলাকৰ কথা ভাবি নিজৰ অৱস্থাৰ বাবে দুখ কৰে। এনেতে শকাৰ আৰু বিটৰ দ্বাৰা অনুসৃত সেনাৰ প্ৰবেশ ঘটে। বসন্তসেনাই চাৰুদত্তৰ ঘৰত আশ্ৰয় লয়। শকাৰে আন্ধাৰতে চাৰুদত্তৰ দাসী ৰদনিকাক কৰায়ত্ত কৰে। কিন্তু বিদূষকৰ চাঁকিৰ পোহৰত দুৰ্বৃত্তহঁতে নিজৰ ভুল বুজি পাই খং কৰি গুচি যায়। বিদূষকে বসন্তসেনাক চাৰুদত্তৰ লগত পৰিচয় কৰাই দিয়ে।

দ্বিতীয় অঙ্কত বসন্তসেনাই পৰিচালিকা মদনিকাক চাৰুদত্তৰ প্ৰতিহোৱা তেওঁৰ প্ৰণয়ৰ কথা কয়। সংবাহক নামে ধৰুৱা জুৱাৰী এজনে পলাই আহি বসন্তসেনাৰ ঘৰত আশ্ৰয় লৈছেহি। তেওঁৰ নিৰ্দ্দেশক্ৰমে দাসীয়ে ওলাইগৈ আশ্ৰয়প্ৰাৰ্থীক ঋণমুক্ত কৰে। সংবাহকে বৌদ্ধভিক্ষু হোৱাৰ সঙ্কল্প কৰে। ভূত্যকৰ্ণপূৰ্ব্বক আহি কয় যে মদমত্ত হাতীৰ কৱলৰ পৰা ভিক্ষু এজনক ৰক্ষা কৰাৰ বাবে চাৰুদত্তই তেওঁক সাহসিকতাৰ প্ৰশংসা কৰি পুৰস্কৃত কৰিছে।

তৃতীয় অঙ্কত চাৰুদত্ত আৰু বিদূষকে সঙ্গীত শালাৰ পৰা ৰাতি বহুপলমকৈ ঘূৰি আহি শয্যা লৈছে। সজ্জালক নামৰ চোৰ এজনে চাৰুদত্তৰ গৃহত প্ৰবেশ কৰি বসন্তসেনাৰ অলঙ্কাৰ খিনিলৈ পলাই যায়। চাৰুদত্তৰ পত্নী ধূতাই নিজৰ ৰত্নহাৰডাল হেৰোৱা অলঙ্কাৰ খিনিৰ পৰিবৰ্তে বসন্তসেনাইক দিবৰ বাবে উলিয়াই দিয়ে। তাৰবাবে চাৰুদত্তই বসন্তসেনাক মাতি আনিবলৈ বিদূষকক যাবলৈ কৈছে।

চতুৰ্থ অঙ্কত দেখা যায় যে বসন্তসেনা চাৰুদত্তৰ চিন্তাত মগ্না। সজ্জালকে প্ৰবেশ কৰি তেওঁৰ প্ৰেমিকা মদনিকাক লগ ধৰিছে আৰু আগৰাতি চুৰ কৰি অনা অলঙ্কাৰ খিনি মুক্তি মূল্য ৰূপে বসন্তসেনাক দি তেওঁক দাসত্বৰ পৰা মুক্ত কৰিব খুজিছে। মদনিকাই তেওঁৰ গৰাকীৰ অলঙ্কাৰ খিনি চিনি পাই সেইখিনি বসন্তসেনাক ঘূৰাই দিবৰ বাবে অনুৰোধ কৰে। ইতিমধ্যে বিদূষকে ৰত্নহাৰডাল দি বসন্তসেনাক চাৰুদত্তৰ ঘৰলৈ নিমন্ত্ৰন কৰি থৈ যায়। এইসময়তে সজ্জালকে মদনিকাৰ সৈতে আহি বসন্তসেনাক অলঙ্কাৰ খিনি দি কয় যে তেওঁ চাৰুদত্তৰ দূতৰূপে বসন্তসেনাৰ অলঙ্কাৰ খিনি ঘূৰাই দিবলৈ আহিছে। বসন্তসেনাই সজ্জালকৰ উদ্দেশ্যৰ উমান পাই মদনিকাক তেওঁৰ হাতত অৰ্পন কৰে। বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ যাবলৈ সাজু হয়।

ইমানতে ভাসৰ ৰচিত 'চাৰুদত্ত' নাটকৰ সমাপ্ত হয়।

ভাসৰ চাৰুদত্তত কোনো নান্দী বা প্ৰস্তাৱনা নাই। কাহিনীভাগো হঠাৎ সমাপ্ত হ'ল। বসন্তসেনাৰ প্ৰণয়কাহিনী অঙ্কুৰিত হ'ল কিন্তু বিকশিত হবলৈ নাপালে। 'চাৰুদত্ত'ত এনে সুস্থ আৰু সম্ভাৱণা পূৰ্ণ কাহিনী এটা হঠাৎ স্তব্ধ হৈ যোৱাটো অনুভৱ কৰিয়েই বোধকৰো শূদ্ৰকে কাহিনী ভাগক পূৰ্ণতা দিবৰ বাবে 'মৃচ্ছকটিকম্' ৰচিলে। দুয়োখন গ্ৰন্থৰ কিছুমান পাৰ্থক্য তলত আলোচনা কৰা হ'ল। এই পাৰ্থক্যবোৰ প্ৰকৃততে শূদ্ৰকে ইচ্ছাকৃত ভাবে কৰা সংশোধনহে। যথা —

(১) চাৰুদত্তৰ স্থাপনাত সূত্ৰধাৰে কেৱল প্ৰাকৃততে কথা কৈছে। কিন্তু মৃচ্ছকটিকম্-ৰ সূত্ৰধাৰে সংস্কৃতত সংলাপ আৰম্ভ কৰি পিছত প্ৰাকৃতলৈ সলনি কৰিছে।

(২) চাৰুদত্তৰ প্ৰথম অঙ্কত চাৰুদত্তৰ ঘৰলৈ বিদূষকৰ আগমনৰ কাৰণ জনোৱা হোৱা নাই। কিন্তু মৃচ্ছকটিকম্-ত চূৰ্ণবিদ্ধই দিয়া চোলাটো দিবৰ বাবে বিদূষক চাৰুদত্তৰ ঘৰলৈ গৈ থাকোতে প্ৰথম অঙ্কৰ মূল ঘটনা আৰম্ভ হৈছে।

(৩) চাৰুদত্তত বসন্তসেনাক শকাৰে অনুসৰণ কৰি আহোতে লগত মাত্ৰ এজন ভৃত্যহে আহিছিল। মৃচ্ছকটিকম্-ত বিট, চেট আৰু দুজন ভৃত্য শকাৰৰ লগত আহিছিল।

(৪) চাৰুদত্তত প্ৰথমঅঙ্কৰ ৰাতি বিদূষকে বসন্তসেনাক ঘৰলৈকে থৈছেগৈ। কিন্তু মৃচ্ছকটিকম্-ত চাৰুদত্তও তেওঁলোকৰ লগত গৈছে।

(৫) চাৰুদত্তত দ্যূতকৰসকলৰ কোনো আভাসেই নাই। মৃচ্ছকটিকম্-ত এইসকলোবোৰ শূদ্ৰকৰ সংযোজন।

(৬) চাৰুদত্তৰ চতুৰ্থ অঙ্কত বিদূষক বসন্তসেনাৰ ঘৰৰ পৰা যোৱাৰ পিছতহে সজ্জালকে বসন্তসেনাক লগধৰিছে। কিন্তু 'মৃচ্ছকটিকম্-'ত শৰ্বিলকৰ লগত বসন্তসেনাৰ কথা বতৰা হৈ যোৱাৰ পিছতহে বিদূষক আহিছে।

(৭) চাৰুদত্তত বসন্তসেনাৰ ঘৰৰ জাকজমকতাৰ বৰ্ণনা কেৱল পাচঁটা শাৰীত চমুৱাই থোৱা হৈছে। 'মৃচ্ছকটিকম্'-ত তাৰ যি বিস্তৃত বৰ্ণনা পোৱা যায় সেইসকলো চাৰুদত্তৰ অনুকৰণতহে। চাৰুদত্তত কোনো ৰাজনৈতিক ঘটনাৰ সংযোজন নাই। আৰ্যক বা পালক নামৰ কোনো ৰজাৰ নাম উল্লেখ নাই। কিন্তু মৃচ্ছকটিকম্-ৰ দ্বিতীয়অঙ্কতে ৰাজনৈতিক ঘটনা ঘটাৰ আভাস দিয়া হৈছে আৰু পৰৱৰ্ত্তী তৃতীয় আৰু পঞ্চম অঙ্কৰ বাহিৰে প্ৰতিটো অঙ্কতে এই ঘটনা বিকশিত হ'বলৈ দিয়া হৈছে। এইকাহিনীক প্ৰাসঙ্গিক কথাবস্তুৰূপে ব্যৱহাৰ কৰা হৈছে।

(৮) মৃচ্ছকটিকম্-ৰ পঞ্চম অঙ্কৰ পৰা দশম অঙ্কলৈকে এই দুটা অঙ্কৰ সমস্ত ঘটনাৱলী শূদ্ৰকৰ সংযোজন বুলি মানি লোৱা হৈছে।

শেষৰ ছটা অঙ্ক শূদ্ৰকৰ সৃষ্টি বুলি মানি লবলগা কাৰণটো হ'ল ভাসৰ হাতেলিখা পুথিত চাৰুদত্ত চাৰিটা অঙ্কতে শেষ হৈছে আৰু ই ভাসৰ আধৰুৱা কাম বুলি অনুমান কৰা হৈছে।

মৃচ্ছকটিকম্-ত পোৱা সংযোজনবোৰৰ উপযোগিতা বিচাৰ কৰি চালে এই কথা অধিক স্পষ্ট হয় যে ভাসৰ চাৰুদত্তৰ কাহিনী, সংলাপ, চৰিত্ৰ আদিত উন্নতিসাধন কৰিবলৈকে শূদ্ৰকে সেইবোৰ সংশোধন কৰিছিল।

নাট্যকাৰ শূদ্ৰকে য'তেই ভাসৰ কাহিনীভাগৰ উন্নতিৰ অৱকাশ দেখিছে তাতেই হাত ফুৰাইছে। গতিকে, চাৰুদত্তক মৃচ্ছকটিকম্-ৰ কাহিনীভাগৰ ভেটি বুলি কব পাৰি। বিভিন্ন সময়ত কাহিনীভাসৰ বিকাশ সাধন হৈ মৃচ্ছকটিকম্-ৰ বৰ্ত্তমান ৰূপ পাইছেহি। তাৰে প্ৰথমজন ব্যক্তি হল ভাস, যি নিজে চাৰুদত্তৰ কাহিনী সৃষ্টি কৰিলে। দ্বিতীয়জন হল শূদ্ৰক, যিজনে সেই কাহিনী ভাগৰ পুৰ্ণলিখন কৰি বহুতো উৎকৰ্ষ সাধিলে। তৃতীয়জন হ'ল শূদ্ৰকৰ কোনো অজ্ঞাত গুণগ্ৰাহী, যিজনে নাটকখনৰ প্ৰাৰম্ভতে শূদ্ৰকৰ আৰু গ্ৰন্থখনৰ পৰিচয়াত্মক টোকাটো সংযোগ কৰিলে। চতুৰ্থজন হ'ল নীলকণ্ঠ, যি দশম অঙ্কৰ শেষত এটা দৃশ্য সংযোগ কৰিছে। নীলকণ্ঠই সংযোগ কৰা সেই দৃশ্যটিত চাৰুদত্ত, বিদূষক ধূতা, বসন্তসেনা, শৰ্বিলক, চন্দনক, ৰোহসেন, সংবাহক, চেটী আদি প্ৰায় কেইটা প্ৰধান চৰিত্ৰৰ সমাবেশ ঘটোৱা হৈছে। নীলকণ্ঠ নামৰ লোকজনে কিয় এই দৃশ্যটো সংযোগ কৰিলে সেইবিষয়ে পৃথ্বীধৰৰ মৃচ্ছকটিকম্ বিবৃতি নামৰ টীকাত পোৱা যায়।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

ৰূপক মানে কি? মৃচ্ছকটিকম্ প্ৰকৰণখনি এই শ্ৰেণীৰ নে? (৪০ টা শব্দৰ ভিতৰত লিখক)

..........................................................................

..........................................................................

..........................................................................

..........................................................................

..........................................................................

..........................................................................

## ১.৫ মৃচ্ছকটিকম্-ৰ প্ৰকৰণত্ব

**প্ৰকৰণৰ লক্ষণ ঃ** আলঙ্কাৰিক বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্য দৰ্পণ' গ্ৰন্থৰ ষষ্ঠ পৰিচ্ছদত (২৫৩) মৃচ্ছকটিকম্-ক প্ৰকৰণ শ্ৰেণীৰ ৰূপক বুলি অভিহিত কৰিছে। অৰ্থাৎ ৰূপকৰ দ্বিতীয় বিধক 'প্ৰকৰণ' বোলা হয়। এই প্ৰকৰণৰ লক্ষণ সমূহ হৈছে-

*ভৱেৎ প্ৰকৰণে বৃত্তং লৌকিকং কবি কল্পিতম্।*

*শৃঙ্গাৰোঽঙ্গী নায়কস্তু বিপ্ৰোঽমাত্যোথবা বণিক।।*

*সাপায় ধৰ্মকামাৰ্থপৰো ধীৰ প্ৰশান্তকঃ।*

*নায়িকা কুলজা ক্বাপি বেশ্যা ক্বাপি দ্বয়ং ক্বচিৎ।।*

*তেনে ভেদাৎস্ত্ৰয় ঃ তস্য তত্ৰ ভেদাস্তৃতীয়কঃ।*

*কিতবদ্যুতকাৰাদিবিটচেট সংকুলঃ।। (সাহিত্য দৰ্পণ- ২৫৩-৮)*

অৰ্থাৎ য'ত বৰ্ণনীয় বৃত্তান্তটো লৌকিক, কবিকল্পিত, শৃঙ্গাৰ অঙ্গী অৰ্থাৎ প্ৰধান ৰস আৰু নায়কজন ব্ৰাহ্মণ, অমাত্য বা বণিক হ'ব লাগে। নায়কজন ধীৰ, শান্ত প্ৰকৃতিৰ আৰু বিপৰীত পৰিস্থিতিৰ মাজতো ধৰ্ম, অৰ্থ আৰু কামৰ সাধনত নিৰত থাকিব লাগে। কোনো কোনো প্ৰকৰণত কুলস্ত্ৰী, কোনো কোনোত বেশ্যা আৰু কোনো কোনোত কুলস্ত্ৰী, বেশ্যা উভয়েই নায়িকা হয়। ইয়াৰে তৃতীয়বিধ প্ৰকৰণত ধূৰ্ত্ত, দ্যুতকৰ, বিট, ভৃত্য, চোৰ, চণ্ডাল আদি চৰিত্ৰ বহুল ভাবে চিত্ৰিত হয়।

'দশৰূপক'ৰ ব্যাখ্যাকাৰ ধনিকৰ টীকা আৰু 'সাহিত্য দৰ্পণ'ৰ মিতভাষিণীৰ টীকাত তিনিবিধ প্ৰকৰণৰ নামকৰণ কৰা হৈছে। প্ৰথমবিধত অৰ্থাৎ কুলজা বা কুলস্ত্ৰী নায়িকা থকা প্ৰকৰণ 'পুষ্পভূষিত'। দ্বিতীয়বিধৰ উদাহৰণ হল অৰ্থাৎ গণিকা থকা প্ৰকৰণৰ নাম 'তৰঙ্গবৃত্ত' আৰু তৃতীয়বিধ অৰ্থাৎ কুলস্ত্ৰী আৰু গণিকা থকা প্ৰকৰণৰ উদাহৰণ হ'ল- 'মৃচ্ছকটিকম্-'।

সাহিত্য দৰ্পণৰ মতে নায়ক বা নায়িকাৰ নামেৰে প্ৰকৰণৰ নামকৰণ হ'ব লাগে-

*নায়িকা নায়িকাখ্যান সংজ্ঞা প্ৰকৰণাদিষু* (৬।১৪৩)

**প্ৰকৰণ হিচাবে মৃচ্ছকটিকম্ ঃ** ওপৰত উল্লেখ কৰা প্ৰকৰণৰ গুণসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে (১) মৃচ্ছকটিকম্ এখন প্ৰকৰণ শ্ৰেণীৰ ৰূপক। কাৰণ, মৃচ্ছকটিকম্-মৰ কাহিনীভাগ লৌকিক আৰু কবি কল্পিত। (২) নায়ক চাৰুদত্ত বিপ্ৰ বা ব্ৰাহ্মণ হৈও বণিক আৰু ধীৰ প্ৰশান্ত গুণৱান। ধীৰপ্ৰশান্ত নায়কৰ লক্ষণ আলঙ্কাৰিক ধনঞ্জয়ৰ মতে ঃ-- *'সামান্য গুণযুক্তস্তু ধীৰপ্ৰশান্ত*

*দ্বিজাদিকাঃ*'-- অৰ্থাৎ ধীৰপ্ৰশান্ত নায়ক সেইজনেই যাৰ গাত নায়কৰ সামান্যগুণবোৰ সমাবিষ্ট থাকে।" নায়ক চাৰুদত্ত ধৰ্ম, অৰ্থ, কাম এই ত্ৰিবৰ্গ সাধনত তৎপৰ। (৩) প্ৰকৰণৰ নায়িকা কুলস্ত্ৰী বা উভয় প্ৰকাৰৰ হ'ব লাগে। সেইদৰে মৃচ্ছকটিকম্-ত কুলস্ত্ৰী ধূতা আৰু গণিকা বসন্তসেনা উভয়ে নাটিকাৰূপে চিত্ৰিত হৈছে। দুয়ো শ্ৰেণীৰ নায়িকা উপস্থিত থকা বাবে দশৰূপকৰ মতে মৃচ্ছকটিকম্ সংকীৰ্ণ বা মিশ্ৰ প্ৰকৰণ। (৪) প্ৰকৰণৰ লক্ষণ অনুযায়ী জুৱাৰী, বিট, চেট, আদি ভালেমান নীচ পাত্ৰ থাকিব লাগে। সেইদৰে মৃচ্ছকটিকম্-তো কাহিনীৰ প্ৰয়োজন অনুসৰি ধূৰ্ত্ত, দ্যুতকাৰ, বিট, চেট, ভৃত্য আদিৰ চৰিত্ৰ চিত্ৰিত কৰা হৈছে। (৫) শৃঙ্গাৰ মৃচ্ছকটিকম্-ৰ মুখ্য ৰস। কিন্তু হাস্য, কৰুণ আৰু বীৰ ৰসে অঙ্গীৰসৰ পৰিপুষ্টি সাধন কৰিছে। (৬) প্ৰকৰণত পাঁচটাৰ পৰা দহটালৈকে অংক থাকিব লাগে। সেইদৰে মৃচ্ছকটিকম্-মৰ দহটা অংক আছে। (৭) 'সাহিত্যদৰ্পন'ৰ মতে প্ৰকৰণৰ শিৰোনামা নায়ক-নায়িকাৰ নামেৰে হ'ব লাগে। কিন্তু তাৰ বিপৰীতে মৃচ্ছকটিকম্-মৰ নামাকৰণ প্ৰকৰণখনিৰ অন্তৰ্গত এটি সৰু দৃশ্যৰ ভিত্তিত কৰা হৈছে। (৮) দশৰূপকত কোৱা হৈছে যে প্ৰকৰণৰ নায়কজন প্ৰতিটো অঙ্কতে মঞ্চত উপস্থিত থাকিব লাগে। কিন্তু মৃচ্ছকটিকম্-ৰ দহটো অঙ্কৰ ভিতৰত চাৰিটাতহে নায়ক উপস্থিত থকা দেখা যায়।

যদিও প্ৰকৰণৰ দুই এটা নিয়ম নাট্যকাৰে উলঙঘা কৰিছে তথাপি শূদ্ৰকে মৃচ্ছকটিকম্-মৰ নাটকীয় গঠন প্ৰকৰণৰ শাস্ত্ৰীয় সীমাৰেখাৰ মাজতে আৱদ্ধ ৰাখিছে। আলঙ্কাৰিক সকলে নিৰ্দ্ধাৰণ কৰি দিয়া নিয়মাৱলীৰ বেছি অংশই মানি চলিছে। গতিকে, দেখা যায় যে মৃচ্ছকটিকম্-্এখন সাৰ্থক প্ৰকৰণ। দুয়ো শ্ৰেণীৰ নায়িকা উপস্থিত থকা বাবে দশৰূপকৰ মতে মৃচ্ছকটিকম্-সংৰ্কীণ বা মিশ্ৰ প্ৰকৰণ।

মৃচ্ছকটিকম্-ৰ গঠন প্ৰণালীত থকা অনিয়ম হৈছে শূদ্ৰকে নাট্যবিধি উলঙঘা কৰি ধূতা আৰু বসন্তসেনাক দশম অঙ্কত মঞ্চত একেলগে উপস্থিত কৰাইছে আৰু ধূতাই আনগৰাকীক অভিনন্দন জনাইছে। বোধকৰো 'নাট্যশাস্ত্ৰ'ত ভৰতমুনিয়ে কোনো কুলস্ত্ৰীয়ে এগৰাকী গণিকাক পতিপ্ৰেমৰ অংশীদাৰ বুলি মানি ল'বলৈ মানসিক ভাবে প্ৰস্তুত নহ'ব বুলিয়েই এনেবিধান দিয়া হৈছিল।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

মৃচ্ছকটিকম্-ত প্ৰকৰণৰ কি কি বৈশিষ্ট্য পৰিলক্ষিত হোৱা নাই? (৩৫ টা শব্দৰ ভিতৰত লিখক)

.............................................................................

.............................................................................

.............................................................................

.............................................................................

## ১.৬ মৃচ্ছকটিকম্–ৰ সাৰাংশ

নান্দীৰ পিছতে প্ৰস্তাৱনাত নাট্যকাৰৰ পৰিচয় দিয়া হৈছে। শকাৰে বসন্তসেনাক প্ৰণয় যাচে। বসন্তসেনা চাৰুদত্তৰ ঘৰত প্ৰৱেশ কৰে। বসন্তোৎসৱত বসন্তসেনাই চাৰুদত্তক দেখি মনেৰে তেওঁক পাবলৈ ইচ্ছা কৰে। বসন্তসেনাই তেওঁ পিন্ধা অলঙ্কাৰখিনি চাৰুদত্তৰ ঘৰত থয়। শৰ্বিলক নামৰ এটা চোৰে চাৰুদত্তৰ ঘৰত সোমাই বসন্তসেনাৰ অলঙ্কাৰসমূহ চুৰি কৰি নি মদনিকাক উদ্ধাৰৰ বাবে দিয়ে। চাৰুদত্তৰ পত্নী ধূতাই তেওঁৰ ৰত্নাৱলী হাৰ ডাল বিদূষকৰ হাতত বসন্তসেনালৈ

দিয়ে। এদিন বসন্তসেনাই চাৰুদত্তৰ পুত্ৰ ৰোহসেনে কন্দাৰ কাৰণ জানিব পাৰি নিজৰ অলঙ্কাৰ খিনি খুলি চাৰুদত্তৰ দাসী ৰদনিকাক দিয়ে সোনৰ গাড়ী বনাবৰ বাবে। ইফালে সেইসময়তে কাৰাগাৰৰ পৰা পলাই অহা আৰ্যকে বৰ্দ্ধমানকে বসন্তসেনাক নিবলৈ অহা গাড়ীত আশ্ৰয় লয়। ৰাজপথত গাড়ী তালাচী কৰোঁতে চন্দনকে গাড়ীত আৰ্যকক যোৱা দেখি পলাবলৈ সুবিধা দিবৰ বাবে বীৰকক বলপূৰ্বকভাবে আতৰাই পঠায়। ফলত বীৰক আৰু চন্দনকৰ মাজত কাজিয়া হয়। নিজ গাড়ীলৈ বাট চাই থাকোতে ভুলক্ৰমে বসন্তসেনা স্থাৱৰকৰ গাড়ীত উঠে আৰু সেই গাড়ী গৈ শকাৰৰ ওচৰত উপস্থিত হয়। শকাৰে বসন্তসেনাক দেখি প্ৰেম আবেদন কৰে, কিন্তু বসন্তসেনা মান্তি নহল। পিছত চাৰুদত্তৰ ওপৰত প্ৰতিশোধ লোৱাৰ কাৰণে বিট আৰু চেটক বসন্তসেনাক হত্যা কৰিবলৈ আদেৰ্শ দিয়ে। কিন্তু বিট আৰু চেটই বসন্তসেনাক মাৰিবলৈ অমান্তি হয়। পিছত শকাৰে বসন্তসেনাক ডিঙিচেপি মাৰিবলৈ যত্ন কৰে। বসন্তসেনা অচেতনহৈ মাটিত পৰি যায়। চাৰুদত্তই বসন্তসেনাক গছৰ শুকান পাতেৰে ঢাকি বিচাৰালয়ত গোচৰ দিবলৈ যায়। এজন বিচাৰক আৰু দুজন সহায়কাৰীৰে বিচাৰ আৰম্ভ হৈছে। বসন্তসেনাৰ মাতৃয়ে চাৰুদত্তৰ লগত সম্বন্ধ থকাৰ কথা কয় আৰু আগৰাতি বসন্তসেনা চাৰুদত্তৰ ঘৰত থাকে। ঠিক তেনে সময়তে বীৰকে বিচাৰালয়লৈ আহি চন্দনকে গাড়ী পৰীক্ষা কৰিবলৈ নিদিয়াৰ কথা কয়। বীৰকে উদ্যানত নাৰীৰ মৃতদেহ দেখা বুলি কয় জন্তুৱে ক্ষত বিক্ষত কৰা মৃতদেহ নাৰীৰ বুলি চিনিব পাৰি। শকাৰে সেই মৃতদেহ বসন্তসেনাৰে বুলি কৈ চাৰুদত্তক প্ৰানদণ্ড দিবলৈ কয় কিন্তু বিচাৰকে খণ্ডন কৰিবলৈ চেষ্টা কৰে। তেনেতে বিদূষকে বসন্তসেনাক ৰোহসেনক গাড়ী বনাই দিবলৈ দিয়া আলঙ্কাৰখিনি ঘূৰাই দিবলৈ যাওঁতে বাটত চাৰুদত্তৰ প্ৰাণদণ্ডৰ কথা শুনি বিচাৰালয়লৈ যায়। শকাৰলৈ হাত দাঙি খেদি যাওঁতেই অলঙ্কাৰৰ টোপোলাটো বিদূষকৰ হাতৰ পৰা পৰি যায়। চাৰুদত্তক প্ৰাণদণ্ড দিবৰ বাবে সাজু কৰি বধ্য স্থানলৈ লৈ যাওঁতে সংবাহক নামৰ বৌদ্ধ ভিক্ষুৰ শুশ্ৰূষা কৰি সুস্থ কৰি তোলা বসন্তসেনাক লৈ সেইঠাইত উপস্থিত হয়। কিছুসময়ৰ পিছত ৰোহসেন আৰু ধূতাও গৈ তাতে মিলিত হয়। এনেতে শৰ্বিলকে খবৰ দিলে যে স্বেচ্ছাচাৰী ৰজা পালকক বধ কৰি আৰ্যক সিংহাসনত উঠে আৰু বিপদত সহায় কৰা বাবে বন্ধু চাৰুদত্তক কুশৱতী নগৰ উপহাৰ দিয়ে বসন্তসেনাকো 'বধূ' আখ্যাৰে সন্মানিত কৰে। চাৰুদত্তই বসন্তসেনাক 'কুলস্ত্ৰী' ৰূপে গ্ৰহণ কৰে। ধূতা আৰু বসন্তসেনা দুয়ো দুয়োকে আলিঙ্গন কৰি পুত্ৰ ৰোছসেনা আৰু চাৰুদত্তৰ সৈতে মিলিত হয়। শকাৰক প্ৰাণদণ্ড দিবলৈ আদেশ দিয়ে কিন্তু চাৰুদত্তই ক্ষমা কৰে।

## ১.৭ মৃচ্ছকটিকম্-ৰ বৈশিষ্ট্য

মৃচ্ছকটিকম্ এখন মঞ্চসফল নাট। নাট্যশাস্ত্ৰৰ নিয়মানুযায়ী প্ৰকৰণৰ কাহিনীভাগ লৌকিক হ'ব লাগে। শূদ্ৰকে মৃচ্ছকটিকম্-ত তৎকালীন সমাজৰ ছবি প্ৰতিফলিত কৰিছে। মৃচ্ছকটিকম্-ত এখন তিনিতৰপীয়া সমাজৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। তাত ৰজা, ৰাজপুৰুষ, শকাৰ, বিচাৰপতি আদি এটা স্তৰৰ সদস্য। চাৰুদণ্ড, মৈত্ৰেয় আদি উচ্চমধ্যবিত্তসকল আন এটা স্তৰৰ লোক। সমাজত বৰ্ণবিভাজন আৰু দাসত্ব প্ৰথা আছিল। সুৰাপান, পাশাখেল, গণিকালয় গমন আদিয়ে সামাজিক ভাবে স্বীকৃতি পাইছিল। দেশত ৰাজতান্ত্ৰিক শাসন ব্যৱস্থা চলিছিল যদিও স্বেচ্ছাচাৰী ৰজাৰ বিৰুদ্ধে প্ৰজাই বিদ্ৰোহ কৰিছিল। মৃচ্ছকটিকম্-ত তৎকালীন সমাজত প্ৰচলিত ধৰ্মীয় সংস্কাৰ, লৌকিক আচাৰ আচৰণ আৰু সামাজিক নীতিনিয়মৰ বহুল উল্লেখ কৰিছে। বৌদ্ধধৰ্মৰ অৱসাদৰ কালত মৃচ্ছকটিকম্ ৰচিত হৈছিল। মৃচ্ছকটিকম্ প্ৰাচীন ভাৰতীয় নগৰীয়া সমাজ আৰু সংস্কৃতিৰ দলিল বুলিব পাৰি। উজ্জয়িনী প্ৰাচীন ভাৰতীয়

বেহাবেপাৰৰ আৰু শিক্ষাৰ প্ৰানকেন্দ্ৰ আছিল। উত্তৰ ভাৰতৰ অৰ্থনীতি উজ্জয়িনীৰ ওপৰত নিৰ্ভৰশীল। এনে এখন গুৰুত্বপূৰ্ণ নগৰৰ অভ্যন্তৰীণ স্থিতি আৰু জীৱন যাত্ৰা প্ৰণালী নগৰ বাসীৰ আৰ্থিক, বৌদ্ধিক মানদণ্ড আদিৰে প্ৰাচীন ভাৰতীয় সমাজখন প্ৰতিফলিত হৈছে।

মৃচ্ছকটিকম্ এখন সামাজিক নাটক হোৱাৰ উপৰিত এখন বাস্তৱধৰ্মী নাট। বাস্তৱধৰ্মী নাটকত বাস্তৱ জীৱনৰ লগত সঙ্গতিৰাখি বিষয়বস্তু, চৰিত্ৰ, সংলাপ আদি সজাই তোলা হয়। মৃচ্ছকটিকম্-তো একেসময়তে ৰজা আৰ্যকৰ ৰাজনৈতিক অভ্যুত্থান আৰু চাৰুদত্ত আৰু বসন্তসেনাৰ প্ৰণয়কাহিনী সমান্তৰাল ভাবে আগবঢ়াই নিয়া হৈছে। এই দুটা প্ৰধান ঘটনাৰ পুষ্টিসাধনৰ বাবে শৰ্বিলক-মদনিকাৰ প্ৰেমকাহিনী আদিৰ লগতো জুৱাৰীদলৰ পৰা আৰম্ভ কৰি বিচাৰৰ দৃশ্যলৈকে অতি পৰিকল্পিত ভাবে সংযোজন কৰা হৈছে। বাস্তৱৰ পৰা শূদ্ৰক অলপো আঁতৰি যোৱা নাই। নগৰৰক্ষীৰ কাজিয়া, জুৱাৰীদলৰ কাজিয়াকে ধৰি সকলোবোৰ বাস্তৱ সমাজত দেখা যায়। বিষয়বস্তুৰ বৈচিত্ৰ্যৰ লগতে তীব্ৰ উৎকণ্ঠাই মৃচ্ছকটিকম্-ৰ নাটকীয় মূল্য বৃদ্ধি কৰিছে। ইয়াৰ চৰিত্ৰসমূহ প্ৰাণৱন্ত আৰু শক্তিশালী।

প্ৰাচীন ভাৰতীয় নাটকৰ প্ৰধান বৈশিষ্ট্য হৈছে ৰসৰ প্ৰাধান্য। সংস্কৃত আলঙ্কাৰিক সকলে নাটকৰ প্ৰধান ৰস বীৰ বা শৃঙ্গাৰ হ'ব লাগে বুলি উল্লেখ কৰিছে। সেইদৰে 'মৃচ্ছকটিকম্-'ৰ অঙ্গীৰস হৈছে শৃঙ্গাৰ। ইয়াৰ লগতে অঙ্গৰসসমূহ কৰুণ, বীভৎস, ৰৌদ্ৰ আৰু বিশেষকৈ হাস্যৰস ৰূপায়ণত শূদ্ৰকে পাৰদৰ্শিতা দেখুৱাব পাৰিছে। মৃচ্ছকটিকম্-মত ৰসৰ ৰূপায়ণৰ বাবে উপযুক্তভাবে বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাবৰ যথাযথভাবে উপস্থাপন কৰা হৈছে। মৃচ্ছকটিকম্-ত থকা হাস্যৰসে নাটকখন অধিক উপভোগ্য কৰি তুলিছে। শকাৰৰ চৰিত্ৰটিও হাস্যব্যঙ্গাত্মক সৃষ্টি বুলি ক'ব পাৰি।

মাধুৰ্য্য, ওজঃ, প্ৰসাদ আদি গুণৰ সুপ্ৰয়োগে ৰসৰ পৰিপুষ্টি সাধন কৰে। মৃচ্ছকটিকম্-ত ৰসৰ অনুকুলে গুণৰ ব্যৱহাৰ লক্ষ্য কৰি এই সিদ্ধান্ত দিব পাৰি যে গুণ আৰু ৰসৰ সম্বন্ধ সম্পৰ্কে শূদ্ৰকৰ ধাৰণা অতিশয় স্পষ্ট আছিল।

সংস্কৃত সাহিত্যত থকা কবিসময় (poetical convention) কবিৰ কল্পনা প্ৰসূত। ই বাস্তৱত সম্ভৱ নহয়। পৰম্পৰাগত ভাবে কিছুমান অযুক্তিকৰ ধাৰণা সংস্কৃত কবি সকলৰ মাজত চলি আহিছে। আৰু সকলো কবিয়ে সেয়া স্বীকাৰ কৰি লৈছে। শূদ্ৰকো তাৰ ব্যতিক্ৰম নহয়। মৃচ্ছকটিকম্-ৰ তৃতীয়, পঞ্চম আৰু দশম অঙ্কৰ কবিসময়ৰ উদাহৰণ যথেষ্ট দেখা যায়।

সকলো কাব্যিক উপদানেৰে পুষ্টিহোৱাৰ উপৰিও মৃচ্ছকটিকম্ প্ৰায় শতাধিক সুভাষিতেৰে সুসমৃদ্ধ। প্ৰায় প্ৰতিটো চৰিত্ৰৰ মুখতে শূদ্ৰকে সুন্দৰ নীতিবাক্য প্ৰয়োগ কৰিছে। শূদ্ৰক সংলাপ ৰচনাৰ দৰে শ্লোকৰচনাতো নিপুণ আছিল। ছন্দ বৈচিত্ৰ্য শূদ্ৰকৰ কাব্যৰ বৈশিষ্ট্য। অলঙ্কাৰৰ বৈভৱে শূদ্ৰকৰ ৰচনা অধিক উপাদেয় কৰি তুলিছে। এনেদৰে কেৱল মাথোন এখন কাব্য ৰচনা কৰি চিৰকালৰবাবে খ্যাতিমান হৈৰোৱা শূদ্ৰক এজন গুণী জ্ঞানী বিদ্বান আৰু চতুৰ ৰজাই কেৱল নহয়, তেওঁ এজন নিপুন কবি আৰু সকল নাট্যকাৰো। সেইকাৰণে মৃচ্ছকটিকম্ এখন মঞ্চসফল নাটকেই নহয়, সুখপাঠ্য কাব্যও। অনেক নাটকীয় আৰু কাব্যিক গুণেৰে পুষ্ট হোৱা বাবে মৃচ্ছকটিকম্-এ সহৃদয়ৰ হৃদয় অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে আৰু শূদ্ৰকেও খ্যাতি লাভ কৰিছে।

## ১.৮ মৃচ্ছকটিকম্-ৰ নামকৰণ

নাট্য বিজ্ঞানী সকলে প্ৰকৰণ নামৰ দৃশ্যকাব্যৰ নামকৰণ নায়ক নায়িকাৰ নামেৰে হ'ব লাগে বুলি নিয়মবান্ধি দিছে। সাহিত্য দৰ্পণত বিশ্বনাথ কবিৰাজে কৈছে যে- "নায়িকানায়কাখ্যানং সংজ্ঞা প্ৰকৰণাদিষু"— এই নিয়ম বান্ধি দি প্ৰকৰণ নামৰ ৰূপকবিধৰ শিৰোনামা নায়ক- নায়িকাৰ নামেৰে হ'ব লাগে। কিন্তু শূদ্ৰকে বিখ্যাত প্ৰকৰণখনিৰ নামকৰণৰ ক্ষেত্ৰত নাট্যবিধিৰ এইনিয়ম উলঙঘা কৰি নিজৰ গ্ৰন্থৰ শিৰোনামা ৰাখিলে মৃচ্ছকটিকম্। 'মৃচ্ছকটিকম্' শব্দৰ অৰ্থ হৈছে 'মাটিৰ সৰু গাড়ী'। মৃৎ (মাটি) + শকটিকা (সৰু গাড়ী) = মাটিৰ সৰু গাড়ী। প্ৰকৰণ খনিৰ ষষ্ঠ অঙ্কত থকা এটি সৰু দৃশ্যক আশ্ৰয় কৰি এই নাম ৰখা হৈছে। চাৰুদত্তৰ শিশুপুত্ৰ ৰোহসেনে ওচৰ- চুবুৰিয়াৰ ধনী বনিকৰ পুতেকৰ সৰু সোনৰ গাড়ীখন লৈ খেলি আছিলে। তেতিয়া ৰদনিকাই সোনৰ গাড়ীৰ সলনি মাটিৰ গাড়ী এখনেৰে তাক খেলিবলৈ দিয়ে। কিন্তু ৰোহসেন সেই কথাত সন্মত নোহোৱাত বসন্তসেনাই ৰোহসেনৰ স্নেহত আপ্লুত হৈ সকলো অলঙ্কাৰ খুলি তাৰে ৰদনিকাক গাড়ী গঢ়াই দিবলৈ দিয়ে। ৰোহসেনে অলঙ্কাৰখিনি গ্ৰহণ কৰিলে, গতিকে, এই দৃশ্যটিৰ আলসত প্ৰকৰণখনিৰ নামাকৰণ হ'ব লাগিছিল "স্বৰ্ণশকটিকম্" বা সুবৰ্ণশকটিকম্"।

এই মৃচ্ছকটিকম্ নামটোত এটি গৰ্ভিত অৰ্থলুকাই আছে। মাটিৰ গাড়ীয়ে চাৰুদত্তৰ আৰ্থিক নিঃ স্বতা প্ৰতিপাদন কৰিছে। এসময়ত উজ্জয়িনীৰ সম্পদশালী সদাগৰ চাৰুদত্ত বৰ্তমান দাৰিদ্ৰত পীড়িত। এই অৰ্থৰে চাৰুদত্ত মান- সন্মান, উদাৰতা, মহানতা আদি গুণেৰে ঐশ্বৰ্য্যশালী। ইয়াত চাৰুদত্তক নৈতিকতাৰ আদৰ্শ ৰূপেৰে প্ৰমাণিত কৰিছে। ষষ্ঠ অঙ্কত চাৰুদত্তৰ পুত্ৰ ৰোহসেনৰ দ্বাৰা মাটিৰ গাড়ী প্ৰত্যাখ্যানৰ দৃশ্যটিয়ে নায়ক নায়িকাৰ সাম্ভাব্য বিচ্ছেদ আৰু নায়কৰ জীৱনৰ শোকাবহ পৰিণতিৰ কাৰণ স্বৰূপ হৈ পৰিল। বিচাৰ সভাত চাৰুদত্তৰ হাতৰ পৰা অলঙ্কাৰখিনি সৰি পৰিলত চাৰুদত্তৰ বিৰুদ্ধে অনা অভিযোগ সঁচা বুলি প্ৰমাণ কৰাবলৈ সুবিধা হ'ল। প্ৰকৃততে ৰোহসেনে মাটিৰ গাড়ী প্ৰত্যাখ্যান কৰাৰ বাবেহে বসন্তসেনাৰ অলঙ্কাৰখিনি বিদূষকৰ হাতত পৰিলহি। গতিকে, দশম অঙ্কৰ চৰম নাটকীয় উৎকণ্ঠাৰ জনক হ'ল মাটিৰ গাড়ী প্ৰত্যাখানৰ দৃশ্যটি। প্ৰকৰণখনিত শূদ্ৰকে ৰজাৰ পৰা চণ্ডাললৈকে বিভিন্ন চৰিত্ৰৰ উল্লেখ কৰিছে। কিন্তু প্ৰকৰণখনিৰ এটা দৃশ্যটো ৰজাক মঞ্চলৈ প্ৰবেশ কৰোৱা নাই। সমাজৰ নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ আশা- আকাঙক্ষাক ব্যঞ্চিতত কৰিবপৰাকৈ শূদ্ৰকে 'মৃচ্ছকটিকম্' শব্দটো প্ৰকৰণখনিৰ শিৰোনামা বাচি লৈছে।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

মৃচ্ছকটিকম্-ৰ নামকৰণ যুক্তিপূৰ্ণ নে? (৩০ টা শব্দৰ ভিতৰত লিখক)

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

## ১.৯ সাৰাংশ (Summing Up)

সংস্কৃত নাট্যকাৰসকলৰ ভিতৰত শূদ্ৰক অন্যতম। তেওঁৰ উল্লেখযোগ্য সাহিত্যকীৰ্তি হ'ল 'মৃচ্ছকটিকম্' প্ৰকৰণখনি। এইখন ভাসৰ 'চাৰুদত্ত'ৰ আধাৰত আধাৰিত দহটা অঙ্ক যুক্ত এখন সৰ্বোত্তকৃষ্ট প্ৰকৰণ। প্ৰকৰণখনি দুটা অংশত বিভক্ত— প্ৰথম ভাগত চাৰুদত্ত আৰু বসন্তসেনাৰ প্ৰেমকথা আৰু দ্বিতীয় ভাগত আৰ্যকৰ ৰাজ্যলাভ বৰ্ণিত হৈছে। এইখন এখন বাস্তৱধৰ্মী সামাজিক নাট। সমাজৰ সামাজিক স্তৰ, বৰ্ণবিভাজন, সমাজত প্ৰচলিত ধৰ্মীয় সংস্কাৰ, লৌকিক আচাৰ-আচৰণ আৰু সামাজিক নীতি-নিয়ম আদি বিভিন্ন সামাজিক দিশ প্ৰকৰণখনিৰ মাজেৰে পৰিস্ফুত হৈছে। প্ৰকৰণখনি প্ৰধানকৈ শৃঙ্গাৰ ৰসাত্মক যদিও কৰুণ, বীভৎস, ৰৌদ্ৰ, হাস্য আদি ৰসৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হয়। প্ৰকৰণখনিৰ নামকৰণৰ ক্ষেত্ৰতো বিশেষ অৰ্থ লুকাই আছে। সকলো দিশৰ পৰা মৃচ্ছকটিকম্ প্ৰকৰণখন সংস্কৃত নাট্যসাহিত্যৰ অনুপম সম্পদ।

## ১.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১. মৃচ্ছকটিকম্ কোন শ্ৰেণীৰ ৰূপক? সেয়া বহলাই আলোচনা কৰা।

২. নাট্যকাৰ শূদ্ৰকৰ নাট্য প্ৰতিভাৰ এক যথাযথ পৰিচয় দিয়া।

৩. নাট্যকাৰ শূদ্ৰকৰ বিষয়ে এটি সপ্ৰশংস আলোচনা আগবঢ়োৱা।

৪. মৃচ্ছকটিকম্ কোন শ্ৰেণীৰ ৰূপক? এই ৰূপকৰ লেখক কোন? তেওঁৰ এক চমুপৰিচয় দাঙি ধৰি উক্তৰূপকৰ এক সংক্ষিপ্ত বিৱৰণ দিয়া।

৫. মৃচ্ছকটিকম্-ৰ কাহিনীভাগৰ উৎস কি কি? উক্ত নাটকত নাট্যকাৰৰ নিজস্ব সৃষ্টিৰ বিষয়ে আলোচনা কৰা।

৬. "মৃচ্ছকটিকম্ ভাৰতীয় নাট্যসাহিত্যত এক ব্যতিক্ৰম"— এই কথা প্ৰতিপন্ন কৰিব পৰাকৈ এটি প্ৰবন্ধ লিখা।

৭. বাস্তৱধৰ্মী নাটক হিচাবে মৃচ্ছকটিকম্-ৰ মূল্যায়ণ কৰা।

৮. চোৰ, জুৱাৰী আৰু পুলিচ এই চৰিত্ৰসমূহ মৃচ্ছকটিকম্-ত কেনেদৰে ৰূপায়িত হৈছে আলোচনা কৰা।

## ১.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


মহামহোপাধ্যায় ভাৰতাচাৰ্য (সম্পা.) ঃ *মৃচ্ছকটিকম্ (প্ৰকৰণম্)*

থানেশ্বৰ শৰ্মা ঃ *মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্ ঃ এক সমীক্ষা*

(-----------) অনু. ঃ *মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্*

মালিনী গোস্বামী ঃ *মৃচ্ছকটিকম্-মীমাংসা*


* * *

## দ্বিতীয় বিভাগ
## মৃচ্ছকটিকম্-ৰ ১ম - ৫ম অংকৰ পাঠগত পৰ্যালোচনা

**বিভাগৰ গঠন**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ মৃচ্ছকটিকম্-ৰ কথাবস্তুৰ পৰিচয়
২.৪ মৃচ্ছকটিকম্-ৰ ১ম - ৫ম অঙ্কৰ সাৰাংশ
২.৫ সাহিত্যিক সমীক্ষা
২.৬ বৈশিষ্ট্য
২.৭ সাৰাংশ (Summing Up)
২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

পূৰ্ব্বৰতী বিভাগটোত শূদ্ৰকৰ মৃচ্ছকটিকম্ প্ৰকৰণখনৰ সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। পৰৱৰ্তী বিভাগ দুটাত প্ৰকৰণখনৰ পাঠগত পৰ্যালোচনা আগবঢ়োৱা হ'ব। আগতে উল্লেখ কৰা হৈছে যে, প্ৰকৰণখনিৰ কাহিনীভাগ দুটা অংশত বিভক্ত। প্ৰথমৰ পৰা চতুৰ্থ অঙ্কলৈ এটা আৰু পঞ্চমৰ পৰা দশম অঙ্কলৈ অন্য এটা অংশ। এই বিভাগ দুটিত প্ৰথমৰ পৰা পঞ্চমলৈ আৰু ষষ্ঠৰ পৰা দশমলৈ বিষয়বস্তুক দুটা অংশত বিভক্ত কৰি আলোচনা কৰা হৈছে। এই দ্বিতীয় বিভাগটিত প্ৰথম অঙ্কৰ পৰা পঞ্চম অঙ্কৰ বিষয়বস্তুক সামৰি লোৱা হৈছে। এই সন্দৰ্ভত এই বিভাগটিৰ আৰম্ভনিতে প্ৰকৰণখনিৰ কথাবস্তুৰ পৰিচয় দাঙি ধৰা হৈছে। তাৰ লগতে প্ৰতিটো অঙ্কৰ সাৰাংশ আলোচনা কৰি সাহিত্যিক সমীক্ষা আৰু এই অঙ্ক কেইটাৰ বৈশিষ্ট্য বিশ্লেষণ কৰি দেখুওৱা হৈছে।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- মৃচ্ছকটিকম্ নাটখনিৰ কথা বস্তুৰ লগত পৰিচিত হ'ব পাৰিব,
- প্ৰথম অঙ্কৰ পৰা পঞ্চম অঙ্কলৈ প্ৰতিটো অঙ্কৰ সাৰাংশ জানিব পাৰিব,
- সাহিত্যিক সমীক্ষা প্ৰসঙ্গত এই অঙ্ক কেইটাৰ উপস্থাপন কৌশল সম্পৰ্কে জ্ঞাত হ'ব পাৰিব,
- অঙ্ক কেইটাৰ বৈশিষ্ট্য অনুধাৱন কৰিব পাৰিব।

### ২.৩ 'মৃচ্ছকটিকম্' - ৰ কথা বস্তুৰ পৰিচয়

নাটক সংস্কৃত সাহিত্যৰ এক গৌৰৱময় অঙ্গ। নাটকৰ কাৰণে সংস্কৃত সাহিত্যই সমগ্ৰ বিশ্বত এক মহত্বপূৰ্ণস্থান লাভ কৰিছে। শ্ৰব্যকাব্যৰ তুলনাত দৃশ্যকাব্যই বা নাটকে এক অনন্য আনন্দ অনুভূতিৰ সৃষ্টি কৰিছে। সেয়ে কোৱা হৈছে- "কাব্যেষু নাটকং ৰম্যম্"। কাব্যৰ মাজত নাটক ৰমনীয়। মানৱজীৱনৰ সুখময় বা দুঃখময় সকলোৰে প্ৰতিচ্ছবি নাটকৰ মাধ্যমেৰে

প্ৰতিফলিত হয়। দৃশ্য আৰু শ্ৰব্যভেদে কাব্য দুই প্ৰকাৰৰ। দৃশ্যকাব্যক ৰূপক নামেৰে জনা যায়। ৰূপক দহ প্ৰকাৰৰ যেনে— ১) নাটক ২) প্ৰকৰণ ৩) ভাণ ৪) ব্যায়োগ ৫) সমৱকাৰ ৬) ডিম ৭) ইহামৃগ ৮) অঙ্ক ৯) বীথী ১০) প্ৰহসন। এই দহবিধৰূপকৰ দ্বিতীয় প্ৰকাৰ হৈছে 'প্ৰকৰণ'।

শূদ্ৰকৰ বিৰচিত 'মৃচ্ছকটিকম্' প্ৰকৰণ শ্ৰেণীত পৰে। কিয়নো, মৃচ্ছকটিকম্-ৰ কথাবস্তু লৌকিক। প্ৰধান ৰস শৃঙ্গাৰ বাকী ৰসসমূহ অঙ্গ ৰস ৰূপে আছে। নায়ক চাৰুদত্ত বৰ্ণত ব্ৰাহ্মণ। তেওঁ দাৰিদ্ৰ্যতাৰ দ্বাৰা পীড়িত কিন্তু ধৰ্ম, অৰ্থ আৰু কামৰ সাধনত ব্ৰতী। ইয়াত নায়িকা দুগৰাকী, ধূতা কুলবধূ আৰু বসন্তসেনা বেশ্যা। ইয়াত ধূৰ্ত দ্যূতকৰ, বিট, চেট, শকাৰ আদি চৰিত্ৰৰ সংযোজন ঘটিছে। ই সংকীৰ্ণ প্ৰকৰণ। সন্ধি আন নাটকৰ দৰে। অৰ্থাৎ আন নাটকত পাঁচটা সন্ধি (মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ, নিৰ্বহন) থকাৰ দৰে মৃচ্ছকটিকম্-মতো পাঁচটা সন্ধি আছে।

'মৃচ্ছকটিকম্' প্ৰকৰণৰ ৰচয়িতা শূদ্ৰক এজন প্ৰাচীন ৰজা আছিল বুলি প্ৰমাণ পোৱা যায়। নাটকৰ প্ৰস্তাৱনাত শূদ্ৰকৰ গুণাৱলী বৰ্ণনা কৰা হৈছে। তেওঁৰ স্থান আৰু কাল সম্বন্ধ কোনো তথ্য দিয়া হোৱা নাই। ক্ষত্ৰিয়শ্ৰেষ্ঠ শূদ্ৰক প্ৰথিতযশা কবি, অগাধ জ্ঞানী আছিল। ভাৰতীয় সাহিত্যত মৃচ্ছকটিকম্ এখন ব্যতিক্ৰমধৰ্মী প্ৰকৰণ। কাৰণ, ইয়াত এখন সম্পূৰ্ণ বাস্তৱধৰ্মী সামাজিক জীৱনৰ ছবি ফুটি উঠিছে। হয়তো নাট্যকাৰৰ সেয়েই উদ্দেশ্য আছিল য'ত ৰজাৰ পৰা আৰম্ভ কৰি চোৰ, চণ্ডাল, গণিকা জুৱাৰীলৈকে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ চৰিত্ৰ উদ্‌ঘাটন কৰা হৈছে। এই কাব্যখনে সকলো শ্ৰেণীৰ লোককে আমোদ দিব পাৰিছে। শূদ্ৰকৰ স্পষ্টবাদিতা এক মনকৰিবলগীয়া বিষয়। ইয়াত তেওঁ ৰজাৰ স্বেচ্ছাচাৰিতা কৰ্ত্তব্যৰত আৰক্ষীবিষয়াৰ বিশ্বাসঘাটকতা উচ্চপদাধিকাৰীৰ ক্ষমতালিপ্সা, বন্দীশালৰ পৰা ৰাজদ্ৰোহীপলায়ণ, ৰাজবন্দীক পলুৱাই নিবলৈ বিদ্ৰোহী জনতাৰ ষড়যন্ত্ৰ আদি বিষয় সমূহ বেছ স্পষ্টকৈ দাঙি ধৰিছে। শূদ্ৰক যিহেতু নিজে ৰজা আছিল গতিকে তেওঁৰ বাক্‌স্বাধীনতাত হস্তক্ষেপ কৰোতা কোনো নাছিল।

'মৃচ্ছকটিকম্' দহটা অঙ্কৰ এখন প্ৰকৰণ। আলঙ্কাৰিক সকলে নিৰ্দ্ধাৰণ কৰি দিয়া প্ৰকৰণৰ লক্ষণসমূহ মৃচ্ছকটিকম্-ত দেখা যায়। ই ভাসৰ 'চাৰুদত্ত' নাটকৰ আধাৰত ৰচিত। প্ৰকৰণখনিৰ প্ৰথম অঙ্কত বিদূষকক দেখা যায়। চাৰুদত্ত, বিদূষক আৰু ৰদনিকা (চাৰুদত্তৰ চেটী) মাতৃবলি অৰ্পনৰ বাবে বেদীলৈ যায়। এই অঙ্কতে বসন্তসেনাৰ পিচে পিচে যোৱা শকাৰ আৰু বিটক দেখা যায়। তেওঁলোকৰ পৰা ৰক্ষা পাবৰ নিমিত্তে বসন্তসেনাই চাৰুদত্তৰ ঘৰত প্ৰবেশ কৰে। চাৰুদত্তৰ হাতত বসন্তসেনাই নিজৰ অলঙ্কাৰ খিনি জমা থয়। ইপিনে ৰাতিৰ অন্ধকাৰত শকাৰে বসন্তসেনা বুলি ভুলকৈ ৰদনিকাক ধৰে। চাৰুদত্তই বসন্তসেনাক নিজৰ ঘৰলৈ নিৰাপদে পঠাই দিয়ে। তেতিয়াৰ পৰাই চাৰুদত্তৰ প্ৰতি বসন্তসেনাৰ অনুৰাগ বাঢ়ে।

দ্বিতীয় অঙ্কত সংবাহকক দেখা যায়। এসময়ত তেওঁ পাটলিপুত্ৰৰ এজন সন্মানীয় নাগৰিক আছিল। কিন্তু দুৰ্ভাগ্যবশতঃ ব্ৰাহ্মণ চাৰুদত্তৰ সেৱক ৰূপে থাকিবলগীয়া হয়। পিছত চাৰুদত্তৰ লগত দাৰিদ্ৰ্যতাৰ বাবে জুৱাৰী হয়। জুৱাখেলত হাৰি আত্ম ৰক্ষাৰ বাবে তেওঁ এদিন হঠাৎ বসন্তসেনাৰ ঘৰত সোমায়। বসন্তসেনাই সোণৰ অলঙ্কাৰ দি জুৱাৰীসকলৰ হাতৰ পৰা সংবাহকক ৰক্ষা কৰে। ইয়াতে সংবাহকে আত্মগ্লানি সহ্য কৰিব নোৱাৰি বৌদ্ধ ভিক্ষু হয়।

তৃতীয় অঙ্কত বসন্তসেনাৰ দাসী মদনিকাৰ মুক্তিৰ বাবে প্ৰেমিক শৰ্বিলকে চাৰুদত্তৰ ঘৰত সোমাই বসন্তসেনাই জমা থোৱা অলঙ্কাৰবোৰ চুৰ কৰি আনে।

চতুৰ্থ অঙ্কত বসন্তসেনাৰ অলঙ্কাৰবোৰ লৈ শৰ্বিলকে বসন্তসেনাৰ ঘৰ পায় আৰু অলঙ্কাৰৰ টোপোলাটো মদনিকাক দিয়ে বসন্তসেনাক দিবলৈ। কিন্তু মদনিকা আৰু শৰ্বিলকৰ কথাবতৰাৰ পৰা প্ৰকৃত কথাটো জানিব পাৰিলে। ইপিনে বসন্তসেনাৰ অলঙ্কাৰবোৰ চুৰি হোৱাত চাৰুদত্তৰ মনত ডাঙৰ সমস্যাই দেখা দিলে। বসন্তসেনাৰ অলঙ্কাৰবোৰ জুৱাখেলত হাৰি শেষ কৰা বুলি খবৰ দি নিজৰ পত্নীৰ বহুমূলীয়া ৰত্নাৱলী হাৰ বিদুষক মৈত্ৰেয়ৰ হাতত দি বসন্তসেনালৈ পঠাই দিলে। চাৰুদত্তৰ পুত্ৰ ৰোহসেনে চুবুৰীয়াই সোনৰ গাড়ীখন লৈ যোৱাত কান্দি থাকোতে ৰদনিকাই এখন মাটিৰ গাড়ী খেলিবলৈ দিয়ে। কিন্তু সি সন্তুষ্ট হোৱা নাছিল। তেনে সময়তে বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ আহিছিল আৰু ৰোহসেনৰ মাটিৰ গাড়ীখনত বসন্তসেনাই তেওঁৰ অলঙ্কাৰবোৰ ভৰাই দিয়ে আৰু সেই অলঙ্কাৰেৰে এখন সোনৰ গাড়ী বনাই ল'বলৈ কয়। নাটকখনৰ 'মৃচ্ছকটিকম্' নাম সম্ভৱতঃ এই ঘটনাৰ আধাৰতে হয়।

পঞ্চম অঙ্কত বসন্তসেনাই বিটক লগত লৈ ডাৱৰীয়া বতৰত চাৰুদত্তৰ ঘৰলৈ আহে। তেওঁ বৰষুণত তিতিবুৰি চাৰুদত্তৰ ঘৰ পায়। সেইদিনা ৰাতি বসন্তসেনা চাৰুদত্তৰ ঘৰতে থাকে।

ষষ্ঠ অঙ্কত চাৰুদত্ত পুষ্পকৰণ্ডক উদ্যানলৈ যায় আৰু বসন্তসেনাক তাত লগধৰিবলৈ কয়। বসন্তসেনা উদ্যানলৈ যোৱাৰ সময়ত নিজৰ গাড়ীত নুঠি ভুলক্ৰমে তেওঁৰ পিছত ৰৈ থকা গাড়ীখনত উঠিল। ইপিনে ৰজা পালকক কোনো সিদ্ধপুৰুষে ভৱিষ্যত বাণী কৰিলে যে তেওঁৰ পিছত গোপালকৰ পুত্ৰ আৰ্যক ৰজা হ'ব, এই কথাত বিশ্বাস কৰি পালকে আৰ্যকক বন্দী থয় আৰু পালক জেলৰ পৰা ওলাই আহি চাৰুদত্তই বসন্তসেনাৰ বাবে পঠোৱা গাড়ীত উঠিল। গাৰোৱানে লোৰ শিকলিৰ শব্দক বসন্তসেনাৰ অলঙ্কাৰৰ শব্দ বুলি চলাই লৈ গ'ল। যাওঁতে বাটত চন্দনক আৰু বীৰক নামৰ দুজন কনিষ্ঠবলে লগ পায়।

সপ্তম অঙ্কত আৰ্যকে নগৰ ৰক্ষীৰ হাতৰ পৰা ৰক্ষা পৰিল। তেওঁ গাড়ীত উঠি গৈ চাৰুদত্ত ৰৈ থকা উদ্যানত প্ৰবেশ কৰে। কিয়নো গাড়ীখন তালৈকে লৈ যোৱাৰ কথা আছিল তাতে তেওঁ চাৰুদত্তক লগ পায়। এই অঙ্কত আৰ্যক আৰু চাৰুদত্তৰ কথোপকথনেৰে ভৰ পূৰ।

অষ্টম অঙ্কত বসন্তসেনাই পুষ্পকৰন্দক উদ্যানত প্ৰবেশ কৰে। তাত তেওঁ চাৰুদত্তৰ সলনি শকাৰকহে দেখা পায়। শকাৰে বসন্তসেনাৰ প্ৰণয় প্ৰাৰ্থনা কৰে। কিন্তু বসন্তসেনাই ক্ৰুদ্ধ হৈ শকাৰক তিৰস্কাৰ কৰে। শকাৰে বসন্তসেনাক ডিঙিত চেপি ধৰে বসন্তসেনা অচেতন হৈ মাটিত বাগৰি পৰে আৰু শকাৰে মৃত বুলি ভাবি শুকান গছৰ পাতেৰে ঢাকি থৈ বিচাৰালয়লৈ গোচৰ দিবলৈ যায়। তাৰ পিছত সংবাহক নামৰ বৌদ্ধভিক্ষু এজন আহি বসন্তসেনাক শুশ্ৰূষা কৰে আৰু বসন্তসেনাৰ জ্ঞান ঘূৰি অহাত সংবাহকে তেওঁক বৌদ্ধবিহাৰলৈ লৈ যায়।

নৱম অঙ্কত শকাৰে ন্যায়ালয়ত গৈ বসন্তসেনাক হত্যা কৰা বুলি চাৰুদত্তৰ ওপৰত গোচৰ দিয়ে। বিচাৰত চাৰুদত্তৰ ফাঁচীৰ হুকুম হয়।

দশম অঙ্কত চণ্ডালে চাৰুদত্তক ফাঁচীকাঠলৈ লৈ যায়। সেই সময়ত বৌদ্ধ ভিক্ষু সংবাহকে বসন্তসেনাক লৈ আহে। ইফালে চাৰুদত্তৰ বন্ধু আৰ্যকে ৰজা পালকক বধ কৰি নিজে ৰজা হয়। ইয়াত সকলোবোৰ ঘটনাৰ ৰূপ সলনি হয়। ৰজা আৰ্যকে চাৰুদত্তক মুক্তি দিয়ে আৰু মিছা অভিযোগ তোলা বাবে শকাৰক ফাঁচী দিবলৈ দিয়ে। কিন্তু চাৰুদত্তই শকাৰক ক্ষমা কৰে। শেষত চাৰুদত্ত, বসন্তসেনা, ধূতা, ৰোহসেন বিদূষক সকলো মিলিত হয়। ৰজা আৰ্যকে বসন্তসেনাক 'বধু' আখ্যাৰে বিভূষিত কৰে।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

মৃচ্ছকটিকম্ প্ৰকৰণখনিৰ মূল কথাবস্তু কি? (৩০ টা শব্দৰ ভিতৰত লিখক)

.....................................................................
.....................................................................
.....................................................................
.....................................................................
.....................................................................

## ২.৪ মৃচ্ছকটিকম্-ৰ ১ম - ৫ম অঙ্কৰ সাৰাংশ

**প্ৰথম অঙ্ক ঃ**

নান্দীশ্লোক পাঠ কৰাৰ পিছত প্ৰস্তাৱণা আৰম্ভ হয়। হঠাতে নিজঘৰত ভোজনৰ আয়োজন দেখি সূত্ৰধাৰ আচৰিত হয়। তেতিয়া সূত্ৰধাৰৰ পত্নী নটীয়ে কয় যে 'অভিৰূপপতি' নামে ব্ৰতৰ সমাপ্তি হোৱাৰ পিছত ব্ৰাহ্মণ ভোজনৰ বাবে প্ৰস্তুতি চলিছে। প্ৰথমতে সেইকথা শুনি সূত্ৰধাৰ আচৰিত হৈছে তাৰ পাছত তেওঁক ভালদৰে বুজোৱাত কোনো ব্ৰাহ্মণক নিমন্ত্ৰণ জনাবলৈ ঘৰৰ পৰা ওলায়। পথত সূত্ৰধাৰৰ সৈতে চাৰুদত্ত, বিদূষকৰ লগা লগি হয়। সূত্ৰধাৰে ভোজনৰ বাবে মৈত্ৰেয়ক (বিদূষক) নিমন্ত্ৰণ দিয়া স্বত্বেও আৰু বহু দক্ষিণা দিবলৈ আগ্ৰহকৰাতো তেওঁ মান্তি নহল। তেতিয়া সূত্ৰধাৰে আন ব্ৰাহ্মণক বিচাৰি যায়। ইমানতে প্ৰস্তাৱনাৰ সমাপ্তি হয়।

প্ৰথম অঙ্কৰ প্ৰথম দৃশ্যত বিদূষকে চাৰুদত্তৰ বন্ধু চুৰ্ণবৃদ্ধই দি পঠোৱা চাদৰ এখন লৈ আহে। চাৰুদত্তই বিদূষকক চতুষ্পথত (চাৰি আলিত) মাতৃবলি অৰ্পন কৰিবলৈ কয়। বিদূষক ৰাতি অকলে তালৈ যাবৰ বাবে অমান্তি হয়। তেতিয়া চাৰুদত্তই দাসী ৰদনিকাক বিদূষকৰ সৈতে যাবলৈ কয়।

এই অঙ্কৰ দ্বিতীয় দৃশ্যত ৰাজপথত বসন্তসেনাক অনুসৰণ কৰা শকাৰ, বিট, চেটক দেখা যায়। বসন্তসেনাই চাৰুদত্তৰ ঘৰত প্ৰবেশ কৰে।

তৃতীয় দৃশ্যত বিদূষকৰে সৈতে আহি থকা ৰদনিকাক শকাৰে বসন্তসেনা বুলি ভাবি ধৰিলে। তেতিয়া বিদূষকে খণ্ডত শকাৰক মাৰিবলৈ খেদি যায়। বিটে কথা বিষম দেখি মৈত্ৰেয়ৰ ভৰিত পৰি ক্ষমা খোজে। কিছু বাদ বিবাদৰ পাছত শকাৰে চাৰুদত্তক ধমকি দি চেটৰ সৈতে আতৰি যায়।

চতুৰ্থ দৃশ্যত চাৰুদত্তই আন্ধাৰত ৰৈ থকা বসন্তসেনাক ৰদনিকা বুলি ভাবি ৰোহসেনক ভিতৰলৈ নিবলৈ কয়। কিন্তু বসন্তসেনাই যাবলৈ দ্বিধাবোধ কৰে। এনেতে ৰদনিকাৰে সৈতে মৈত্ৰেয়ই প্ৰবেশ কৰে। তেতিয়া চাৰুদত্তই বসন্তসেনাক চিনি পায়। বসন্তসেনাই নিজৰ অলঙ্কাৰবোৰ চাৰুদত্তৰ ওচৰত ন্যাসৰূপে ৰাখে। চাৰুদত্তই তেওঁক ঘৰত থৈ আহে। এই অঙ্কত এইটোও জনা যায় যে বসন্তসেনাই 'কামদেৱ' উৎসৱত চাৰুদত্তক দেখি তেওঁৰ প্ৰতি অনুৰক্ত হয়।

**দ্বিতীয় অঙ্ক ঃ**

দ্বিতীয় অঙ্কৰ প্ৰথম দৃশ্যত মঞ্চত বসন্তসেনাৰে সৈতে মদনিকা উপস্থিত হয়। বসন্তসেনাক উদ্বিগ্ন দেখি তাৰ কাৰণ সোধাত বসন্তসেনাই চাৰুদত্তৰ প্ৰতি অনুৰক্ত হোৱাৰ কথা

প্ৰকাশ কৰে। মদনিকাই  চাৰুদত্তৰ দাৰিদ্ৰ্যতাৰ কথাকৈ বাধা দিয়ে কিন্তু বসন্তসেনাৰ অনুৰাগ বাঢ়িহে যায়।

এই অঙ্কৰ দ্বিতীয় দৃশ্যত এটা বিচিত্ৰ ঘটনা ঘটে। পাটলি পুত্ৰৰ পৰা অহা এজন নাগৰিকে ভাগ্যান্বেষণ কৰি উজ্জয়িনীলৈ আহি সংবাহকৰ কাম শিকি চাৰুদত্তৰ সেৱক হয়। কিন্তু চাৰুদত্ত দৰিদ্ৰ হৈ পৰাত তেওঁ জুৱাৰী হৈ পৰে। তেওঁ জুৱাত দশ সোনৰ মোহৰ আৰু মাথুৰ নামৰ জুৱাৰী জনক ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ হৈ পলায় বসন্তসেনাৰ ঘৰত প্ৰবেশ কৰে। মাথুৰ আৰু দ্যূতকৰেও সংবাহকক অনুসৰণ কৰি বসন্তসেনাৰ ঘৰৰ সন্মুখত উপস্থিত হয়। সংবাহক চাৰুদত্তৰ সেৱক আছিল বুলি জানিব পাৰি সংবাহকক ঋণমুক্ত কৰে। এইকথাত সংবাহকৰ মনত আত্মগ্লানি আহে আৰু বৌদ্ধধৰ্মত শৰণ লৈ ভিক্ষু হয়।

এই অঙ্কৰ চতুৰ্থ দৃশ্যত বসন্তসেনাৰ হাতী ‘খুণ্ডমোটক’ মুকলি হৈ পৰে। হাতীটোৱে শ্ৰমনক এজনক মাৰিবলৈ উদ্যত হোৱাত বসন্তসেনাৰ চেট কৰ্ণপূৰকে ভিক্ষুকজনক ৰক্ষা কৰে। তাকে দেখি চাৰুদত্তই নিজৰ গাৰ কাপোৰখনকে কৰ্ণপূৰকক পুৰস্কাৰৰূপে দান কৰে। পাছত সেই কাপোৰখন চাৰুদত্তৰ বুলি জানি বসন্তসেনাই গাত লয়। তাৰপিছত বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ যায়।

**তৃতীয় অঙ্ক ঃ**

তৃতীয় অঙ্কৰ প্ৰথম দৃশ্যত চাৰুদত্তৰ চেট মঞ্চলৈ আহে। মাজৰাতিলৈকে চাৰুদত্ত ঘৰলৈ অহা নাই বাবে চিন্তা কৰে। এই অঙ্কৰ দ্বিতীয় দৃশ্যত চাৰুদত্ত আৰু ৰেভিলৰ ঘৰৰ পৰা সঙ্গীত উপভোগ কৰি ঘৰমুৱা হয়। দুয়ো সঙ্গীত চৰ্চ্চা কৰি টোপনি যায়।

এই অঙ্কৰ তৃতীয় দৃশ্যত ৰদনিকাই চিঞৰি জনায় যে বিদূষকৰ মুৰ্খতাৰ বাবে চোৰে স্বৰ্ণভাণ্ড চুৰ কৰি নিয়ে, সেই কথাত চাৰুদত্তই বিদূষকক একো ন'কলে। চাৰুদত্তৰ পতিব্ৰতা ভাৰ্যা ধূতাই স্বামীক দুৰ্ণামৰ পৰা বচাবলৈ তেওঁৰ একমাত্ৰ ৰত্নৰ হাৰ বসন্তসেনাক দিবলৈ বিদূষকৰ হাতত দিয়ে। তাকে লৈ মৈত্ৰেয় বসন্তসেনাৰ ঘৰলৈ প্ৰস্থান কৰে।

**চতুৰ্থ অঙ্ক ঃ**

চতুৰ্থ অঙ্কৰ আৰম্ভণিতে বসন্তসেনাই  মদনিকাৰে সৈতে চাৰুদত্তৰ ছবি চাই থাকোতে এগৰাকী চেটীয়ে জনায় যে তেওঁক নিবলৈ শকাৰৰ গাড়ী অপেক্ষা কৰি আছে। তেওঁৰ মাকেও বসন্তসেনা শকাৰৰ ঘৰলৈ যোৱাটো কামনা কৰে। কিন্তু বসন্তসেনাই যাবলৈ অস্বীকাৰ কৰে।

এই অঙ্কৰ দ্বিতীয় দৃশ্যত মদনিকাই বিচনী আনিবলৈ যায়। এনে সময়তে শৰ্বিলকে চাৰুদত্তৰ ঘৰৰ পৰা চুৰ কৰি অনা অলঙ্কাৰবোৰ মদনিকাৰ হাতত দিয়ে। মদনিকাই সেইবোৰ দেখি ভয় খায় আৰু অলঙ্কাৰবোৰ বসন্তসেনাৰ বুলি জানিব পাৰে। সেইয়া চাৰুদত্তই বসন্তসেনালৈ দি পঠোৱা বুলি ক'বলৈ  শৰ্বিলকক পৰামৰ্শ দিয়ে। এইসকলো কথা বসন্তসেনাই শুনে আৰু মদনিকাক শৰ্বিলকৰ হাতত অৰ্পন কৰে।

চতুৰ্থ অঙ্কৰ তৃতীয় দৃশ্যত বসন্তসেনাক চেটীয়ে জনায় যে চাৰুদত্তৰ ঘৰৰ পৰা বিদূষক মৈত্ৰেয় আহিছে। মৈত্ৰেয়ই জনায় যে তেওঁৰ অলঙ্কাৰবোৰ চাৰুদত্তই জুৱাত হেৰুৱাইছে। তাৰ সলনি এডাল ৰত্নাৱলী হাৰ পঠাইছে। ৰত্নাৱলী গ্ৰহণ কৰি বসন্তসেনাই গধূলি চাৰুদত্তক দেখা কৰিব বুলি মৈত্ৰেয়ক জনায়।

**পঞ্চম অঙ্ক ঃ**

পঞ্চম অঙ্কৰ প্ৰথম দৃশ্যত বিদূষক বসন্তসেনাৰ ঘৰৰ পৰা উভতি আহি চাৰুদত্তক জানিবলৈ দিয়ে যে বসন্তসেনাই ৰত্নাৱলী হাৰ ডাল গ্ৰহণ কৰিলে আৰু অধিকপোৱাৰ আশাত গধূলি আহিব বুলি কৈ পঠাইছে। বিদূষককো ভালদৰে সোধ- পোচ নকৰিলে। এনেবোৰ কাৰণত বেশ্যাৰে সৈতে সম্পৰ্ক ত্যাগ কৰাটো উচিত বুলি মৈত্ৰেয়ই চাৰুদত্তক জনাই।

দ্বিতীয় দৃশ্যত গধূলি চাৰুদত্তই আনন্দমনেৰে বসন্তসেনাৰ আগমনলৈ অপেক্ষা কৰে। তৃতীয়দৃশ্যত ছত্ৰধাৰিণী চেটীৰে সৈতে বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ আহোতে বাটতে দুৰ্যোগপূৰ্ণ বতাহ বৰষুণৰ সন্মুখীন হ'ব লগীয়াত পৰে। বিট আৰু বসন্তসেনাৰ মুখত বৰ্ষাৰ প্ৰশংসা গীত শুনা যায়। বসন্তসেনা আগমনৰ বাতৰি বিদূষকে চাৰুদত্তক জনায়। চাৰুদত্ত আনন্দিত হয়। বিদূষকে বসন্তসেনাৰ আগমনৰ কাৰণ সোধে। বসন্তসেনাৰ চেটীয়ে উত্তৰ দিয়ে যে ৰত্নাৱলী হাৰ ডালৰ মূল্য কিমান তাকে জানিবলৈ বিচাৰিছে আৰু তাৰ সলনি সোণৰ ভাণ্ডটি দিয়ে। বিদূষক আৰু চাৰুদত্তই স্বৰ্ণভাণ্ডটি দেখি আচৰিত হয়। তেতিয়া চেটীয়ে সকলো কথা খৰচি মাৰি কয়। তাকে শুনি চাৰুদত্ত আৰু বিদূষকে আনন্দ পালে। সেইসময়তে আকৌ বৰষুণ হোৱাত বিদূষকে বৰ্ষাক নিন্দা কৰিলে। কিন্তু চাৰুদত্ত বৰ্ষাৰ প্ৰশংসাত মুখৰ হৈ পৰিল। সকলো ঘৰৰ ভিতৰত প্ৰবেশ কৰে। বসন্তসেনা সেই নিশা চাৰুদত্তৰ ঘৰত অতিবাহিত কৰিলে।

## ২.৫ সাহিত্যিক সমীক্ষা

প্ৰথিতযশা কবি শূদ্ৰকৰ 'মৃচ্ছকটিকম্' এখন যথাৰ্থবাদী প্ৰকৰণ। কবিৰ কল্পনা আৰু কৰিত্বৰ কম অৱকাশ পালেও ইয়াৰ শ্ৰেষ্ঠতা হ্ৰাস হোৱা নাই। তেওঁ ৰস প্ৰসিদ্ধ কবি। পৰিপূৰ্ণ কবি হৃদয়ৰ ছাপ নাটকখনৰ সৰ্বত্ৰ বিদ্যমান।

মৃচ্ছকটিকম্-ত প্ৰকৃতিৰ উদ্দীপন আৰু আলম্বন দুয়োটা ৰূপতে অতি সুন্দৰ চিত্ৰ অঙ্কিত হৈছে। বৰ্ষাৰ মেঘাচ্ছন্ন আকাশৰ বৰ্ণনা 'মৃচ্ছকটিকম্'-ৰ পঞ্চম অঙ্কত বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে।

*তালীষু তাৰং বিটপেষু মন্দ্ৰং শিলাসু ৰুক্ষং সলিলেষু চণ্ডম্।*
*সঙ্গীতবীণা ইব তাড্যমানাস্তালানুসাৰেণ পতন্তি ধাৰাঃ।। ৫/৫২*

(এই জলধাৰা তালবনত উচ্চশব্দেৰে, বৃক্ষৰ শাখাত গম্ভীৰ শব্দেৰে, শিলত কৰ্কশ শব্দেৰে আৰু পানীত তীব্ৰ শব্দেৰে পতিত হৈছে।)

উক্ত শ্লোকত কবিৰ অনুভূত বৰষুণৰ পানী বিভিন্ন স্থানত পৰি তাৰ শব্দৰ বৰ্ণনাত সঙ্গীতজ্ঞতাও প্ৰকট হৈ পৰিছে। পূৰ্ণোপমাৰ এনেকুৱা সঙ্গীতাত্মক লয়ৰ কোমলতা কালিদাসৰ ৰচনাত দেখিবলৈ পোৱা যায়। তাৰোপৰি বৰ্ষাৰ বৰ্ণনাৰ লগত অভিসাৰিকা বসন্তসেনাৰ বৰ্ণনা অতিশয় কবিত্বময়। ইয়াৰোপৰি অন্ধকাৰৰ বাবে অন্ধতন, বৰ্ষাৰ উপমা, চন্দ্ৰাস্তৰ বৰ্ণনা মধ্যগত সূৰ্যৰ বৰ্ণনা অতিপাত গৰমৰ বাবে গছৰ ছাঁত বিশ্ৰাম লোৱা গাই গৰুৰ বৰ্ণনা আদি শূদ্ৰকৰ সুক্ষ্ম প্ৰকৃতি নিৰীক্ষণৰ পৰিচয়।

মৃচ্ছকটিকম্-ৰ প্ৰধানৰস শৃঙ্গাৰ। ইয়াত শৃঙ্গাৰ ৰসৰ অনেক সুন্দৰ (চিত্ৰণ) অঙ্কিত কৰা হৈছে।

প্ৰকৰণ খনিত চাৰুদত্তৰ প্ৰতি বসন্তসেনাৰ প্ৰণয় অতিভাৱপূৰ্ণ ভাৱে বৰ্ণনা কৰা হৈছে। শূদ্ৰকে ব্যৱহাৰিক জীৱনৰ পৰাই নানা দৃষ্টান্ত, উপমা আদি বুটলি আনে।

পৰিস্থিতি আৰু পৰিবেশ অনুযায়ী মানৱ মনৰ বিভিন্ন অৱস্থা সম্পৰ্কত শূদ্ৰকৰ ধাৰণা স্পষ্ট আছিল। চাৰুদত্তৰ দৰিদ্ৰতা সমগ্ৰ প্ৰকৰণখনৰ কথাবস্তুৰ কেন্দ্ৰবিন্দু আছিল। প্ৰথম অঙ্কত চাৰুদত্তৰ দৰিদ্ৰতাৰ অতি কৰুণচিত্ৰ ডাঙি ধৰিছে। চাৰুদত্তই দৰিদ্ৰতাৰ বৰ্ণনা নিজমুখেৰে কৰাত ই অতি স্বাভাৱিক হৈ উঠিছে। 'মৃচ্ছকটিকম্' প্ৰকৰণখনিৰ প্ৰধান বিশেষত্ব হৈছে ইয়াৰ ভাষা প্ৰাকৃত। বেছিভাগ চৰিত্ৰই প্ৰাকৃতভাষা ব্যৱহাৰ কৰিছে। শূদ্ৰকৰ সংস্কৃত শৈলী অতি সৰস আৰু সৰল। কঠিন ছন্দৰ প্ৰয়োগ দেখা নাযায়। মুঠতে বস্তুনিৰ্দ্দেশ, চৰিত্ৰ-চিত্ৰণ, ৰসপৰিপাক আদিৰ দৃষ্টিকোণৰ পৰা চালে মৃচ্ছকটিকম্ এখন উৎকৃষ্ট প্ৰকৰণ।

প্ৰকৰণখনিত শূদ্ৰকৰ ক্ষমতাবান ৰাজবিষয়াৰ ভণ্ডামি উদঙাই দেখুৱাবলৈকে তেওঁ কুণ্ঠিত হোৱা নাই। শকাৰ সংস্থানকৰ চৰিত্ৰটি তেওঁ যি বিকৃতৰূপত উপস্থাপন কৰিছে তাৰ পৰা অনুমান কৰিব পাৰি যে সমাজৰ তথাকথিত ক্ষমতাবিষ্ঠিত সম্পদশালী ৰাজবিষয়ৰ, বিশেষকৈ ৰজাৰদ্বাৰা অনুগৃহীতসকলৰ প্ৰতি তেওঁৰ বৰ ভাল সমোভাৱ নাছিল।

শূদ্ৰকৰ উজ্জয়িনীৰ বাসিন্দা আছিল আৰু উজ্জয়িনীক ভালদৰে জানিছিল। নগৰৰ জীৱন-যাপন প্ৰণালী আৰু লোকাচাৰৰ লগত তেওঁৰ নিবিড় পৰিচয় আছিল।

শূদ্ৰকে বিলাসীজীৱন-যাপন কৰিছিল বুলি অনুমান হয়। দ্যূতক্ৰীড়া গণিকালয় গমন আমোদ প্ৰমোদ উপভোগ কৰিছিল। দ্যূতৰ কৌশল, দ্যূতসন্থাৰ নিয়ম-নীতি আনকি দ্যূতকাৰৰ মনস্তত্ব পৰ্যন্ত তেওঁ জানিছিল। গণিকালয়ৰ লগত অন্তৰঙ্গ সম্বন্ধ নথকাজনৰ বাবে বসন্তসেনা গৃহৰ এনে পুংখানুপুংখ ভাবে বৰ্ণনা দিয়াটো সম্ভৱ নহয়। উজ্জয়িনীৰ অন্যতম প্ৰখ্যাত বিলাসিনী গৰাকীৰ লগত ইমান অন্তৰঙ্গতা স্থাপন কোনো ৰজা বা আঢ্যৱন্ত জনৰ বাবেহে সম্ভৱ হ'ব পাৰে।

শূদ্ৰক শিক্ষিতলোক আছিল। প্ৰকৰণখনিৰ প্ৰস্তাৱনাত তেওঁক বহুবিদ্যাবিশাৰদ বুলি কোৱা হৈছে যদিও সেই সকলো বিদ্যাৰ প্ৰকাশ মৃচ্ছকটিকম্-ত ঘটা নাই। কিন্তু কাব্যখনত ব্যৱহাৰ হোৱা উচ্চমানৰ সংস্কৃত আৰু শুৱলা প্ৰাকৃত ভাষালৈ লক্ষ্য কৰি ক'ব পাৰি যে তেওঁ আনুষ্ঠানিক ভাবে উচ্চশিক্ষা লাভ কৰিছিল। ব্যাকৰণ আৰু শব্দকোষত তেওঁৰ বুৎপত্তি আছিল। পৌৰাণিক সাহিত্যৰ সৈতেও পৰিচয় আছিল। ন্যায়, প্ৰশাসন আদিৰ উপৰিও ৰজাৰ বাবে আৱশ্যকীয় দ্যূতকলা, প্ৰেমকলা, চিত্ৰকলা, সঙ্গীতবিদ্যা আদি সৰ্ম্পকীয় শাস্ত্ৰীয় জ্ঞান শূদ্ৰকৰ আছিল।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

মৃচ্ছকটিকম্ প্ৰকৰণখনিৰ বিষয়বস্তুৰ পৰা শূদ্ৰকৰ ব্যক্তিত্ত্ব সম্পৰ্কে কি গম পোৱা যায়? (৪০ টা শব্দৰ ভিতৰত লিখক)

.......................................................................
.......................................................................
.......................................................................
.......................................................................
.......................................................................

## ২.৬ বৈশিষ্ট্য

শূদ্ৰকৰ বিৰচিত মৃচ্ছকটিকম্-ৰ কাহিনীভাগ লৌকিক। ইয়াৰ পটভূমি উজ্জয়িনী। প্ৰাচীন ভাৰতৰ ঐতিহ্যপূৰ্ণ নগৰী য'ত বিলাসিতা পূৰ্ণ জীৱন-যাত্ৰাৰ ইঙ্গিত দিয়া হৈছে। প্ৰকৰণখনিৰ প্ৰধান বৈশিষ্ট্যসমূহ হৈছে ইয়াত তিনিতৰপীয়া সমাজৰ ছবি প্ৰতিফলিত হৈছে। প্ৰথম স্তৰত দেখা যায় ৰজা, ৰাজপুৰুষ, শকাৰ, বিচাৰপাতি আদি এটা স্তৰৰ লোক।

দ্বিতীয় স্তৰত চাৰুদত্ত, মৈত্ৰেয় (বিদূষক) আদি মধ্যবিত্ত স্তৰৰলোক তৃতীয়স্তৰত বিট, ভিক্ষু, শৰ্বিলক, চণ্ডাল আদি নিম্ন মধ্যবিত্তলোক। ইয়াত এটা ৰাজনৈতিক ঘটনা সংযোগ কৰাহৈছে যদিও ৰাজকীয় ঐশ্বৰ্যৰ পয়োভৰ নাটখনৰ কোনো ঠাইতে দেখিবলৈ পোৱা নাযায়।

প্ৰকৰণখনিৰ প্ৰধান চৰিত্ৰৰ দৰেই গৌণ চৰিত্ৰ সমূহো মনোগ্ৰাহী। চাৰুদত্তৰ পত্নীধূতা যদিও প্ৰকৰণখনিত কম সময়ৰ বাবেহে মঞ্চলৈ আহিছে তথাপি এই চৰিত্ৰটোৰ উদাৰতা আৰু মহানতা পাঠকে উপলব্ধি কৰে। বিনাবাক্যে এগৰাকী গণিকাক তেওঁৰ পতিপ্ৰেমৰ প্ৰতিদ্বন্দ্বীৰূপে মানি লৈছে।

আনহাতে খেলিবলৈ সোণৰ গাড়ীৰ বাবে ঠেহপতা ৰোহসেনৰ চৰিত্ৰত শিশুৰ সৰলতা বিৰাজমান। মঞ্চত ৰজাৰ প্ৰবেশ ঘটা নাই যদিও প্ৰায় প্ৰতিমুহূৰ্ত্ততে স্বেচ্ছাচাৰী ৰজাৰ উপস্থিতি অনুভৱ কৰা যায়। শাসন কাৰ্যত বহুকেইটা বিভাগ আছিল যেনে— ৰজা, ন্যায় আৰু শান্তিৰক্ষা ইত্যাদি। ৰাজপথত চন্দনক আৰু বীৰকৰ কৰ্ত্তব্যপৰায়ণতা লক্ষণীয় বিষয়। মৃচ্ছকটিকম্-ৰ ঘটনাৰাজিৰ অন্তৰালত প্ৰজাৰ বিদ্ৰোহ প্ৰবাহিত হৈ আছিল। চতুৰ্বৰ্ণৰ ৰীতিসমূহ মৃচ্ছকটিকম্-ত কিছু পৰিবৰ্ত্তন দেখা যায়, কিয়নো, চাৰুদত্ত ব্ৰাহ্মণ হ'লেও ব্যৱসায় বাণিজ্য কৰিছিল। ব্ৰাহ্মণ শৰ্বিলকে চৌৰ্যবৃত্তি কৰিছিল। বিভিন্ন প্ৰসঙ্গত উল্লেখ কৰা হৈছে যে কৰ্মৰ দ্বাৰাহে মানুহৰ মান নিৰ্ণয় হৈছিল। তৎকালীন সমাজৰ প্ৰচলিত ধৰ্ম্মীয় সংস্কাৰ, লৌকিক আচাৰ-আচৰণ আৰু সামাজিক অন্ধবিশ্বাসৰ বিষয়ে জানিব পাৰি।

শূদ্ৰকে মৃচ্ছকটিকম্-ৰ কাহিনীভাগ নগৰীয়া জীৱনৰ পটভূমিত ৰচনা কৰিছে। সেইকাৰণে প্ৰকৃতিৰ নৈসৰ্গিক শোভা ইয়াৰ পৰা বহু আঁতৰত। চতুৰ্থ অঙ্কত কেৱল সম্ভোগশৃঙ্গাৰৰ উদ্দীপন বিভাৱৰূপে বৰ্ষাৰ পটভূমি প্ৰস্তুত কৰি লোৱা হৈছে। অষ্টম অঙ্কত মধ্যাহ্ন সূৰ্য্যৰ বৰ্ণনা কৰিছে। প্ৰকৃতি সম্পৰ্কে শূদ্ৰক কালিদাস বা ভৱভূতিৰ দৰে তীক্ষ্ণ নহয়। সেই কাৰণে শূদ্ৰকে মৃচ্ছকটিকম্-ত প্ৰকৃতিক অতি কম সময়ৰ বাবেহে উপস্থাপন কৰিছে। বাস্তৱজীৱনৰ লগত সঙ্গতি ৰাখি বিষয়বস্তু, চৰিত্ৰ, সংলাপ আদি সজাই তোলা হৈছে। একেসময়তে ৰজা আৰ্যকৰ অভ্যুত্থান আৰু চাৰুদত্ত বসন্তসেনাৰ প্ৰণয় কাহিনী সমান্তৰালভাৱে আগবঢ়াই নিয়া হৈছে।

সাধাৰণভাৱে সকলো সাহিত্যকৰ্মৰে সমাজৰ প্ৰতি এটা বাণী থাকে, এটা আদৰ্শ থাকে বিশেষকৈ প্ৰাচীন ভাৰতীয় সাহিত্যই সদায় এটা আদৰ্শ সমাজৰ আগত দেখুৱাই আহিছে সেইটো হৈছে—

*"ৰামাদিৱৎ প্ৰৱৰ্ত্তিতব্যং ন ৰাৱনাদিৱৎ' অৰ্থাৎ ৰাম আদিৰ দৰে আচৰণ কৰিবা, ৰাৱণ আদিৰ দৰে নহয়।"*

সৎভাৱে জীৱন-যাপন কৰিবলৈ যিবোৰ প্ৰবৃত্তিৰ একান্তই প্ৰয়োজন সেইবোৰৰ বিকাশত শ্ৰদ্ধা নথকা মানুহ বোধকৰো পৃথিৱীত নাই। কিন্তু শূদ্ৰকে সততাৰ আদৰ্শ প্ৰতিষ্ঠাৰ বাবে বিশেষ চেষ্টা কৰা দেখা নাযায়।

মৃচ্ছকটিকম্-ৰ দোষ-গুণ বিচাৰ কৰি ক'ব পাৰি যে সামগ্ৰিকভাবে মৃচ্ছকটিকম্ এখন মঞ্চসফল নাট। দহটা অঙ্কত ৰচিত এই প্ৰকৰণে দৰ্শকক উৎকণ্ঠাৰে আৱদ্ধ কৰি ৰাখিছে। সেইকাৰণে, ইয়াৰ প্ৰধান বৈশিষ্ট্য হৈছে ইয়াৰ ধাৰাবাহিকতা ভঙ্গহোৱা নাই। নাটকীয় মূল্য অপৰিসীমা হোৱাৰ কাৰণ হৈছে— শূদ্ৰকে মানুহৰ ৰাজ্যৰ পৰিসীমাৰ ভিতৰতে প্ৰকৰণখনৰ সকলো উপাদান সীমাবদ্ধ ৰাখিছে। প্ৰাচীন ভাৰতীয় কাব্যৰ দৰে ইয়াত অতিলৌকিক ঘটনা বা চৰিত্ৰ সন্নিবিষ্ট হোৱা নাই। মৃচ্ছকটিকম্-ৰ ভাষা, শব্দবিন্যাস, অলঙ্কাৰ, ছন্দ, গুণ, ৰীতি আদি যথাযেথ প্ৰয়োগৰ পৰা শূদ্ৰকৰ সুক্ষ্ম অনুভূতিশীলতা আৰু শিল্প সচেতনতাৰ উমান পাব পাৰি। ভাষাৰ বৈচিত্ৰ্য হৈছে মৃচ্ছকটিকম্-ৰ আন এটা প্ৰধান বৈশিষ্ট্য। ইয়াত আঠ প্ৰকাৰৰ ভাষা আৰু উপভাষা প্ৰয়োগ কৰা হৈছে। কিছুমান শব্দ পোৱা যায় যিবোৰ পাঠকৰ বাবে সহজবোধ্য নহয়। প্ৰকৰণখনিত মুঠ ৩৮০ টা ছন্দোৱাদ্ধ ৰচনা আছে আৰু একৈশ প্ৰকাৰৰ সংস্কৃত ছন্দৰ ব্যৱহাৰ কৰিছে। অলঙ্কাৰৰ বৈভৱো শূদ্ৰকৰ ৰচনাত দেখাযায়। শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ দুয়োবিধ অলঙ্কাৰ শূদ্ৰকে প্ৰয়োগ কৰিছে। মৃচ্ছকটিকম্-ত বিষয়বস্তুত সংস্কৃত সাহিত্যত এক ব্যতিক্ৰম। কোনো সংস্কৃত কবিয়ে এনে সামাজিক সমস্যা কেতিয়াও উপস্থাপন কৰা নাই. তদুপৰি শূদ্ৰকে যিমান স্পষ্টভাবে সমাজ আৰু জীৱনৰ সচা অভিজ্ঞতা কাব্যত দাঙি ধৰিছে আনকোনো সংস্কৃত কবিয়ে কাব্যত দাঙি ধৰিব পৰা নাই। প্ৰকৃততে সমাজৰ মধ্য আৰু নিম্নবৰ্গৰ আবেগ অনুভূতিক লৈ লিখা এইখন একমাত্ৰ সফল সংস্কৃত কাব্য (প্ৰকৰণ)।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

মৃচ্ছকটিকম্ প্ৰকৰণখনিৰ মূল বৈশিষ্ট্য কি? (৩০ টা শব্দৰ ভিতৰত লিখক)

.............................................................................

.............................................................................

.............................................................................

.............................................................................

.............................................................................

## ২.৭ সাৰাংশ (Summing Up)

মৃচ্ছকটিকম্-ৰ বিষয়বস্তুক প্ৰধানভাবে দুটা ভাগত ভাগ কৰিব পাৰি— (১) অধিকাৰিক আৰু (২) প্ৰাসঙ্গিক। অধিকাৰিকহৈছে বসন্তসেনা চাৰুদত্তৰ প্ৰণয় কাহিনী আৰু প্ৰাসঙ্গিকবস্তু হৈছে পালকৰ সিংহাসন চ্যুতি আৰু আৰ্যকৰ ৰাজ্যলাভ।

মৃচ্ছকটিকম্ দহ অঙ্কযুক্ত এখন সুদীৰ্ঘ প্ৰকৰণ। ইয়াৰ মূল বিষয়বস্তু চাৰুদত্ত আৰু বসন্তসেনাৰ প্ৰণয় কাহিনী। এই কাহিনীৰ প্ৰায় সমান্তৰালভাৱে ৰজা আৰ্যকৰ ৰাজ্য অধিগ্ৰহন এই ৰাজনৈতিক কাহিনী আগবঢ়া দেখা যায়।

নান্দী শ্লোকৰ পিছত প্ৰস্তাৱনাত সূত্ৰধাৰে ব্ৰতোৎসৱৰ সম্পৰ্কে কথাকৈ বিদূষক আৰু চাৰুদত্তক মঞ্চলৈ অহাত সুচল কৰি দিয়ে। বন্ধু চূৰ্ণবৃদ্ধই চাৰুদত্তলৈ বুলি দিয়া চোলা এটা বিদূষকে চাৰুদত্তক অৰ্পন কৰিছে। ৰজা পালকৰ খুলশালীয়েক শকাৰ বসন্তসেনাৰ প্ৰণয়প্ৰাৰ্থী। কিন্তু বসন্তসেনাই তেওঁক ঘৃণা কৰিছিল। শকাৰে এদিন বসন্তসেনাক আঘাত কৰে। ইয়াতে বসন্তসেনা মূৰ্চ্ছিতা হৈ পৰি যায়। শকাৰে প্ৰতিহিংসা চৰিতাৰ্থ কৰিবৰ বাবে হত্যাৰ অভিযোগত চাৰুদত্তক অভিযুক্ত কৰে। বিচাৰত চাৰুদত্তৰ প্ৰাণদণ্ডৰ আদেশ হয়। ইতিমধ্যে বসন্তসেনাই সংজ্ঞা লাভ

কৰি চাৰুদত্তক ৰক্ষা কৰিবৰ বাবে বিচাৰকক্ষত প্ৰবেশ কৰে। ইফালে ৰাজ্যত বিদ্ৰোহৰ সৃষ্টি হয়। আৰ্যকে উজ্জয়িনী অধিকাৰ কৰি পালকক সিংহাসনচ্যুত কৰে আৰু ৰাজপাট দখল কৰে। এই আৰ্যককে এসময়ত চাৰুদত্তই কাৰাগাৰৰ পৰা উদ্ধাৰ কৰিছিল। চাৰুদত্তৰ প্ৰতি কৃতজ্ঞতা ৰাখি চাৰুদত্তক কুশৱতী নগৰ উপহাৰ দিয়ে। এটা কথা অনস্বীকাৰ্য যে শূদ্ৰকে মৃচ্ছকটিকম্-ত নাটক ৰচনাৰ গতানুগতিকতাক অতিক্ৰম কৰি এটা নতুন ধাৰাৰ প্ৰৱৰ্তন কৰে। কালিদাস, ভৱভূতি আদি আন নাট্যকাৰ সকলৰ নাটকত যিদৰে ৰজা বা ৰাজপৰিয়ালৰ কাহিনীয়ে স্থান পাইছিল তেনে নহয়। সমাজৰ সৰ্বস্তৰৰ কথা কৈ মধ্যবিত্ত শ্ৰেণীৰ মাজৰ পৰা বিভিন্ন ধৰণৰ চৰিত্ৰ নিৰ্বাচন কৰি নাটকীয় চৰিত্ৰত এটা ব্যাপকতাৰ সৃষ্ট কৰি শূদ্ৰকে সাহসৰ পৰিচয় দিছিল। শূদ্ৰকে ওপৰ স্তৰৰ পৰা তলৰ স্তৰলৈ নাটকীয় চৰিত্ৰবোৰক নমাই আনিলে। দুষ্যন্ত শকুন্তলাৰ প্ৰেম বা ৰাম সীতাৰ প্ৰেমক আমি শ্ৰদ্ধা কৰো, কিন্তু চাৰুদত্ত আৰু বসন্তসেনাৰ প্ৰেমৰ মাজত আমি নতুন দিশৰ সন্ধান পাওঁ। সমাজ যে কেৱল ৰজা আৰু ৰাজকুমাৰকলৈ নহয়, কল্পনা আৰু আদৰ্শক বাদ দি জীৱনৰ যি এটা বাস্তৱ দিশ আছে সেই মানৱ চৰিত্ৰৰ বৈশিষ্ট্য আৰু পৰম সত্যৰ প্ৰতি শূদ্ৰকেই প্ৰথম দৃষ্টি আকৰ্ষণ কৰিছিল। মৃচ্ছকটিকম্-ত তৎকালীন সমাজত প্ৰচলিত ধৰ্মীয় সংস্কাৰ, লৌকিক আচাৰ-আচৰণ আৰু সামাজিক নীতি-নিয়মৰ বহুল উল্লেখ আছে।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ‘মৃচ্ছকটিকম্’-ত চাৰুদত্ত আৰু বসন্তসেনা নামৰ চৰিত্ৰ দুটাৰ কেনেদৰে প্ৰতিফলন ঘটিছে তাৰ এক যথাযথ বৰ্ণনা দাঙি ধৰা।

২) ‘মৃচ্ছকটিকম্ নাট্য সাহিত্যত এখন ব্যতিক্ৰমধৰ্মী ৰূপক’—কথা ফাঁকিৰ যথাৰ্থতা বহলাই আলোচনা কৰা।

৩) শূদ্ৰকৰ নাট্য প্ৰতিভাৰ যথাযথ বৰ্ণনা কৰা।

৪) মৃচ্ছকটিকম্ কোন শ্ৰেণীৰ ৰূপক ? এই ৰূপকৰ লেখক কোন ? তেওঁৰ এক চমু পৰিচয় দাঙি ধৰি উক্ত ৰূপকৰ এক সংক্ষিপ্ত বিৱৰণ দিয়া।

৫) মৃচ্ছকটিকম্-ৰ কাব্যিক সৌন্দৰ্য্যৰ বিষয়ে বহলাই আলোচনা কৰা।

## ২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


থানেশ্বৰ শৰ্মা : *মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্ ঃ এক সমীক্ষা*

(----------) অনু. : *মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্*

মালিনী গোস্বামী : *মৃচ্ছকটিকমমীমাংসা*

M. R. Kale (ed.) : *Mrechakatikam of Sudraka*


* * *

## তৃতীয় বিভাগ
## ‘মৃচ্ছকটিকম্’-ৰ ৬ষ্ঠ - ১০ম অংকৰ পাঠগত পৰ্যালোচনা

**বিভাগৰ গঠন**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ ‘মৃচ্ছকটিকম্’-ৰ ৬ষ্ঠ -১০ম অঙ্কৰ সাৰাংশ
৩.৪ সাহিত্যিক সমীক্ষা
৩.৫ বৈশিষ্ট্য
৩.৬ চৰিত্র চিত্রণ
৩.৭ সাৰাংশ (Summing Up)
৩.৮ আৰ্হিপ্রশ্ন (Sample Questions)
৩.৯ প্ৰসঙ্গগ্ৰন্থ (References/Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত ‘মৃচ্ছকটিকম্’ নাটখনৰ কথা বস্তুৰ পৰিচয় দাঙি ধৰা হৈছে। তাৰ লগতে নাটখনৰ প্ৰথমৰ পৰা পঞ্চম অংকলৈ প্ৰতিটো অংকৰে পাঠগত পৰ্যালোচনা আগবঢ়োৱা হৈছে। এই বিভাগটিত নাটখনৰ পৰৱৰ্তী অঙ্ক (৬ষ্ঠ - ১০ম)সমূহৰ বিশ্লেষণ আগবঢ়োৱা হ’ব। এই পৰিপ্ৰেক্ষাত প্ৰতিটো অংকৰে সাৰাংশ, বৈশিষ্ট্য আৰু চৰিত্ৰসমূহৰ বিশ্লেষণ দাঙি ধৰা হ’ব। সাহিত্যিক সমীক্ষাৰ প্ৰসঙ্গত নাটখনত প্ৰয়োগ হোৱা অলঙ্কাৰ, ছন্দ, ৰস আদি দিশৰো আলোচনা কৰা হ’ব।

### ৩.২ উদ্দেশ্য (Objectives)

মৃচ্ছকটিকম্ নাটখনিৰ ৬ষ্ঠ-১০ম অংকৰ বিষয়বস্তু সামৰি লোৱা এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- প্ৰতিটো অংকৰে কথাবস্তুৰ লগত পৰিচিত হ’ব পাৰিব,
- নাটখনিৰ ভাষা, নাটখনিত প্ৰয়োগ হোৱা অলঙ্কাৰ, ছন্দ, ৰস, গুণ, কবি প্ৰসিদ্ধি আদি দিশবোৰৰ বিষয়ে জানিব পাৰিব,
- অংক কেইটাৰ বৈশিষ্ট্য অনুধাৱন কৰিব পাৰিব,
- নাটখনিৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে জ্ঞাত হ’ব পাৰিব।

### ৩.৩ মৃচ্ছকটিকম্-ৰ ষষ্ঠ - দশম অঙ্কৰ সাৰাংশ

ভাৰতীয় কাব্যতত্ত্বৰ আলোচনাত সকলো সৃষ্টিশীল ৰচনাকে কাব্য বোলা হয়। মৃচ্ছকটিকম্ এখন প্ৰকৰণ শ্ৰেণীৰ ৰূপ। ইয়াত বৰ্ণনীয় বৃত্তান্তটো লৌকিক, কবিকল্পিত, শৃঙ্গাৰ হৈছে ইয়াৰ প্ৰধান ৰস। নায়ক চাৰুদত্ত ব্ৰাহ্মণ, নায়িকা গণিকা বসন্তসেনা। প্ৰকৰণখনিৰ মুখ ইতিবৃত্ত পাঁচটা ভাগত ভাগ কৰা হৈছে। এই পাঁচটা ভাগক সন্ধি বোলা হয়। মৃচ্ছকটিকম্-ৰ প্ৰথম অঙ্কত বিদূষকৰ উক্তিসমূহত তথা দ্বিতীয় অঙ্কত বসন্তসেনা আৰু মদনিকাৰ কথোপকথনৰ পৰা

এই কথা স্পষ্ট যে মদনমহোৎসৱত নায়ক-নায়িকাৰ প্ৰণয়ৰ বীজ ৰোপিত হৈছে। প্ৰথম অঙ্কত বসন্তসেনাই চাৰুদত্তৰ ঘৰত আশ্ৰয়লোৱা ঘটনাত কাহিনীভাগ আৰম্ভ হৈছে। মৃচ্ছকটিকম্-ৰ পঞ্চম অঙ্কত নায়ক-নায়িকাৰ মিলনৰূপ ফলটি ষষ্ঠ, সপ্তম, অষ্টম আৰু নৱম অঙ্কত বিভিন্ন ধৰণে বাধা প্ৰাপ্ত হৈছে। দশম অঙ্কত বহুতো সৰু সৰু ঘটনাৰ সমাবেশ হৈছে যেনে পালকৰ পদচ্যুতি, আৰ্যকৰ ৰাজ্যলাভ, সংবাহকৰ সৈতে বসন্তসেনাৰ প্ৰত্যাগমন আদি। এই সকলোবোৰ ঘটনাৰ দ্বাৰা চাৰুদত্ত বসন্তসেনাৰ মিলনৰূপ অভীপ্সিত ফলটো পূৰণ হোৱা দেখা গৈছে।

নাটকখনৰ প্ৰধান উদ্দেশ্য হৈছে নায়ক-নায়িকাৰ মিলন আৰু পৰোক্ষভাৱে শকাৰ ৰূপ অশুভশক্তিৰ পতন। পঞ্চম অঙ্কত চাৰুদত্ত আৰু বসন্তসেনাৰ মিলন খন্তেক সময়ৰ বাবেহে দেখা গৈছে যদিও শকাৰ ৰূপী অশুভ শক্তিৰ পতন দেখুৱাব পৰা নাই। সেই কাৰণে প্ৰকৃত নাটকীয় উদ্দেশ্য দশম অঙ্কতহে চৰিতাৰ্থ হৈছে। মৃচ্ছকটিকম্-ৰ কথা বস্তুৰ ভাগ দুটা- (১) চাৰুদত্ত আৰু বসন্তসেনাৰ প্ৰেমগাথা। (২) আৰ্যকৰ ৰাজ্যলাভ।

ভাসৰ ৰচিত 'চাৰুদত্ত'ৰ আধাৰত ৰচনা কৰা মৃচ্ছকটিকম্-মৰ কাহিনীক শূদ্ৰকে বিস্তৃত অলঙ্কৃত শৈলীত বৰ্ণনা কৰিছে। যি উদ্দেশ্যত নায়কৰ কাৰ্যকলাপ আৰম্ভ হৈছে তেনে উদ্দেশতে নাটকৰ ফলপ্ৰাপ্তি ঘটিছে অৰ্থাৎ নায়িকা বসন্তসেনা আৰু চাৰুদত্তৰ স্থায়ী মিলন। শূদ্ৰকে অতি সামাজিক পৰিৱেশত বসন্তসেনাৰ ব্যক্তিত্ব প্ৰতিষ্ঠা কৰিবলগীয়া হৈছে। তেনে অৱস্থাত সকলো মৰ্যাদা বজায় ৰাখি চলিব পৰাটোতে বসন্তসেনাৰ মহত্ব ফুটি উঠিছে আৰু পাঠকৰ দৃষ্টিত বসন্তসেনাই এখন উচ্চ আসন অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। সেয়ে দশম অঙ্কৰ শেষত ৰজা আৰ্যকে বসন্তসেনাক 'বধূ' শব্দেৰ সন্মানিত কৰিছে। শূদ্ৰকৰ মৃচ্ছকটিকম্-ৰ চৰিত্ৰসমূহে নিজ ভূমিকা আৰু দায়িত্ব সুচাৰুৰূপে পালন কৰিছে। আৰ্যক উজ্জয়িনীৰ পৰৱৰ্তী ৰজা হয় আৰু পালকৰ স্বেচ্ছাচাৰী শাসনৰ অন্ত হয়।

নাটখনৰ ষষ্ঠ অঙ্কৰ পৰা দশম অঙ্কলৈ সাৰাংশ তলত দাঙি ধৰা হ'ল —

**৬ষ্ঠ অঙ্ক ঃ** ষষ্ঠ অঙ্কক প্ৰৱহন বিপৰ্যয় অঙ্ক বুলিও কোৱা হয়। এই অঙ্কৰ আৰম্ভণিতে দেখা যায় যে চেটীয়ে বসন্তসেনাক টোপনিৰ পৰা জগায়। চেটীয়ে বসন্তসেনাক জনায় যে চাৰুদত্ত পুষ্পকৰণ্ডক নামে উদ্যানলৈ গৈছে আৰু বসন্তসেনাকো তালৈ যাবলৈ কৈছে। এই কথা জানি বসন্তসেনা সুখী হয়। তেওঁ ভিতৰলৈ গৈ দেখে যে তেওঁ ঘূৰাই দিব খোজা ৰত্নাৱলী হাড়ডাল ধূতা দেৱীয়ে অস্বীকাৰ কৰিছে।

কিছুসময়ৰ পাছত দেখা যায় যে ৰদনিকাই চাৰুদত্তৰ পুত্ৰ ৰোহসেনৰ কান্দোন বন্ধ কৰিবলৈ চেষ্টা কৰিছে। শিশুটিয়ে চুবুৰীয়াৰ সোনৰ খেলনা গাড়ীৰে খেলি আছিল, কিন্তু গাড়ীৰ গৰাকীয়ে সেইখন লৈ যোৱাত ৰদনিকাই মাটিৰ গাড়ী এখন দিছে, কিন্তু তাক সোনৰ খেলনা গাড়ীখনহে লাগে। ৰদনিকাই ৰোহসেনক বসন্তসেনাৰ ওচৰলৈ লৈ যায়। বসন্তসেনাই চাৰুদত্তৰ পুত্ৰ বুলি জানি মৰমকৰি কন্দাৰ কাৰণ সোধে। শিশুটিৰ সৰল মাতত বসন্তসেনাৰ অন্তৰ স্নেহত বিগলিত হ'ল। তেওঁ সোনৰ গাড়ী বনাবলৈ গাৰ পৰা অলঙ্কাৰ খুলি মাটিৰ গাড়ী পূৰ্ণ কৰি দিলে।

ইয়াৰ খন্তেক পাছতে চাৰুদত্তৰ গাড়ীচালক বৰ্দ্ধমানকে বসন্তসেনাৰ বাবে গাড়ী সাজু কৰি আনে। বসন্তসেনাই প্ৰসাধন কাৰ্য কৰি সাজু হোৱালৈকে গাড়ীখন ৰাখিবলৈ কোৱায়। কিন্তু বৰ্দ্ধমানকে গাড়ীৰ আৱৰণ আনিবলৈ পাহৰি যোৱা বাবে গাড়ীখনলৈ আৱৰণ আনিবলৈ যায়। এনে সময়তে শকাৰৰ গাড়ীচালক স্থাৱৰকে ৰাজশ্যালকৰ গাড়ীখন আনি চাৰুদত্তৰ ঘৰৰ

সন্মুখতে ৰাখে। প্ৰসাধন কৰ্ম শেষ কৰি বসন্তসেনাই বৰ্দ্ধমানকে চলোৱা গাড়ী বুলি ভুল কৰি স্থাৱৰকৰ গাড়ীত উঠি বহে। খন্তেক পিছতে আৰ্যকে কাৰাগাৰৰ পৰা কিবা প্ৰকাৰে পলাই চাৰুদত্তৰ ঘৰৰ সন্মুখ পায়হি, এনেতে বৰ্দ্ধমানকেও গাড়ীৰ আৱৰণ আনি তাতে ৰয়। আৰ্যকে মনে মনে সেই গাড়ীত উঠি দিয়ে। শিকলিৰ শব্দ অলঙ্কাৰৰ শব্দ বুলি ভাবি বৰ্দ্ধমানকে বসন্তসেনা উঠা বুলি গাড়ী চলাই দিয়ে।

আনফালে আৰ্যক কাৰাগাৰৰ পৰা পলোৱা বাবে নগৰ-ৰক্ষীবোৰে নগৰৰ পৰা বাহিৰলৈ যোৱা গাড়ীবোৰ পৰীক্ষা কৰিবলৈ লয়। পথত নগৰৰক্ষী বীৰক আৰু চন্দনকে বৰ্দ্ধমানকক গাড়ী ৰখাবলৈ কয়। চন্দনকে গাড়ীত উঠি আৰ্য্যকক দেখা পায়। আৰ্যকে চন্দনকৰ আশ্ৰয় বিচাৰে। চন্দনকে অভয়দান কৰে। বীৰকে চন্দনকক সন্দেহ কৰে বাবে নিজেও গাড়ীখন চাবলৈ বিচাৰে আৰু গাড়ীত উঠিবলৈ যায়। কিন্তু চন্দনকে বীৰকক টানি আনে। এই কথাত দুয়োৰো কাজিয়া হয়। বীৰকে চন্দনকৰ বিৰুদ্ধে গোচৰ তৰিব বুলি তৰ্জন-গৰ্জন কৰি ওলাই যায়। পিছত চন্দনকে আৰ্যকক আত্মৰক্ষাৰ বাবে তৰোৱাল এখন দিয়ে আৰু গাড়ীচালকক বাটত সুধিলে চন্দনক আৰু বীৰকে গাড়ী পৰীক্ষা কৰিছে বুলি ক'বলৈ শিকাই দিয়ে। বৰ্দ্ধমানকে গাড়ী পুষ্পকৰণ্ডক নামৰ উদ্যানলৈ গাড়ী চলাই নিয়ে।

**সপ্তম অঙ্ক (আৰ্যকাপহৰণ অঙ্ক) ঃ**

সপ্তম অঙ্কৰ প্ৰথম দৃশ্যত চাৰুদত্ত আৰু বিদূষকে বসন্তসেনা আহিবলগীয়া বৰ্দ্ধমানকৰ গাড়ীলৈ অপেক্ষা কৰি থাকে। গাড়ী আহি পোৱাত বিদূষকে চাৰুদত্তৰ কথামতে বসন্তসেনাক নমাই আনিবলৈ যায়। গাড়ীত আৰ্যকক দেখি তেওঁ ভয় খায়। তেতিয়া চাৰুদত্তই নিজে গাড়ীত উঠি তেওঁৰ পৰিচয় সোধে। আৰ্যকে আত্মপৰিচয় দি চাৰুদত্তৰ ওচৰত আশ্ৰয় আৰু অভয়দান বিচাৰে। চাৰুদত্তই অভয় দিয়ে আৰু গাৰ পৰা শিকলিবোৰ গুচাবলৈ চেটক কয়। তাৰ পাছত চাৰুদত্তই সেই গাড়ীৰেই আৰ্যকক নগৰৰ বাহিৰলৈ যাবলৈ কয়। আৰ্যক গুচি যোৱাৰ পাছত সেই স্থানলৈ বসন্তসেনা নাহিব বুলি ভাবি চাৰুদত্ত আৰু বিদূষকেও সেই স্থান ত্যাগ কৰে।

**অষ্টম অঙ্ক (বসন্তসেনা মোটন অঙ্ক) ঃ**

এই অষ্টম অঙ্কক বসন্তসেনা মোটন অঙ্ক বুলিও জনা যায়। অষ্টম অঙ্কৰ প্ৰথম দৃশ্যত এজন বৌদ্ধভিক্ষুৱে (সংবাহকে) হাতত এখন তিতা কাপোৰ লৈ উদ্যানত মেলিবলৈ আহে। সেই উদ্যানত শকাৰ আৰু বিট ও কিছুসময়ৰ পিছত আহে। শকাৰে ভিক্ষুজনক বৌদ্ধধৰ্ম নোলোৱা অপৰাধত মাৰে। বিটে তেওঁক ৰক্ষা কৰে। ভিক্ষুজনে শকাৰৰ ভয়ত তাৰ পৰা গুচি যায়। শকাৰে আৰু বিটে স্থাৱৰকৰ গাড়ীৰ বাবে তাত অপেক্ষা কৰি থাকে।

কিছুসময়ৰ পিছত গাড়ী আহি সেই স্থান পায়হি। শকাৰে গাড়ী উঠিবলৈ গৈ এগৰাকী তিৰোতা বহি থকা দেখি ভয় খাই গুচি আহে। পিছত বিটে গাড়ীত উঠি বসন্তসেনাক দেখি আচৰিত হয়। বসন্তসেনাই বিটৰ আশ্ৰয় বিচাৰে আৰু বিটে তেওঁক আশ্বাস দিছে। গাড়ীৰ পৰা ওলাই আহি শকাৰক কয় যে গাড়ীত কোনোবা ৰাক্ষসী বহি আছে। তেওঁ খোজকাঢ়ি নগৰলৈ যাবলৈ শকাৰক কয়। কিন্তু শকাৰ সেইকথাত মান্তি নহ'ল। তেতিয়া বিটে শকাৰক কয় যে গাড়ীত বসন্তসেনা বহি আছে। শকাৰে বসন্তসেনাক প্ৰেমযাচে কিন্তু বসন্তসেনা অমান্তি হয়। পিছত বিট আৰু চেটক বসন্তসেনাক মাৰি পেলাবলৈ কয়। তেওঁলোক অমান্তি হোৱাত দুয়োজনকে তাৰপৰা আতৰি যাবলৈ আদেশ দিয়ে। বিট আৰু চেট গুচি যোৱাৰ পাছত শকাৰে বসন্তসেনাৰ

ওচৰত প্ৰেমভিক্ষা কৰে, কিন্তু বসন্তসেনাই তেওঁক প্ৰত্যাখান কৰে। তেতিয়া শকাৰে বসন্তসেনাক ডিঙি চেপি ধৰে আৰু বসন্তসেনা মূৰ্ছিত হৈ মাটিত পৰে। তেওঁ গছৰ শুকান পাতেৰে বসন্তসেনাৰ মূৰ্চ্ছিত শৰীৰটো ঢাকি থৈ চাৰুদত্তৰ ওপৰত হত্যাৰ অপৰাধ আৰোপ কৰাৰ সঙ্কল্প লৈ বিচাৰালয়লৈ খোজ লয়।

কিছুসময়ৰ পিছত এজন বৌদ্ধভিক্ষুৱে এখন তিতা কাপোৰ মেলিবলৈ সেইঠাইলৈ আহোঁতে গছৰ পাতৰ মাজত কোনোবাই উশাহ লোৱা যেন অনুমান কৰে। বসন্তসেনাই চেতনা পাই হাত মেলি দিয়ে। বৌদ্ধি ভিক্ষুজনে পাতবোৰ আতৰাই দেখে যে অৰ্ধচেতন হৈ পৰি থকা নাৰীগৰাকী বসন্তসেনা। বসন্তসেনাই পানী বিচাৰে ভিক্ষুৱে তিতা কাপোৰ চেপি তেওঁক পানী দিয়ে আৰু কাপোৰৰ আচলেৰে বিছি দি তেওঁক সুস্থ কৰে। ভিক্ষু বসন্তসেনাক বিশ্ৰামৰ বাবে বৌদ্ধবিহাৰলৈ লৈ যায়।

**নৱম অঙ্ক ঃ**

নৱম অঙ্কক 'ব্যৱহাৰ অঙ্ক' বুলিও জনা যায়। শকাৰে বিচাৰালয়লৈ আহি চাৰুদত্তৰ ওপৰত বসন্তসেনাৰ হত্যাৰ গোচৰ দিয়ে। শকাৰক বিচাৰ প্ৰাৰ্থী বুলি জানি প্ৰথমতে বিচাৰ পতিয়ে প্ৰথমতে তেওঁৰ বিচাৰ শুনিবলৈ অমান্তি হয়। শকাৰে ধমকি দিয়াত অগত্যা বিচাৰপতিয়ে তেওঁৰ আবেদন শুনিবলৈ মান্তি হয়। শকাৰে বিচাৰালয়ত বিচাৰপতিক কয় যে পুষ্পকৰণ্ডক নামৰ পুৰণি উদ্যানত তেওঁ মৃতস্ত্ৰীৰ এটি শৱ দেখি আহিছে। স্ত্ৰীগৰাকী বসন্তসেনা। তেওঁ কয় যে কোনোবাই ধনৰ লোভত বল প্ৰয়োগ কৰি বসন্তসেনাক ডিঙি চেপি মাৰিছে। বসন্তসেনাৰ বিৰুদ্ধে অধিক জানিবলৈ বিচাৰকে শোধনকক পঠিয়াই বসন্তসেনাৰ মাকক মাতি আনে। বসন্তসেনাৰ মাকে বিচাৰকক জনায় যে বসন্তসেনাৰ চাৰুদত্তৰ সৈতে সুসম্পৰ্ক আছে। কিছুসময়ৰ পিছত বিচাৰলয়লৈ নগৰ ৰক্ষী বীৰক আৰু চন্দনক আহে। চন্দনকৰ বিৰুদ্ধে বীৰকে বিচাৰালয়ত গোচৰ দিয়াৰ লগতে ইয়াকো জনায় যে বসন্তসেনাই চাৰুদত্তৰ গাড়ীত উঠি পুষ্পকৰন্দ উদ্যানলৈ যোৱা দেখি আহিছে। তাৰ পিছত বিচাৰকে বীৰকক জীৰ্ণ উদ্যানত কোনো নাৰীৰ মৃত শৱ পৰি আছে নেকি চাই আহিবলৈ ক'লে।

ইতিমধ্যে ৰেভিলৰ মুখত বিদূষকে চাৰুদত্তক বিচাৰালয়লৈ মাতি নিয়া বুলি শুনি তেওঁ বিচাৰ মণ্ডপলৈ আহে। বসন্তসেনাক ঘূৰাই দিবলগীয়া অলঙ্কাৰৰ টোপোলাটো কাষলতিৰ তলত লৈয়েই বিদূষক তালৈ যায় আৰু শকাৰৰ সৈতে কাজিয়া কৰোঁতে গহনাৰ টোপোলাটো মাটিত পৰি যায়। তাৰে সুযোগ লৈ শকাৰে বিচাৰকৰ সন্মুখত গোচৰ তুলি ধৰি কয় যে এইবোৰ গহনাৰ বাবেই চাৰুদত্তই বসন্তসেনাক জীৰ্ণোদ্যানত ডিঙিচেপি বধ কৰিছে।

বিচাৰকৰ প্ৰশ্নৰ উত্তৰত চাৰুদত্তই স্বীকাৰ কৰে যে বিদূষকে অনা অলঙ্কাৰবোৰ বসন্তসেনাৰ। কিন্তু সেয়া বসন্তসেনাৰ গাৰ পৰা পৃথক কেনেকৈ হ'ল সেই কথা ক'বলৈ অপৰাগ হ'ল। কেৱল তেওঁ কোনো অপৰাধ কৰা নাই বুলি ক'লে। কিন্তু যদি তেওঁৰ ওপৰত কোনো পাপ আৰোপৰ সম্ভাৱনা কৰাহয় তেনেহলে নিষ্পাপ হৈ কি লাভ? তেওঁ চিন্তা কৰিলে যে বসন্তসেনাৰ অবিহনে তেওঁৰ জীৱন ধাৰণেই বা কি লাভ? তেতিয়া বিচাৰকে তেওঁৰ দাবী সাব্যস্ত কৰি তেওঁক দণ্ড বিহিবলৈ ৰজা পালকলৈ বতৰা দিলে। লগতে বিচাৰকে এই কথাও ক'লে যে যিহেতু চাৰুদত্ত ব্ৰাহ্মণ মনুৰ মতে তেওঁক বধ দণ্ড দিব নোৱাৰি। বৰঞ্চ সম্পত্তিৰে সৈতে তেওঁক দেশান্তৰ কৰাহে সম্ভৱ। কিন্তু পালকে বিচাৰকৰ উপদেশ নামানি চাৰুদত্তক মৃত্যু

দণ্ডেৰে দণ্ডিত কৰিবলৈ আদেশ দিলে। দণ্ডব্যৱস্থা শুনি আৰ্য চাৰুদত্তৰ মনতো ৰজা পালকৰ অবিবেকতাহে প্ৰতিভাত হ'ল। তেওঁ অন্যায় হোৱা বুলি দুঃখ কৰিলে। তেতিয়া তেওঁ বিদূষকক ক'লে যে মৃত্যুৰ পূৰ্বে তেওঁ পুত্ৰ ৰোহসেনৰ মুখখন এবাৰ চাব খোজে।

**দশম অঙ্ক ঃ**

মৃচ্ছকটিকম্-ৰ দশম অঙ্কক 'সংহাৰ অঙ্ক' নামে জনা যায়। দুজন চণ্ডালে চাৰুদত্তক বধ্য স্থানলৈ লৈ যোৱা দেখা যায়। চাৰুদত্তৰ শৰীৰ বধ্য চিহ্নেৰে চিহ্নিত কৰা হৈছে। চাৰুদত্তৰ এই দুৰ্দ্দশা চাবলৈ পথত অনেক লোকৰ ভিৰ। তেনে সময়তে বিদূষকে ৰোহসেনক লৈ তাত উপস্থিত হয়। সেইসময়তে বসন্তসেনা বৌদ্ধভিক্ষু জনৰ সৈতে চাৰুদত্তৰ ঘৰলৈ যাওঁতে বাটত অনেক লোকৰ ভিৰ দেখি তাতনো কি হৈছে জানিব খোজাত সকলো কথা গম পালে আৰু বসন্তসেনা তাত উপস্থিত হয়। বসন্তসেনাক দেখি চণ্ডাল এজন গৈ ৰজাক সকলো খবৰ জনায় আৰু শকাৰও তাৰ পৰা পলায়ন কৰে। চাৰুদত্ত বসন্তসেনাক দেখি আনন্দিত হয়।

কিছুসময়ৰ পিছত সেই ঠাইলৈ শৰ্বিলকে প্ৰবেশ কৰে আৰু আৰ্যকৰ হাতত পালক নিধনহোৱা বাতৰিটো জনায়। ৰজা হিচাবে অভিষিক্ত হৈ আৰ্যকে চাৰুদত্তক কুশৱতী নগৰ দান কৰে। শৰ্বিলকে শকাৰক ধৰি আনে। শকাৰে প্ৰাণৰক্ষাৰ উপায় নেদেখি চাৰুদত্তৰ ওচৰত শৰণ লয়। চাৰুদত্তই তেওঁক অভয় দান দিয়ে।

এই অঙ্কৰ শেষত জানিব পাৰি যে চাৰুদত্তৰ মৃত্যুৰ বাতৰি পাই ধূতা দেৱীয়ে আত্মাহুতি দিবলৈ ওলাইছে। সেইকথা শুনি চাৰুদত্ত সেইঠাইত উপস্থিত হয় আৰু নিষেধ কৰে। ধূতাই তেওঁৰ মাতশুনি আনন্দ লাভ কৰে। চাৰুদত্তই পুত্ৰ ৰোহসেনক আলিঙ্গন কৰে। বিদুষকেও চাৰুদত্তক আলিঙ্গন কৰে। শৰ্বিলোকে বসন্তসেনাক জনায় যে আৰ্যকে তেওঁক 'বধূ' আখ্যা দিছে। তাকেশুনি বসন্তসেনা কৃত্য কৃত্য হয়। চাৰুদত্তৰ ইচ্ছানুসৰি বৌদ্ধ ভিক্ষুসংবাহকক বৌদ্ধবিহাৰ সমূহৰ ওপৰত কুলপতি পতা হয়। স্থাৱৰকক শকাৰৰ দাসত্বৰ পৰা মুক্তি দিয়া হয়। শকাৰক একে পদবীতে ৰখা হয়। চণ্ডালদুজনক সকলো চণ্ডালৰ অধিপতি পতা হয়। চন্দনক হয় প্ৰধান সেনাপতি।

ভৰতবাক্য পাঠ কৰাৰ পিছত নাটকৰ সমাপ্তি।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

মৃচ্ছকটিকম্ প্ৰকৰণখনিৰ দ্বিতীয় অংশৰ কাহিনীভাগ প্ৰধানকৈ কোনটো চৰিত্ৰই আগবঢ়াই নিছে? (৩০ টা শব্দৰ ভিতৰত লিখক)

.....................................................................

.....................................................................

.....................................................................

.....................................................................

.....................................................................

## ৩.৪ সাহিত্যিক সমীক্ষা

সাহিত্যিক সমীক্ষাৰ দৃষ্টিৰে মৃচ্ছকটিকম্ বিশ্লেষণ কৰিলে দেখা যায় যে ই এখন অপূৰ্ব কলাৰ নিদৰ্শন বুলি ক'ব পাৰি। মৃচ্ছকটিকম্-ৰ ভাষা, শব্দ বিন্যাস, ছন্দ, অলঙ্কাৰ, গুণ-

ৰীতি আদিৰ প্ৰয়োগৰ পৰা শূদ্ৰকৰ সুক্ষ্ম অনুভূতিশীলতা আৰু শিল্প সচেতনতাৰ উমান পাব পাৰি।

শব্দসমূহৰ সৰলতা আৰু প্ৰকাশভঙ্গীৰ স্পষ্টতাই মৃচ্ছকটিকম্-ৰ সংলাপসমূহ সহজবোধ্য আৰু মনোগ্ৰাহী কৰি তুলিছে। শূদ্ৰকৰ গদ্যশৈলীও বৰ সৰল। তেওঁৰ গদ্যত দীঘল সমাসবদ্ধ শব্দৰ ব্যৱহাৰ অতি কম। দীৰ্ঘ পদবোৰৰ প্ৰায়বোৰতে শব্দালঙ্কাৰ বিশেষকৈ অনুপ্ৰাসৰ ব্যৱহাৰ বিশেষভাৱে লক্ষ্য কৰা যায়। শূদ্ৰকৰ ৰচনাত অপ্ৰচলিত আৰু কঠিন শব্দৰ ব্যৱহাৰ দেখা নগৈছিল। শব্দচয়নৰ দৰে শূদ্ৰকৰ বাক্য বিন্যাসো বেচ সৰল আৰু পোনপটীয়া। দ্ব্যৰ্থক বাক্য মৃচ্ছকটিকম্-ত কাচিৎ হে দেখা যায়। বসন্তসেনাৰ মুখতো শ্লেষ বা বক্ৰোক্তিপূৰ্ণ বাক্য দিয়া হোৱা নাই। সংস্কৃত সাহিত্যিকৰ প্ৰিয় অলঙ্কাৰ শ্লেষৰ প্ৰয়োগে প্ৰকাশভঙ্গী জটিল কৰা নাই। বৰং তেওঁ নাটকীয় উদ্দেশ্য সাধনৰ বাবেহে দুই এটা শ্লোকত শ্লেষ্য কৰিছে। সৰল হ'লেও শূদ্ৰকৰ ভাষা তীক্ষ্ণ, স্পষ্ট আৰু শক্তিশালী। গদ্য-পদ্য উভয় ৰচনাতে এই লক্ষণ বিৰাজমান। ভাষা লালিত্যৰ অভাৱ। আন সংস্কৃত নাট্যকাৰ যেনে- কালিদাস, ভৱভূতি, শ্ৰীহৰ্য আদিৰ ভাষাৰ সাঙ্গিতীক তৰঙ্গই অৰ্থ নুবুজা পাঠককো আকৰ্ষণ কৰিব পাৰে। কাৰণ, শূদ্ৰকৰ ৰচনাত অনুপ্ৰাস, যমকাদি অলঙ্কাৰৰ প্ৰয়োগ কম।

মৃচ্ছকটিকম্-ত দীঘলীয়া বৰ্ণনাত্মক ৰচনা কম যদিও বসন্তসেনাৰ অট্টালিকাৰ বৰ্ণনাত (৪ৰ্থ অঙ্ক) বা বৰষুণৰ ৰাতিৰ বৰ্ণনাৰ (৫ম অঙ্ক) সময়ত শূদ্ৰকে নাটকীয় পৰিস্থিতি পাহৰি গৈছে। অধিক কল্পনাপ্ৰসূত হোৱাৰ বাবে শব্দব্যৱহাৰ আৰু প্ৰকাশভঙ্গীৰ মিতব্যয়িতা অৱলম্বন কৰিব পৰা নাই। কেৱল উক্তিৰ গুৰুত্ব বুজাবলৈ কেতবোৰ অতিৰিক্ত শব্দৰ ব্যৱহাৰ কৰিছে।

**ভাষা ঃ**

ভাষাৰ বৈচিত্ৰ্য প্ৰকৰণ খনিৰ আন এক উল্লেখযোগ্য দিশ। ইয়াত আঠপ্ৰকাৰৰ ভাষা আৰু উপভাষা ব্যৱহাৰ কৰা হৈছে। অৱশ্যে এই সংখ্যা স্থিৰ কৰা বিষয়ত পণ্ডিত সকলৰ মাজত মতানৈক্য নোহোৱা নহয়। সেইকাৰণে কোনটো প্ৰধান ভাষা কোনটো অপ্ৰধান ভাষা তাক স্থিৰ কৰিবলৈ যাওঁতে পণ্ডিতসকলে নানা মত দিছে। এইক্ষেত্ৰত শূদ্ৰকে অৱশ্যে নাট্যশাস্ত্ৰৰ নিৰ্দ্দেশ মানি চলিছে। ভৰতমুনিৰ পৰা আৰম্ভ কৰি বিশ্বনাথ কবিৰাজলৈকে ভাষাবিভাগ বিস্তৃত ভাৱে আলোচনা কৰা হৈছে।

নাট্যকাৰ শূদ্ৰকে মৃচ্ছকটিকম্-ত নাট্যশাস্ত্ৰৰ নিৰ্দ্দেশাৱলী যথাযথ অনুশীলন কৰিছে। ইয়াত চাৰুদত্ত, সূত্ৰধাৰ, বিচাৰক আদি সংস্কৃত ভাষাত কথোপকথন কৰিছে। আনবোৰ চৰিত্ৰই প্ৰাকৃতত কথা কৈছে। তেওঁলোকৰ ভিতৰত নটী, বসন্তসেনা, ধূতা, বসন্তসেনাৰ মাতৃ, মদনিকা, ৰদনিকা, কৰ্ণপূৰক, শোধনক আদিয়ে শৌৰসেনী কৈছে। সূত্ৰধাৰে সংস্কৃতৰ লগতে শৌৰসেনী প্ৰাকৃত ব্যৱহাৰ কৰিছে। বীৰক আৰু চন্দমকে আৱন্তিকা কৈছে। বৰ্দ্ধমানক, স্থাৱৰক, সংবাহক, ৰোহসেন আৰু কুম্ভীলকে মাগধী কৈছে। চণ্ডাল, দুজনে চাণ্ডালী, বিদূষকে প্ৰাচ্যা, শকাৰে শাকাৰী আৰু জুৱাৰী দুজনে ধাক্কী কৈছে।

প্ৰাকৃত ব্যকৰণৰ প্ৰণেতা বৰৰুচিয়ে 'প্ৰাকৃত প্ৰকাশ' নামৰ ব্যাকৰণগ্ৰন্থত মাত্ৰ চাৰিটা প্ৰধান প্ৰাকৃত ভাষাত স্থান দিছে সেই কেইটা হৈছে—

(১) শৌৰসেনী
(২) মাগধী

(৩) মহাৰাষ্ট্ৰী
(৪) পৈশাচী

ড° কীথে অৱন্তিকা আৰু প্ৰাচ্যাক শৌৰসেনীৰ উপভাষা আৰু শাকাৰী আৰু চাণ্ডালীক মাগধীৰ উপভাষা বুলি অভিহিত কৰিছে। অৱশ্যে সাধাৰণ দৃষ্টিৰেই শাকাৰী, চাণ্ডালী, ধাক্কী, প্ৰাচ্য আদিক জাতিগত বা শ্ৰেণীগত উপভাষা বুলি সহজে অনুমান কৰি ল'ব পাৰি। শূদ্ৰকে সৰ্বমুঠ সাতপ্ৰকাৰ প্ৰাকৃত সমান দক্ষতাৰে ব্যৱহাৰ কৰি গৈছে। শূদ্ৰকে প্ৰাকৃতৰ এনে কিছুমান শব্দৰ ব্যৱহাৰ কৰিছিল যিবোৰ সাধাৰণ পাঠকৰ বাবে সহজবোধ্য নহয়। তেনে অপ্ৰচলিত আৰু কঠিন শব্দই সাধাৰণ পাঠকৰ অৰ্থবোধনত বাধা জন্মায়। অৱশ্যে মৃচ্ছকটিকম্-ত ব্যৱহাৰ হোৱা উপভাষাবোৰ কালক্ৰমত লুপ্ত হ'ল বা সেইবোৰ আনৰূপ পৰিগ্ৰহ কৰিলে। সংস্কৃত ভাষাৰ শব্দবোৰ অমৰকোষ, শব্দকল্পদ্ৰুম আদি শব্দকোষ সমূহে ধৰি ৰাখিছে। শূদ্ৰকে ব্যৱহাৰ কৰা কিছুমান অৰ্থ বিচাৰি নোপোৱা শব্দ যেনে ঃ— বৰগুলস্থৃক, সৈৰিভ, মহল্লক, বীডী, বৰটা, তলিত, কৰ্পদকভাৰিণী, কোষ্টক, মল্লক, লুপ্তদণ্ডক, দধিশৰ ইত্যাদি।

শ্লোক ৰচনাত শূদ্ৰক নিপুণ আছিল। প্ৰকৰণখনিত সৰ্বমুঠ ৩৮০ টা ছন্দোৱদ্ধ ৰচনা আছে। তেওঁৰ প্ৰতিটো ৰচনাই সুখপাঠ্য তাৰোপৰি ছন্দশাস্ত্ৰৰ ওপৰত থকা দখলৰ কথা সহজে অনুমান কৰিব পাৰি। সংস্কৃত আৰু প্ৰাকৃত উভয়বিধ ছন্দৰ প্ৰয়োগ কৰিছে আৰু প্ৰতিটো প্ৰয়োগেই সাৰ্থক বুলি ক'ব পাৰি। শূদ্ৰকে মৃচ্ছকটিকম্-ত প্ৰধানকৈ সমবৃত্ত আৰু অৰ্ধসমবৃত্তৰ অন্তৰ্গত ছন্দসমূহ ব্যৱহাৰ কৰিছে। ইয়াত একৈশ প্ৰকাৰৰ সংস্কৃত ছন্দ পোৱা যায়। সেইবোৰ হ'ল অনুষ্টুভ, আৰ্যা, ইন্দ্ৰবজ্ৰা, উপজাতি, উপেন্দ্ৰবজ্ৰা, পুষ্পিতাগ্ৰা, প্ৰমিতাক্ষৰা, প্ৰহৰ্ষিনী, মালভাৰিনী, মালিনি, বংশস্থবিল, বসন্ততিলক, বৈশ্বদেৱী, শাৰ্দুলবিক্ৰীড়িত, শিৰ্খাৰণী, স্ৰগ্ধৰা আৰু হৰিনী। ইয়াৰ ভিতৰত তেওঁ অনুষ্ঠভ ছন্দত আটাইতকৈ বেছি (৮৩ টা) শ্লোক ৰচনা কৰিছে।

**অলঙ্কাৰ ঃ**

অলঙ্কাৰৰ বৈভৱো শূদ্ৰকৰ ৰচনাত পোৱা যায়। কিন্তু গদ্যাংশৰ বাহিৰেও পদ্যাংশ পোনপটীয়া প্ৰকাশভঙ্গীতেই কাব্যখনৰ সৌন্দৰ্য্য লুকাই আছে বুলি ক'ব পাৰি। উদাহৰণ স্বৰূপে তাৰে কেইটামান দেখুৱা হ'ল ঃ অনুপ্ৰাস অলঙ্কাৰৰ উদাহৰণ—

*"পক্ষৱিকলশ্চ পক্ষী শুস্কশ্চ তৰু ঃ সৰশ্চ জলহীনম্।*
*সৰ্পশ্চোদ্ধৃতংষ্ট্ৰস্তুল্যাং লোকে দৰিদ্ৰশ্চ।। (৫/৪১)*
*হংসী হংসং পৰিত্যজ্য বায়সং সমুপস্থিতা (৮/১৬)*

অৰ্থালঙ্কাৰৰ ভিতৰত উপমা আৰু তাৰ অন্তৰ্গত অলঙ্কাৰৰ প্ৰয়োগত শূদ্ৰকৰ নিপুণতা লক্ষ্য কৰা যায়। সাঙ্গ, নিৰঙ্গ, মালা আদি বিভিন্ন প্ৰকাৰৰ ৰূপকৰ ভিতৰত মৃচ্ছকটিকম্-ত মালাৰূপকৰ প্ৰয়োগ অধিক। যেনে— ১/৪৮, ৫/১৩, ৯/৩, ৫/১৭, ৪/২২, ৮/১৬, ৮/১১, ১/৩৪, ইত্যাদি।

শূদ্ৰকৰ উপলব্ধি অতি সূক্ষ্ম। উপযুক্ত শব্দ আৰু ভাৱৰ সমন্বয় দেখা যায় ঘন অন্ধকাৰৰ বৰ্ণনাত। কবিয়ে অন্ধকাৰক শৰীৰত লিপিত খাই ধৰা অঙ্গ বুলি কৈছে। আকাশ খনে যেন কাজলহে বৰ্ষন কৰিছে। অসৎলোকক সেৱা কৰাৰ বাবে দৃষ্টিশক্তিৰ কাম নোহোৱা হৈছে।

*লিম্পতীৱ তমোহঙ্গানি বৰ্ষতীবাঞ্জনং নভ ঃ*
*অসৎ পুৰুষসেৱেব দৃষ্টিবিৰ্ফলতাং গতা।। (১/৩৪)*

আকৌ কৈছে— বহলকৈ মেলি থকা স্বত্বেও অন্ধকাৰৰ কাৰণে মোৰ চকুদুটা মুদি থকা যেনহে  লাগিছে। অন্ধকাৰৰ ঘনত্ব বুজাবলৈ শূদ্ৰকে যিবোৰ শব্দৰ ব্যৱহাৰ কৰিছে, দ্বিতীয় উদাহৰণত যি উপলব্ধিৰ কথা কৈছে সি ইমানেই  স্পষ্ট হৈ পৰিছে যে কবিৰ লগতে অন্ধকাৰৰ ঘনত্ব পাঠকৰো অনুভৱৰ বিষয় হৈ পৰিছে।

**ৰস ঃ**

সংস্কৃত নাটকৰ প্ৰধান বৈশিষ্ট্য হৈছে ৰসৰ প্ৰাধান্য। নাটকত বিভাৱাদি উপাদান সমূহ স্পষ্টভাবে উপস্থিত থকাৰ বাবে ইয়াত ৰসৰ ব্যঞ্জনা সহজতে হোৱাটো এক স্বভাৱসিদ্ধ কথা। ৰসৰ ব্যঞ্জনাৰ প্ৰতি নাট্যকাৰ সকলৰ সচেতনতা আৰু পক্ষপাতিতাও মনকৰিবলগীয়া বিষয়। পশ্চিমীয়া আৰু আধুনিক নাটকৰ প্ৰধান কথা হ'ল এটা সমস্যাৰ উপস্থাপন কৰা বা সংঘাট সৃষ্টি কৰা। কিন্তু সংস্কৃত নাট্যকাৰ সকলে তীব্ৰ মানসিক সংঘাট ফুটাই তোলাৰ সুবিধা থকা স্বত্বেও ৰসৰ সঞ্চাৰতহে তৎপৰ হৈ পৰা দেখা যায়। (যেনে-উত্তৰ ৰাম চৰিতত কৰুণ ৰসৰ প্ৰতিপাদনৰ বাবে ভৱভূতিৰ তৎপৰতা।) কিন্তু শূদ্ৰক যেন ক্ষেত্ৰত এক ব্যতিক্ৰম। শূদ্ৰকে ধীৰ, স্থিৰ, জ্ঞানী চাৰুদত্তৰ অন্তৰ্দ্বন্দ্বক যদিও অতি তীব্ৰভাবে দাঙি ঘৰিব পৰা নাই তথাপি তাক এনেদৰে দেখুৱালে যে শেষ পৰ্যন্ত চাৰুদত্তৰ অন্তৰ্মুখী ব্যক্তিত্ব সমালোচক সকলৰ ওচৰত চিন্তাৰ বিষয় হৈ ৰ'ল। এনেক্ষেত্ৰত শূদ্ৰকে ৰসৰ সঞ্চাৰতকৈ নাটকীয় উৎকণ্ঠ অব্যাহত ৰখাতহে অধিক মনোনিবেশ কৰা যেন লাগে। শৃঙ্গাৰ কৰুণ, ৰৌদ্ৰ, বীভৎস আৰু বিশেষকৈ হাস্যৰস ৰূপায়ণত শূদ্ৰকে পাৰদৰ্শিতা দেখুৱাব পাৰিছে। মৃচ্ছকটিকম্-ত ৰসৰ ৰূপায়ণৰ বাবে উপযুক্ত বিভাৱ অনুভাৱ আৰু ব্যভিচাৰি ভাৱবোৰৰ যথাযথ উপস্থাপন কৰা হৈছে। মৃচ্ছকটিকম্-ৰ শৃঙ্গাৰ ৰসাত্মক শ্লোকৰ উদাহৰণ -

*ভো মেঘ! গম্ভীৰতৰং নদ ত্বং তৱপ্ৰাসাদ্ স্মৰপীড়িতং যে।*
*সংস্পৰ্শ ৰোমাঞ্জিতজাতৰাগং কদম্বপুষ্পত্বমুপৈতি গাত্ৰম্।। (৫/৪৭)*

উক্ত শ্লোকত চাৰুদত্ত আৰু বসন্তসেনা এজন আনজনৰ আলম্বন বিভাৱ। গৰ্জনমুখৰ বৰ্ষাকালীন নিশা উদ্দীপন বিভাৱ, বসন্তসেনাৰ কটাক্ষ আদি অনুভাৱ, চাৰুদত্তৰ ৰোমোদ্গম আদি ব্যভিচাৰীভাৱ। এই সকলোবোৰ আৱশ্যকীয় উপাদানৰ উপস্থিতিত অতি সঠিকভাৱে শ্লোকটোৱে সম্ভোগ শৃঙ্গাৰৰ অভিব্যঞ্জনা কৰিছে।

মৃচ্ছকটিকম্-ৰ অঙ্গীৰস হৈছে শৃঙ্গাৰ, নায়ক-নায়িকাৰ প্ৰণয়, বিচ্ছেদ আৰু মিলন সাব্যস্ত কৰিবৰ বাবেই সমস্ত ঘটনাৱলী পৰিকল্পনা কৰি অনা হৈছে।

দ্বিতীয় অঙ্কত বসন্তসেনাৰ স্নান-প্ৰসাধন আদিৰ পৰিত্যাগ আৰু মদনিকাৰ লগত হোৱা কথা-বতৰাত বিপ্ৰলম্ভ শৃঙ্গাৰ স্পষ্ট হৈ পৰিছে। প্ৰথম, চতুৰ্থ, পঞ্চম,দশমাদি অঙ্কত স্পষ্টভাৱে সম্ভোগ শৃঙ্গাৰ ৰূপায়ণ কৰা হৈছে। আনহাতে কাব্যখনত চাৰিটা প্ৰেম কাহিনী ৰচনা কৰা হৈছে। চাৰুদত্ত-ধূতা, চাৰুদত্ত-বসন্তসেনা, শৰ্বিলক-মদনিকা আৰু শকাৰ বসন্তসেনা যথাক্ৰমে চাৰিওটা প্ৰণয় কথাৰ নায়ক-নায়িকা। চাৰিওটা কাহিনীত প্ৰেমৰ  স্বৰূপ পৃথক পৃথকৰূপে দেখুওৱা হৈছে আৰু তাক যথাযথ ভাৱে ফুটাই তুলিবলৈ শূদ্ৰকে উপযুক্ত বিভাৱাদি উপাদান প্ৰস্তুত কৰিছে। সেয়ে পাঠকে মৃচ্ছকটিকম্-ত শৃঙ্গাৰ ৰসৰ বিভিন্ন স্বাদ আস্বাদন কৰিবলৈ সুবিধা পাইছে। তদুপৰি সমগ্ৰ কাব্যখনৰ বিভিন্ন দৃশ্যাৱলী এই প্ৰণয় কাহিনীসমূহক কেন্দ্ৰ কৰি ৰচিত হৈছে আৰু তেনে সৰু সৰু দৃশ্যবোৰে আকৌ বসন্তসেনা-চাৰুদত্তৰ মূল কথাবস্তুৰ পুষ্টিসাধন কৰিছে।

প্ৰকৰণখনিৰ কোনো কোনো অংশত কৰুণ ৰসে প্ৰাধান্যবিস্তাৰ কৰিছে। দশম অঙ্কৰ আদিৰে পৰা বসন্তসেনা আগমনৰ আগমুহূৰ্ত্তলৈকে কৰুণ ৰসৰ প্ৰাধান্যতা দেখা যায়। চাৰুদত্তক প্ৰাণদণ্ড দিবলৈ নিয়া দৃশ্য, ধূতাৰ বিলাপ, ৰোহসেনৰ কান্দোন আদিয়ে দৰ্শক আৰু পাঠকক শোকাভিভূত কৰি তোলে। ষষ্ঠ অঙ্কৰ ৰোহসেনৰ কান্দোনে কেৱল যে বসন্তসেনাকেই দুঃখিত কৰিছে এনে এনে নহয় সাধাৰণ সংসাৰীলোকৰো হৃদয় স্পৰ্শ কৰিছে।

মৃচ্ছকটিকম্-ত হাস্যৰসে প্ৰকৰণখনি অধিক উপভোগ্য কৰি তুলিছে।প্ৰাচীন ভাৰতীয় নাট্যকাৰ সকল সাধাৰণতে হাস্যৰসৰ পৰিপন্থী। সেইসময়ত ভান নামৰ ৰূপকৰ দৰে দুই এক প্ৰকাৰৰ হাস্যৰসাত্মক ৰূপক ৰচিত হৈছিল যদিও সেইবোৰৰ সংখ্যাত্ত কম। ভৱভূতি, বিশাখাদত্ত আদি নাট্যকাৰসকলে হাস্যৰসক বৰ্জন কৰিছে বুলি ক'ব পাৰি। আন নাট্যকাৰসকলেও এইবিধ ৰসক বেছ অৱহেলাৰ চকুৰে চাইছিল। বিদূষকৰ চৰিত্ৰটি হাস্যৰসৰ উৎসৰূপে ব্যৱহাৰ হৈছিল যদিও সকলো নাটকৰে তেওঁৰ একে ধৰণৰ উক্তি, বিসদৃশ বেশভূষা, পেটুক স্বভাৱ আদিয়েই গতানুগতিক হাস্যৰসৰ সমল স্বৰূপ আছিল। কিন্তু শূদ্ৰকে বিদূষক, চেট, বিট আদি চৰিত্ৰৰ উক্তি, বেশভূষা আদিতে হাস্যৰসৰ সমল জাপি দি ক্ষান্ত থকা নাই, বৰং একো একোটা পৰিস্থিতিক তেওঁ হাস্যৰসৰ সমলৰূপে ব্যৱহাৰ কৰিছে। যেনে— দৰ্দুৰকে সংবাহকক বচাবলৈ কথাৰ চলতে মাথুৰৰ চকুলৈ ধূলি চতিওৱা, জুৱাৰী দলৰ কাজিয়া, চন্দনক আৰু বীৰকৰ কাজিয়া আদি ঘটনাত হাস্যৰসৰ লগতে শূদ্ৰকৰ বুদ্ধিনিষ্ঠাও বৰ প্ৰশংসনীয়ভাৱে ধৰা পৰিছে। শকাৰৰ চৰিত্ৰটো এটা হাস্যৰসাত্মক চৰিত্ৰ। শকাৰৰ চৰিত্ৰৰ মাজেদি শূদ্ৰকে সমাজৰ ভণ্ড-তপস্বীসকলৰ চৰিত্ৰ উদঙাই দেখুৱাইছে।

ৰৌদ্ৰৰসৰো প্ৰকৰণখনিত আভাস পোৱা যায়। অষ্টম অঙ্কত শকাৰৰ দ্বাৰা বসন্তসেনাক হত্যা কৰা দৃশ্যৰ দ্বাৰা বীভৎস ৰস ব্যঞ্জিত হৈছে। শকাৰৰ প্ৰতিশোধ পৰায়ণ মনটো স্পষ্টৰূপে ধৰা দিছে আৰু পৰিবেশটোক ঘৃণণীয় কৰি তুলিছে।

মুঠতে, সমগ্ৰ মৃচ্ছকটিকম্-ত শূদ্ৰকে শৃঙ্গাৰ ৰসৰ ব্যতিৰেকেত্ত আনৰসবোৰতো সমানে মনোনিবেশ কৰিছে আৰু তাত শূদ্ৰকৰ তীক্ষ্ণ আৰু শক্তিশালী সংলাপে যথেষ্ট অৰিহনা যোগাইছে। এনেদৰে নানাধৰণে শৃঙ্গাৰ বীৰ কৰুণ ভয়ানক ৰৌদ্ৰ, হাস্য, বীভস্য আদি ৰসৰ অৱতাৰণা কৰিছে।

**গুণ ঃ** মাধুৰ্য, ওজঃ, প্ৰসাদ আদি গুণৰ সুপ্ৰয়োগে ৰসৰ পৰিপুষ্টি সাধন কৰে। ৰসৰ অভিব্যঞ্জনাত গুণৰ ভূমিকা সম্পৰ্কে কবলৈ গলে এটা কথা স্পষ্ট হৈ পৰে যে গুণ ৰসৰ পৰিপোষক। মাধুৰ্য গুণ শৃঙ্গাৰৰ, কৰুণ আদি ৰসৰ পৰিপোষক।

*শৃঙ্গাৰে বিপ্ৰলম্ভাখ্যে কৰুণে চ প্ৰকৰ্ষবৎ।*
*মাধুৰ্যম্ আৰ্দ্ৰতাং যাতি যতস্তত্ৰাধিকং মন ঃ।। (ধ্বন্যালোক- ২/৮)*

কঠিন ধ্বনিযুক্ত ওজঃগুণ বীৰ, বীভৎস আদি ৰসৰ অনুকুল আৰু প্ৰসাদ গুণ সকলো ৰসৰে পৰিপোষক ৰূপে গৃহীত হৈছে। (ধ্বন্যালোক- ৩/৩-৪)

ৰসৰ অনুকূলে গুণৰ ব্যৱহাৰ সাৰ্থকৰূপত শূদ্ৰকে প্ৰয়োগ কৰিছে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে—

*"ঝণজ্‌ঝণায়মাবহুভূষণ শব্দমিশ্ৰং।*
*কিং দ্ৰৌপদীৰ পলায়সে ৰাম ভীতা?"*

—শ্লোকটি প্ৰথম অঙ্কত শকাৰে বসন্তসেনাক অনুসৰণ কৰি যাওঁতে কৈছে। এই শ্লোকটো ওজঃ গুণেৰে সমৃদ্ধ। বসন্তসেনাৰ আগত শকাৰে নিজৰ বীৰত্ব প্ৰকাশ কৰিবৰ বাবে ওজঃ গুণ যুক্ত শব্দৰ ব্যৱহাৰ কৰিছে। ঠিক তেনেদৰে পঞ্চম অঙ্কত বসন্তসেনা আৰু চাৰুদত্তৰ প্ৰণয় আলাপত মাধুৰ্য্যগুণ, দশম অঙ্কত ৰোহসেন, বিদূষক, ধূতা আদিৰ বিলাপত মাধুৰ্য্যগুণ, অষ্টম অঙ্কত বীৎভস ৰস ৰূপায়ণত ওজঃ আদিৰ সুপ্ৰয়োগে কাব্যখন অধিক হৃদয়গ্ৰাহী কৰি তুলিছে।

**কৱি-প্ৰসিদ্ধি ঃ (পয়েটিকেল কনভেজনচন/Poetical Convention) ঃ** সংস্কৃত সাহিত্যত কবি-প্ৰসিদ্ধিসমূহ সকলো সংস্কৃত কবিৰ উমৈহতীয়া সম্পত্তি। এই কবি-প্ৰসিদ্ধিসমূহ কল্পনা প্ৰসূত। ই বাস্তৱত সম্ভৱ নহয়। কবি-প্ৰসিদ্ধি অনুসৰি আকাশ আৰু পাপৰ ৰং কলা বা নীলা; যশস্যা, হাঁহি, কীৰ্ত্তিৰ ৰং বগা, ক্ৰোধ অনুৰাগ আদিৰ ৰঙ ৰঙা, সূৰ্য্য উদয় হ'লে পদুম মেল খায় আৰু অস্ত গ'লে মৰহি যায়। এই ধাৰণা মৃচ্ছকটিকম্–ত বহুবাৰ প্ৰতিফলিত হৈছে। যেনে - ১০/৫৮ নং শ্লোকত কোৱা হৈছে—

*"অম্ভোজিনী লোচনমুদ্ৰ নং কিং ভানাৱনস্তংগমিতে কৰোতি"*

আকৌ ৫/১৮ নং শ্লোকত কৈছে—

*"বৰ্ষাকালত ৰাজহাঁহবোৰ মানসসৰোবৰলৈ গুচি গৈছে।"*

চাৰুদত্তই তেওঁৰ যশস্যাৰ শুভ্ৰতা ম্লান পৰিব বুলি শঙ্কা কৰিছে (তৃতীয় অঙ্ক)। এনেদৰে প্ৰাচীন সাহিত্যৰ পৰম্পৰা শূদ্ৰকৰ ৰচনাত সংৰক্ষিত হৈ আছে।

এই সকলোবোৰ সাহিত্যিক উপাদানেৰে পুষ্ট হোৱাৰ উপৰি মৃচ্ছকটিকম্-ত প্ৰায় শতাধিক সুভাষিতেৰে সুসমৃদ্ধ। প্ৰায় প্ৰতিটো চৰিত্ৰৰমুখতে শূদ্ৰকে সুন্দৰ নীতিবাক্য প্ৰয়োগ কৰিছে। শূদ্ৰকৰ এই সদুক্তিবোৰত জীৱন আৰু জগত সম্পৰ্কে সত্য উপলব্ধি প্ৰতিফলিত হৈছে। পৰৱৰ্তী সাহিত্যত সেইবোৰ মূল্যবান নীতিকথা ৰূপে গ্ৰহণ কৰিছে।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

১) মৃচ্ছকটিকম্ প্ৰকৰণখনিত ব্যৱহাৰ হোৱা ভাষা কি? (৩০ টা শব্দৰ ভিতৰত লিখক)

.......................................................................

.......................................................................

.......................................................................

২) মৃচ্ছকটিকম্ প্ৰকৰণখনিত প্ৰধানকৈ কি ৰসৰ প্ৰাদুৰ্ভাৱ ঘটিছে? (৩০ টা শব্দৰ ভিতৰত লিখক)

.......................................................................

.......................................................................

.......................................................................

## ৩.৫ বৈশিষ্ট্য

মৃচ্ছকটিকম্ প্ৰকৰণৰ প্ৰধান বৈশিষ্ট্য হৈছে যে, প্ৰাচীন ভাৰতৰ ৰচিত মৃচ্ছকটিকমেই একমাত্ৰ বাস্তৱবাদী সামাজিক নাটক। সদায় মহাকাব্য পুৰাণাদিৰ ওপৰত আধাৰিত নাটক চাই ভাৰতীয়দৰ্শকে মৃচ্ছকটিকম্-ৰ ব্যতিক্ৰমসমূহত ভিন্ন স্বাদ অনুভৱ কৰিছিল। ইয়াত ৰজাৰ

স্বেচ্ছাচাৰিতা, কৰ্ত্তব্যৰত আৰক্ষী বিষয়াৰ বিশ্বাসঘাটকতা, উচ্চপদবীধাৰীৰ ক্ষমতালিপ্সা, বন্দীশালৰপৰা ৰাজদ্ৰোহীৰ পলায়ন, বিদ্ৰোহী জনতাৰ ষড়যন্ত্ৰ আদি স্পষ্ট ভাবে দাঙি ধৰিছে। মৃচ্ছকটিকম্-ত ৰাজতন্ত্ৰৰ কাৰ্য-প্ৰণালী আৰু তাৰ ক্ৰটীসমূহ দেখুওৱাৰ লগতে প্ৰকাৰান্তৰে প্ৰজাসকলৰ মাজত এটি বিপ্লৱৰ ইঙ্গিত দিছে। নাট্যশাস্ত্ৰই মঞ্চত 'ৰাজ্যদেশাদি বিপ্লৱ' প্ৰদৰ্শন কৰিবলৈ নিষেধ কৰিছে। কিন্তু শূদ্ৰকে সেইবিপ্লৱ প্ৰদৰ্শন কৰিছে।

পৰিস্থিতি আৰু পৰিৱেশ অনুযায়ী মানৱ মনৰ বিভিন্ন অৱস্থা সম্পৰ্কত শূদ্ৰকৰ স্পষ্ট ধাৰণা আছিল। ভাৰতীয় দৰ্শনৰ পুনৰ্জন্মবাদ প্ৰকৰণখনিত প্ৰকাশ পাইছে। শূদ্ৰকে সমাজৰ বিভিন্নস্তৰৰ মানুহৰ মাজত সমতা স্থাপনৰ আদৰ্শ দাঙি ধৰিবলৈ বিচৰা হৈছে। চাৰুদত্তৰ জয় আৰু শকাৰৰ পৰাজয়ৰ দ্বাৰা সত্যৰ জয় ঘোষনা হৈছে। এগৰাকী গণিকাৰ সহৃদয়তাক সমাজৰ আগত দাঙি ধৰিছে। সমাজৰ সাধাৰণ প্ৰজাৰ আবেগ অনুভূতিক ইমান সহানুভূতিৰে শূদ্ৰকৰ আগতে কোনো ভাৰতীয় সাহিত্যিকে উপস্থাপন কৰা নাছিল।

কেৱল দৃশ্যকাব্য ৰূপেই নহয় শ্ৰব্যকাব্য ৰূপেও মৃচ্ছকটিকম্ এখন অনৱদ্য গ্ৰন্থ। মুঠতে মৃচ্ছকটিকম্-ত বহুবোৰ গুণৰ এখন সমাৱেশ হৈছে। এনে প্ৰতিভাধৰ কবি শূদ্ৰকে মৃচ্ছকটিকম্ বিভিন্ন বৈশিষ্ট্যৰে সমৃদ্ধ কৰিছে।

## ৩.৬ চৰিত্ৰ চিত্ৰণ

মৃচ্ছকটিকম্ প্ৰকৰণত খনিত প্ৰায় ত্ৰিশজনমান পুৰুষ আৰু আঠ ন গৰাকীমান নাৰীচৰিত্ৰৰ চিত্ৰণ চকুত পৰে। প্ৰতিটো চৰিত্ৰই বিশিষ্ট গুণেৰে যুক্ত। নাট্যশাস্ত্ৰৰ নিয়মানুযায়ী প্ৰকৰণ কাহিনীভাগ লৌকিক হোৱা বাবে চৰিত্ৰসমূহো লৌকিক (Natural)। তাৰে প্ৰধান চৰিত্ৰসমূহৰ চমু আভাস দিয়া হ'ল—

**১) চাৰুদত্ত ঃ** চাৰুদত্ত 'মৃচ্ছকটিকম্' প্ৰকৰণৰ নায়ক আৰু উজ্জয়িনীৰ কীৰ্ত্তিমান যুৱক। প্ৰকৰণৰ নায়ক হোৱা বাবে তেওঁ জাতিত ব্ৰাহ্মণ আৰু বৃত্তিত বণিক। তেওঁ দানশীল আৰু দয়ালু।

সংস্কৃত আলঙ্কাৰিক সকলৰ মতে নায়ক চাৰিপ্ৰকাৰৰ যেনে ঃ— (ক) ধীৰোদাত্ত, (খ) ধীৰললিত, (গ) ধীৰ প্ৰশান্ত আৰু (ঘ) ধীৰোদ্ধত। মৃচ্ছকটিকম্-ত চাৰুদত্ত ধীৰ প্ৰশান্ত নায়ক। ধীৰপ্ৰশান্ত নায়কৰ লক্ষণ হৈছে— *"সামান্যগুণযুক্তস্তু ধীৰ প্ৰশান্ত দ্বিজাদিকাঃ"*। অৰ্থাৎ সেইজনেই ধীৰপ্ৰশান্ত নায়ক যিজনৰ গাত সামান্যপ্ৰকাৰৰ উপযুক্ত গুণবোৰ আছে। তেওঁ পূৰ্বপুৰুষ সকলেও ব্যৱসায়-বাণিজ্য কৰি ধনোপাৰ্জন কৰিছিল আৰু উত্তৰাধিকাৰ সূত্ৰে যথেষ্ট ধন-ঐশ্বৰ্য্য লাভ কৰিছিল। কিন্তু অতিশয় উদাৰতা আৰু দানশীলতাৰ বাবে তেওঁ দ্ৰৰিদ্ৰতা ভোগ কৰিবলগীয়া হ'ল। সেয়ে- *"চাৰু দত্তং দানং যস্য ইতি চাৰুদত্ত"*। চাৰুদত্ত দ্ৰৰিদ্ৰ হ'লেও নগৰৰ লোকে তেওঁৰ দয়া-মৰম, উদাৰতা, পৰোপকাৰিতা আৰু প্ৰিয়বাদিতাৰ কাৰণে শ্ৰদ্ধাৰ চকুৰে চাইছিল। তেওঁক শ্ৰদ্ধা জনাই বিটে কৈছে— *"দীনানাং কল্পবৃক্ষঃ স্বগুণফলনতঃ সজ্জন্নানাং কুটুম্বী"* ইত্যাদি।

কৰ্ণপূৰকক নিজৰ গাৰ চোলাটোকে দান কৰি শান্তি লাভ কৰিছে। চাৰুদত্তই জন-কল্যান সাধনৰ বাবেও তেওঁ অতিশয় দান কৰিছিল। নৱম অঙ্কত বিদূষকে চাৰুদত্তক দোষমুক্ত বুলি প্ৰমান কৰিবলৈ কৈছে— *"হে মহাশয় সকল। যিজনে নগৰত প্ৰান্তীয় অতিথিশালা, বৌদ্ধবিহাৰ, উদ্যান, মন্দিৰ, পুখুৰী, যজ্ঞস্তম্ভ আদি সজাই নগৰখন শুৱনি কৰিছিল সেইজন লোকে দুখীয়া হোৱা বাবে এনে ঘৃণনীয় কাম কৰিবনে?" (নৱম অঙ্ক পৃ. ৩৪০)*

চাৰুদত্ত বিবাহিত। তথাপি তেওঁ যুৱক। বিচাৰালয়ত বসন্তসেনাৰ মাতৃয়ে তেওঁক প্ৰথমবাৰলৈ দেখি কৈছে— *" অয়ং স চাৰুদত্তঃ। সুনিক্ষিপ্তঃ খলু দাৰিকায়া ঃ যৌৱনম্।"* বিচাৰকেও চাৰুদত্তৰ শৰীৰৰ সুকুমাৰতাৰ কথা উল্লেখ কৰিছে— *" ইদানীং সুকুমাৰে অস্মিন্.....*।

চাৰুদত্ত উদাৰ আৰু দয়ালু চৰিত্ৰৰ লোক। তেওঁৰ ওচৰলৈ অহা কোনোজনকে নিৰাশ কৰিব নোখোজে। আনকি ঘৰত সিন্ধি দিয়া চোৰজনে কিবা নিলেনে নিৰাশ হৈ উভতি গ'ল সেইকথাও চিন্তা কৰে- *" সন্ধিছেদনখিন্ন সুচিৰং পশ্চান্নিৰাশো গতঃ।"*

চাৰুদত্তই অপৰাধীজনকো ক্ৰোধ নকৰিছিল। তেওঁ শৰণাগত বৎসল। শকাৰে মিছা অভিযোগ বিচাৰালয়ত উত্থাপন কৰাৰ সময়তো তেওঁ খঙত উত্তেজিত হোৱা নাই। বন্দীশালৰ পৰা পলাই যোৱা আৰ্যকে তেওঁৰ ওচৰত শৰণাপন্ন হোৱাৰ সময়তো তেওঁ কৈছে নিজৰ প্ৰাণগ'লেও শৰণাগতক হানি হ'বলৈ নিদিয়ে। *"অপি প্ৰাণানহং জহ্যাং ন তু শৰণাগতম্।"* শকাৰে চাৰুদত্তৰ ওপৰত দিয়া মিছা অভিযোগৰ বাবে যেতিয়া পৌৰবাসীসকল ক্ৰুদ্ধ হৈ শকাৰক ধৰিবলৈ যায় তেতিয়া চাৰুদত্তই পৌৰবাসীসকলৰ হাতৰ পৰা শকাৰক ৰক্ষা কৰে। তেতিয়া তেওঁ কোৱা কথা স্মৰণযোগ্য ঃ

*শত্ৰু ঃ কৃতাপৰাধঃ শৰণমুপেত্য পাদয়োঃ পতিতঃ।*
*শস্ত্ৰেণ ন হন্তব্যঃ।। (দশম অঙ্ক- পৃঃ ৭৬১)*

চাৰুদত্ত এজন সত্যবাদী লোক আছিল। যিকোনো পৰিস্থিতিতে তেওঁ সত্যকথা কোৱাত দৃঢ়তা দেখুৱাইছিল। বসন্তসেনাৰ অলঙ্কাৰ চোৰে লৈ যোৱাত বিদূষকে অসত্যৰ আশ্ৰয় লৈ নিজক বচাবলৈ চেষ্টা কৰিবলৈ কোৱাত চাৰুদত্তই উত্তৰ দিছিল-

*"অহমিদানীমনৃতমভিধাস্যে"*
*"মই মিছা কথা নকঁও।" (প্ৰথম অঙ্ক- পৃঃ ২৪৩)*

(ভিক্ষা কৰি হ'লেও বসন্তসেনাৰ গচ্ছিত অলঙ্কাৰৰ মূল্য পৰিশোধ কৰিব তথাপি মিছা কথা নকয়।)

বিচাৰালয়ত বসন্তসেনাৰ অলঙ্কাৰ বিদূষকৰ কাষলটিৰ পৰা পৰি যোৱাত বিচাৰকে সোধা প্ৰশ্নৰ উত্তৰ তেওঁ সেই অলঙ্কাৰ বসন্তসেনাৰ বুলি ক'বলৈ দ্বিধাবোধ কৰা নাই। প্ৰান গ'লেও তেওঁ মিছাৰ আশ্ৰয় নলয়। চাৰুদত্ত ধাৰ্মিক মনৰ লোক। ব্ৰাহ্মণসকলৰ অধ্যাপন-অধ্যয়ন, যজন-যাজন আদি কৰিছিল। আনকি বিদূষকে পূজা আদিৰ বিপৰীতে কোৱা কথাত বাধা দিছিল।

*"গৃহস্থ্য নিত্যো অয়ং বিধিঃ।*
*তপসা মনসা বাগ্‌ভিঃ পূজিতা বলিকৰ্মভিঃ।" (১/১৬)*।

তেওঁৰ ধৰ্মাচৰণৰ ওপৰত আস্থা ৰাখিছিল। দশম অঙ্কত মৃত্যুদণ্ড দিবলৈ ওলোৱা সময়ত তেওঁ ধৰ্মৰ কথাকৈ আপত্তি নকৰিছিল।

চাৰুদত্তই বংশৰ সন্মানৰ ওপৰত ব্যাঘাত নহবৰ বাবে যত্নপৰ হৈছিল। চাৰুদত্ত এজন কলা প্ৰেমী লোক আছিল। কামদেৱায়তন উৎসৱত বসন্তসেনাক দেখি তেওঁৰ প্ৰতি তেওঁ আকৃষ্ট হয়। তেওঁৰ এই কাৰ্যত চেট অসন্তুষ্ট হয় আৰু তেওঁ ইয়াক স্বাভাৱিক দোষ বুলি ধৰি লয়। ৰেভিলৰ গীতৰ লয়, তাল-মান আদি বিশ্লেষণ তাৰ প্ৰশংসাত মুখৰিত হৈছিল। আনকি শৰ্বিলকৰ সিন্ধিৰ মাজতো কলা-কৃতিৰ নৈপুন্য দৰ্শন কৰিছিল।তেওঁৰ মানৱপ্ৰেম অতুলনীয়। তেওঁ পত্নী পুত্ৰৰ প্ৰতি অতিশয় স্নেহশীল আছিল। আসন্ন মৃত্যুৰ সময়ত পুত্ৰ মুখ দৰ্শনৰ অভিলাষ কৰিছে। সেইসময়ত পুত্ৰৰ হাতত দিবলৈ একো বিচাৰি নাপাই গাৰ যজ্ঞোপৱীত খুলি পুত্ৰক দি কৈছে-

*ইদং তত্ স্নেহসৰ্বস্বং সমমাত্যদৰিদ্ৰয়োঃ।*
*অচন্দনমনৌশীৰং হৃদয়স্যানুলেপনম্।। ১০/২৩*

অৰ্থাৎ এয়ে সেই স্নেহসৰ্বস্ব, ই ধনী আৰু দৰিদ্ৰৰ সমান আৰু এয়েই চন্দন ভিন্ন হৃদয়ৰ অনুলেপন।

আত্মৰক্ষাৰ বাবে চাৰুদত্তক যথেষ্ট সুবিধা দিয়া হৈছিল। সেই কথাত খঙ উঠি শকাৰে বিচাৰকক সুধিয়ে পেলাইছিল যে তেওঁলোকে পক্ষপাত লৈ বিচাৰ পৰিচালনা কৰিছে নেকি? *"কিং যুয়ং পক্ষপাতেন ব্যৱহাৰং পশ্যত?"* তাৰ বিপৰীতে চাৰুদত্তই বসন্তসেনাৰ, মৃত্যুৰ খবৰ শুনি স্বগতোক্তি কৰিছে যে বসন্তসেনাবিহীন তেওঁৰ জীৱনৰ কোনো অৰ্থ থাকিব নোৱাৰে। *"ন চ মে বসন্তসেনা বিৰহিতস্য জীৱিতেন কৃত্যম্।"* অথচ শূদ্ৰকে পূৰ্বৰ অঙ্কসমূহত চাৰুদত্তৰ বসন্তসেনাৰ প্ৰতি থকা আকৰ্ষণ ইমান দকৈ শিপাইছে বুলি শূদ্ৰকে জানিবলৈ দিয়া নাছিল। এইকাৰণে চাৰুদত্তৰ দৰে শক্তিশালী চৰিত্ৰ এটাক কিছু দুৰ্বল কৰি পেলাইছে।

চাৰুদত্ত এজন ভাগ্যবাদী লোক আছিল। তেওঁ কৈছিল আৰু বিশ্বাসো কৰিছিল- 'ভাগ্যক্ৰমেণ হি ধনানি ভৱন্তি নাস্তি'- (১/১৩)। তদুপৰি বিবিধ শুভা-শুভ নিমিত্তৰ ওপৰতো বিশ্বাস কৰিছিল। নাট্যকাৰ ভাসে যি আদৰ্শৰে চাৰুদত্তৰ চৰিত্ৰটি সৃষ্টি কৰিছিল শূদ্ৰকে দহটা অঙ্কত তাৰ পূৰ্ণৰূপ দিলে।

**২) বসন্তসেনাঃ** বসন্তসেনা মৃচ্ছকটিকম্ প্ৰকৰণৰ অন্যতমা নায়িকা। নায়িকাভেদে প্ৰকৰণ তিনি প্ৰকাৰৰ হয়। নায়িকা যি দৰে স্বকীয়া (কুলস্ত্ৰী), পৰকীয়া (অন্যস্ত্ৰী) আৰু সাধাৰণ স্ত্ৰী (গণিকা) ভেদে তিনি প্ৰকাৰৰ হয়, সেইদৰে প্ৰকৰণ ভেদে তিনি প্ৰকাৰৰ হয়। কোনো প্ৰকৰণত কুলস্ত্ৰী আৰু সাধাৰণ স্ত্ৰী একেলগে থাকে। মৃচ্ছকটিকম্ তেনে শ্ৰেণীৰ প্ৰকৰণ। ইয়াত কুলস্ত্ৰী ধূতাৰ উপৰিত্ত গণিকা বসন্তসেনা উপস্থিত আছে। গণিকা হ'লেও বসন্তসেনা নায়কৰ প্ৰতি অনুৰক্ত।

বসন্তসেনা উজ্জয়িনী নগৰৰ ঐতিহ্যমণ্ডিত গণিকা। বিদূষকে ৰত্নাৱলী হাৰ দিবলৈ গৈ তেওঁৰ বৈভৱ দৰ্শন কৰি কৈছে- *"কিং তাবদ্ গণিকাগৃহম্ অথবা কুবেৰ ভৱন পৰিচ্ছেদ ইতি।"* তেওঁ তৰুণী, কামিনী আৰু নগৰৰ ভূষণ স্বৰূপা। *"বালাস্ত্ৰিয়ং চ নগৰস্য বিভূষণং চ"*। তেওঁ উদাৰ স্বভাৱৰ নাৰী আছিল। দয়া-দাক্ষিণ্য বসন্তসেনা চৰিত্ৰৰ অন্যতম দিশ। জুৱাত হাৰি বসন্তসেনাৰ ওচৰত আশ্ৰয়লোৱা সংবাহকক তেওঁ ঋণমুক্ত কৰে। চাৰুদত্তৰ ঘৰৰ পৰা চুৰ কৰি অনা অলঙ্কাৰ শৰ্বিলকে মদনিকাৰ মুক্তিৰ বাবে দিলেও বসন্তসেনাই তেওঁক তিৰস্কৃত নকৰি বসন্তসেনাই তেওঁক সালঙ্কৃতা কৰি পুৰস্কৃত কৰে। অৰ্থাৎ মদনিকাক মুক্তি দিয়ে।

যেতিয়া ৰোহসেনে সোনৰ খেলনা গাড়ী বিচাৰি কান্দিছিল তেতিয়া বসন্তসেনাৰ হৃদয় ৰোহসেনৰ প্ৰতি স্নেহাৰ্দ্ৰ হৈ পৰিছে। ৰোহসেনে তেওঁৰ মাতৃ সালঙ্কৃতা নহয় বুলি কোৱা কথাই তেওঁক দুঃখিত কৰিছে। সেইকাৰণে শৰীৰৰ সকলো অলঙ্কাৰ খুলি মাটিৰ গাড়ীৰ পৰিবৰ্তে সোনৰ গাড়ী গঢ়াই ৰোহসেনৰ নামত অৰ্পণ কৰিছে। তদুপৰি চাৰুদত্তৰ ধৰ্মপত্নী ধূতাৰ প্ৰতি তেওঁ অলপো ঈৰ্ষাভাৱ পোষণ কৰা নাই। ৰত্নাৱলী হাৰডাল ঘূৰাই দি তেওঁ কৈছে- *"অহং চাৰুদত্তস্য গুণনিৰ্জিতা দাসী, যুষ্মাকমপি।"*

গণিকা হ'লেও বসন্তসেনাৰ গাত কুলস্ত্ৰীৰ গুণহে দেখা যায়। চাৰুদত্তৰ মানৱীয় গুণে তেওঁক আকৰ্ষিত কৰিছিল। বধ্যস্থানলৈগৈ চাৰুদত্তক মুক্তি কৰোৱাইছিল। গণিকা বৃত্তিৰ প্ৰতি তেওঁৰ ঘৃণাৰ ভাৱ আছিল, অৱশেষত ৰজাৰ অনুগ্ৰহত লাভ কৰা 'বধূ' পদৰ বাবে তেওঁ নিজকে ধন্য মানিছে।

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে বসন্তসেনা এগৰাকী অনুপমা নাৰী, যৌৱন সমৃদ্ধা গণিকা আৰু চৰিত্ৰৱতী ভাৰতীয় নাৰীৰ এক আদৰ্শৰূপে পৰিগণিত হৈছে। সৰলহৃদয়া, বুদ্ধিমতী, স্নেহশীল আদি গুণেৰে বিভূষিতা বসন্তসেনা এগৰাকী আদৰ্শৱতী নাৰী বুলি বিটেও প্ৰশংসা কৰিছে।

**৩) বিদূষক ঃ** সংস্কৃত নাটকত বিদূষকৰ চৰিত্ৰ চিত্ৰণ অতি বৈশিষ্ট্যপূৰ্ণ। এই চৰিত্ৰটো কেনে ধৰণৰ হোৱা উচিত সেই বিষয়ে সাহিত্য-দৰ্পণত বিশ্বনাথ কবিৰাজে নিৰূপণ কৰিছে—

*কুসুমবসন্তাদ্যভিধঃ কৰ্মবপুৰ্বেশভাষাদ্যৈঃ।*
*হাস্যকৰঃ কলহৰতিৰ্বিদুষকঃ স্যাৎসকৰ্মজ্ঞঃ।। (সাহিত্য দৰ্পণ, ষষ্ঠ পৰিচ্ছেদ)*

অৰ্থাৎ ফুল বা বসন্ত আদি ঋতুৰ নামেৰে অভিহিত, কৰ্ম, শৰীৰ, বেশভূষা, মাতকথাত হাস্য উদ্দীপক, সততে কাজিয়া কৰা আৰু নিজকৰ্মত অভিজ্ঞজনেই বিদূষক। বিদূষকৰ মাত কথা বতৰাত স্বকীয় বৈশিষ্ট্য থাকে। তাৰ মাজেৰে অতিগম্ভীৰ অৱস্থাত য'ত বিপ্ৰলম্ভ শৃঙ্গাৰৰ প্ৰাচুৰ্য্য আছে তাতে হাস্যৰসৰ সৃষ্টি কৰে। বিদূষকে ৰজাৰ প্ৰণয় কাৰ্যত ভাগ লয় আৰু সকলো কথা গোপনে ৰাখে। বিদূষকৰ চৰিত্ৰৰ আন এটা বৈশিষ্ট্য হৈছে তেওঁ লুভীয়া অৰ্থাৎ খাইভালপোৱা ভয়াতুৰ স্বভাৱৰ লোক।

শূদ্ৰকৰ ৰচিত মৃচ্ছকটিকম্ প্ৰকৰণৰ বিদূষকজন আন বিদূষকতকৈ কিছু অসাধাৰণ। ইয়াত বিদূষকৰ নাম মৈত্ৰেয়। আন নাটকৰ বিদূষকৰ দৰে মৃচ্ছকটিকম্- ত বিলাসী বহুৱা বা মূৰ্খৰ দৰে ব্যৱহাৰ কৰা হোৱা নাই। বৰং ইয়াত মৈত্ৰেয়ই বন্ধুৰ অভাৱৰ দিনত সন্তোষ মনেৰে তেওঁৰ লগত সমানে দুখৰ ভাগবতৰা কৰি লৈছে। বিদুষকৰ লুভীয়া স্বভাৱ প্ৰস্তাৱনাতে দেখুৱাইছে। মৈত্ৰেয় চাৰুদত্তৰ শুভাকাঙক্ষী। তৃতীয় অঙ্কত বসন্তসেনাৰ হেৰোৱা অলঙ্কাৰখিনিৰ পৰিবৰ্তে ধূতাৰ ৰত্নহাৰডাল দিবলৈ ওলোৱাত মৈত্ৰেয়ই বাধা দিছে। বসন্তসেনাৰ লগত গঢ়ি উঠা চাৰুদত্তৰ সম্বন্ধটো তেওঁ সহজভাবে ল'ব পৰা নাই। অৱশ্যে বন্ধুৱে মনত দুখ পাব বুলি আপত্তি কৰিবলৈও তেওঁ বেয়া পাইছে। বিদূষক চাৰুদত্তৰ প্ৰকৃত বন্ধু। সুখৰ সময়ত তেওঁ যি দৰে চাৰুদত্তৰ লগৰীয়া সেইদৰে দুঃখ দাৰিদ্ৰৰে প্ৰপীড়িত হোৱা সময়তো তেওঁ চাৰুদত্তৰ প্ৰিয়বয়স্য আছিল। প্ৰকৃত কথাত তেওঁ চাৰুদত্তৰ 'সৰ্বকাৰমিত্ৰ'। চাৰুদত্তই যেতিয়া দাৰিদ্ৰতাৰ বাবে দুঃখ প্ৰকাশ কৰে, তেতিয়া বিদূষকেই আশ্বাস দিয়ে।

চাৰুদত্তৰ প্ৰতি থকা অত্যধিক ভালপোৱাৰ বাবে তেওঁ ন্যায়ালয়ৰ মাজতে সকলো অনৰ্থৰ মূল শকাৰৰ সৈতে কাজিয়াও কৰিছিল। বিচাৰৰ পিছত ৰজাই চাৰুদত্তৰ মৃত্যুদণ্ডৰ আদেশ দিয়া শুনি তেওঁ অতিশয় দুঃখ পাইছিল আৰু অবিহনে তেওঁ জীয়াই থাকিব নোৱাৰিব বুলিও কৈছিল। দশম অঙ্কত সকলো পাহৰি চাৰুদত্তৰ লগত মৃত্যুবৰণ কৰিবলৈ লোৱা ঘটনাই বিদূষক মৈত্ৰেয়ৰ সৰলচিতীয়া, নিষ্ঠাৱান আৰু নিঃস্বাৰ্থ বন্ধুপ্ৰেমৰ বিশ্বাসযোগ্য প্ৰমান দাঙি ধৰিছে।

মহৎলোকৰ সংস্পৰ্শত থাকিলেও বিদূষকৰ সাধাৰণ ব্যক্তিত্ব উচ্চস্তৰলৈ উঠা নাছিল। তেওঁ কৈছিল পূজা কৰিলেও দেৱ-দেৱী সন্তুষ্ট হোৱা দেখা নাযায়। এনেস্থলত পূজা কৰিনো কি লাভ? সেইকাৰণে তেওঁ চাৰুদত্তক কোনো সময়ত চাৰুদত্তক অধিক উদাৰ নহ'বলৈ উপদেশ দিছিল। লুভীয়া স্বভাৱৰ হোৱা বাবে বসন্তসেনাৰ ঘৰত খবলৈ নোপোৱাৰ বাবে মনত অতিশয় দুঃখ পাইছিল। কিন্তু বিদূষকৰ মানৱীয় অনুভূতিত্ত আছিল অসীম।

মুঠতে, মৃচ্ছকটিকম্ প্ৰকৰণত বিদূষক মৈত্ৰেয়ক এটা বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰৰূপে দেখা যায়।

৪) **শকাৰ ঃ** সংস্কৃত নাটকত নায়ক, বিদূষক আদিৰ দৰে শকাৰো এটা শ্রেণীগত চৰিত্র। শকাৰ হৈছে মৃচ্ছকটিকম্ প্রকৰণৰ প্রতিনায়ক। তেওঁ উজ্জয়িনীৰ স্বেচ্ছাচাৰী ৰজা প্‌ালকৰ শ্যালক অর্থাৎ খুলশালী। তেওঁক সংস্থানক বুলিও জনা যায়। সমগ্র সংস্কৃত নাটকৰ ভিতৰত কেৱল দুখন নাট্যকাব্যতহে এই চৰিত্রটি পোৱা যায়। সেই দুখন হৈছে ভাষাৰ 'চাৰুদত্ত' আৰু শূদ্রকৰ 'মৃচ্ছকটিকম্'। ভৰতে শকাৰক অর্ধম পর্যায়ৰ চৰিত্র বুলি গণ্য কৰিছে, আৰু শকাৰৰ লক্ষণ এনেদৰে দিছে—

*উজ্জল বস্ত্রাভৰণঃ কুপ্যত্য নিমিত্ততঃ প্রসীদতি চ।*
*অধমো মাগধভাষী শকাৰো বহু বুদ্ধিমান।।* (*নাট্যশাস্ত্র*- ৩/২৪/১৪)

সাহিত্যদর্পণৰ প্রণেতা বিশ্বনাথ কবিৰাজেও শকাৰৰ চৰিত্রসমূহৰ চাৰিত্রিক বৈশিষ্ট্য সমূহ ডাঙি ধৰিছে—

*মদমূর্খতাভিমানী দুষলতৈশ্বর্য্য সংযুক্তঃ সোহয়মনুঢ়াভ্রাতা ৰাজ্ঞঃ*
*শ্যালঃ শকাৰ ইত্যুক্তঃ।* (*সাহিত্য দর্পণ* ৩/৪৫)

এই লক্ষণানুযায়ী শকাৰ হ'ল অহঙ্কাৰী, মুর্খ আত্মভিমানী, হীনকুলজাত অশেষ ধন ঐশ্বর্য্যৰ গৰাকী আৰু কোনো ৰজাৰ অবিবাহিত পত্নীৰ ভায়েক। '*সাহিত্য দর্পণ*'ত নিদিষ্ট কৰা এই লক্ষণাবোৰ মৃচ্ছকটিকম্-ৰ শকাৰজনৰ গাত দেখা যায়। তেওঁৰ উচ্চাৰণত শকাৰৰ প্রধান্য বেছি বাবে তেওঁৰ নাম শকাৰ। অথবা তেওঁ শকাৰী প্রাকৃতত কথা কয় বাবে তেওঁৰ নাম শকাৰ।

মৃচ্ছকটিকম্-ৰ নায়ক চাৰুদত্ত যিমান সৎগুণযুক্ত শকাৰ তাৰ বিপৰীত অৱগুণৰ আধাৰ। তেওঁৰ কথা-বতৰা চাল-চলন সকলোতে অসৎভাৱ ফুটি উঠিছে। তেওঁৰ আচৰণসমূহ লক্ষ্য কৰিলে তেওঁ নীচ কুলত জন্ম হোৱাৰ কথা বুজা যায়। ৰজা পালকৰ উপপত্নীৰ ভায়েক হোৱা বাবে তেওঁ আত্মাভিমানী। প্রকৰণখনিৰ প্রথম অঙ্কত বিটে তেওঁক 'কাণেলীমাতঃ' বুলি কৈছে- তেনেকৈ বিদূষক মৈত্রেয়ই তেওঁক কাণেলী পুত্র বুলি নিন্দনীয় মাত মাতিছে। 'কাণেলী' শব্দৰ অর্থ 'অবিবাহিতা' আৰু 'কাণেলীমাতঃ'ৰ অর্থ কুমাৰীৰ পুত্র বা ব্যভিচাৰিণীৰ পুত্র।

ৰজাৰ খুলশালী হোৱা বাবে বহুতো লোকক অন্যায়ভাৱে অত্যাচাৰ কৰে। আনকি ৰাজকর্মচাৰী আৰু বিচাৰকৰ ওপৰতো অন্যায় ভাবে প্রভাৱ বিস্তাৰ কৰিব বিচাৰে। নৱম অঙ্কত বিচাৰকে তেওঁৰ বিচাৰ শুনিবলৈ সন্মত নোহোৱাত তেওঁক কঠোৰ ভাষাৰে কয় যে - "মই ৰজাৰ শ্যালক ৰজাককৈ আপোনালোকক বৰ্খাস্ত কৰি আন বিচাৰকক স্থাপন কৰিম।" তাৰোপৰি বিচাৰ সভাত নিজৰ পৰিচয় দি কৈছে- "উপস্থিত বিচাৰকসকল, মই শ্রেষ্ঠ পুৰুষ, মানুহ, স্বয়ং বাসুদেৱ আৰু ৰাষ্ট্রৰ খুলশালি, ৰজাৰ খুলশালি এয়া বিচাৰপ্রার্থী। *"উপস্থিত অধিকৰনিকাঃ। অহং বৰ পুৰুষো বাসুদেৱো ৰাষ্ট্রীয়শ্যালো ৰাজ্যশ্যালঃ কার্য্যার্থী।"*

সংস্থানকৰ এনে উক্তিত তেওঁৰ আত্মাভিমানিত প্রকাশ পাইছে। মৃচ্ছকটিকম্--ৰ টীকাকাৰ পৃথ্বীধৰে কৈছে যে- শকাৰৰ কথা-বতৰাত কোনো অর্থই নাথাকে, কেতিয়াবা ক্রম বা সঙ্গতি নাথাকে, কেতিয়াবা কথাবোৰ পৰস্পৰ বিৰোধী হয়। শকাৰ অস্থিৰ স্বভাৱৰ লোক হোৱাৰ বাবে তেওঁৰ বিচাৰ বিবেচনা কৰাৰ ক্ষমতাও নাছিল। সঘনাই কথা সলনি কৰিছিল। তেওঁ বসন্তসেনাক পাবলৈ সকলো প্রকাৰে চষ্টা কৰিছিল, কিন্তু সেই কথা ভাল পোৱা নাছিল। শকাৰে বসন্তসেনাক লাভ কৰিবলৈ বহুপ্রকাৰে চেষ্টা কৰিও বিফল হৈছিল।

শকাৰে বৌদ্ধধর্মীলোকক হিংসা কৰিছিল। অষ্টম অঙ্কত এজন বৌদ্ধ ভিক্ষুক মাৰিছে। কোনো দিনে গান নাগালেও নিজকে সুকণ্ঠী বুলি প্রকাশ কৰিছে। মৃচ্ছকটিকম্-ৰ প্রথম অঙ্কতে

শকাৰে তেওঁৰ অনুচৰ বিট আৰু চেটক লৈ বসন্তসেনাক অনুসৰণ কৰিছে। বিটে সুধিছে— "বাহিৰত ঘোৰ অন্ধকাৰ, চকুৰ দৃষ্টি যেন বিফল হৈছে। গতিকে, বসন্তসেনাৰ অলঙ্কাৰৰ শব্দ বা মালাৰ সৌৰভৰ দ্বাৰা তেওঁৰ কিবা উমান পাইছেনে?" শকাৰে উত্তৰ দিছে- "মই মালাৰ গোন্ধ শুনিছো, কিন্তু অন্ধকাৰেৰে মোৰ নাকটো পূৰ হৈ থকাত মই অলঙ্কাৰৰ শব্দ দেখা পোৱা নাই।" *(শৃনোমি মাল্যগন্ধম্ অন্ধকাৰ পূৰিতয়া পুৰ্ণাসিকয়া সুব্যক্তং পশ্যামি ভূষণশব্দম্।।)* শকাৰে নিজকে ভীমসেন আৰু ৰাৱনৰ লগত তুলনা কৰিবলৈ গৈ জমদগ্নিৰ লগত ভীম আৰু কুন্তীৰ লগত ৰাৱনৰ সম্বন্ধ দেখুৱাই অৱান্তৰ সাদৃশ্য উপস্থাপন কৰিছে। ইয়াত পাণ্ডিত্যতকৈ মূৰ্খতাহে প্ৰকাশ পাইছে।

শকাৰ হিংসাকুৰীয়া আৰু কূটবুদ্ধি সম্পন্ন। তেওঁ প্ৰেমৰ প্ৰতিদ্বন্দ্বী চাৰুদত্তৰ প্ৰতি তেওঁৰ হিংসাভাৱ কথাই কথাই প্ৰকাশ পাইছে। শেষত বসন্তসেনাৰ হত্যাৰ দায়িত্ব চাৰুদত্তৰ কান্ধত জাপি দিবলৈ কূটবুদ্ধি পাঙিছে। তেওঁৰ কথা বতৰাত নিষ্ঠুৰ প্ৰকৃতি ধৰা পৰিছে। তেওঁ কেনে আড়ম্বৰপূৰ্ণ জীৱন-যাপন কৰে তাক গৰ্বেৰে জনাইছে যে - তেওঁ জুলীয়া পানীৰে স্নান কৰি উদ্যানত বহুতো সুন্দৰী স্ত্ৰী আৰু গাভৰুৰ মাজত বহিহে সাজসজ্জা কৰে। ইয়াত শকাৰৰ চৰিত্ৰৰ কামান্ধতা প্ৰকাশ পাইছে। শকাৰে ধনৰ বলেৰে সকলো অসাধ্য সাধন কৰিব খোজে। তেওঁৰ দাম্ভিক উক্তি সমূহে এইকথা প্ৰতিপন্ন কৰে।

এনে এজন মদগৰ্বী, ব্যভিচাৰী, নিষ্ঠুৰ, মূৰ্খ, ধূৰ্ত্ত, প্ৰতিহিংসাপৰায়ণ, উৰ্ধত আৰু কামুক স্বভাৱৰ শকাৰ চৰিত্ৰক শূদ্ৰকে মৃচ্ছকটিকম্-ত খলনায়কৰূপে চিত্ৰিত কৰিছে।

**৫) ধূতা ঃ** ধূতা চাৰুদত্তৰ বিবাহিতা পত্নী, প্ৰকৰণখনিত অতি কম সময়ৰ বাবেহে তেওঁ মঞ্চলৈ আহিছে তথাপি এই চৰিত্ৰটিৰ উদাৰতা আৰু মহানুভৱতা পাঠকে উপলব্ধি কৰে। তেওঁ এগৰাকী পতিব্ৰতা নাৰী হিচাপে পতি চাৰুদত্তৰ মান-সন্মান, সুখ-দুখৰ কথা চিন্তা কৰিছিল। বসন্তসেনা চাৰুদত্তৰ প্ৰেমপাত্ৰ বুলি জানিও পতিৰ প্ৰতি ৰোষ দেখুৱা নাই। বৰং বসন্তসেনাক যথোচিত আদৰহে দেখুৱাইছিল বাবে চাৰুদত্তৰ মৃত্যুৰ কথা জানিও কোনো ধৰণৰ টান বাক্য বসন্তসেনাক কোৱা নাই।

বসন্তসেনাই চাৰুদত্তৰ হাতত ন্যাসৰূপে থোৱা অলঙ্কাৰবোৰ সেই ৰাতিয়েই চোৰে চুৰ কৰি নিয়ে। এই কথা জানি ধূতাই অতিশয় দুখ পাইছে। সেই কাৰণে চাৰুদত্তক দোষৰূপ কৰিব বুলি ভাবি নিজৰ ৰত্নাৱলী হাড়ডালকে বসন্তসেনালৈ বিদূষকৰ হাতত দি পঠাইছে।

ধূতাই চাৰুদত্তৰ অনিষ্ট হোৱা কথা শুনিব নোখোজে। দশম অঙ্কত এইকথা স্পষ্টকৈ কয় যে স্বামীৰ অমঙ্গল হোৱাৰ আগতে তেওঁ প্ৰাণত্যাগ কৰিব। ইয়াৰ দ্বাৰা ধূতাৰ নিৰ্লোভতা আৰু স্বামীৰ প্ৰেমিকা বসন্তসেনাৰ প্ৰতি সহিষ্ণুতা আৰু পতি প্ৰেমৰ বাবে ধূতা এগৰাকী আদৰ্শ ভাৰতীয় নাৰীৰূপত প্ৰতিষ্ঠিত হৈছে।

**৬) ৰোহসেন ঃ** ৰোহসেন চাৰুদত্তৰ পুত্ৰ। সোনৰ খেলনা গাড়ীৰ বাবে ঠেহ পতা ৰোহসেনৰ চৰিত্ৰত শিশুসুলভ সৰলতা বিৰাজমান। অলঙ্কাৰেৰে সুসজ্জিতা বসন্তসেনাক নিজৰ মাতৃৰূপে স্বীকাৰ কৰিবলৈ অস্বীকাৰ কৰিছে। কাৰণ, দাৰিদ্ৰত পীড়িত তেওঁৰ মাতৃ ধূতাই এনেদৰে অলঙ্কাৰ পৰিধান নকৰে। একো নুবুজাকৈ পিতৃৰ লগত মৰিবলৈ ওলোৱা ৰোহসেনক শূদ্ৰকে শিশুচৰিত্ৰৰ পৱিত্ৰতা আৰু নিৰ্মল স্বভাৱ প্ৰকাশ পাইছে।

**৭) শর্বিলক ঃ** শর্বিলক আছিল ব্ৰাহ্মণ বংশত জন্মহোৱা এজন বেছ উৎসাহী যুৱক। তেওঁৰ চৰিত্ৰত বিপৰীতধৰ্মী গুণবোৰৰ সংমিশ্ৰণ ঘটিছিল। সৰলতা আৰু দুৰ্জনতাৰ সংমিশ্ৰণ তেওঁৰ চৰিত্ৰত দেখা যায়, ব্ৰাহ্মণৰ ঘৰত জন্মগ্ৰহণ কৰিও তেওঁ বসন্তসেনাৰ দাসী মদনিকাক পাবলৈ চৌৰ্যবৃত্তি কৰিবলৈকো পাছ নুহুকিছিল। তেওঁ মদনিকাৰ মুক্তি মূল্য গোটাবৰ বাবে তেওঁ চাৰুদত্তৰ ঘৰত চুৰ কৰিব লগা হৈছে *"গণিকামদনিকাৰ্থমকাৰ্যমনুতিষ্ঠামি।"*চুৰি বিদ্যাৰ শাস্ত্ৰসন্মত বিভিন্ন কৌশল তেওঁ আয়ত্ব কৰিছে। সাধাৰণলোকৰ মানত চৌৰ্যকাৰ্য অধম বৃত্তি। কিন্তু শৰ্বিলকে তাক কলা জ্ঞান কৰিছিল। তেওঁৰ মতে ই বিশিষ্ট গুণ। শুই থকা মানুহৰ ঘৰত প্ৰবেশ কৰি পৰাৰ্জিত ধন আত্মসাৎ কৰাটোত বীৰত্ব নাই। তথাপি শৰ্বিলকে ইয়াৰদ্বাৰা জীৱন নিৰ্বাহ কৰা বুলি কয়। আনকি ইতিহাসত কথিত দ্ৰোণপুত্ৰ অশ্বথ্বামাৰ দ্বাৰা সুপ্ত পাণ্ডৱপুত্ৰসকলৰ নিধনৰ মাজতো তেওঁ চৌৰ্যকাৰ্যৰ দৃষ্টান্ত বিচাৰি পায়। এই কাৰ্য বেয়া হ'লেনো আশ্বথ্বামাই তাৰ আশ্ৰয় লয়নে?

*কামং নীচমিদং বদন্তু পুৰুষাঃ স্বপ্নেচ যদ বৰ্দ্ধতে।*
*বিশ্বস্তেষু চ বঞ্চনাপৰিভৱচৌৰ্যং ন শৌৰ্যং হি তৎ।*
*স্বাধীনা বচনীয়তাপি হি বৰংবদ্ধো ন সেৱানুতলিঃ।*
*মাৰ্গেশ্চেষ নৰেন্দ্ৰসৌপ্তিক বধে পূৰ্বং কৃতো দ্ৰৌণিনা।। (মৃচ্ছকটিকম্ ৩/১১)*

ইয়াৰ পৰা এইটো প্ৰমাণিত হয় যে শৰ্বিলকে আনে বেয়া বুলিলেও চৌৰ্য বৃত্তিক গ্ৰহণ কৰিছিল। আনৰ আজ্ঞাৱহ হৈ কামকৰাতকৈ স্বাধীনভাবে চৌৰ্যবৃত্তি লোৱাটো তেওঁ পচন্দ কৰিছিল।

তথাপি দেখা যায় যে শৰ্বিলকে দুঃসাহসিক কাম কৰিও ভাল পাইছিল। চৰিত্ৰত তেওঁৰ শৌৰ্যৰ অভাৱ নাছিল। তেওঁ একাধাৰে বীৰ, সাহসী আৰু প্ৰত্যুতপন্নমতিও আছিল। সিন্ধি দিওঁতে জুখিবলৈ অন্য উপাদান নাপাই নিজৰ যজ্ঞোপৱীত ডালকে জোখ-মাখ লৈছিল। তেওঁ সাপৰ বিষ গুচোৱা দৰৰ আৰু টোপনি পৰীক্ষা কৰিবলৈ পোকপৰুৱালৈ ফুৰিছিল।

স্বেচ্ছাচাৰী ৰজা পালকক সিংহাসনচ্যুত কৰিবলৈ আয়োজন কৰা ষড়যন্ত্ৰত তেওঁ আগভাগ লৈছে আৰু আত্মগোপন কৰি থাকি বিপ্লৱৰ গুৰি ধৰিছে তেওঁৰ উক্তি সমূহত প্ৰগতিশীল ভাৱধাৰাৰ প্ৰতিফলন ঘটিছে। শৰ্বিলকক নিৰ্ভীক আৰু সাহসী প্ৰেমিক বুলিব পাৰি। মুক্তিৰ মূল্য সংগ্ৰহ কৰি মদনিকাক দিওঁতে মদনিকাই তেওঁক ভৎসৰ্না কৰোঁতে তেওঁ মদনিকাক আশ্বাস দি কৈছে যে সাহসতহে লক্ষ্মী বাস কৰে- *"অপণ্ডিতে সাহসে শ্ৰীঃ প্ৰতিবমতি।"*দৰ্দ্দুৰকৰ প্ৰশংসাত্মক উক্তি আৰু আৰ্যকৰ প্ৰতি তেওঁৰ দায়িত্বশীল তাৰ পৰাও জানিব পাৰি যে তেওঁ এজন বিশ্বাসী বন্ধুও।

**৮) মদনিকা ঃ** মদনিকা হৈছে গণিকা বসন্তসেনাৰ দাসী আৰু বিশ্বস্তা সহচৰী। সেইকাৰণে বসন্তসেনাই চাৰুদত্তৰ প্ৰতি ওপজা গভীৰ প্ৰেম তেওঁৰ আগত ব্যক্ত কৰে। মদনিকা দাসী হ'লেও সজ চৰিত্ৰৱতী। শৰ্বিলকে যেতিয়া মদনিকাৰ মুক্তিৰ মূল্য চাৰুদত্তৰ ঘৰৰ পৰা চুৰি কৰি আনি দিয়েহি তেতিয়া মদনিকাই চাৰুদত্তৰ অনিষ্ট হ'ব পাৰে বুলি শঙ্কা কৰিছে। বসন্তসেনাই সকলোকথা আঁৰৰ পৰা শুনি থাকে আৰু সেই অলঙ্কাৰেৰে সু সজ্জিতা কৰি মদনিকাক শৰ্বিলকৰ হাতত গতাই দিয়ে। শৰ্বিলকে মদনিকাক সকলো অলঙ্কাৰ গত'াই দিয়াৰ সময়ত মদনিকাই কৈ- "স্ত্ৰীৰ দৰে সাধাৰণ প্ৰাণীৰ বাবে তুমি জীৱন আৰু শৰীৰ লগতে চৰিত্ৰকো কলঙ্কিত কৰিলা। *"স্ত্ৰী কল্যবৰ্ত্তস্য কাৰণেনোহয়মপি সংশয়ে বিনিক্ষিপুম্"*(৪ৰ্থ অঙ্ক)। ইয়াত মদনিকাৰ সততা প্ৰকাশ পাইছে।

এই কাৰ্য্য প্ৰশংসনীয়। স্বামীৰ প্ৰতি ভালপোৱা আৰু এগৰাকী আদৰ্শ গৃহিনীৰ প্ৰতিচ্ছবি ডাঙি ধৰিছে। পতিৰ ঘৰলৈ যোৱাৰ সময়ত বাটতে শৰ্বিলক আৰ্যকৰ বন্ধনৰ কথা শুনি ধৰ্মসঙ্কটত পৰে। তেতিয়া মদনিকাই অকলে পতি গৃহলৈ যাবলৈ স্থিৰ কৰে আৰু শৰ্বিলক আৰ্যকৰ সহায়ৰ বাবে যায়।

**৯) ৰদনিকা ঃ** মৃচ্ছকটিকম্-ৰ গৌণ চৰিত্ৰসমূহৰ ভিতৰত ৰদনিকা অন্যতম। তেওঁ চাৰুদত্তৰ চেটী। দৰিদ্ৰতাৰ মাজতো তেওঁ নিষ্ঠাৰে চাৰুদত্ত আৰু ধূতাদেৱীৰ সেৱা কৰিছিল। তেওঁ গৰাকীৰ আজ্ঞাকাৰিণী আৰু চাৰুদত্তৰ দাৰিদ্ৰতাৰ কাৰণে দুঃখিত হৈছিল। ৰোহসেনে সোনৰ গাড়ী বিচাৰি কন্দা-কটা কৰাত তেওঁ তাক প্ৰবোধ দিছে "পুত্ৰ ! এতিয়া আমাৰঘৰত সোনৰ ব্যৱহাৰ নাই। পিতা চাৰুদত্ত পুনৰ ধনৱান হ'লে তোমাক সোনৰ গাড়ী দিব।" দৰিদ্ৰতাই ৰদনিকাকো কষ্ট দিছিল। ধূতা আৰু চাৰুদত্তই ৰদনিকাৰ দৰে কৰ্ত্তব্যপৰায়ণা চেটী লাভ কৰি দৰিদ্ৰতাৰ মাজতো আনন্দিত।

মৃচ্ছকটিকম্-ত থকা বিভিন্ন গৌণ চৰিত্ৰসমূহ যেনে ঃ নগৰৰক্ষী চন্দনক আৰু বীৰক, বিট আৰু চেট, বিচাৰক, চণ্ডাল দুজন, চূৰ্ণবৃদ্ধ, ৰেভিল, পালক, চূৰ্ণবৃদ্ধ, জুৱাৰীদল আদি।

**১০) বীৰক আৰু চন্দনক ঃ** নগৰৰক্ষক চন্দনক আৰু বীৰক ঈৰ্ষাপৰায়ণ ৰাজকৰ্মচাৰী। দুয়োটাৰ ভিতৰত চন্দনক চতুৰ। তেওঁ অতিশয় বুদ্ধিমত্তাৰে আৰ্যকক পলুয়াই পঠাইছিল। তেওঁ চতুৰালিৰে স্বাৰ্থপূৰণ কৰিবজনা লোক। বীৰক হৈছে নিষ্ঠাৱান ৰাজকৰ্মচাৰী আৰু অনুগ্ৰহ লাভৰ আশাত অন্ধভাৱে গৰাকীক তোষামোদ কৰিব জনা লোক।

**১১) বিট আৰু চেট ঃ** শৃঙ্গাৰ ৰসপ্ৰধান নাটকত নায়ক-নায়িকাৰ সহায়ক হিচাবে চেট আৰু বিটৰ দৰে চৰিত্ৰ সংযুক্ত কৰা হয়। সাধাৰণতে তেওঁলোক স্বামীভক্ত, হাস্য ৰসত চতুৰ আৰু উপস্থিত বুদ্ধিসম্পন্ন। চেট সাধাৰণ দাস। আনহতে বিট ভোগ বিলাসত নিজৰ সম্পত্তি হেৰুৱা, ধূতা, নৃত্য-গীত কলাত পাৰদৰ্শী, গণিকাৰ সৈতে কথা-বতৰাত নিপুন, গোষ্ঠীত সন্মানিতজনকে বিট বুলি কয়।

মৃচ্ছকটিকম্ প্ৰকৰণত শকাৰৰ সহচৰ হ'ল বিট তেওঁ অৰ্থবানলোকৰ ছাত্ৰছায়াত আশ্ৰয়লোৱা সুবিধাবাদী লোক। স্পষ্টবাদী হোৱাৰ বাবে শকাৰৰ অপকৰ্মৰ অন্ধ সমৰ্থনকাৰী নহয়। অষ্টম অঙ্কত শকাৰে আগবঢ়োৱা বসন্তসেনাক হত্যা কৰাৰ প্ৰস্তাৱত তেওঁ অসন্মতি জনায়। শকাৰকো তেনে অসৎকাৰ্যৰ পৰা বিৰত হ'বৰ বাবে আহবান জনায়, কিন্তু সফল হ'ব নোৱাৰি শকাৰৰ সঙ্গ পৰিত্যাগ কৰে। বিটে আত্মসন্মান ৰাখি চলিছিল। সেই কথা কাব্যখনৰ বহুতো ঠাইত উল্লেখ আছে। শকাৰৰ সঙ্গী হ'লেও চাৰুদত্তক প্ৰশংসা কৰি চৰিত্ৰৰ সুন্দৰ দিশ আলোকিত কৰিছে। আন্ধাৰতে শকাৰে বসন্তসেনা বুলি ভুল কৰি ৰদনিকাৰ হাতত ধৰিছিল। এই কথাত বিটে লাজ পায় বিদূষকৰ ভৰি ধৰি প্ৰাৰ্থনা কৰিছিল সেইকথা যেন তেওঁ চাৰুদত্তক নজনায়।বিটৰ এই প্ৰাৰ্থনাই চৰিত্ৰটিক মহিমা মণ্ডিত কৰি তুলিছে। সেয়া বিটে শাস্তিৰ ভয়ত কোৱা নাই, নীচ কাম কৰি চাৰুদত্তৰ ওচৰত লাজতে পৰিব বুলিয়েই তেনেদৰে কৈছে।

মৃচ্ছকটিকম্-ত শকাৰ, চাৰুদত্ত আৰু বসন্তসেনাৰ তিনিজন চেট আছে।

চাৰুদত্তৰ চেটৰ নাম — বৰ্দ্ধমানক

শকাৰৰ চেটৰ নাম — স্থাৱৰক

বসন্তসেনাৰ চেটৰ নাম — কুম্ভীলক।

চাৰুদত্তৰ চেট বৰ্দ্ধমানক সহজ-সৰল আৰু বিশ্বস্ত। বসন্তসেনাক পুষ্পকৰণ্ডক উদ্যানলৈ নিবলৈ তেওঁকেই চাৰুদত্তই আদেশ দিছে। কিন্তু গাড়ীৰ কাপোৰ আনিবলৈ যোৱাৰ সময়তেই বসন্তসেনাৰ গাড়ী সলনি হয়।

কুম্ভীলক হৈছে বসন্তসেনাৰ ভৃত্য। তেওঁ বৰ্দ্ধমানতকৈ চতুৰ। সাতটা ফুটা বাঁহী বজায় আৰু গাধৰ মাতেৰে গীত গায় ( ৪/২২)। বসন্তসেনাৰ আগমনৰ বাতৰি দিবলৈ তেওঁ চাৰুদত্তৰ ঘৰলৈ আহে।

শকাৰৰ চেটৰ নাম স্থাৱৰক। তেওঁ স্বামী ভক্ত আৰু শকাৰৰ সহায়ক। প্ৰথম অঙ্কত তেওঁ বসন্তসেনাক অনুসৰণ কৰা শকাৰৰ দলভুক্ত আছিল। কিন্তু বসন্তসেনাক মাৰিবলৈ শকাৰে স্থাৱৰক নানা প্ৰলোভন দেখুৱাৰ পিছতো অস্বীকাৰ কৰিছে। তেওঁ নাৰীহত্যাৰ দৰে মহাপাপ কৰিব নোখোজে। তাৰপাছত তেওঁ শকাৰৰ পৰা বিদায় লৈ আঁতৰি গৈছে।

বিচাৰকজন সাধু, সৎ আৰু নিপুন। আইন অনুসৰি তেওঁ বিচাৰ সভাখন পৰিচালনা কৰিছে। চণ্ডাল দুজন কৰ্ত্তব্যপৰায়ণ আৰু বিবেক সম্পন্ন। যদিও জীৱিকাৰ বাবে তেওঁলোকে মৃত্যুদণ্ড কাৰ্যকৰী কৰিব লাগে। তথাপি এই বৃত্তি তেওঁলোকে ভাল নাপায়। বধ্যজন নিৰ্দ্দোষী বুজি জানিলে তেওঁৰ মুক্তিৰ বাবে সুবিধা দিবলৈ চেষ্টা কৰে। প্ৰথমজন চণ্ডালে চাৰুদত্তক বধকৰাৰ আগতে পিতাকে দিয়া উপদেশমনত পেলাইছে যে— 'যিদিনা তোমাৰ পাল পৰিব, সেইদিনা তৎক্ষণাতে দোষীক বধ নকৰিবা।" বৃত্তিত চণ্ডাল হ'লেও তেওঁলোক মানৱীয় অনুকম্পাৰে মহান।

চূৰ্ণবৃদ্ধ, ৰেভিল আৰু পালক নামৰ চৰিত্ৰ কেইটি মঞ্চলৈ অহা নাই ।কিন্তু আন নাটকীয় পাত্ৰৰ সংলাপৰ পৰা তেওঁলোকৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে অনুমান কৰিব পাৰি। চূৰ্নবৃদ্ধ চাৰুদত্তৰ উপকাৰী বন্ধু। ৰেভিল নিপুন গায়ক। তেওঁৰ তাল, মান, স্বৰ আদিৰ জ্ঞান দেখি চাৰুদত্ত আচৰিত হৈছে। দ্বিতীয় অঙ্কত জুৱাৰী, দৰ্দ্দুৰকৰ উক্তিৰ পৰা জনা গৈছে যে আভীৰ পুত্ৰ আৰ্যক উজ্জয়িনীৰ পৰৱৰ্তী ৰজা হ'ব বুলি দৈৱজ্ঞই ভৱিষ্যতবাণী কৰিছে। পাছত গ'ণবিপ্লৱৰ জৰিয়তে সিংহাসনত উঠিছে। শেষত আৰ্যক অৱন্তী দেশৰ নৃপতি হৈছেগৈ। তেওঁ ৰাজনীতিত পটুলোকনেতা। তেওঁক বিপদত সহায় কৰা সকলো বন্ধুলৈকে উপহাৰ স্বৰূপে ৰাজ্য আদি দান কৰি কৃতজ্ঞতা আৰু বন্ধুবাৎসল্য প্ৰকাশ কৰিছে। পালক উজ্জয়িনীৰ স্বেচ্ছাচাৰী ৰজা। শকাৰ আদিৰ দৰে ৰাজকৰ্মচাৰীৰ উদ্ধতালিয়ে পালকক কলঙ্কিত কৰিছে।

এনেদৰে বিশ্লেষণ কৰি চালে দেখা যায় যে মৃচ্ছকটিকম্-ৰ প্ৰত্যেকটি চৰিত্ৰই স্বকীয় গুণ-দোষেৰে সমৃদ্ধ আৰু প্ৰত্যেকেই নিজৰ সামৰ্থ অনুযায়ী নাটকখনৰ অগ্ৰগতিত অৰিহনা যোগাইছে। প্ৰতিটো চৰিত্ৰ চিত্ৰণত শূদ্ৰকে নৈপুণ্য দেখুৱাব পাৰিছে।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

মৃচ্ছকটিকম্ প্ৰকৰণখনিত কেনেকুৱা চৰিত্ৰৰ সমাহাৰ ঘটিছে? (৪০ টা শব্দৰ ভিতৰত লিখক)

..........................................................................

..........................................................................

..........................................................................

..........................................................................

..........................................................................

## ৩.৭ সাৰাংশ (Summing Up)

মহাকবি শূদ্ৰকৰ ৰচিত 'মৃচ্ছকটিকম্' প্ৰকৰণ শ্ৰেণীৰ দৃশ্য কাব্য। মৃচ্ছকটিকম্-ৰ পটভূমি প্ৰাচীন ভাৰতৰ এক ঐশ্বৰ্য্যশালী নগৰী। মৃচ্ছকটিকম্-ত এখন তিনিতৰপীয়া সমাজৰ প্ৰতিচ্ছবি দেখা যায়। তাত ৰজা, ৰাজপুৰুষ, শকাৰ, বিচাৰপতি আদি এটা স্তৰৰ সদস্য, বিট, ভিক্ষু, শৰ্বিলক, চণ্ডাল আদি নিম্ন মধ্যবিত্তসকল আন এটা স্তৰৰ লোক। চাৰুদত্ত, মৈত্ৰেয় আদি উচ্চমধ্যবিত্তসকল আন এটা স্তৰৰ লোক। এই তিনিটা স্তৰৰ মাজতে থকা কাৰ্যকাৰিতাৰ ঐক্যই এখন সুন্দৰ সমাজৰ ইঙ্গিত দিয়ে। ইয়াত ৰাজনৈতিক ঘটনা সংযোগ কৰা হৈছে যদিও ৰাজকীয় ঐশ্বৰ্য্যৰ পয়োভৰ প্ৰকৰণখনিৰ কোনো ঠাইতে দেখিবলৈ পোৱা নাযায়।

মঞ্চত ৰজাৰ প্ৰবেশ ঘটা নাই যদিও প্ৰতি মুহূৰ্ত্তে এজন স্বেচ্ছাচাৰী ৰজাৰ উপস্থিতি অনুভৱ কৰা যায়। গতিকে বুজা যায় তেতিয়াৰ সমাজখনত ৰজাই সৰ্বেসৰ্বা আছিল। ৰজা স্বেচ্ছাচাৰী হ'লে প্ৰজাৰ মনত অসন্তুষ্টিয়ে দেখা দিছিল আৰু বিদ্ৰোহী প্ৰজাই ৰজাৰ অপসাৰণ পৰ্যন্ত কৰিব পাৰিছিল। লক্ষ্যকৰা যায় যে মৃচ্ছকটিকম্-ৰ ঘটনাৱাজিৰ আধাৰভূত উজ্জয়িনীৰ প্ৰজাসকল স্বেচ্ছাচাৰী ৰজাৰ বাবে অসন্তুষ্ট হৈ বিদ্ৰোহৰ এক অন্তঃস্ৰোত প্ৰবাহিত হৈ আছিল। তাৰ প্ৰভাৱত চন্দনকে আৰ্যকক চাৰুদত্তৰ গাড়ীৰ ভিতৰত দেখিও পলুৱাই পঠাইছিল।

নৱম অঙ্কত এখন ন্যায়িক কাৰ্যবাহী সভাৰ পৰিচালনা পদ্ধতি সম্পৰ্কে জানিব পৰা যায়। বিচাৰকৰ সিদ্ধান্তই শেষ সিদ্ধান্ত আছিল যদিও ৰজাৰ অনুমোদন সাপেক্ষেহে তেনে সিদ্ধান্ত কাৰ্যকৰী হৈছিল।

সেই যুগত বৰ্ণ বিভাজন স্পষ্ট ভাবে আছিল। চাৰুদত্ত ব্ৰাহ্মণ হ'লেও ব্যৱসায় বাণিজ্য কৰিছিল। তেওঁৰ পূৰ্বপুৰুষ সকলেও বাণিজ্যৰ দ্বাৰা বহু অৰ্থলাভ কৰিছিল। ব্ৰাহ্মণ শৰ্বিলক চৌৰ্যকাৰ্যত নিপুন আছিল।

সমাজত নাৰীৰ স্থান উচ্চ আছিল। পুৰুষে একাধিক পত্নী গ্ৰহণ কৰিব পাৰিছিল। ব্ৰাহ্মণ চাৰুদত্ত আৰু শৰ্বিলকে গণিকা বসন্তসেনা আৰু মদনিকাক বিবাহ কৰোৱা কথাই অসৱৰ্ণ বিৱাহৰ প্ৰমান দিয়ে যদিও ৰজা আৰ্যকেহে বসন্তসেনাক 'বধূ' শব্দেৰে অনুগৃহীত কৰিছে।

সমাজত দাসত্ব প্ৰথা প্ৰচলিত আছিল। শৰ্বিলকে মদনিকাক দাসত্বৰ পৰা মুকলি কৰিবলৈ ধন গোটোৱাৰ পৰা অনুমান কৰিব পাৰি যে দাসৰ ক্ৰয়-বিক্ৰয় প্ৰথাও সমাজত প্ৰচলিত আছিল। জুৱাখেলৰ প্ৰচলনো দেখা যায়। খেল পৰিচালনা কৰিবৰ বাবে একোটা সংগঠন আছিল। তাৰ মুখিয়াল জনক মাথুৰ বুলি কোৱা হৈছিল। আইনভঙ্গ কৰোঁতা জনৰ ওপৰত বিহিত ব্যৱস্থা লোৱাৰ সংগঠনৰ আছিল। সেয়েহে ৰাজপথত সংবাহকৰ ওপৰত মাথুৰে অত্যাচাৰ কৰোতেও কোনোলোকে প্ৰতিবাদ কৰা নাছিল। দৰ্দ্দূৰকেও কৌশলেৰেহে দোষীক পলুৱাই পঠিয়াবলগীয়া হৈছিল।

জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা স্বচ্ছল আছিল। দেশৰ অৰ্থনীতি প্ৰধানকৈ বেহা-বেপাৰৰ ওপৰতে নিৰ্ভৰ কৰিছিল। ৰাজপুৰুষ আৰু ব্যৱসায়ী গোষ্ঠীটো যথেষ্ট বিত্তশালী আছিল। সেয়েহে শকাৰে বসন্তসেনাক ৰাণীৰ দৰে ৰাখিব বুলি প্ৰতিশ্ৰুতি দিছিল। চাৰুদত্তৰ প্ৰতিবেশীয়ে সোনৰ খেলনাগাড়ীৰে খেলিবলৈ দিছিল। সুৰাপান, পাশাখেল, গণিকালয় গমন আদিত বিত্তশালী লোকসকলৰ অবাধ গতি আছিল। বসন্তসেনাৰ দৰে গণিকাই কুবেৰৰ প্ৰাসাদোপম অট্টালিকা অধিকাৰ কৰি আছিল। গণিকা সম্প্ৰদায় যথেষ্ট ধনী আছিল যদিও হীন বৃত্তিধাৰী বুলি সামাজিক মৰ্যদা দিয়া হোৱা নাছিল।

মৃচ্ছকটিকম্-ৰ পৰা তৎকালীন সমাজত প্ৰচলিত ধৰ্মীয় সংস্কাৰ, লৌকিক আচাৰ-আচৰণ আৰু সামাজিক অন্ধবিশ্বাসৰ বিষয়ে জানিব পাৰি। সমাজত হিন্দুধৰ্মৰ প্ৰাধান্য আছিল। প্ৰস্তাৱনাতে সূত্ৰধাৰৰ পত্নী নটীয়ে তেওঁৰ ব্ৰত সমাপ্তিৰ উৎসৱ পালন কৰাৰ কথা কৈছে। প্ৰকৰণখনিৰ বিভিন্ন ঠাইত ব্ৰত, উপবাস, আদি পালনৰ কথা কোৱা হৈছে। বলি উৎসৰ্গাৰ উল্লেখো পোৱা যায়। ধৰ্মীয় আৰু লৌকিক অনুষ্ঠানৰ প্ৰসঙ্গও নাটকখনিৰ বিভিন্ন ঠাইত আছে।

বৌদ্ধধৰ্মই সামাজিক স্বীকৃতি পাইছিল আৰু বৌদ্ধ ভিক্ষুক সন্মান কৰিছিল। বাস্তৱ জীৱনৰ লগত সঙ্গতি ৰাখি বিষয়বস্তু, চৰিত্ৰ, সংলাপ আদি সজাই তোলা হৈছে। একেসময়তে ৰজা আৰ্যকৰ ৰাজনৈতিক অভ্যুত্থান আৰু চাৰুদত্ত-বসন্তসেনাৰ প্ৰণয়কাহিনী সমান্তৰাল ভাবে আগবঢ়াই নিয়া হৈছে।

এনেদৰে বিশ্লেষণ কৰি চালে মৃচ্ছকটিকম্-ত দুই এটা ত্ৰুটি চকুত পৰে যদিও মৃচ্ছকটিকম্ এখন মঞ্চসফল নাট হিচাপে পৰিগণিত হৈছে। ইয়াত এটা সুপৰিকল্পিত কাহিনী আছে। প্ৰতিটো অঙ্কতে ঘটনা ৰাজিৰ সমবিকাশ ঘটিছে। সাধাৰণ প্ৰাচীন ভাৰতীয় কাব্যৰ দৰে ইয়াত অতিলৌকিক ঘটনা বা চৰিত্ৰ সন্নিবিষ্ট কৰা হোৱা নাই। মানুহৰ সাধাৰণ জীৱন-যাপন প্ৰণালীক কেন্দ্ৰ কৰিয়েই বাস্তৱ সুখ-দুখ, আবেগ অনুভূতি, অভাৱ-ঐশ্বৰ্য্য আদিৰ বিভিন্ন চিত্ৰ শূদ্ৰকে ইয়াত অঙ্কন কৰিছে। মৃচ্ছকটিকম্-ক অপূৰ্ব কাব্যকলাৰ এক নিদৰ্শন বুলি অভিহিত কৰিব পাৰি। ভাষা, শব্দবিন্যাস, অলঙ্কাৰ, ছন্দ, গুণ-ৰীতি আদিৰ যথাযথ প্ৰয়োগৰ পৰা শূদ্ৰকৰ সুক্ষ্ম অনুভূতিশীলতা আৰু শিল্প সচেতনতাৰ উমান পাব পাৰি। মুঠতে, শূদ্ৰকৰ অসামান্য কাব্য প্ৰতিভাই হৈছে মৃচ্ছকটিকম্-ৰ সাফল্যৰ অন্যতম কাৰণ।

## ৩.৮ অৰ্হিপ্ৰশ্ন (Sample Questions)

১। মৃচ্ছকটিকম্-ত উল্লেখ কৰা বিচাৰ দৃশ্যৰ এটি আলোচনা আগবঢ়োৱা। বৰ্ত্তমান বিচাৰ পদ্ধতিৰ সৈতে মৃচ্ছকটিকম্-ৰ বিচাৰ পদ্ধতিৰ মিল আছেনে?

২। 'মৃচ্ছকটিকম্ প্ৰাচীন ভাৰতীয় নাট্য সাহিত্যত এক ব্যতিক্ৰম'— এই কথা প্ৰতিপন্ন কৰিব পৰাকৈ এটি প্ৰৱন্ধ লিখা।

৩। মৃচ্ছকটিকম্-ত ৰূপায়িত হোৱা সাহিত্যিক সমীক্ষা আগবঢ়োৱা।

৪। মৃচ্ছকটিকম্-ৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

৫।বাস্তৱধৰ্মী নাটক ৰূপে মৃচ্ছকটিকম্-ৰ এটি পৰ্যালোচনা আগবঢ়াওক।

৬। চমুটোকা লিখা—
শকাৰ, বসন্তসেনা, ৰোহসেন, বিদূষক, ধূতা।

৭। মৃচ্ছকটিকম্-ৰ সাৰাংশ লিখা।

## ৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings )


শ্ৰীহৰিদাস সিদ্ধান্ত বাগীশ ভট্টাচাৰ্য।ঃ *মৃচ্ছকটিকম্*

মালিনী গোস্বামী ঃ *মৃচ্ছকটিকমমীমাংসা*

থানেশ্বৰ শৰ্মা। ঃ *মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্ ঃ এক সমীক্ষা*

থানেশ্বৰ শৰ্মা (অনু.) ঃ *মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্*


* * *